অন্য দিগন্তৰ সিপাৰে

কমলেশ্বৰ পাঠক

ANYA DIGANTAR SIPARE . A novel written by Kamaleswar Pathak and published by Smt Girija Das, Fatasil Manpara, Guwahati-25.
Price . Rupees Twenty only

॥ অন্য দিগন্তৰ সিপাৰে ॥

প্ৰকাশিকা : শ্ৰীমতী গিৰিজা দাস
ফটাশিল মানপাৰা, গুৱাহাটী-২৫

প্ৰথম প্ৰকাশ : অক্টোবৰ, ১৯৮৬ ইং

বেটুপাতৰ শিল্পী : ৰবীন চৌধুৰী
আমবাৰী (নিজবাবু)
গুৱাহাটী-২৫

মূল্য : ২০.০০ টকা

মুদ্ৰক : লক্ষ্মী প্ৰিণ্টাৰ্ছ
ফটাশিল আমবাৰী, গুৱাহাটী ২৫

মোৰ দেউতা ৺সত্যৰাম মণ্ডলৰ পুণ্য স্মৃতিত
"অন্য দিগন্তৰ সিপাৰে" অৰ্পণ কৰা হ'ল ।

॥ প্ৰকাশিকা ॥

শ্ৰীমতী গিৰিজা দাস (মণ্ডল)

DIREC ATE OF LIBRARY SERVICES • ASSAM, GUWAHATI •

পাতনি ঃ

উপন্যাস সাহিত্যজগতৰ এটি জনপ্ৰিয় সম্পদ। মানব জীৱনৰ সুদীৰ্ঘ দিন ধৰি ঘটা একোটা বাস্তৱ ঘটনা ক্ৰমানুসাৰে লিখি উলিয়ালেই উপন্যাস ৰূপে পৰিগণিত হয়। কিন্তু যেনে-তেনে কাহিনী এটা লিখি উলিয়ালেই ই উপন্যাস হব নোৱাৰে। উপন্যাস এখন পঢ়িবলৈ লৈ পাঠকসকলে সদায় এটা পূৰ্ণাঙ্গ আৰু সৰস কাহিনী শিল্প-গুণেৰে গুণান্বিত হৈ হৃদয় আলোড়িত কৰাটোকে আশা কৰে। উপন্যাসত নৱৰসৰ সমন্বয় ঘটিলেহে সাৰ্থক সৃষ্টি বুলি কব পাৰি। ইয়াত বৰ্ণিত চৰিত্ৰ সমূহৰ এটা ন্যায় সঙ্গত পৰিণতি দেখুৱাব পাৰিলেহে সৃষ্টিৰ মহান সাৰ্থকতা পৰিস্ফুট হয়। উপন্যাসত চৰিত্ৰৰ ভাষা, কথোপকথন, নাট্যশিল্প আদি সু সংযত ৰূপত সজাব পৰাটোৱেই উপন্যাস ৰচনাৰ ঘাই কথা। চৰিত্ৰ ৰূপায়ণৰ কৌশল জনাটোতেই ঔপন্যাসিক সাধাৰণতে সফল হোৱা বুলি ধৰি লব পাৰি। মুঠতে উপন্যাসৰ কাহিনী নিৰ্ব্বাচন, ভাষাৰ স্বকীয়তা চৰিত্ৰৰ উপস্থাপন, ৰচনাশৈলী আদি যথাযথ ৰূপত উপস্থাপন কৰিব নোৱাৰিলে উপন্যাস ৰচনা এটা ব্যৰ্থ প্ৰয়াস।

"অন্য দিগন্তৰ সিপাৰে" শ্ৰীকমলেশ্বৰ পাঠকৰ এখন সুখপাঠ্য উপন্যাস। লেখকে ইয়াত কাহিনীৰ জাল তৰিবলৈ, ভাষাৰ বৈশিষ্টতা ৰক্ষা কৰিবলৈ, চৰিত্ৰ সমূহৰ বচন উপযোগযুক্ত কৰিবলৈ সক্ষম হৈছে। উপন্যাসৰ মূল নায়ক কুঞ্জনৰ চৰিত্ৰত কৰুণতা, বদান্যতা, ত্যাগ আৰু ধৈৰ্য্যৰ উজ্জ্বল দিশ প্ৰতিভাত হৈছে। আন আন চৰিত্ৰসমূহ—যেনে ৰেণু, স্বপন, ইন্দু আদিৰ চৰিত্ৰতো আশা, আকাঙ্খা, সন্দেহ, বেদনা, ত্যাগ, দ্বিধা, প্ৰাপ্তিৰ আনন্দ, বিসৰ্জ্জনৰ দুখ আদিৰ নিৰ্ভেজাল ছবি পৰিস্ফুট হৈছে। উপন্যাসখনত গাওঁ জীৱন আৰু নগৰীয়া জীৱনৰ

প্ৰতিচ্ছবি নিখুঁতভাবে আঁকা হৈছে। গাৱঁৰ জীৱনৰ চিন্তা চৰ্চা আদি ৰমাকান্ত, উমাশংকৰ, ৰেণুৰ বান্ধৱী আদিৰ সংলাপত সুন্দৰ ভাবে ফুটি উঠিছে। "অন্য দিগন্তৰ সিপাৰে"ত ৰোমান্টিক দিশটো যেনেদৰে উল্লাসেৰে ধৰি ৰখা হৈছে--মৰ্মাহত বেদনাৰ দিশটোও কুসুম, ৰেণু, উমাশংকৰ, ইন্দু আদিৰ চৰিত্ৰৰ মাজেৰে স্পষ্টভাবে বান্ধি ৰখা হৈছে।

উপন্যাসখনত মূল নায়কক নাটকীয়ভাবে মৃত্যুৰ মুখলৈ ঠেলি দিয়া, পৰিত্যাগ কৰা পত্নীৰ প্ৰতি হঠাতে দৰদ উথলি উঠা, নাম-ঠিকনা নজনা যুবক এজনক বিদেশলৈ পঢ়িবলৈ পঠোৱা দুই এটা বিসদৃশ, অস্বাভাৱিক ঘটনা থাকিলেও ই পাঠকক আমনি নকৰিব আৰু উপন্যাসৰ মূল ৰসস্বাদনৰ পৰা বঞ্চিত নকৰিব। শ্ৰীপাঠকৰ ভাষাত সাবলীলতা আছে, উপন্যাসখনৰ ৰোমান্টিক দিশটোক তেওঁৰ ৰচনা শৈলীৰে সজীৱ কৰি তুলিবলৈ সমৰ্থ হৈছে। আমি শ্ৰীকমলেশ্বৰ পাঠকৰ সাহিত্যজগতত দিয়া পদক্ষেপক স্বাগতম জনাইছো, তেওঁৰ কিতাপ প্ৰকাশৰ সাহসক অভিনন্দন জনাইছো। সাহসৰ কথা ইয়াত এই কাৰণেই কোৱা হৈছে যে অসমত কিতাপৰ প্ৰকাশ আৰু বিক্ৰি দুয়োটাই কঠিন কাম।

শ্ৰীবিজু হাজৰিকা

২৮ অক্টো'বৰ

১৯৮৬ চন

DIRECTORATE OF LIBRARY SERVICES
ASSAM, GUWAHATI

লিখকৰ কথা ঃ

সেইজনা মোৰ পৰম আৰাধ্য পিতৃদেৱ স্বৰ্গীয় চন্দ্ৰমোহন নাথ—যিজনাৰ আশীষ আৰু প্ৰেৰণাই মোক পঢ়িবলৈ, লিখিবলৈ সদায় উদ্বুদ্ধ কৰিছিল, যিজনাৰ স্মৃতিয়ে আজিও মোক সকলো দিশতে প্ৰেৰণা দি আহিছে, 'অন্য দিগন্তৰ সিপাৰ'ৰ সম্পৰ্কত কিবা অলপ লিখিবলৈ লওঁতে তেখেতক প্ৰথমতে শ্ৰদ্ধাৰে সোঁৱৰিছো। তেখেত আছিল এজন ধাৰ্ম্মিক, ন্যায়পৰায়ণ, কষ্টসহিষ্ণু আৰু দয়ালু ব্যক্তি—এক কথাত সৎ ব্যক্তি। তেখেতৰ মৃত্যুত তেখেতৰ স্মৃতিয়ে মোক তেখেতৰ সোঁৱৰণৰ বাবে কিবা এটা কৰিবলৈ সকিয়াই দিয়াত যেন জন্ম হ'ল অপৈনত অভিজ্ঞতাৰে চেলেঙীয়া কলেজীয়া যুৱক মনৰ অসংযত ভাবনাৰ জোৱাৰ—এটি প্ৰণয় কাহিনী, প্ৰেম, কাৰুণ্য, মানসিক অন্তৰ্দ্বন্দ্ব, দুখ, নৈৰাশ্য, মানৱপ্ৰীতি, সহৃদয়তা, হিংসা-খিয়াল, মান অভিমানেৰে গভীৰ এক প্ৰণয়ৰ স্বাক্ষৰ—"অন্য দিগন্তৰ সিপাৰে"। জীৱনৰ বহু ঘাট প্ৰতিঘাটৰ মাজত সোমাই অৱশ্যে দীৰ্ঘ ১৪ বছৰে সেই কাহিনীটোলৈ চকু ফুৰাবলৈ পাহৰি আছিলো। যি হওক ১৯৮৫ চনৰ মাজভাগত কাহিনীটোলৈ উভতি চালো—অদৰ্কাৰী বৰ্ণনাবোৰ বাদ দি সংযত ভাবে নতুনকৈ কাহিনীটো সজাবলৈ যত্ন কৰিলো আৰু তাৰেই ফলস্বৰূপে কাহিনীটো আজি পঢ়ুৱৈৰ হাতত দিবপৰা হৈছোহি। পঢ়ুৱৈ বাইজে পঢ়ি সন্তোষ পালে মোৰ কষ্টৰ সাৰ্থক হোৱা বুলি ভাবিম আৰু ভাবিম মোৰ স্বৰ্গগত পিতৃদেৱৰ আশীৰ্বাদ লভিছো।

আগতেই উল্লেখ কৰিছো, এয়া অপৈনত অভিজ্ঞতাৰে ৰচা কাহিনী। ভুল বহুতো থাকি যাব পাৰে। পঢ়ুৱৈ বাইজলৈ মোৰ অনুৰোধ—সেইবোৰ আঙুলিয়াই দি মোক উপলব্ধি কৰিবলৈ

উলগনি দিয়ে যেন । এই খিনিতে কিতাপখনিত ছপাওতে হৈ যোৱা অনিচ্ছাকৃত ক্রটি আৰু আসোঁৱাহ কোনৰ বাবে পঢ়ুৱৈ ৰাইজৰ ওচৰত ক্ষমা বিচাৰিছো ।

'অন্য দিগন্তৰ সিপাৰে' এটি কল্পনাৰে নির্মিত কাহিনী—কিন্তু বাস্তৱক এৰাই যোৱা কাহিনী নহয় । সমাজৰে চলিত চৰিত্র কিছুমানৰ চিত্র—চিত্রবোৰত সঠিকভাবে ৰং সানিছো নে নাই সেৱা পঢ়ুৱৈ ৰাইজৰহে বিচাৰ্য্য । মই নকওঁ এই কাহিনীয়ে মোৰ আজিৰ ভাবদর্শন নিখুঁতভাবে বহন কৰিব পাৰিছে, কিন্তু মই এইটোৱো নকওঁ যে এটি গভীৰ প্রণয় কাহিনী আজিৰ সমাজত অচলিত । প্রেম শাশ্বতঃ, আবহমান, যদিও বিজ্ঞানসম্মতঃ দৃষ্টি ভঙ্গীৰে, বস্তুবাদী বিচাৰেৰে প্রেম আৰু নাৰীৰ স্বকীয় ৰূপ আৰু স্বৰূপৰ বিশ্লেষণ কৰিবলৈ যাওতে গভীৰ প্রেমৰ বন্ধনা প্রয়াসী ৰূপ আৰু বাস্তৱত অর্থনৈতিক প্রভাবেৰে ব্যৱহাৰিক প্রেমৰ সৰূপ স্বৰূপ বহু ক্ষেত্রত ভিন্ন হোৱা দেখা যায় । অন্যহাতে কোনোটোৱে কিন্তু চলিত সমাজ আৰু মানুহৰ পৰা বিচ্ছিন্ন নহয় । এই খিনিতে উন্নুকিয়াই থও কাহিনীৰ লগত সামঞ্জস্য ৰাখিব পৰাকৈ কেইজন মান বিখ্যাত মনীষীৰ যেনে শেকচ্‌পীয়েৰ, চেমুৱেল টেল, ৰোঁমাৰোঁলা, এলিজাবেথ বাৰেট ব্রাউনিং আদিৰ কেইটামান উক্তি সন্নিবিষ্ট কৰা হৈছে ।

কিতাপখনি পঢ়ুৱৈ ৰাইজৰ আগত ডাঙি ধৰাৰ সুযোগতে মোৰ অন্তৰঙ্গ বন্ধু, কলেজৰ সহপাঠি শ্রীসত্যনাথ শর্মাক (B R P L) শলাগিছো । কাৰণ তেওঁ মোক কাহিনীটো লিখাৰ সময়ত (অক্টোবৰ, ১৯৭১ চন) উৎসাহ যোগাইছিল ।

সংশোধন কৰাৰ পিচত কটাশিল আমবাৰী নিবাসী শ্রীবিজু হাজৰিকাদেৱক কাহিনীটো দেখুৱাইছিলো (১৯৮৫ চন), পঢ়ি উঠি ভাল হোৱা বুলি শলাগি মোক তেওঁ ছপাবলৈ উদগনি দিলে । তেওঁৰ ওচৰত মই কৃতজ্ঞ ।

শ্ৰীমতী গিৰিজা দাসে (ফটাশিল, মানপাৰা, গুৱাহাটী—২৫) কিতাপ খনি প্ৰকাশ কৰাৰ দায়িত্ব লৈ যিখিনি সহৃদয়তাৰ পৰিচয় দিলে, তাক মই কেতিয়াও নাপাহৰো ।

কিতাপখনি প্ৰকাশ কৰাত শ্ৰীযুত দিবাকৰ ভাগৱতীদেৱৰ (অধ্যাপক, আৰ্য্যবিদ্যাপীঠ কলেজ) সহায় আৰু সহযোগৰ শলাগ লৈছো, লগতে লক্ষ্মী পিণ্টাৰ্ছৰ সমূহ কৰ্ম্মীবৃন্দলৈ মোৰ আন্তৰিকতা জনাইছো ।

সৰ্বশেষত কিতাপখনি প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিশত সহায় কৰা যাবে মোৰ মৰমৰ ভটিজী ছায়া দেৱী, মো'ৰ ভাইটি ৰবীন চৌধুৰী (বেটুপাতৰ শিল্পী), মোৰ অন্তৰঙ্গ বন্ধু দেবেন তামুলী (দূৰদৰ্শন কেন্দ্ৰ, গুৱাহাটী) বাণীকান্ত দাস (এলাহাবাদ বেঙ্ক), মোৰ সহকৰ্ম্মী যোগেন সাউদ, অনিল চক্ৰবৰ্ত্তী, ভবেন ডেকা, অমল বৰ (LICI.), মোৰ ভাতৃতুল্য পঙ্কজ, জয়ন্ত আৰু ৰামচন্দ্ৰলৈ মোৰ সহৃদয়তা আৰু আন্তৰিকতা জনালোঁ ।



আমবাৰী (নিজবাবন) গুৱাহাটী-২৫

অক্টোবৰ, ১৯৮৬ ইং

এক

নগৰৰ পৰা পোন্ধৰ কিলোমিটাৰমান নিলগত সোণপুৰ গাওঁখনি অৱস্থিত। যেন কবিৰ কল্পনাৰ এই গাওঁখনি—"শুৱনি আমাৰ গাওঁখনি অতি "। সঁচাকৈয়ে শুৱনি এই সোণপুৰ গাওঁখনি—চিৰ সেউজী—মনোৰম প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ, উত্তৰেদি কল্লোলিত সুৰে বৈ যোৱা সৰু নদীখনি, দক্ষিণফালে খেতিৰ পথাৰ—শাওণত সেউজী, আঘোণত সোণালী। নদীটোৰ ওচৰতে ঘাই আলিৰ উত্তৰত ধুনীয়া মনিকূটটিৰে বান্তছুৱা নামঘৰটো। মাঘ-মহীয়া পূর্ণিমা তিথিত নামঘৰটোত ডাঙৰ উৎসৱ হয়। শৰতত স্থানীয় ক্লাবটোৰ উদ্যোক্তা সকলৰ সৌজন্যত দুৰ্গা উৎসৱ উদযাপিত হয়।

সোণৰ দৰে আকৰ্ষণীয় এই গাওঁখনি যিকোনো মানুহৰ মন মুহিব পৰাকৈ মোহনীয়। সন্ধিয়া মলয়াৰ জুৰলৈ নদীটোৰ পাৰে পাৰে ফুৰিবলৈ ইমান যে ভাল লাগে। অস্তমিত ৰাঙলী সূৰুযৰ ৰঙা ৰংবোৰ পানীত প্ৰতিফলিত হৈ কিযে অপৰূপ সৌন্দৰ্য্যৰ সৃষ্টি কৰে। কত স্মৃতি, কত ঘটনা, কিমান যে বিচিত্ৰ অভিজ্ঞতাৰ সাক্ষ্য বহন কৰি আছিছে নদীটোৱে। কিমানৰ গোপন ভাষা, কিমানৰ গুপ্ত হুমুনিয়াহ, কিমান যে ৰংধেমালী, দুখ নৈৰাশ্য সংগোপনে আজিও কঢ়িয়াই আছে।

এইখনি সোণপুৰ গাওঁৰে সোমাজত ঘাইআলিৰ উত্তৰকালে পদূলিমুখত দুকালে দুজোপা তালগছ থকা ঘৰটোৱেই বেণুকান্তৰ ঘৰ। সিদিনাৰ ফ্ৰকপিন্ধি নাচি-বাগি ফুৰা উমলীয়া পখিলাজনী আজি মস্ত এজনী হল। লাহী, ওখকৈ অতিকৈ ধুনীয়াজনী

ৰেণুকাদেৱী। শঁচাকৈয়ে সৃষ্টিকৰ্তাই নিখুঁত ৰূপত গঢ় দিছে তাইক। চকুৰ উজ্জল জ্যোতি, মুখৰ অনুপম কমনীয়তা, মোহনীয়া মসৃন উঠন পয়োধৰা যেন বয়সকো চেৰ পেলাব খুজিছে। নিয়মীয়াকৈ শকত, পঢ়ুমৰ পাহীৰ দৰে উৰুযুগল লোভ লগাব পৰাকৈ শুৱনি। আৰু তাতোকৈ শুৱনি মসৃন তাইৰ কলাফুল ছুটালৈ ৰুকপিঙ্কা অলঙ্কাত দেখিলে আনকি আদহীয়া সকলেও আকুল নয়নে নোচোৱাকৈ নোৱাৰে। শান্ত, সৌম্য, সজ আৰু বিনয়ী প্ৰকৃতিৰ ৰেণুকাজনী যেন এপাহ লাজুকীলতা— বোনোবাই চালেই যেন লাজত জয় পৰি যাব। অন্যহাতে তাই গম্ভীৰ, বুদ্ধিমতী— তাইৰ স্বাভাবিক গাম্ভীৰ্যতাক সকলোৱে সমীহকৈ চলিবলৈ বাধ্য হয়। বয়স অনুপাতে বেছি গহীন বাবে লগৰীয়াবোৰৰ কিছুমানে তাইক আবেগশূন্য বুলি ভাবে, কিছুমানে আকৌ তাইক গৌৰৱী বুলি সমালোচনা কৰে।

ৰেণুৰ দেউতাক প্ৰমথ নাথ স্থানীয় হাইস্কুলৰ প্ৰধান শিক্ষক। স্বভাৱত খঙাল যেন লাগিলেও ভিতৰি কিন্তু নিৰ্জ্জু আৰু মৰমীয়াল। স্কুলখনৰ উন্নতিৰ বাবে কৰা তেওঁৰ ত্যাগ-স্বীকাৰক সকলোৱে শ্ৰদ্ধাৰে স্বীকৃতি দিয়ে।

ৰেণুৰ মাক সত্যবতী শঁচাকৈয়ে যেন সত্যৰ প্ৰতীক স্বৰূপ। নিজে যেনে সৎ, আদৰ্শবাদী, জীয়েকজনীকো একেটা ঠাঁচতে গঢ়িবলৈ যত্ন কৰাৰ ফলতেই ৰেণুৰ বাহ্যিক আচৰণ বোৰতো ফুটি উঠিছিল সদ্ভাৱৰ স্পষ্ট বিকাশ।

বিমান ৰেণুৰ একমাত্ৰ ককায়েক। গুৱাহাটীত ইঞ্জিনিয়াৰিং পঢ়ে। খেলাধুলা, পঢ়াশুনা সকলোতে নিপুণ দক্ষতা। চৰিত্ৰৰ ফালৰ পৰা বেছিকৈ উদাৰ। সকলো কথাকে সুক্ষ্মভাৱে বিবেচনা কৰিহে গ্ৰহণ কৰিব খোজে। মাক-দেউতাকৰ প্ৰতি তাৰ অসীম শ্ৰদ্ধা, ৰেণুৰ প্ৰতি প্ৰবল অভিপ্ৰায়।

ৰেণুৰ একমাত্ৰ সৰু ভায়েক জীৱন সকলোৰে অতি আদৰৰ,

অতি মধুৰ। আৰবত ল'ৰা হোৱাৰ দৰে আদৰৰ অতিশয্যৰ কাৰণেই নেকি পঢ়াশুনাৰ প্ৰতি মনোযোগ তাৰ কম। মগজটো পিচে বেয়া নহয়। গাওঁৰ সক লৰাৰ দলটোৰ সি লীডাৰ। স্কুলৰ সাংস্কৃতিক অনুষ্ঠান বোৰত গানগোৱা, অভিনয় কৰাৰ পৰা আৰম্ভ কৰি লোকৰ বাৰীৰ বতৰীয়া আম, কঠাল, লিচু, আনাৰস আদি চুৰকৈ খোৱালৈকে কোনো কামতে পিছ পৰি থকা বিধৰ নহয়। প্ৰয়োজনত আক হুক কথাত ডাঙৰৰ লগত কাজিয়া কৰা বাবে দেউতাকৰ গালি মাত কেৰাবাৰো খ'বলগীয়া হৈছে সি।

যথেষ্ট সুবিধা থকা স্বত্বেও প্ৰমথ নাথে বেণুক স্থানীয় হাইস্কুলত পঢ়িবলৈ নিদি গোৱালপাৰা চেণ্ট্ৰেল গাৰ্লচ হাইস্কুলত নাম ভৰ্ত্তি কৰাই হোষ্টেলত থকাৰ ব্যৱস্থা কৰি দিয়ে। বৰ্ত্তমান তাই নৱমমান শ্ৰেণীৰ ছাত্ৰী। সিমান চোকা নহয় যদিও এতিয়ালৈ বেয়া ফলাফল কৰা নাই। লগৰ ছোৱালীবোৰৰ মতে বেণু সিমান অাপটু ডেট বা স্মাৰ্ট নহয়। ইমান দিনে হোষ্টেলত থাকিও বাহিৰে খোজ কাঢ়োতে কেৰাহীকৈ লৰাৰ ফালে চাবলৈ ভয় কৰা বেণুক সিহঁতে পিছত সমালোচনা কৰে যদিও সমুখত হলে একো কব নোৱাৰে—জানোচা বেণুৱে খং কৰে। ধুনীয়া বেণুজনীক খং তোলাবলৈ পিচে সিহঁতৰ কাৰো সত নাযায়।

বঙালী বিহুৰ বন্ধত ঘৰলৈ আহিছে বেণুৱে। জীৱনে বেণুৰ লগত বহু কথাই পাতিলে। নগৰ খনৰ নানান কথা সুধিলে। লগতে তাৰ ইমান দিনে পুহি ৰখা মনৰ অভিলাসৰ কথা খিনিকো জানিবলৈ দিলে—এইবাৰ তাইৰ লগত সি গোৱালপাৰালৈ যাব। তাৰ হেনো নগৰ চোৱাৰ বৰ হেঁপাহ।

জীৱন ওলাই যোৱাৰ পিচত বেণুৱে কোঠাটোৰ পৰা ওলাব খুজিয়েই বস্তা আবুক দেখিলে। এই টুটুকীয়া বুঢ়ীজনীক গাওঁৰ সকলোৱে জানে। মুখখন কিবে মিঠা—কথাত যেন মৌ বৰষে। জিভাখন কিন্তু কুৎসিৎ—কথা বিহুৰে ভৰি যেন। পৰৰ কুৎসা ৰটাত

বুঢ়ী অত্যন্ত। ইঘৰৰ কথা সিঘৰত, সিঘৰৰ কথা আকৌ সৌ ঘৰত লগাব। সেয়ে গাঁৱৰ সকলো মানুহে বুঢ়ীক পেটেঁপেটে বেয়া পায়, যদিও মুখ খুলি একো নকয়। কবই বা কেনেকৈ? যেনেকৈহে মন যোগোৱাকৈ ৰসকী কথাৰ মৌজোল সানিব—সাত শত্ৰুৰো তোল যাব।

কাৰোবাৰ ঘৰলৈ বুঢ়ী গলে প্ৰথমতে চাব চাহ দিয়ে নে নাই। সুদা চাহ দিলেতো মুখখন বিকটাই উঠিবই, চাহৰ লগত খোৱা জলপান কমকৈ দিলেও অভিমান কৰিছে খালে যেন—তেনে অভিব্যক্তি দেখুৱাব। উপযাচি শাক-পাত, পান বা বতৰৰ ফল আদি কিবা অলপ দিলে ভাল—নহলে আকৌ বিপদ। এতিয়া বস্তা আবু আন এঘৰলৈ যদি যায়, সিঘৰত আগৰ ঘৰৰ বদনাম গাই আছে—চাচোন হিমাদ্ৰীৰ মাক, শাকপাত দুটামান দিছুই যদি এসাজৰ হোৱাকৈ দে। এই দুডালনো কাৰ নাকত দিম। যাওঁতে নৰ্দ্দমাত পেলাই থৈ যাম মাকে। সিহঁতৰ মান সন্মান নাই বুলি আমাৰো নাইনে? নেদেখিছনে—নিজৰ জীয়েক জনীক কেনেকৈ আগবঢ়াই দি সুমন্ত, পৰমাহঁতৰ গতিৰ গতি নোহোৱা কৰিব ধৰিছে। আমালৈ বুলি চাহ একাপো নোলায়। তাতে হিমাদ্ৰীৰ মাকে যোগ দিয়ক—"আই ঔ, কতেনো মৰোঁ—চাহ একাপ দিবলৈকো টান? তেনে মানুহৰ ছোৱালী নটী নহৈ হব কাৰ? জয়মালাৰ মাকে কোৱা কথা ঠিকেই।" এইবাৰ বস্তা আবুয়ে চকুদুটা প্ৰকাণ্ডকৈ মেলি ধৰিলে যেনিবা—"কি কৈছেনো জয়মালাৰ মাকে?" "কিনো কব? পৰমাৰ কথাকে কৈছে। হাজাৰ হওক ডেকামণ্ডহৰহে শৰীৰ।"

এইগৰাকী পৰশ্ৰীকাতৰ, খিয়লীয়া, আত্মগ্ৰাহী, অজ্ঞানপাতকী, আকাৰত কিটিবা বুঢ়ীজনীক দেখিয়েই বেলুৰ পেটে পেটে খঙেই উঠিল—কাৰবা বংশ উদ্ধাৰিবলৈ আহিছে।

"এই জনী যেখুনে অ'—নগৰত থাকি যেচ খুনীয়াজনী হৈছে—

মাৰ আছেনে নে নাই ?"

"আছে, বহুচোন, মই মাতি দিওঁ ।"

"ৰবিচোন, মাৰক পাচতো মাতিবি । তোৰ লগত নগৰৰ কথাকে পাতো । নগৰত বোলে বহুত চিনেমা-ঘৰ আছে হয়নে ?"

"ডাঙৰ নগৰত বহুত থাকে সঁচা, কিন্তু গোৱালপাৰাত মাত্র দুটামানহে আছে । তই বুঢ়ীজনীকনো চিনেমাঘৰৰ খবৰ কিয় লগা হ'ল ? মা আহিছে, তই মাৰ লগতে কথা পাত । মোৰ কাম আছে ।"

বস্তা আবুৰ লগত কথা চোবাই থকাৰ ইচ্ছা বেণুৰ সমূলি নাই । মাক অহাত যেন ৰক্ষা পালে তাই । বস্তা আবুক এৰি বুৰঁাৰ পাৰলৈ গৈ অথনিয়ে তিয়াই থোৱা দেউতাকৰ কাপোৰ যোৰ ধুবলৈ লাগিল ।

বস্তা আবুৰ একমাত্র পুত্রৰ একমাত্র নাতি হল যাদৱ । পৈত্রিক সম্পত্তি কিছু নোহোৱা নহয় । বয়স পচিশ মান হৈছে—কিন্তু এতিয়াও সৰু লৰাৰ দৰে চঞ্চল হৈয়ে আছে । দুবাৰো বি.এ. পৰীক্ষা দি উত্তীর্ণ হব নোৱাৰি ভাবিছে কলেজত আৰু নপঢ়ে । প্রাইভেটকৈয়ে চেষ্টা কৰি চাব । নগৰৰ পৰা ঘৰলৈ আহিলে যাদৱে স্কুলীয়া লৰাবোৰক লগত লৈ ৰাজনীতি কৰে, আন্দোলন কৰে । বস্তা আবুৱে হেনো যি ঘৰত সোমায় সেই ঘৰতে গুণধৰ নাতিয়েকৰ গুণৰ কথা এবাৰ নহয় এবাৰ দোহাৰিবই । কলেজ পাচ কৰি আহিলে তাৰ বিয়া পাতি দিব । পাচতো কৰিবই আৰু হাকিম, মুন্সিফৰ চাকৰিও কৰিব । যেনেতে ডাঙৰ ডাঙৰ এংৰেজী কিতাপবোৰ পঢ়ে । বস্তা আবুৱে নাতিয়েকৰ গুণ বখানিলে চকু দুটা ডাঙৰকৈ মেলি ধৰে, সোলা দাঁত কেইটা উলিয়াই তৃপ্তিৰে হাঁহে । "দেখিবি কোপাই, আমাৰ যাদৱে বংশৰ আৰু গাওঁৰ নাম কৰিব এদিন ।" এনে বুঢ়ীৰ ভবিষ্যত বাণী বা বয় । এইবোৰ

যাদবে পঢ়ি থকা সময়ৰ কথা। বস্তাআবুয়ে আশা কৰা দৰে যাদৱে কিন্তু গাৰ্ডৰ নাম কৰিব নোৱাৰিলে। বৰং গাৱঁত থাকি দুই এটা বেয়া কামতহে প্ৰবৃত্ত হল। সি মদ খোৱা হল, গাৱঁৰ গাভৰু ছোৱালীলৈ বেয়া নজৰ দিয়া হল। যি হওক, এতিয়া বস্তা আবুয়ে আৰু নাতিয়েকৰ ওপৰ নৰখানে। মাত্ৰ নৈৰাশ্যৰ তপত হুমুনিয়াহ এৰি কয়—বোপাৰে দুৰ্ভাগ্য, পাচ কৰিব পৰা নাই। দুই সংগই তাক নষ্ট কৰিলে। নগৰত থাকি পলিটিচন (পলিটিক্স) কৰি কৰি বেয়া হল সি। মোৰে পোৰাকপাল—মোৰ জনমত বোপায়ে আৰু কলেজ পাচ কৰিব নোৱাৰিব।

যাদবৰ আজি কিছুদিনৰ পৰা বেণুৰ প্ৰতি মোহ জন্মিছে। বজৰত বেণু ঘৰলৈ আহিলে তাৰ মনত ভাবনাৰ জোঁৱাৰ উঠে। কেনেকৈ বেণুক আয়ত্ত কৰিব পাৰে সেইটোৱে চিন্তা। চিকুনকৈ সাজপাৰ কৰি বেণুহঁতৰ ঘৰৰ আগেদি প্ৰবীনৰ লগত দিনত দুই তিনিবাৰ কৈ অহাযোৱা কৰে—কিজানিবা বেণুক দেখেই। বেণুৱে যাদবৰ অভিপ্ৰায় বুজে—কিন্তু তাই তাক গাওঁখনৰ এটা অপদাৰ্থ বুলিহে ভাবে। পঢ়া-শুনা নাই—বজাৰত কিনিব পোৱা বস্তুৰ দৰে সি যেন সকলোৰে পৰা প্ৰেম কিনিব খোজে।

ইফালে বন্ধু মহলত যাদবে বেণুৰ প্ৰতি থকা সকলোখিনি দুৰ্বলতা আৰু মনৰ গোপণ অভিব্যক্তি প্ৰকাশ কৰি দিলে। লগৰ ল'ৰা সকলে খুব উৎসাহ দিলে তাক। কলে—সিহঁতে সহায় কৰি দিব। প্ৰবীনেতো কৈয়ে দিলে—"তই ইমান দিনে মোক কোৱা নাই কিয়? হেড চাৰৰ জীয়েকে নালাগে, প্ৰয়োজন হলে মিনিষ্টাৰ, ডি চিৰ ছোৱালীৰ লগতো তোক হাত মিলাই দিব পাৰো। এই প্ৰবীনে কৰিব নোৱাৰা কাম নাই।" প্ৰবীনৰ এই খিনি অহংকাৰৰ যথাৰ্থ যুক্তি আছে অৱশ্যে। কাৰণ তাৰ দেউতাক ইলিৰা কংগ্ৰেছৰ এজন মুখিয়াল নেতা—এজন প্ৰখ্যাত কূটনীতিবিদ—দেশৰ আৰু জনগণৰ সেৱাৰ নামত বিজনাই গাঁঠিয়ে গাঁঠিয়ে ধন আত্মসাৎ

কৰি সম্পত্তিৰ বৰ সৰাহ পাতিছে। টাউনত বিল্ডিং সাজিছে, দিশপুৰতো তেওঁৰ এটা প্ৰকাণ্ড অট্টালিকা আছে— অফিচ এটাক ভাৰা দিছে। সেয়ে প্ৰবীনে অন্যৰ কাম কৰিলেও, দেউতাকে টকাৰে প্ৰলেপ দি ঢাকি ৰাখে।

বন্ধুমহলৰ উদ্যমত আৰু প্ৰবীনৰ আশ্বাস বাণীত ভৰসা কৰি নগৰত পাঁচ বছৰৰ কলেজীয়া জীৱন পাৰ কৰা যাদৱে ধৰিয়ে লৈছে ৰেণুক তাৰ প্ৰেয়সী বুলি। খাওতে, শোৱতে, উঠোতে, বহোতে কেৱল ৰেণুক চকুৰ আগত ভাঁহি থকা দেখে। পৃষ্ঠায় পৃষ্ঠায় প্ৰেমপত্ৰ লিখি যদিও ৰেণুৰ হাতত দিয়াৰ সেই দুঃসাহস খিনি তাৰ হোৱা নাই।

বঙালী বিহুৰ বন্ধত ঘৰৈ অহা ৰেণুক যাদৱে লগ ধৰিবলৈ যোৱা দুদিনে চেষ্টা কৰিও সফল নহ'ল। সেইদিনা সি অকলেই সন্ধিয়া সময়ত ওলাই আহিল। দূৰৈৰ পৰাই দেখিলে যুতিকাইতৰ ঘৰৰপৰা ৰেণু ওলাই আহিছে, যুতিকাই পদূলিলৈকে তাইক আগবঢ়াই দিছে। এয়ে সুযোগ—যাদৱে ততাতৈয়াকৈ আগবাঢ়ি আহি ৰেণুক লগ ধৰিলে—

"ৰেণু বিমান আহিছে নেকি অ'?"

"দাদাৰ লগত কিবা ডাঙৰ সকাম আছে নেকি? বাতিপুৱা মাই দাদা এইবেলি ঘৰলৈ নাহে বুলি কোৱা নাই জানো?"

এৰা, যাদৱে ৰাতিপুৱা ৰেণুৰ মাকক বিমানৰ কথা সুধিছিল। পৰীক্ষা ওচৰ চপা বাবে এইবেলি সি ঘৰলৈ আহিব নোৱাৰে বুলি মাকে তাক কৈছিল। কিন্তু সি জনা নাছিল ৰাতিপুৱা মাকক সোধা কথাষাৰৰ তাই ভুপাৱ বুলি। বৰ লাজ পাই গ'ল বেচেৰা।

"নহয় মানে, বিমান নাথাকিলে, মানে অহাকালিৰ বঙালী বিহুৰ উৎসৱত ঠিক নজমিবতো মানে—"

"অ' হয় নেকি? সিতো আহিব নোৱাৰিলে। এতিয়া ভইঁতেই জমা।"

"কাৰ লগতনো জমাম আমি"—যাদৱে যেন এই কথাষাৰ কোৱাৰ সুবিধা ইমান দিনে বিচাৰি আছিল।

"কাৰ লগতনো জমাবি তেনে—ৰংদৈৰ লগতে জমোৱাগৈ।"

যাদৱ শিলপৰা কপৌটো যেন হ'ল। ইতিমধ্যে পদুলিমুখ পোৱা ৰেণুৱে হাঁহি মাৰি ঘৰ সোমাল—যেচ মজাপালিতো দিলে আজি যাদৱক। কিবা এক গোপণ ৰহস্যৰ বাবে ৰংদৈৰ নাম কলে হেনো সি খঙতে মৰিব পাৰে। ৰেণুৱে ভাবিলে—যেচ ফৰকাল লাগিছে। বহুদিন আগতে এইজন যাদৱে প্ৰবীনৰ লগত লগ-লাগি এদিন ৰাস্তাত তাইক কম জ্বালাতন কৰা নাছিল। স্মৃতিকাৰ লগত ৰেণু চম্পাহঁতৰ ঘৰলৈ ফুৰিবলৈ গৈছিল। যাদৱ আৰু প্ৰবীন কৰবাৰ পৰা উদয় হৈ তাইহঁতৰ পিচে পিচে জোকাই গৈছিল। মাত্ৰ ৰেণুক লৈয়ে নানা উক্তি, বহুতো অকথ্য ভাষা, লাজ লগা কথা কৈ গৈছিল আৰু ডাঙৰকৈ হাঁহিছিল। ৰেণুৰ মুখত জবাব নাছিল, মাত্ৰ লাজ আৰু খঙত কঁপিছিল। ঝৰঝৰকৈ চকুৰ পানী সৰিছিল। সেই ঘটনাটোলৈ মনত পৰিলেই আজিও ৰেণুৰ প্ৰবীন আৰু যাদৱলৈ ঘৃণা ওপজে। সিহঁতক সদায় তাই গাৰঁৰ আবৰ্জ্জনা বুলি জ্ঞান কৰে।

এতিয়া সেইজন যাদৱে ৰেণুক প্ৰেম নিবেদন কৰিবলৈ অহা কথাটোত তাইৰ কিয় জানো খং উঠে—উঠে হাঁহি। পুতৌ আৰু ঘৃণা মিহলি হাঁহি।

দুই

ধনে জনে পূৰ্ণ পৰিয়াল এটাৰ মুৰব্বী নহলেও, শকত দৰ্মহা পোৱা বিশ্ববিদ্যালয়ৰ উচ্চ ডিগ্ৰীধাৰী চৰকাৰী উচ্চ বিষয়া নহলেও, সভাই সমিতিয়ে, মেলে মিটিঙে দীঘল দীঘল বক্তৃতা দি আত্ম-প্ৰতিষ্ঠা বিস্তাৰ কৰিব খোজা বিধৰ নহলেও, একমাত্ৰ গুণী, জ্ঞানী আৰু ন্যায়িক ব্যক্তি হিচাবে উমাশঙ্কৰ চৌধুৰীক নজনা মানুহ ৰূপহীপাম গাওঁহে নালাগে, সেই এলেকাটোতে নাই। সাধাৰণ অবস্থাৰ এজন কৃষক। তথাপি গাওঁৰ সকলো ব্যক্তিৰ পৰাই পায় সন্মান। জুৰমন কমাৰৰ পৰা আৰম্ভ কৰি হৃদয় মহাজন, বিনয় বাবুলৈকে সকলোৱে যি কোনো বিপদতে প্ৰয়োজনত উমাশঙ্কৰ চৌধুৰীৰ কাষ চাপিবলৈ বাধ্য হয়। সাংসাৰিক অভিজ্ঞতাৰে জ্ঞানৰ দীপ্ত ভঁৰাল যেন। উমাশঙ্কৰ চৌধুৰীৰ পিতাক ভৱশঙ্কৰ চৌধুৰী আগতে কামৰূপৰ মানুহ আছিল। বানপানীৰ প্ৰবল সোঁতত তেওঁলোকৰ সংসাৰ উটিভাহি যায়। কথমপি ভৱশঙ্কৰে প্ৰাণটোলৈ বহু ঠাই ঘূৰি শেষত এই ঠাইখিনি পায়হি। বুদ্ধিৰ ফলত আৰু কৰ্মদক্ষতাৰ গুণত সোনকালে ৰূপহীপামত মাটিবাৰী কৰি ঘৰসম্পত্তি কৰে আৰু নিগাজীকৈ থাকিবলৈ লয়। ইয়াতে বিয়াবাৰুও পাতে আৰু সুখেৰে দিন অতিবাহিত কৰে। কিন্তু সৰহদিন তেওঁ সংসাৰ কৰিবলৈ নাপালে। একেটি মাত্ৰ পুত্ৰ ৰত্নৰ মুখ দেখাৰ কেইমাহমানৰ পিচত অকালতে ভৱশঙ্কৰৰ জীৱন লীলাৰ সামৰণি পৰে। বহু ত্যাগ আৰু কষ্টেৰে ঘৈণীয়েকে পুতেক উমাশঙ্কৰক ডাঙৰ দীঘল কৰিলে। উমাশঙ্কৰ উপযুক্ত হল, কিন্তু তেওঁৰ বিয়াৰ পিচতে নাতিয়েকৰ মুখ নেদেখাকৈয়ে মাকো সিপৰীয়া হল। কৰ্ম্মদক্ষতা, সৎচৰিত্ৰ আৰু জ্ঞান গৰিমাৰ বাবে উমাশঙ্কৰ সকলোৰে মাজত সৰবৰহী, সুপ্ৰতিষ্ঠিত আৰু উল্লেখযোগ্য ব্যক্তি হিচাবে পৰিগণিত।

স্বপন চৌধুৰী উমাশঙ্কৰৰ প্ৰথম সন্তান। বি এচ চি পাচ কৰি শিক্ষকতা কৰাৰে ইচ্ছা কৰিলে—ইচ্ছা কৰিলে মানে ঘৰখনৰ অবস্থালৈ চাই বাধ্য হল। পঢ়াশুনাত অতি চোকা আছিল। প্ৰবেশিকা পৰীক্ষাত সংস্কৃত আৰু অংকত লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। অংকত অনাৰ্চৰ প্ৰথম শ্ৰেণীত বি এচ চি পাচ কৰিও উচ্চতৰ ডিগ্ৰী লোৱাৰ আশা জলাঞ্জলি দি স্থানীয় স্কুলখনতে শিক্ষকতা কৰিবলৈ মনস্থ কৰিলে। আচলতে স্বপনৰ ডাক্তৰী বা ইঞ্জিনিয়াৰিং পঢ়াৰহে হেঁপাহ আছিল কিন্তু দেউতাকৰ আয়ৰ সীমিত অংকটোলৈ চাই সেই আশা ব্যক্ত নকৰিলে। সেয়েহে তেওঁৰ মনৰ কামনা সকলোবোৰ ভায়েক কুঞ্জনৰ দ্বাৰাই পূৰণ কৰিব বুলি মনেমনে আশা কৰি থাকিল।

কুঞ্জন উমাশঙ্কৰৰ দ্বিতীয় সন্তান। দেখাত প্ৰায় স্বপনৰ নিচিনাই। মুখৰ চেহেৰা চাই দুয়োজনক আপোন ভাই বুলি অনায়াসে কব পাৰি। কুঞ্জনৰ তলতে নিশা নামৰ ভনীয়েক এজনী আছিল। কিন্তু পাঁচ বছৰৰ আগতে দহবছৰীয়া নিশাজনী হেৰাই গ'ল। খোৱা শোৱাৰ পৰা আৰম্ভ কৰি ফুৰিবলৈ যে ৱা, স্কুললৈ যে ৱা সকলোতে নিশা আছিল কুঞ্জনৰ একমাত্ৰ সঙ্গী। কোনোবা দিনা কুঞ্জন যদি স্কুললৈ যাব নোখোজে, নিশাক জোৰকৈহে স্কুললৈ পঠাব লগা হয়। নিশাই খোৱা বস্তু কোনোদিনে কুঞ্জনক এৰি নাখায়। ৰাতিপুৱা চাহ জলপান খাই দুয়ো একেলগে পঢ়িবলৈ বহে। প্ৰথমতে কুঞ্জনে নিশাক পঢ়ায়, অংক শিকায়। তাৰ পিচত নিজৰ পাঠত মনোযোগ দিয়ে। কুঞ্জনৰ কেতিয়াবা অসুখ হলে মাক দেউতাকতকৈ নিশাৰহে চিন্তা বেছি হয়। পাৰ্য্যমানে ককায়েকক শুশ্ৰূষা কৰে, পানী খুৱাই দিয়ে, মূৰ পিতিকি দিয়ে। সিহঁত দুটাৰ মিলাপ্ৰীতি দেখি মাক দেউতাকে মনে মনে গৰ্ব্ব অনুভৱ কৰে।

কিন্তু বিধিৰ বিধান অখণ্ডনীয়। দুৰ্ভাগ্যই কাক কেতিয়া হাত বাউল দি মাতে কোনেও কব নোৱাৰে। কুঞ্জনেও কল্পনা

নাছিল তাৰ মৰমৰ ভনীয়েক জনীয়ে এনেদৰে তাক এৰি অজান দেশলৈ গুচি যাব। আৰু নিশা? তাই জানো জানিছিল এনেদৰে ফুল কলিতে মাক দেউতাক, ককায়েক, সমাজ আৰু পৃথিবীৰ লগত তাইৰ অকাল বিচ্ছেদ ঘটিব? অথচ তাই হেৰাই গৈছিল—কুঞ্জনেই নালাগে, পৃথিবীয়ে বিচাৰি পাব নোৱাৰাকৈ। এতিয়াও সেই নির্ম্মম, ভয়াবহ, নিষ্ঠুৰ দিনটোৰ কথা মনত পৰিলে তাৰ অন্তৰাত্মা কঁপি উঠে, অজানিতে হৃদয় কান্দি উঠে, তাৰ বেদনাসিক্ত নয়ন যুগলে যেন নিশাৰ সান্নিধ্য বিচাৰি ফুৰে।

সেইদিনা আছিল বৃহস্পতি বাৰ। দুদিনমান আগৰপৰাই নিশাৰ জ্বৰ। কুঞ্জনে ভাত পানী, টোপনি সকলো নেওচি নিশাৰ শুশ্রূষা কৰিছে। ঔষধ, ডাক্তৰ, শুশ্রূষা একোৱেই তাইৰ জ্বৰ কমাব পৰা নাই। ডাক্তৰে অসুখ ঠিকমতে ধৰিবই নোৱাৰিলে। তাই সকলোকে ফাঁকি দিলে। সকলোকে কন্দুৱালে, কুঞ্জনক অকলশৰীয়া কৰিলে। সেইদিনা দুপৰীয়া তাই কুঞ্জনক কৈছিল—' সৰু ককাই-দেউ, মই যদি মৰি যাওঁ, তোক বাৰু ক'ত লগ পাম?" নিশাৰ সেমেকা চকুহুটালৈ কিছুসময় থৰ লাগি চাই হঠাতে নিশাক সাবতি ধৰি হুক-হুকাই কান্দি দিলে কুঞ্জনে। "সৰু ককাইদেউ, কান্দিব নাপায় নহয়। ইয়াৰ পিচত এদিনতো তোক লগ পামেই, মাক, দেউতাক, ডাঙৰ ককাইদেউক সকলোকে লগ পাম। সেইদিনা তোৰ লগত বহুত গল্প কৰিম।" তেতিয়া নিশাৰ মুখত বিৰিঙিছিল ক্ষীণ হাঁহিৰ আভা। কুঞ্জনে মাত্র কৈছিল— "এইবোৰ কি কৈছ? তই ভাল হবি নহয়। এতিয়া মনে মনে শুই থাক। তই নিশ্চয় ভাল হবি।" কিন্তু সেই সুকোমল ফুলপাহ তাৰ মৰমে ধৰি ৰাখিব নোৱাৰিলে। কিন্তু তাৰ সৌৰভ যেন আজিও কুঞ্জনৰ নাকত লাগেই আছে।

অংকত লেটাৰ পাই প্ৰথম বিভাগত প্ৰৱেশিকা পাচ কৰা কুঞ্জনক বাপনে কলে—"ফলাফল একৰকম ভালেই কৰিলি। মোৰ ডাক্তৰী

পঢ়াৰ হেঁপাহ আছিল। নহ'লে মইতো নোৱাৰিলো—এতিয়া তোৰ ওপৰতে ভৰসা। তই কি কৱ?"

"মই আৰু কি কম? তোমাৰ ইচ্ছাই ইচ্ছা।"

"ঠিক আছে, ছাইন্স পঢ়, ৰিজাল্ট ভাল হ'লে নিশ্চয় মেডিকেলত চিট পাবি। কটন কলেজত পঢ়, হোষ্টেলৰ ভাল ব্যৱস্থা আছে। প্ৰথমৰে পৰা একাগ্ৰতাৰে লাগিলে বিশেষ টান নালাগিব। অ' কটন কলেজৰ এডমিচনৰ তাৰিখ কেতিয়া?"

"আঠ জুলাই। দুদিনমান আগতীয়াকৈ যাব লাগিব। ফৰ্ম আদি দাখিল কৰা কামবোৰ তাত গৈহে কৰিব লাগিব।"

গুৱাহাটীলৈ যোৱাৰ আগদিনা কুঞ্জনক দেউতাকে মাতি নি ক'লে—"নতুন ঠাইলৈ যাবি, অলপ চাইচিন্তি সাৱধানে চলিবি। হোষ্টেলত ভালবেয়া বহু ধৰণৰ ল'ৰা লগ পাবি। গতিকে নিজক চম্ভালি চলিব পৰাটোৱেই আটাইতকৈ ডাঙৰ কথা। টকা পইচাৰ বাবে চিন্তা কৰিব নালাগে, ঘৰৰ কথাও ভাবিব নালাগে। মাত্ৰ তোৰ ভৱিষ্যতটো যাতে উজ্জ্বল কৰিব পাৰা তাৰ বাবেহে অকুণ্ঠ চেষ্টা ৰাখিবি। তহঁতৰ উন্নতি হ'লে সেয়াই আমাৰ আনন্দ।"

ৰাতি অকলে ভাত খাই থকা কুঞ্জনক বিচি দি মাকে বুজালে—"সকলোবোৰ আজিয়ে ঠিক-ঠাক কৰি লবি। গৈয়ে চিঠি দিবি আৰু সদায় তোৰ বাতৰি জনাই থাকিবি। টকা পইচাবোৰ ভালদৰে ৰাখিবি। চাই চিন্তি খৰচ কৰিবি। পিচে ঘৰৰ কথা ভাবি কষ্টকৈ চলিব নালাগে। তই ডাক্তৰ হলেই ঘৰৰ সকলো অভাব নাইকিয়া হব। ভালদৰে পঢ়াশুনা কৰিবি। ডাঙৰ চহৰৰ কথা—ফুৰাচকাত সাৱধান হবি। অবাবত মুঠেও ফুৰি চাকি সময় নষ্ট নকৰিবি। বেয়া সঙ্গৰ লগত মিলামিচা নকৰিবি। তোকনো আমি এতিয়া কি উপদেশ দিম? তইয়ে আমাক ওলোটাই বুজাব পৰা হৈছ।"

ভাত খাই উঠি তামোলখন খাই নিজৰ কোঠাত অলপ জিৰণি লওঁতেই ককায়েক স্বপনে কুঞ্জনক শেষ সন্নিধান দিলে—"তেজে

ভই ৰাভিপুৱা যাবিগৈ। মোৰ উঠোতে পলম হব পাৰে। বাট চাব নালাগে। টকা তিনিশ মাৰ হাতত আছে। আৱশ্যক হলে খবৰ দিবি। ইফালে একো চিন্তা কৰিব নালাগে—মই আছো। মাত্র তোৰ নিজৰ কর্তব্য ঠিককৈ চলাবি। এতিয়া শুই থাক।"

ককায়েক যোৱাৰ পিছত কৃষ্ণনে শুবলৈ বুলি আয়োজন কৰিব ধৰিছে, এনেতে কোনোবাই তাৰ চকুহুটা দুহাতেৰে ঢাকি ধৰিলে। চক খাই উঠিল সি।

"এই প্ৰতিমা, এৰিদে বুলিছো—দিম মজাপালিটো এতিয়া।"

এই প্ৰতিমাজনী দুদিনমানৰ আগতে কৃষ্ণনহঁতৰ ঘৰলৈ আহিছে। মাহীয়েকৰ ছোৱালী। কৃষ্ণনৰ লগত ধেমালী কৰি বৰ আমোদ পায় তাই। সদায় তাক জোকায়, ঠাট্টা কৰে, তাৰ খং তোলায়। বৰ বাংঢালীজনী তাই। ঘৰৰ প্ৰথম সন্তান বুলি সকলোৰে আদৰৰ।

কৃষ্ণন দাদা, কালিলৈকে যাবা তুমি—আজি মোক মজাপালিটো দিবলৈ তোমাৰ ভাল লাগিব জানো?"

"এনেদৰে ঘপহকৈ যে চকুত ধৰিছ, চক খাই যাও যদি।"

"এই থিনিতে, দেওভূতৰ গল্প কৰো নেকি?"

"দেওভূতক মই ভয় নকৰো, ভয় কৰো মানুহ ভূতকহে।"

"কি কলা, তাৰমানে মই মানুহ ভূত?"

"মানুহ ভূতো নহয়, ভূতুনীহে।" ডাঙৰকৈ হাঁহি দিলে কৃষ্ণনে।

"ধেৎ যোৱা, লাজমান নাইনেকি তোমাৰ? বাৰু কৃষ্ণনদাদা, তুমি দেখোন ছোৱালীৰ দৰে লাজকুৰীয়া। তোমাক দেখিলে কিবা ছোৱালী ছোৱালী লাগে। চাবা আকৌ, তোমালোকৰ কলেজৰ ছোৱালীবোৰে তোমাক ভুল কৰি পেলাব।"

"ভালহে, মোৰ লাভ হব।"

"জানা কৃষ্ণনদাদা, আমাৰ হোষ্টেলত মোৰ এজনী বান্ধবী আছে। তোমাৰ দৰেই লাজকুৰীয়া।"

"কৈ যা—তিলোত্তমাৰ দৰে সুন্দৰী, সাবিত্রীৰ দৰে সতী আৰু

দেৱী সৰস্বতীৰ দৰে গুণৱতী।”

“তাই কিন্তু তোমাৰ লগত বেচ মিলিব।”

“অ' এই খিনি কৰলৈকেহে—”দীঘলীয়া হাঁহি এটি মাৰিলে কুঞ্জনে। “চা প্ৰতিমা, মই দেৱতা নহও, ৰাজকুমাৰ নহও, প্ৰতাপীও নহও—গতিকে তোৰ সেই দেৱীগোঁসানী ভনীৰ কাৰণে মোক প্ৰাৰ্থী কৰিলেও সয়ম্বৰৰ মালা কিন্তু মোৰ ডিঙিত শোভা নকৰিব, বুজিলি।”

“আই ঐ দেহি, বৰ দুখ লাগিছে দেই। পিচে ভিতৰি ভিতৰি তোমাৰ যে চাগে' কিমান ভাল লাগিছে—নহয়নে?” কুঞ্জনৰ আঙুলি এটাত টিপা এটা দি দুষ্টালিৰ হাঁহি মাৰি প্ৰতিমা আঁতৰি গ'ল। হঠাতে কুঞ্জনৰ মুখখন কাৰুণ্যৰে ভৰি পৰিল—নিশাজনীলৈ তাৰ মনত পৰিল। বৰ নোৱাৰাকৈয়ে তাৰ চকুৰপৰা দুধাৰ লোটক বাগৰি পৰিল।

অৱশেষত সকলোৰে আশীৰ্ব্বাদ লৈ কুঞ্জন গুৱাহাটীলৈ গ'ল। সন্মুখত ৰঙীন ভৱিষ্যতৰ অযুত সপোন, মধুৰ আশা। কটন কলেজত ভৰ্ত্তি হৈ ককায়েকলৈ বুলি কুশল বাৰ্ত্তা পঠালে। কেইদিনমান অতিবাহিত হোৱাত প্ৰতিমালৈকো হোষ্টেলৰ ঠিকনাত চমুকৈ নিজৰ আৰু চহৰখনৰ বতৰা পঠালে—

“মৰম লবা। আশাকৰোঁ। ভালে আছা। মোৰ ভালে চলিছে। ক্লাচ নিয়মিয়াকৈ বহিছে। পঢ়াশুনা ভালদৰে কৰি আছোঁ। গুৱাহাটীখন বেয়া লগা নাই—মাত্ৰ অভিজ্ঞতাবোৰ বিচিত্ৰ। কামাখ্যা, উমানন্দ, গান্ধীমণ্ডপ, বশিষ্ঠ আদি ঠাইবোৰ ফুৰিছোঁ। বশিষ্ঠৰ ত্ৰিধাৰাৰ (সন্ধ্যা ললিতা কান্তা) সংগমস্থলৰ প্ৰাকৃতিক শোভা চালে চকুৰোৱা। কামাখ্যাত পিচে পাণ্ডা সকলে ধৰ্ম্মৰ ব্যৱসায় কৰে—সিঁহত বৰ চহকী। ইয়াৰ ফুটপাথ বোৰতো দৰিদ্ৰ বোৰে মানুহৰ পৰিত্যক্ত আহাৰ ভক্ষণ কৰি নিশাবোৰ শান্তিৰে (?) কটাই দিয়ে। কেতবোৰ ধনীৰ দুলালীয়ে ৰাস্তায় ঘাটে, বিয়াই সবাহে, পাৰ্কে, চিনামাহলে সৌন্দৰ্য্যৰ প্ৰতিযোগিতা পাতে। কেতিয়াবা মাক সকলকো জীয়েক

হুঁতৰ জগত সমানে কেৰ পাতি প্ৰতিযোগিতাত অংশ লোৱা পৰিলক্ষিত হয়। ইয়াত নিম্ন মধ্যবিত্ত খিনিৰ অৱস্থা বাৰুবেয়ে শোকলগা। পুৰুষ সকলে তিৰোতা আৰু ল'ৰা-ছোৱালীৰ ভৰণ-পোষণৰ গধুৰ দায়িত্ব বহন কৰি কৰি নিজৰ সৰ্বস্ব সত্তা বিসৰ্জন দিবলগীয়া হয়—অন্যহাতে দৈৰ্ণীয়েকহঁতে কৃত্ৰিম বিলাসিতা আৰু তথাকথিত আধুনীক অভিৰুচিক আদৰিবলৈ গৈ গৈ এটা সময়ত ইকুল-সিকুল হেৰুৱাবলগীয়াত পৰে। ইয়াৰ সকলো মানুহ ব্যস্ত—কুলৰ ল'ৰা ছোৱালী পৰ্য্যন্ত—মাত্ৰ ব্যস্ততাৰ কাৰণ সমূহ পাত্ৰ ভেদে ভিন ভিন।

বিশেষ নিলিখো। তোমাৰ লাজৰীলতা বান্ধৱীজনী কুশলে আছেনে? সমপ্বৰ বাবে মালা গাঁঠিছে নেকি?'

সেইখন চিঠিকে প্ৰতিমাই তাইৰ কমমেট ৰেণুক দেখুৱালে। ৰেণুৱে নাচাও নাচাও কৈয়ো প্ৰতিম ই নেৰানেপেৰাকৈ ধৰাত চাবলৈ বাধ্য হল। নহলে বাংগালী প্ৰতিমাজনীয়ে মনত আঘাত পাব। পঢ়ি উঠি লাজ-লাজ কৈ চিঠিখন ওভোটাই দিলে। প্ৰতিমাই তেতিয়া তাইৰ হাত ছুখনত ধৰি কলে—

"এটা কথা কওঁনে ৰেণু?"

"কি কথা?"

"কুঞ্জন দাদা আৰু তোক জোৰা বান্ধি দিলে ইমান যে শুৱাব জানা—একদম পঞ্জিকাৰ ৰাজযোটক।"

"ধেৎ যা—পায় নেকি তেনেকৈ কবলৈ?"

"সঁচাকৈয়ে কৈছো ৰেণু, তই তাক দেখা নাইতো দেখিলেই বুজিবি—তোৰ হিয়াৰ মানিক সি।"

ৰেণুৱে আৰু একো উত্তৰ নিদিলে। মাত্ৰ লাজ-লাজ মুখখন আৰু অলপ ৰঙচুৱা হৈ পৰিল। এখনি কল্পনাতে আঁকা মোহনীয় মুখ—হৃদয় যাৰ মৰমৰ উঁৰাল, ব্যক্তিত্ব যাৰ অসীম সাগৰ—তাইৰ পুঞ্জীভূত সৰ্বগ্ৰাসী প্ৰেম আৰু কামনাৰ ঢৌৱে পাৰনে চুকি

সেইজন বিত্তোপণ কুঞ্জনৰ হৃদয় সাগৰ? বাস্তৱ। তুমি নিষ্ঠুৰ নহবা! বেণুজনীৰ কল্পনাৰ কুঞ্জনক তুমি এনেদৰে ৰূপ দিয়া, যাতে প্ৰেমৰ ইতিহাসত সিহঁত চিৰদিন উজ্বলি থাকে।

ইফালে উমাশঙ্কৰে সখিয়েক ৰমানন্দক লগাইছে—ডাঙৰ ল'ৰা স্বপনলৈ ছোৱালী আনিব খোজে। ৰমানন্দ উমাশঙ্কৰৰ কৈশোৰতে পতা সখি। দুই সখিয়েকৰ মাজত আন্তৰিকতা বৰ গাঢ়। এটা সময়ত ৰমা উমাৰ অন্তৰ একেখন বুলিয়ে গাঁৱৰ মানুহে আলচ কৰিছিল। গধুৰ সংসাৰিক দায়িত্ব বহন কৰি দুয়ো সদায় একে লগে লগ লাগিব নোৱাৰিলেও আন্তৰিকতাৰ ফালৰ পৰা কোনেও কাৰোপৰা আঁতৰি যোৱা নাই। ৰমানন্দই মাছ মাৰিবলৈ গলে কুঞ্জনহঁতৰ ঘৰতো মাছৰ তেঙাৰ জোল এখন থাকিবই। উমাশঙ্কৰেও বাৰীৰপৰা শাকপাচলিয়ে, কবিটোৱে, লাউটোৱে যদি ঘৰৰ বাবে আনে, তেন্তে সমানে এটা ভাগ সখিয়েকৰ ঘৰলৈ বুলি পঠাবই।

ৰমানন্দই সখিয়েকৰ লগত স্বপনৰ বিয়াৰ কথা আলোচনা কৰি শেষত কলে—"তাৰ লগত বাক মই আমাৰ ঘৰতে কথা পাতিম। কালিলৈ তাক আমাৰ ঘৰলৈ পঠাই দিবা। তাৰ মত থাকিলে হল—বাকী সকলো খিনি মই ঠিক কৰি দিম। তুমি একো চিন্তা কৰিব নালাগে।"

পিচদিনা স্বপন দেউতাকৰ নির্দেশ ক্ৰমে ৰমানন্দৰ ঘৰলৈ গ'ল। ৰমানন্দই প্ৰথমতে তাৰ লগত সিহঁতৰ ঘৰখনৰ কথা আলোচনা কৰিলে। মাকৰ যে কষ্ট হৈছে, সেই কথাটোত জোৰ দি ঘৰৰ অভাৱ অভিযোগ বোৰৰ কথা দোহাৰিলে। শেষত কলে—"বোপা এই সকলোবোৰৰ পৰিপ্ৰেক্ষিতত তোমাক এটা কথা কব খোজো। পঢ়িলা, শুনিলা, চাকৰিও কৰিছা। ঘৰখনবো ডাঙৰ ল'ৰা তুমিয়ে। গতিকে আমি তোমাৰ বিয়াখন এইবেলিকৈ পাতিব খুজিছো।

প্ৰথম সন্তান হিচাবে, বিশেষকৈ তোমাৰ মাৰাৰ কষ্টলৈ চাই সোনকালে বিয়া কৰোৱাত আপত্তি কৰিব নালাগে। সখিৰো সেয়ে ইচ্ছা। এতিয়া তুমিনো বাৰু কি কোৱা ?"

বিয়া ? স্বপনৰ ? স্বপন প্ৰথমতে থতমত খাই গ'ল। কি উত্তৰ দিব ঠিক কৰিব নোৱাৰা হ'ল। ওহো—সি এতিয়া বিয়া কৰাব নোৱাৰে। নিজকে বহু প্ৰশ্ন কৰিলে, বহু কথা মনতে আলচিলে। অসুবিধা বহুত। সকলোপিনৰ পৰাই অসুবিধা। নিজকে যথেষ্ট সংযত কৰি স্বপনে উত্তৰ দিলে—

"তাৰৈ, আপোনাৰ কথাবোৰ মই যুক্তিহীন বুলি কব খোজা নাই। বিশেষকৈ মাৰ দুখ কষ্টৰ কথাটো সঁচাকৈ চিন্তা কৰিবলগীয়া। কিন্তু বৰ্ত্তমান সময়টো মোৰ বাবে বিয়াৰ ক্ষেত্ৰত মুঠেও অনুকূল নহয়। বয়সৰ ফালৰ পৰাও, আৰু পৰিয়ালৰ আৰ্থিক দিশটোৰ ফালৰ পৰাও। কুঞ্জক চহৰলৈ পঠালোঁ মাত্ৰ। অসুবিধাবোৰ বুজিব পাৰিছে নিশ্চয়। তথাপি মা দেউতাই ইচ্ছা কৰিছে যেতিয়া আৰু দুটামান বছৰ পিচত ভাবি চাব পাৰোঁ। এতিয়া কোনোপধ্যে সম্ভৱ নহব।"

"বোপা, সকলো কথা তুমি নিজেই বিবেচনা কৰিব পৰা হৈছা। কিনো বুজাম তোমাক। তোমাৰ মাৰাৰ কষ্টৰ কথা চিন্তা কৰিয়ে সখি আৰু মই কথাটো আলোচনা কৰিছিলো। শুভ কাম শীঘ্ৰে হোৱাই মঙ্গল। আপদ বিপদৰ কেতিয়াবা জানো শেষ আছে বোপা ? তাৰ মাজেদিয়ে সকলো কৰ্ম্ম কৰি যাব লাগিব। গীতাত শ্ৰীকৃষ্ণই অৰ্জ্জুনক বুজাইছিল—

"ন হি কশ্চিৎ ক্ষণমপি জাতু তিষ্ঠত্যকৰ্ম্মকৃৎ।
কাৰ্য্যতে হ্যৱশঃ কৰ্ম্ম সৰ্ব্বঃ প্ৰকৃতিজৈৰ্গুণৈঃ॥"

অৰ্থাৎ কৰ্ম্ম নকৰাকৈ কোনেও এটি ক্ষণো থাকিব নোৱাৰে। কাৰণ সকলো মানুহে প্ৰকৃতিৰ গুণৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ কৰ্ম্মত প্ৰবৃত্ত হবলৈ বাধ্য হয়।"

"মোক বেয়া নাপাব তাৰৈ। ঘৰখনৰ কথা, মাৰ কথা মই ভাল-দৰে বিবেচনা কৰি চাইছোঁ। প্ৰকৃততে ঘৰখনৰ বৰ্ত্তমান পৰিস্থিতিৰ কাৰণটোৱেই মোৰ বিয়া পতাৰ প্ৰধান অন্তৰায়। বক্তব্যখিনি কলোঁ। তথাপি যদি আপোনালোকে জোৰকৈ কিবা এটা কৰিব খোজে, মই আপত্তি নকৰোঁ।"

পুতেকৰ বেহৰূপ জানিব পাৰি উমাশঙ্কৰে বেজাৰ পালে যদিও মুখ ফুটাই একো নকলে। ঘৈণীয়েকেয়ো এইবেলি বোৱাৰী এজনী আহিব বুলি বৰ আশা কৰিছিল, মনৰ আশা মনতে মাৰ যোৱাত বৰ দুখ পালে। গিৰিয়েকক খাটিলে যাতে কিবা এটা কৰে। ডাঙৰ বোপাৰ অমত যদিও পাতিলেতো আপত্তি নকৰোঁ বুলি কৈছেই। উমাশঙ্কৰ কিন্তু স্বস্তি নহল। পুতেকৰ অনিচ্ছাত তেওঁ একো কাম কৰিব নোৱাৰে। তাৰোপৰি স্বপনৰ যুক্তিৰ যথাৰ্থতা আছে। ঘৰখনৰ আৰ্থিক দিশটোক এই ক্ষেত্ৰত একেবাৰে মুই কৰিব নোৱাৰি। ত'তে স্বপনটোৰ বয়সেবা হৈছে কিমান?

ইয়াৰ ভিতৰতে আৰু এদিন ৰমানন্দ সখিয়েকৰ ঘৰলৈ আহিল। তেওঁ সখিয়েকক এই বিষয়ে বৰকৈ ভবাচিন্তা কৰিবলৈ হাক দিলে—

"চিন্তা নকৰিবাহে সখি। সিদিনাৰ ল'ৰা স্বপন। কিনো বয়স হৈছে তাৰ? দুবছৰ পিচততো পাতিব বুলি কথা দিছেই। অৱশ্যে তেওঁহে পাকঘৰৰ হালধি মচলাৰ বজাৰ সামৰি আহুকাল পাইছে।" শেষৰ কথাখিনি তামোলৰ বটাখন লৈ সোমাই অহা স্বপনৰ মাকৰ ফালে চাই কলে।

"এ নকব দিয়ক সখি—আমি মাৰিলেহে আমাৰ ল'ৰালৈ ছোৱালী আহিব। মোৰ এই জনমটো পাকঘৰৰ জেঙা মাৰোঁতেই শেষ হব আৰু।"

"এটা কাম নকৰা কিয়হে সখি"—অলপ ভাবিচিন্তিয়েই ৰমানন্দই কথাটো কলে আৰু কিছু সময় মৌন হৈ থাকিল।

"কোৱাচোন কি কথা।"

"সঁচাকৈয়ে তেওঁৰ বৰ কষ্ট হৈছে। এই বয়সলৈকে এই সকলো-বোৰ কাম কৰি অটোৱা বৰ সহজ সাধ্য নহয়। তথাপি কম পৰিযাস বুলিহে ভবিছে। কাম বনত সহায় কৰাকৈ সৰু ছোৱালী এজনীকে আনি লোৱা। মইয়ে যোগাৰ কৰি দিও।"

"যি ভাল দেখা কৰা সখি।"

"এৰা, ছোৱালী এজনী সহায় কৰাকৈ হলেও বাৰুকৈয়ে উশাহ পাও। নহলে সঁচাকৈয়ে বৰ আহুকাল খন পোৱা হৈছো আজি-কালি। আগৰ বল শক্তি, ধৈৰ্য্য একোৱে নাই।"

এনেদৰে কিছু ঘৰৰ কিছু সমাজৰ, কিছু দেশৰ কথাৰ আলচ কৰি বহুত পিচত ৰমানন্দ ঘৰলৈ যাবলৈ ওলাল। দুই তিনি দিন মানৰ ভিতৰতে সৰু ছোৱালী এজনী আনিম বুলি কথা দি গ'ল। উমাশঙ্কৰৰ ঘৰলৈ এজনী সৰু ছোৱালী আহিল। অলপ আঁতৰৰ গাওঁ এখনৰ। ৰমানন্দৰ দূৰ সম্পৰ্কৰ আত্মীয়ৰ ছোৱালী। কণ মানি ছোৱালীজনীক উমাশঙ্কৰ আৰু ঘৈণীয়েকে নিজৰ ছোৱালীৰ দৰেই মৰম কৰি ৰাখিলে।

তিনি

দিনটোৰ ক্লাচ শেষ কৰি কুঞ্জন নিজৰ বিচনাত দীঘল দি পৰিল। মনটো ভাল লগা নাই। কেমিষ্ট্ৰিৰ প্ৰেকটিকেলত আজি চল্ট উলিয়াব পৰা নাই।

এনেতে কুমাৰেশে আহি তাক ক'লে—

"কুঞ্জন, তোমাৰ আলহী আহিছে।"

জাপ মাৰি উঠিল কুঞ্জন—মোমায়েকৰ ল'ৰা বোহিত আৰু লগত এজন।

"বাপৰে, পলমকৈ হলেও যে তোৰ মনত পৰিল।"

কুঞ্জনে বিচনাতে সিহঁতক বহিবলৈ দিলে। টিফিন খাবলৈ বুলি ওলোৱা কুমাৰেশক কুঞ্জনে ক'লে—

"কুমাৰ, তুমি টিফিন খাবলৈ যোৱা যদি বয় এটাক ইয়ালৈ তিনিটা টিফিন আনিবলৈ কৰা দেই।"

কুমাৰেশে বোহিতহঁতক মাত দি গুচি গ'ল।

"কচোন খবৰ, সদায় ভাবোঁ তই আহিবি—"

"আহোঁ আৰু, আহো বুলি ভাবো সদায়, অসুবিধা বহুত। অ' প্ৰথমতে তোক এওঁৰ লগত চিনাকি কৰি দিও—এওঁ মোৰ সহপাঠি, বন্ধু বিমান নাথ আৰু বিমান, তোক কোৱা কুঞ্জন চৌধুৰী এওঁৱেই—পেহীদেউৰ ল'ৰা।"

হাঁহি এটিৰে বিমানে নমস্কাৰ জনালে। কুঞ্জনেও হাঁহি এটিৰেই প্ৰতি নমস্কাৰ জনালে। বিমানে ক'লে—

"আপোনাৰ কথা বোহিতে সদায় কৈ থাকে। চিনাকি হৈ সঁচাকৈয়ে ভাল লাগিছে।"

"ধন্যবাদ, আপুনিও বোহিতৰ লগত একে হোষ্টেলতে থাকে নেকি?"

"হয়, বোহিত মোৰ ৰুমমেট।"

তাৰ পিচত তিনিওৰে মাজত বহু খবৰৰ আলোচনা চলিল।

ইতিমধ্যে ঘৰ এটাই সিহঁতক টিফিন আৰু চাহ দি গ'ল। চাহ খাই পুনৰ আলোচনাত মগ্ন হ'ল। বৰ্ত্তমান সমাজত চলি থকা অনাচাৰ, দাম্ভিক ধনীক শ্ৰেণীৰ দুখীয়া বিলাকৰ ওপৰত চলোৱা অত্যাচাৰ আৰু শোষণ, অসমত বিদেশীৰ প্ৰতিপত্তি আৰু অসমীয়াৰ সকৰুণ ভৱিষ্যত, দেশৰ সাম্প্ৰতিক ৰাজনীতি আৰু অৰ্থ সংকট এই-বোৰেই আলোচনাৰ বিষয়বস্তু। আলোচনাৰ মাজতে বিমানে কলে—

"আমাৰ অসমীয়া সমাজখন পঙ্কিলতাৰে ভৰি পৰিল, কলুষিত হ'ল। আমাৰ নাই আজি সুপ্ৰতিষ্ঠিত এটি ভৱিষ্যত। হয়তো এনে এটা দিন আহিব যে আমি নিজকে অসমীয়া বুলি চিনাকি দিবলৈকো পাহৰি যাব লাগিব।"

"কিন্তু নাথ, ভাবিচাওক, যি পঙ্কিলতাই আজি আমাৰ অসমক আবৰি ধৰিলে, তাৰবাবে জানো আমি অসমীয়াবোৰে দায়ী নহওঁ? আমাৰ ভৱিষ্যতৰ অনিশ্চয়তা আমাৰেই সোৰোপালি আৰু মুৰ্খামীৰ ফল মাথোন। আজি যে ইয়াত বিদেশী অ.কৰ অনা অসমীয়াৰ প্ৰতিপত্তিৰ বিস্তৃত প্ৰভাৱ, তাক তো তাহানিৰে পৰা আমিয়ে বা আমাৰেই পূৰ্ব্বপুৰুষ সকলে প্ৰশ্ৰয় দি অহাৰ পৰিণতি মাত্ৰ। আমাৰ অদুৰদৰ্শিতা, কৰ্ম্মপ্ৰেৰণাহীনতা আৰু আত্মকলহৰ সুযোগ গ্ৰহণ কৰি বিদেশীবোৰে ইয়াত প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছে। 'বাণিজ্য' বোলা শব্দটোক ইয়াত মাৰোৱাৰী সকলে একচেতীয়া কৰি লৈছে। ফলত টকাৰে প্ৰতাপশালী হৈ সিহঁতে আমাকে হীন চকুৰে চাবলৈ সাহস পাইছে। আমাৰ চৰকাৰো অসমীয়াৰ সেৱা কৰাতকৈ সিহঁতক পূজা কৰাতহে ব্যস্ত থাকে। গতিকে দেশৰ চৰকাৰৰ দৰে শ্ৰেষ্ঠ হাতিয়াৰ এটা যদি সিহঁতৰ সৌহাত্ত স্বৰূপহৈ নিৰাপত্তাৰ সাক্ষ্য বহন কৰি থাকে, তেন্তে কিয় বাৰু সিহঁতে আমাক হেয়জ্ঞান নকৰিব?"

"কি কৰিব চৌধুৰী, ইলেকচনৰ সময়ত সিহঁতে কম গলে চলিত চৰকাৰখনকে কিনি লয়। আমিটো আৰু লাখে লাখে টকা দি

ইলেকচনৰ সময়ত চৰকাৰক সহায় কৰিব নোৱাৰোঁ। সিহঁতে পাৰে। আৰু ইলেকচনৰ পিচতে পনা দ্ৰব্যৰ কৃত্ৰিম নাটনি কৰি দাম বঢ়াই সেই লাখ লাখ টকাৰ ক্ষতিপূৰণ আদায় কৰি আমাক তিল তিল কৈ শোষণ কৰিবও পাৰে।"

"এবা অ' বিমান, আৰৌ চাচোন—অধিক লাভৰ আশাত সিহঁতে আমাক ভেজাল বস্তুবোৰ খুৱাই আমাৰ দেহবোৰ ঘুণীয়া কণীয়া কৰা নাইনে? সেই খোন্দোলা, গাহৰি পেটুৱা কিম্ভুদ কিমাকাৰ মূৰ্ত্তিবোৰ দেখিলে দেহৰ তেজ পিৰপিৰাবলৈ ধৰে—মন যায় যেন সিহঁতৰ মস্ত মালদহ পেটবোৰত গোৰ মাৰি দিওঁ।"

"মনহে যায়, ক্ষন্তেকীয়া আক্ৰোশ মাত্ৰ—নিবৃত্তিহীন, পৰিতৃপ্তি-হীন, সাময়িক মনৰ উত্তেজনা। আমি অসমীয়াবোৰ বুৰ্ব্বক বুলি কৈছোঁৰে। অকৰ্ম সিমানে নহয়, আমি আত্মসচেতন নহও, আমি নিজক বুজিবলৈ কাহানিও চেষ্টা নকৰোঁ। অসমীয়া জাতিক উন্নতিৰ জখলাৰে এগাই নিয়াটো আমাৰ উদ্দেশ্য নহয়। উদ্দেশ্য মাত্ৰ ক্ষুদ্ৰ স্বাৰ্থপৰতাক আশ্ৰয় কৰি নিজক সুপ্ৰতিষ্ঠিত কৰিবলৈ যত্ন কৰাটো। নিজক সামান্যতম ভাবেও প্ৰতিষ্ঠিত কৰি লব পাৰিলে বাকী সকলো দিশৰ প্ৰতি আমি অমনোযোগী হৈ পৰোঁ। বৈষয়িক স্বাৰ্থ সিদ্ধিৰ মায়াজালত দিনেদিনে সোমাই পৰোঁ, দুৰ্নীতি কৰোঁ, দুৰ্নীতিক প্ৰশ্ৰয় দিও। আমি আজি গালি পৰা ধনীক মাৰোৱাৰী আৰু অন্যান্য শোষণকাৰী সকলৰ লগত ক্ষুদ্ৰ স্বাৰ্থৰ বিনিময়ত হাত মিলাবলৈ যাওঁ, আমাৰ প্ৰতিষ্ঠিত বোৰেও গৰীব শ্ৰেণীৰ তেজ শুহিবলৈ আৰম্ভ কৰে। গতিকে আমাৰ মাজৰে সমাজ সচেতন, অসম প্ৰেমী এটা শ্ৰেণীয়ে যদি অসমীয়া জাতিৰ উন্নতিৰ বাবে, দৰিদ্ৰৰ মুক্তিৰ বাবে যুঁজিবলৈ আগবাঢ়ি যায়, তেন্তে অন্য এটা আমাৰে তেজপিয়া শ্ৰেণীয়ে নিজৰ স্বাৰ্থত আঘাট পৰাৰ ভয়ত সৰ্ব্বতো প্ৰকাৰে সংগ্ৰামী শ্ৰেণীটোক বাধা দিয়ে।"

"তই ঠিক কৈছ কুজন, আমি মন গ'লেও একো কৰিব নোৱাৰোঁ।"

"কিয় মোৰাবেঁা জাননে বোহিত ? চৌধুৰীয়ে কোৱা আমাৰ এটা শ্ৰেণীৰ স্বাৰ্থপৰতা—যাক অন্য প্ৰকাৰে বিশ্বাসঘাটকতাও বুলিব পাৰি। তোৰমোৰ কথাই কওঁ—আমি আজি ছাত্ৰ। আৰু কেইটামান বছৰ পাৰ হলেই যদি পাচ কৰোঁ। ইঞ্জিনিয়াৰ হম। মাইজৰ সেৱা কৰাৰ অঙ্গীকাৰ লৈ আমি মাত্ৰ কৰি যাম বিশ্বাসঘাটকতা। ঠিকাদাৰ সকলক অধিক লাভ কৰাৰ সুবিধা দি আমি পুৰস্কাৰ হিচাবে নিলৰ্জ্জৰ দৰে লম হাজাৰ হাজাৰ ক'লা টকা, ভেটি। গাড়ী, অট্টালিকা, জাকজমক এটা ড্ৰইংৰুম, সন্মুখত এখন উৎকৃষ্ট আৰু আপুৰুগীয়া ফুল বৃক্ষৰ বৃহৎ উদ্যান—এটাৰ পিচত এটা, মোহৰ শেষ নাই, লোভৰ নিবৃত্তি নাই, স্বপ্নৰ যতি নাই। ডাইনিং টেবুলত চাকৰ বাণৰে পৰিবেশন কৰা বিবিধ খাদ্য সম্ভাৰৰ আস্বাদ লওঁতে আমি নাভাবিম আমাৰ গাওঁলীয়া কৃষক ভাই সকলৰ অভাৱ অনাটনৰ কথা, দুবেলা লঘোন দি আলুগুটি সিজাই পেটৰ ভোক গুচোৱা কথা। শীতৰ ঠেঁৰেঙা লগা জাৰত ফটা কাপোৰেৰে শীতৰ লগত যুদ্ধ কৰা সকলৰ কথা বাৰু গৰম চিমনীৰ কাষত উলৰ গৰম কাপোৰ পৰিধান কৰি আমি মনত পেলাব পাৰিমনে ?"

"মোৰ কি মন যায় জাননে হিমান ? বৰলোক হোৱাৰ সকলো আকাংশাক দলি মাৰি দি লেনিনৰ দৰে জপিয়াই পৰোঁ। নেকি—সৰ্ব্বহাৰাৰ পৰিত্ৰাণৰ সংগ্ৰামত।"

"মাক্স'ৰ সুত্ৰেৰে বিপ্লৱ কৰিবিভো ? কাৰ্লমাক্স' এজন খনামধন্য ব্যক্তি, বিখ্যাত অৰ্থনীতিবিদ, সমাজৰ পথপ্ৰদৰ্শক, সৰ্ব্বহাৰাৰ বন্ধু। "বিপ্লৱ" শব্দটো যথেমথে প্ৰয়োগ কৰিলে তেখেতৰ মহান ঐতিহ্য পূৰ্ণ সুত্ৰ আৰু তত্বৰ অৱমাননা কৰা হব নেকি ?"

দুজনৰ কথাত বোহিত কিছুসময় তভক মাৰি ৰল।

"কিন্তু চৌধুৰী, বোহিতে কোৱাৰ দৰে বিপ্লৱৰ বাহিৰে আমাৰ জাতিক আৰু পিচপৰা শোষিতৰ দলটোক আগবঢ়াই নিয়াৰ অন্য সজ পথা জানো আছে ? মহাত্মা গান্ধীৰ অহিংস নাত্তিয়ে আমাক

যি স্বাধীনতা দিলে, সেয়া জানো প্ৰকৃততে স্বাধীনতা য'ত প্ৰজাৰ মুক্তিৰ গান নাই, ন্যায় অন্যায়ৰ বিচাৰ নাই? এইখন সৰ্ব্বভাৰতীয় অহিংস নীতিৰ চৰকাৰে ধনী সকলৰ নিৰাপত্তা আৰু সৰ্ব্বতো প্ৰকাৰে সুবিধা দান কৰাৰ বিপৰীতে, দৰিদ্ৰ সকলৰ মুখৰ অন্ন কাঢ়ি খাবলৈকো কুণ্ঠা বোধ কৰা নাই।"

"তাকেইতো মইয়ো দোহাৰিব খুজিছো। সঁচাকৈয়ে আমাৰ অন্য সজ পন্থা আজি নাই। মই মাৰ্ক্সৰ সূত্ৰৰ অৱমাননা কৰিব খোজা নাই। বৰং মই বেছি শ্ৰদ্ধাৰে তেখেতৰ বৈপ্লবিক চিন্তাধাৰা আৰু সমতাৰ নীতিক সোঁৱৰিব খোজোঁ। কিন্তু মই কি কব খুজিছো জানেনে? মই ইয়াকে কব খুজিছো 'বিপ্লব' শব্দটো আমাৰ কেতবোৰ ৰাজনীতি কৰা ব্যক্তি আৰু ডেকা চাম এটাৰ নিষ্ফল চিঞৰ মাত্ৰ। চীন দেশৰ মাও চে টুং ভাৰত বা অসমত জন্মগ্ৰহণ যদি কৰে, তেন্তে মই নকওঁ—বিপ্লব অসম্ভৱ। কিন্তু আমাৰ ইয়াত উপযুক্ত পথপ্ৰদৰ্শক বা নেতাৰ নাই। ভাৰতবৰ্ষৰ দৰে এখন দেশৰ ভিন্নৰূপী চৰিত্ৰ আৰু ভিন্নৰূপী অভিৰুচিৰ মানুহৰ মাজত সমতাৰ বীজমাত্ৰ চতিয়াব খুজিলেও সাৰৰ অভাৱত সি গজি নুঠিব। আকৌ চৰকাৰৰ নেতৃবৃন্দৰ চলাহী কথাৰ ফুলজাৰি আৰু ভুৱা প্ৰতিশ্ৰুতিয়েও আমাৰ বিপ্লৱৰ চিঞঁৰ বোৰক ক্ষন্তেকৰ বাবে হলেও নোহোৱা কৰিব পাৰে। কিন্তু বিপ্লবৰ ঐতিহাসিক সত্যক মই স্বীকাৰ কৰোঁ। দেশৰ জনগণে একত্ৰিত হৈ অন্যায় আৰু শোষণৰ বিৰুদ্ধে ধৈৰ্য্য, ত্যাগ আৰু সহিষ্ণুতাৰে, সাহস আৰু দৃঢ়তাৰে যুঁজিবলৈ আগবাঢ়িলে, জনতাৰ বিজয় অনিবাৰ্য্য। এই সত্য বিজ্ঞান সম্মতঃ সূত্ৰৰ দৰে সত্য, ইতিহাসৰ সূত্ৰ—এটা চক্ৰীয় গতিৰে শোষক গোষ্ঠিৰ চৰম অত্যাচাৰৰ অন্তত বিক্ষোভিত জনগণৰ সংগ্ৰামে মুক্তি আনে। অৱশ্যে ভাৰতত গান্ধীয়ে অনা মুক্তি আৰু চীন দেশত মাও-চে টুঙে অনা মুক্তি একে নহয়। প্ৰথমটোত শাসক শ্ৰেণীৰ মানুহখিনিৰ হে পৰিবৰ্ত্তন হৈছে, শাসনৰ ধৰণ

এ'কই আছে। দ্বিতীয়টোত দেশৰ জনগণৰ সামগ্রিক ভাবে মানসিক উৎকৰ্ষ সাধন হৈছে, দেশৰ অর্থনৈতিক কাঠামোৰ বিপুল পৰিবৰ্ত্তন ঘটিছে, সমতাৰ প্ৰকৃত বীজ অঙ্কুৰিত হৈছে।"

বহু কথা পাতিলে সিহঁতে। সাঁজ লাগি গ'ল। লাহে লাহে আলোচনাৰ বিষয়বস্তু পঢ়াশুনা, ক্লাচ, প্রেক্টিকেল আদিলৈ আহিল। বোহিতে কুঞ্জনক এটা মাত্র উপদেশ দিলে—বহুত ভাল ল'ৰা কটন কলেজলৈ আহি বেয়া ফলাফল কৰি ভৱিষ্যত আন্ধাৰ কৰি পেলাইছে। গতিকে প্ৰথমৰে পৰা সাৱধানে পঢ়াশুনা কৰি ককায়েকৰ স্বপ্নত যাতে সফল ৰূপ দিব পাৰে তাৰ বাবে যত্নবান আৰু দৃঢ় সংকল্পবদ্ধ হব লাগিব।

সন্ধিয়া প্ৰায় সাতমান বজাত দুয়ো গুচি গ'ল।

চাৰি

"The human soul cannot attain satisfaction unless it experiences what love is"—Keats.

এইয়া বসন্ত ঋতু—প্ৰকৃতিৰ উলহমালহ পয়োভৰ। সকলো মানুহে ভালপোৱা এই বসন্তৰ পৰশতে গছলতা বন ঠন ধৰি উঠে, সেউজীয়া হয়, বৰণীয়া হয় মনোমোহা হয়। গছলতাত ডাল ভৰি ভৰি ফলফুল লাগে—দেখিবলৈ ধমক-জমক হয়। ফুলে হাঁহে, নৈয়ে কথা কয়, পক্ষীয়ে গান গায়, উথলমাথল, মুখৰিত প্ৰকৃতি, হাস্যমুখৰ মেদিনী। প্ৰকৃতিৰ সুন্দৰতাৰ ছন্দৰ লগত ফাগুনী হৃদয় আনন্দোচ্ছল হৈ পৰে, পৃথিবীখনো আনন্দমুখৰ হয়।

এইয়া ফুল বসন্ত ঋতুৰ, এই হাঁহি বসন্তৰ ফুলৰ।

এই হাঁহিত উদ্ভাষিত হয় অনন্ত প্ৰেমছন্দ। ষড়ঋতুৰ মাজৰ পৰা ন সাজেৰে সুসজ্জিত হৈ নতুন ৰূপত ওলাই অহা বসন্তৰ পৃথিবীখনি ঠিক যেন মাতৃ গৃহৰ পৰা পাতল ৰেণিৰ আঁৰত ৰক্তিম ওঠৰ হাঁহি জিলিকাই পতিগৃহলৈ বুলি ধীৰ পদক্ষেপেৰে আগবাঢ়ি যোৱা ন গাভৰুজনী।

বসন্তত যৌবনোচ্ছল হিয়াত প্ৰেমৰ অনুৰাগ জন্মে। মানব হৃদয়ে বিচাৰে শান্তিৰ শীতল নিজৰা। বসন্তৰ নীলাভ আকাশ খনিৰ ছাঁ লৈ মধুৰ হাঁহিটি মাৰি থকা জোনটিয়ে আমাক যি শান্তি দিয়ে - সেই শান্তি সৌধ বিচাৰে মানুহে। বসন্ত ঋতুৰ উৰণীয়া আঁচলৰ বা লৈ লুকাই থাকে মানুহৰ প্ৰাণৰ শান্তি আৰু প্ৰেমৰ অনাবিল সোঁত। প্ৰেম স্বৰ্গীয়, শান্তি স্বৰ্গীয়—বসন্তৰ আঁচলৰ আঁৰত তাৰেই মধুৰ ঝংকাৰ। সেই ঝংকাৰতে সৃষ্টি হয় প্ৰেমৰ বন্যা।

ব্ৰহ্মপুত্ৰৰ বুকুলৈকো বছৰি প্লাবন নামে। বন্যা পীড়ণে নিপিড়িত কৰে পাৰবাসীসকলক। কিযে দুখ লাগে, যেন সেই বন্যা ধ্বংসৰ প্ৰতীক। ঠিক তেনেদৰে আমাৰ জীৱনলৈকো প্লাবন নামে। বন্যাপিড়ণত নিপীড়িত হয় আমাৰ মনবোৰ।

কিন্তু এই বন্যা ধ্বংসৰ প্ৰতীক নহয়, বৰং সৃষ্টিৰ অমোঘ মন্ত্ৰ সনা মনোৰম তিৰবিৰণি—অস্থিৰ ব্যাকুলতা, বন্য চঞ্চলতা, চৰম স্বচ্ছন্দতা নিষ্ঠুৰ ভয়াবহতা—এইয়া জীৱন ফাগুণ, ফাগুণৰ প্লাৱন। বিভিন্ন ক্ষেত্ৰত বন্যাপীড়িত হৈ ফাগুনী মনবোৰে বহুতো সময়ত নিজৰ বিবেকচ্যুত হৈ নানান আহুকালৰ সন্মুখীন হ'বলগীয়াত পৰে। মানবীয়তাৰ কৃতিত্বৰে কিছুমানে সেই আহুকালৰ বাধা অতিক্ৰম কৰি জীৱন'ল ৰং কঢ়িয়াই আনিবও পাৰে। অন্যথায় আমাৰ ৰঙীন জীৱনৰ স্বাচ্ছন্দতাভৰা আস্বাদ লাভ নহ'বও পাৰে, আমাৰ জীৱন ঘোৰ তমসাৰ মাজত ডুব যাবও পাৰে, জীৱনৰ মধুৰ ৰংবোৰ হেৰাই যাবও পাৰে।

ফাগুনী বতাহৰ সৌৰভত, সুমধুৰ পৰশত উদ্যানে, বননিয়ে ৰং বিৰঙৰ ফুল প্ৰস্ফুটিত হয়, তৃষ্ণাতুৰ আকুল ভোমোৰাবোৰে গুণ-গুণকৈ সেই ফাগুনী ফুলৰ মৌৰস পান কৰিবলৈ হৈ পৰে উত্ৰাৱল। তাতেই বৈ পৰে প্ৰেমৰ কুলু কুলু নিজৰাৰ চমকিত সোঁত, নতুবা বিৰহৰ চিৰক্লেশভৰা ৰাগিণীৰ গভীৰ শোকলগা মাত। আশাৰ সাগৰত কল্পনাৰ নাও পাল তৰি দি জীৱনৰ সুললিত ছন্দ ভৰা কবিতাৰ আস্বাদ পাই কোনোবাই গায় মউসনা গান, আকৌ ছন্দহাৰা হৈ কোনোবাই বাই যায় নিৰাশাৰ বীণ। এয়েই সংসাৰ, এয়েই প্ৰকৃতিৰ চিৰবাঞ্ছিত ৰীতি, য'ত এজনৰ মুখত বিৰিঙি উঠে উৎফুল্লিত হাঁহিৰ খিলখিলনি, অন্যহাতে আন এজনে বিনাব লগীয়া হয় নৈৰাশ্যৰ কাৰুণ্য ভৰা আকুল বিননি।

যৌৱন বলীয়া ডেকা গাভৰুৱে বিহুগান গায়, বিহু ভাল পায়। কিয়নো বিহুগান ফাগুনৰ গান, বিহুৰ বা ফাগুনৰ বা। বিহুৱা সকলৰ মন হেজাৰ পুলকেৰে পুলকিত, প্ৰিয়জনৰ সান্নিধ্যৰ বাবে সকলো বাধাকে অতিক্ৰম কৰিবলৈ সাজু সিহঁতৰ প্ৰাণ। সিহঁতৰ হৃদয়ৰ উচ্ছলতাই কঢ়িয়ায় তিৰবঙৰ ৰং, ফাগুনৰ উজ্জ্বল তিৰবিৰণি। ভাষাত অভুৰ্ত্তি, অথচ হৃদয়ত খুপ খাই থকা সহস্ৰ ভাষাৰ খলকনি,

অকথিত ভাষাৰ আবেগ, আবেগতো অনুৰাগ নাই—স্পৰ্শৰ হাবিয়াস, স্পৰ্শতো নিবৃত্তি নাই—মাথো চিৰ আপোন কৰি লোৱাৰ অঙ্গীকাৰ।

এজন ডেকাই গাভৰু এজনীৰ আৰু গাভৰু এজনীয়ে এজন ডেকাৰ হৃদয় বিচৰাতো স্বাভাবিক কথা। প্ৰেমৰ আহ্বান, বসন্তৰ সুৰৰ মৃদু শিহৰণ। প্ৰেমৰ বতৰা কঢ়িওৱা, হিয়াত আশা কৌমুদীনিৰ ৰেঙণি তোলা, দেহত কামনাৰ হিল্লোল তোলা সেই বসন্তৰ সুৰৰ এটা যাদু আছে। সেই যাদুত ভালপোৱাৰ জোৱাৰ, জোৱাৰত আনন্দ অভিব্যক্তিৰ হেন্দোলনি, সেই আনন্দ উল্লাসত পবিত্ৰতা, পবিত্ৰতাত আস্থা আৰু বিশ্বাস, বিশ্বাসত প্ৰতিশ্ৰুতি, প্ৰতিশ্ৰুতিত জীৱনৰ পূৰ্ণতা, পূৰ্ণতাত শান্তিৰ নিবিড় অনুভূতি।

যৌবনদীপ্ত সৌন্দৰ্য্যৰ অলঙ্কাৰেৰে অলঙ্কৃত হৈ'ৱা এজনী যুৱতী এপাহ অনাঘ্ৰাত ৰমণীয় ফুল। সেই ৰমণীয়তাৰ দীপ্ত অনুপম কান্তিৰাশিয়ে যুৱকৰ মনপ্ৰাণ কৰে উন্মনা, উন্মাদ, উত্ৰাবল। প্ৰথম ফাগুনৰ পৰশত বিঙা-বিঙা মনবোৰে হাতবাউল দি মাতিব খোজে মনৰ মানুহক—অদম্য উত্তেজনাৰ হাতবাউল, হৃদয়ত স্তূপীকৃত হৈ থকা বুজা-নুবুজা মৰম অনুভূতিৰ আকুলতা ভৰা হাতবাউল, দৰদী হিয়াৰ সন্ধানৰ গোপন হাতবাউল। তাতো আছে থমকনি, বুজা প্ৰেমৰ নুবুজা অনুভূতি। আৰু আছে সঁহাৰি হীনতা বা ভাল'পোৱাৰ স্পষ্ট বুজাপৰাৰ অভাবত বিচ্ছেদ। বিচ্ছেদেই বিৰহ, বিৰহত কৰ্ত্তব্যবোধৰ প্ৰতি অবহেলা, বেদনাগ্ৰস্থ হিয়া, নিৰ্বিকাৰ, ভাবলেখহীন, উদাস নয়ন, দূৰ দিগন্তলৈ নিষ্পলক দৃষ্টি। একালে নিবিড় আকুলতা, ব্যাকুলতা, আনফালে ক্লেশ, কাৰুণ্য আৰু বিহ্বলতা। প্ৰিয়জনৰ সান্নিধ্যত পুলকিত আমাৰ প্ৰাণ, আৰু বিচ্ছেদত বিষাদভৰা অতীত ৰোমন্থন, অভিমানী মন। তাতো কেতিয়াবা সৃষ্টি হয় ব্যৰ্থ প্ৰেমৰ লেলিহান ক্ৰোধান্বিত প্ৰতিশোধৰ প্ৰতিজ্ঞা—অস্ফুট ভাষাত পৰাভূত হৃদয়ৰ আক্ৰোশ।

ছাতবাউল দি থমকি ৰবখোজা কুঞ্জন—থমকনি হঠাতে আঁতৰিল। স্থিৰ বিবেকেৰে নিঃস্বাধীন ৰেণুকাদেৱীৰ চঞ্চল মনটিৰ আবুৰো যেন একেসময়তে নাইকিয়া হল। দুটা উৰণীয়া মন উৰি উৰি একেসময়তে একেটা প্ৰেম সৰোবৰতে পানী পিবলৈ নামি প্ৰেম এনাজৰীত বান্ধ খাই উৰিব নোৱাৰা হৈ তাতেই যেন বিচৰণ কৰি থকাৰ প্ৰতিশ্ৰুতিৰে প্ৰতিশ্ৰুত হল।

বৰদিনৰ বন্ধ শেষহোৱাৰ পিচত কুঞ্জন যাব গুৱাহাটীলৈ। গোৱালপাৰাত ষ্টেট ট্ৰেন্সপোৰ্ট ষ্টেচনত বহু সময় ৰখিবলগীয়া হোৱাত চেণ্ট্ৰেল গাৰ্লচ স্কুলৰ হোষ্টেলত থকা ভনীয়েক প্ৰতিমাৰ খবৰ এটা কৰি যোৱাই ভাল হব বুলি ভাবিলে সি। ভবামতে কাম—ৰিক্সা এখন মাতি কলে—"চলো, চেণ্ট্ৰল গাৰ্লচ স্কুল।" হোষ্টেলৰ সন্মুখ পাই ৰিক্সাৱালাটোক বিদায় দি মুখ ঘূৰাওতেই দেখিলে পদুলীমুখত মিদি স্কার্ট পৰিহিতা এজনী ছোৱালী ৰৈ আছে। অকাস্মতে, অভাবনীয়ৰূপে অথচ অতি স্বাভাৱিকভাবেই দুয়ো দুয়োৰে চকুৰে চকুৰ পৰাত নিমিষ নমৰাকৈ দুয়ো দুয়োৰে চকুলৈ চাই থাকিল। হৃদয়ত জাগি উঠিল অজ্ঞান অনুভূতিৰ পুলক, মৃদু শিহৰণে দুখন অন্তৰ ঢুক ঢুককৈ কঁপাই তুলিলে। ক্ষন্তেকৰ বাবে হলেও পাহৰি গ'ল স্থান, কাল পাত্ৰৰ ভেদ—তন্দ্ৰাচ্ছন্ন স্বপ্নত বিভোৰ। হঠাতে ছোৱালীজনী বিশেষভাবে লজ্জিত হৈ চকু দুটা নমাই দিবলৈ বাধ্য হ'ল। হৃদয়ৰ মাজত ধুমুহাৰ ঢৌৰ খলকনি নে ক্ষণপ্ৰভা বিজুলীৰ চমকনি তাই একোকে বুজিব নোৱাৰি অচিনাকি ডেকা এজনৰ চকুত ধৰা পৰি যোৱাৰ লাজতে জঠৰ হোৱাৰ নিচিনাকৈ তলমূৰকৈ থিয় হৈ ৰ'ল।

আৰু কুঞ্জনে কি দেখিলে? চমকলগা মুখমণ্ডল, অনুপম দৈহিক সৌন্দর্য্যৰ সুষমা ৰাশিৰে তাইক দেখি প্ৰথমতে যেন সি অবাক হৈ গ'ল। সৌন্দৰ্য্য ইমান আকৰ্ষণীয় হব পাৰে? বক্তোজ্জ্বল তাইৰ কমলাফুল দুটা, বাৰুণী পানীৰ দৰে বাঢ়ি অহা তাইৰ যৌৱন—

কুঞ্জন ৰোমাঞ্চিত হৈ পৰিল। কোনোদিনে কোনো ছোৱালীৰ প্ৰতি দুৰ্ব্বল নোহোৱা কুঞ্জন সচাঁকৈয়ে কব নোৱাৰাকৈয়ে তাইৰ প্ৰতি মোহাচ্ছন্ন হৈ পৰিল। নিজে নজনাকৈয়ে যেন মন্ত্ৰ মুগ্ধভাবে তন্ময় হৈ অপলক নেত্ৰে তাইৰ ফালে মাত্ৰ চাই থাকিল—("মোৰ দৃষ্টিৰ সৰোবৰত পূৰ্ণ হৈ থাকক তোমাৰ মদিৰ যৌৱন)।"

" *'Tis beauty, that doth oft make women proud, 'tis vertue that doth make them most admired, 'tis m desty, that makes them seen devine* "

"বাগিছাত প্ৰস্ফুটিত হোৱা এপাহ ফুলৰ ৰং আৰু সুৰভিৰ মিলনত ফুলপাহ সাৰ্থক হয়—তুমি যুলপাহৰ ৰং আৰু মই সুৰভি। তোমাৰ পৃথিৱী আঁৰু তোমাৰ হৃদয় এৰি মই কলৈ যাম কোৱা?"

হঠাতে তাইৰ এজনী বান্ধৱীৰ আগমনত মন্ত্ৰমুগ্ধ কুঞ্জনে সম্বিৎ ফিৰাই পালে। বান্ধৱীৰ সৈতে যুৱতী তাৰ কাষেদিয়ে পাৰ হৈ গ'ল। হৃদয়ত এজন অচিনাকি যুৱকৰ ছবিখনি আঁকি লৈ গ'ল, যুৱকৰ হৃদয়ত সিঁচি গ'ল অবাৰিত প্ৰেম অনুভূতিৰ বীজ।

কিন্তু আধাঘণ্টামান পিচতে এখন কিতাপ আৰু দুখন বহী লৈ তাই যেতিয়া নিজৰ কোঠা পালে, আচৰিত নোহোৱাকৈ নাথাকিল। অকল আচৰিতে নহয়, তাই বিব্ৰত হোৱাৰ নিচিনা হ'ল। এনে লাগিল তাই যেন নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই। কব নোৱাৰাকৈয়ে অন্তৰৰ গোপন কোণেদি বিজুলী খেলি গ'ল। অন্তৰত ৰঙীন কামনাই থৌকিবাথৌ লগালে। অজানিত আনন্দ, অবুজনীয় লাজ আৰু অপ্ৰত্যাশিত আশ্চৰ্য্যত বিমোৰ হৈ অপলক দৃষ্টিৰে চাই ৰল কেইটামান মুহূৰ্ত। তাৰ পিচত প্ৰতিমাৰ মাতত হে সম্বিত ফিৰাই পাই স্বাভাৱিক হবলৈ চেষ্টা কৰিলে।

"অ' ৰেণু, তই আহিলি, ৰাৰু এওঁৰ লগত তোক চিনাকি কৰি দিও দেই -তোক সদায় কৈ থকা মোৰ কুঞ্জন দাদাজন এইজনে। আৰু দাদা, এদিন যে তোমাক কৈছিলো লাজুকীলতা মোৰ ৰুমমেট

জনী—এইজনীয়ে, বেণুকাদেৱী। আমি একে শ্ৰেণীতে পঢ়ো।"

বেণুৱে কোনোমতেহে মুখ তুলি কুঞ্জনলৈ চাই নমস্কাৰ দিলে। প্ৰতিনমস্কাৰ দিয়া কুঞ্জনে কিন্তু অপলক নেত্ৰে তাইলৈ চাই থাকিল। চাই থাকিল বেণু—কি মায়া, কি যে মোহ, তুলিৰ যেন শেষ নাই। চাৰি চকুৰ হৃদয় গৰকি যোৱা চাৱনীৰ সেই অভিব্যক্তি—মুখৰ ভাষাৰে জানো ইমান স্পষ্ট ভাবে পৰস্পৰে পৰস্পৰৰ প্ৰতি থকা নিবিড় ভালপোৱাৰ সম্ভেদ দিব পাৰিব?

"তোমাৰ কথা এদিন প্ৰতিমাই মোক কৈছিল। আজি তোমাক দেখিলোঁ, চিনাকি হলোঁ। সৌভাগ্য বুলি কলে বেছিকৈ কোৱা বুলি নাভাবিবা। আচল সত্যটো হয়তো তাতকৈয়ো বেছি।" কব নোৱাৰাবিয়ে মনৰ তুৰ্বলতা বোধ কৰিব নোৱাৰি ওলাই অহা কুঞ্জনৰ সেই আবেগ আৰু অনুৰাগ মিহলি কথাখিনি কণ্ঠতে সি সামান্য কঁপিছিল। তলমূৰ কৰি থকা বেণুৱে চাওঁনাচাওঁকৈ এবাৰ কুঞ্জনৰ মুখলৈ চাই হাঁহো হাঁহো কৰি হাঁহিব নোৱাৰি পুনৰ তলমূৰ কৰি যেন তাৰ কথা কেইষাৰৰ সঁহাৰি দিব খুজিলে। তাইৰ দীপ্ত নয়ন যুগলৰ আবেগ ভৰা ভাষাৰে কুঞ্জনক যেন বুজাবলৈ চেষ্টা কৰিলে—"মোকো প্ৰতিমাই আপোনাৰ কথা সদায় কৈ থাকে। আপোনাক এনেদৰে হঠাতে লগ পাই মোৰ এনে লাগিছে যেন মই ইমান দিনে আপোনাৰ প্ৰতিক্ষাতে আছিলো। আপোনাৰ সান্নিধ্যই মোৰ জীৱনৰ পূৰ্ণতাৰ সাক্ষ্য বহন কৰক—মই ইয়াকে কামনা কৰিছো। মোৰ হৃদয়, মোৰ প্ৰেম আপোনাতে অৰ্পিছো। আমি যেন এখন হৃদয়, আপুনি মোৰ অভিন্ন আত্মা।"

"তইঁতে কথা পাতচোন বেণু, মই কাক্কাক কৈ চাহ অলপ অনাও।"

"নাই নাই নালাগে, নাখাওঁ চাহ, মই যাওঁহে।"

"নাখাওঁ বুলি কলে হব নেকি? সদায় জানো আহা?"

প্ৰতিমা গুচি গ'ল। কিছু সময়ৰ নিস্তব্ধতা। দুয়ো দুয়োৰো কালে চাইছে, বাৰেবাৰে দুয়ো দুয়োৰে গুচৰত ধৰা পৰি গৈছে।

সিহঁতৰ সেই অযুত আবেগ ভৰা চাৱনীৰ আগত মুখৰ ভাষাও যেন হাৰ মানিছে ।

"তুমি নৱমমান শ্ৰেণীত পঢ়া ?" সহজ হবৰ চেষ্টা কৰিলে কুঞ্জনে ।

"হয় ।" হিয়া আজুৰি কথা পাতিবলৈ মন যোৱা ৰেণুজনীৰ মুখেদি সেই সৰু উত্তৰটো ওলাওতে বহুত কষ্ট হৈছিল ।

"ভালদৰে পঢ়িবা । উপদেশ দিলোঁ—বেয়া পালা নেকি ?"

"ইস কিয় বেয়া পাম ? আপোনাৰ উপদেশক মই দেবতাৰ আশীৰ্বাদ বুলি ভাবিম ।" তেনেকৈ উত্তৰটো দি নিজে নিজে লজ্জিত হল ৰেণু । কুঞ্জনৰো মুখৰ মাত হৰিল । কি কব কি কৰিব তৎ ধৰিব নোৱাৰি টেবুলৰ পৰা স্কুলৰ আলোচনী খনকে টান মাৰি আনি পঢ়িবলৈ ধৰিলে । মাজে মাজে চকুৱে চকুৱে পৰিলে দুয়ো হাঁহে—লাজ, শঙ্কা আনন্দমিহলী হাঁহি । অথচ যেন কাৰুণ্যৰ প্ৰলেপ সনা । ক্ষন্তেক পিচতে এৰা এৰি হোৱাৰ ভাবনাই যেন সেই কাৰুণ্যৰ প্ৰলেপ সানি দিছে ।

তেনেতে প্ৰতিমাই আবিৰ্ভাৱ হৈ ৰেণুলৈকে চাই দুষ্টালিভৰা হাঁহি মাৰিলে । ৰেণুৰ বাহুত চিকুটি দিলে । ফুচফুচাই কলে—বেযাকৈ ধৰা পৰিল বেচেৰা । আৰু তই ? মোক জানো ফাকি দিব পাৰিবি ? পিচে ৰাজকুমাৰক সন্মানতে কুঞ্জন দাদাই বুলিবি—পিচত যি মন যায় তাকে বুলিবি ।"

ব্যস্ততাহে আলোচনীখন পঢ়ি থকা বা পঢ়াৰ ভাও ধৰি থকা কুঞ্জনলৈ চাই প্ৰতিমাই ভাবিলে—ইমান দিনে ৰেণু আৰু কুঞ্জন দাদাকৰ আন্তৰিক মিলনক কল্পনাতে আঁকি আঁকি আজি বাস্তৱৰ ৰং দি তাই যেন বিজয়ীনী হল ।

সচাঁকৈয়ে বৰ উকঙা উকঙা লাগিল ৰেণুৰ । কিবা যেন হেৰাল, কিবা যেন নাই নাই—এনে বিঙা বিঙা ভাব । তাই ভাবিলে,

কুঞ্জনটোক যদি সদায় চকুৰ আগত ৰাখিব পাৰিলেহেঁতেন, কিমান যে আনন্দ লাগিলহেঁতেন। হেঁপাহ পলুৱাই কথা পাতিলেহেঁতেন— চকুৰে, মুখেৰে, ওঠৰ কপঁনিৰে। কুঞ্জনৰ সান্নিধ্যতকৈ মূল্যবান বস্তু যেন তাইৰ বাবে একো নাই। কুঞ্জনৰ মৰম লগা মুখখনিৰ কথাকে সুঁৱৰি তাই ভাব সাগৰত বুৰগৈ থাকিল।

ঘড়ীটোৱে চাংলে—চাৰে তিনি বাজিছে। কুঞ্জনে চাগৈ এতিয়ামানে হোষ্টেল পাইছে। গুৱাহাটীত পঢ়া ল'ৰা—কিমান ছোৱালীৰ লগতে বা চিনাকি তেওঁৰ। তালৈ গৈয়ে যদি তাইক পাহৰি যায়? এদিনৰ চিনাকিতে জানো তাইক তেওঁ আপোনজনী বুলি হৃদয়ত আকোৱালি লব? যদি সৰ্ব্ব সাধাৰণ ছোৱালীৰ লেখতে তাইকো এদিনৰ চিনাকি বুলি ভাবিয়ে পিঠি দিয়ে? তেওঁ যদি ক্ষন্তেকিয়া মন আৰু চকুৰ তৃপ্তিৰ বাবেই তাইৰ লগত প্ৰীতিৰ খেলনা খেলি গ'ল? তাইৰ প্ৰতি যদি তেওঁৰ প্ৰেম আৰু ভালপোৱা সমূলি নাই? ওহো, সেযা কেতিয়াও হব নোৱাৰে। কুঞ্জন একমাত্ৰ তাইৰ, আন কাৰো নহয়, হব নোৱাৰে, তাই হব দিব নোৱাৰে।

"কুঞ্জন"— মোহলগা নাম, মৰম লগা মুখ, সাবতি লবৰ মনযোৱা দেহ, দৰদী হৃদয়, গভীৰ আস্থাভৰা ব্যক্তিত্ব, প্ৰশান্ত চৰিত্ৰ তাইৰ হৃদয়ৰ দেৱতা।

"আও এইজনী—শুই শুই কোন অনিৰুদ্ধৰ কথা ভাবি আছ?"

ৰেণুৱে বুজিলে সেয়া প্ৰতিমা। তাই একো নামাতিলে। লৰচৰো নকৰিলে। শুইয়ে থাকিল— ওলমূৰকৈ। এইবাৰ একেজাপে বিচনাত বহি লৈ প্ৰতিমাই ৰেণুৰ বাহু এটাত ধৰি জোৰকৈ জোকাৰি দি কলে—

"বৰকৈ মনত পৰিছে নহয়? এবা পৰিবৰে কথা। কোনোবা এখন উপন্যাসত পঢ়িছিলোঁ।—প্ৰথম প্ৰেমৰ অনুভূতিবোৰ হেনো বৰ তীব্ৰ। মিছা লিখা নাছিল সেই।"

ৰেণুৱে এইবাৰো একো নামাতিলে, একেদৰে থাকিল।

"বোলো উষাদেৱী, অহাকালি স্বপ্নাবাইদেউৱে যে অঙ্কৰ পৰীক্ষা লম বুলি কৈছে—অনিৰুদ্ধৰ চিন্তাত পাহৰি নাথাকিবি আকৌ। ইমান উন্মনা হলে কাইলৈ কি লিখিবি ?"

ৰেণুৱে মুৰতুলি প্ৰতিমালৈ চাই কিবা কব খুজিও কৈ গ'ল।

"মই কব খুজিছো, দাদাৰ কথা ইমানকৈ ভাবি থাকিলে, কাইলৈ কেনেকৈ পৰীক্ষা দিবি ?"

"কিবোৰ যে কব ধৰিছ, বাৰে বাৰে কৈ থাকিলে খং উঠিব কিন্তু।"

"পেটে পেটে চাগে' কিমান খুচিছে গৈছ নহয়নে ?"

ৰেণুৰ থুতৰিটোত ধৰি জোকাৰি দিলে প্ৰতিমাই। ৰেণুৱে বাধা দিব নোৱাৰিলে। মাত্ৰ হাঁহিলে। লাজ লাজ হাঁহি।

"সঁচাই জান ৰেণু মযো আজি কম আচৰিত হোৱা নাই দেই। ইমান সহজতে সি তোৰ ওচৰত আত্মপ্ৰকাশ কৰি যাব বুলি অন্ততঃ মই ভবা নাছিলোঁ। তয়ো কমজনী নহৱ দেখিছো।"

"মোৰনো কেনেজনী হোৱা দেখিলি ?"

"বুজাই নাই হবলা। বুজাই দিম নে ভালদৰে ?"

"হৈছে হৈছে, বুজিছো"

"এটা কিন্তু বৰ মজাৰ ৰগৰ হল দেই।"

"কি ৰগৰনো ?"

"বেচেৰাই বৰ বেয়াকৈ ধৰা দি গ'ল নহয়নে ?"

"নাজানোঁ।" ৰেণুৱে মুখখন ঘূৰালে।

"তই নিজেও যে ধৰা দিলি সেইটোকো নাজাননে ?"

"ক'ত ধৰা দিয়া দেখিলি অ' এইজনী ?"

"দাদাৰ হৃদয়ত।"

হাঁহি দিলে প্ৰতিমাই। ৰেণুও নহঁহাকৈ নোৱাৰিলে।

"জান ৰেণু, কুঞ্জনদাদাই ইমান যে অংক জানে। অঙ্কত লেটাৰ পাই মেট্ৰিকত ফাৰ্ষ্ট ডিভিজন পাইছে জান। সিহঁতৰ ঘৰলৈ গলেই মোক অংক শিকায়, ইংৰাজী শিকায়। বৰ ধুনীয়াকৈ বুজাব পাৰে

ভাই। 'টেপপেষ্ট' টো বুজাওঁতে মিৰান্দা আৰু ফাৰদিনান্দৰ প্ৰেমপৰ্ব খিনি যেতিয়া বুজাই গৈছিল—বেচেৰাই লাজতে ৰঙা চিঙা পাৰিছিল।"

কিছু সময়ৰ নীৰৱতা। ৰেণুৱে এনেয়ে জ্যামিতিৰ বহীখনৰ পাতবোৰ লুতিয়াই থাকিল। প্ৰতিমাই ৰেণুৰ বাহু এটাত সোঁহাতৰ তৰ্জ্জনী আঙুলিটোৰে এনেয়ে কোবাই থাকিল।

"এটা কথা অ' ৰেণু ?"

"কি কথানো ?"

"তই মিৰান্দা আৰু

'উহ আকৌ সেইসব।"

"বাৰু বাৰু আমাৰ দেশতে ইমান জীয়া উদাহৰণ থাকোতে তোক মিৰান্দা সজাম কিয় ? তই যদি সাবিত্ৰী হৱ, কুঞ্জনদাদাক সত্যবান পাতিম। আৰু মই উলাহেৰে বিয়াগীত গাম।"

সিযালে হোষ্টেল পোৱাৰ পিছৰেপৰা কুঞ্জনৰো একে অৱস্থা হ'ল। মুখ-হাত ধুই বাহিৰে বাহিৰে টিফিন খাই আহি বিচনাত দীঘল দি পৰিল। 'ৰেণুকাদেৱী'—ধুনীয়া নাম, কাব্যিক নাম, শিল্পী শিল্পী লগা নাম। প্ৰতিমাজনী সঁচাকৈয়ে বৰ দুষ্টা। তাৰ আগতে ৰেণুজনীক কিচকিচাই থিবোৰহে কলে—সি যেন শুনাই নাই। সেই মুখখনি, সেই চকুযুৰি, সেই দীপ্ত চাৱনী—জোনৰ স্নিগ্ধ পোহৰ নে সূৰ্য্যৰ তপ্ত শিখা ? বিচ্ছেদ মধুৰ হয় মাত্ৰ কল্পনাত। কিন্তু বাস্তৱত ৰেণুৰ সতে তাৰ বিচ্ছেদ ? নহয়, কাহানিও হব নোৱাৰে। ৰেণুৰ স্মৃতিও তাৰ বাবে বাস্তৱতকৈও জাগ্ৰত আৰু জীয়া সত্য। সি এই সত্যক আজীৱন স্বীকাৰ কৰিবই লাগিব। তাৰ হৃদয়ৰ চৰম সত্য বাসনা—ৰেণুৰ উকা কঁপালত এটি ৰক্ততিলক, শিৰত সেন্দুৰৰ বোল। ৰেণুবিহীন জীৱন তাৰ বাবে অপূৰ্ণ, অসহ্য—তেনে আঘাট সহিব পৰাকৈ কঠিন হৃদয়

তাৰ নহয়। তাৰ জন্ম যেন একমাত্র ৰেণুৰ বাবে, ৰেণুৰ সৃষ্টি তাৰ বাবে—

"মন পখীমোৰ কৰে গুণ গান
হিয়াত বাগৰে শত বেদনাৰ কত আস্ফালন
তথাপি বিচাৰো তোমাৰ হিয়াৰ
মিলন মাধুৰী, মধুৰ তান।"

কুমাৰেশ আৰু অমৃত সোমাই আহিল। কুঞ্জনে চিন্তা তৰঙ্গৰ ঢৌ লেখি আছে। ধ্যানৰত মুনিবৰৰ দৰে নিৰ্ব্বাক, নিস্পন্দ।

"আৰে কুঞ্জন, পাঁচ নবজাতে বিচনাত এনেদৰে দীঘল দি আছ যে? হৈছে কি?" কুমাৰেশে সুধিলে।

দীঘলীয়া হামি এটা মাৰি কুঞ্জন বহিল।

"তহঁত কৰবালৈ যাবি নেকি?"

"অ' যাম? পিচে ঘৰৰ পৰা আহি চাপচুপ শুই আছ কিয়? আমালৈ একো অনা নাই জানো?"

"মানে পিঠাপনাৰ টোপোলা এটা লগত গুজি দিয়া নাই জানো?" অমৃতে যোগ দিলে।

"বহুচোন বহু, ফুকন বহুকহে। কুমাৰ, সৌ টোপোলাটো আনচোন। ছুটামান লাড়ু দিছে। নাই মৰম কৰি দিয়া বস্তু, সোৱাদ নালাগিলেও মৰম মৰম লাগিব নিশ্চয়।"

তিনিও টোপোলাৰ বস্তু খাই শেষ কৰিলে। কুমাৰেশে লক্ষ্য কৰিলে কুঞ্জনৰ মনটো আজি সিমান ভাল নহয়। মুকলিভাবে সিহঁতৰ লগত কথা কব পৰা নাই, আচৰণতো যেন কিবা ঔদাসীন্য।

"সঁচাকৈয়ে তোৰ কিবা হৈছে নেকি? নে জানি কৰা বাবে গাটো বেয়া লাগিছে?"

"মূৰ বিষাইছে নেকি মিঃ চৌধুৰী?"

"মূৰ বিষোৱা নাই ফুকন। আপোনালোকক আৰু কি মিছা

মাণ্ডিম।" কুঞ্জন বাহিৰলৈ চাই থাকিল। কুমাৰেশে একো বুজিব নোৱাৰি সুধিলে—

"মানে ?"

"এই খিনিকো নুবুজিলেনে আপুনি ? আজি চৌধুৰীয়ে ঘৰৰ পৰা আহোঁতে গাড়ীৰ ভিতৰত ধুনীয়া ছোৱালী দেখি হয়তো চুচুৰীয়া প্ৰেম অঙ্কণ কৰি আছিছে। এতিয়া তাকে মনত পৰাত মনটি উৰি যাও, কিবা কৰোঁ লাগিছে।"

তিনিও হাঁহি দিলে। কুঞ্জন হাঁহি হাঁহি হঠাতে নিজকে সংযত কৰি কলে—

"সঁচাকৈয়ে কুমাৰ, এজনী ছোৱালীৰ স্মৃতিয়ে হঠাতে আজি মোক বিব্ৰত কৰি তুলিছে। মই ঠিক বুজিব পৰা নাই—আচলতে মোৰ মনটো তাইৰ প্ৰতি দুৰ্ব্বল হৈ পৰিছে নেকি ?"

"মানে প্ৰেম—ফুলোনে মুকুলোকৈ কুমলীয়া কলিটি
ওঠত লাজৰে বৈ মিচিকিয়া হাঁহিটি

এইবাৰ কিন্তু তোৰ মাৰে কৰি দিয়া লাড়ু কেইটাৰে নহব। বল, বাহিৰলৈ। আমি চিনেমা চাম। তয়ো ওলা। আগতে তোৰ প্ৰেমক আদৰণী জনাই তাৰ পিচত হলৰ ভিতৰত বহিম। বল, ওলা সোনকালে।"

"কুমাৰ, যাবলৈ মনযোৱা নাই।"

"বাক বাক আমি তেনে আহোঁ। কাইলৈ তোৰ ডবল চাৰ্জ হব কিন্তু।"

কুমাৰহঁত গুচি গ'ল। কুঞ্জনে খিড়িকিৰে আকাশখনিলৈ চাই থাকিল—বেণুজনীৰ ওঠত লাজৰ মিচিকিয়া হাঁহি এটা ধুনীয়াকৈ জিলিকি থাকে - যি হাঁহিৰ আবেদন আৰু ভাষাই তাৰ হৃদয়ত শৰবিদ্ধ হৈ আবুজ কৰিছে তাৰ মনপ্ৰাণ প্ৰেমিক সজাইছে তাক।

বেণুৱে তাক অনুৰোধ কৰিছে, গুৱাহাটীলৈ আহিয়ে যাতে তাইলৈ চিঠি দিয়ে। এটি মাত্ৰ অনুৰোধ—অথচ কিমান আবেগ,

কিমান অনুৰাগ। সেই শব্দ কেইটাৰ প্ৰতিটো ভাঁজে বহন কৰিছে অনাবিল ভালপোৱা—তাইৰ সেই অনুৰোধ সিতো উপেক্ষা কৰিব নোৱাৰে। সি ভাবিলে—আজীৱন বেণুৰ কোনো অনুৰোধ, কোনো আবেদন সি উপেক্ষা কৰিব নোৱাৰিব। সি নজনাকৈয়ে তাৰ হৃদয়ৰ গোপন চাবি কাঠি পাত বেণুজনীৰ হৃদয়ত অৰ্পণ কৰি আহিছে। তাৰ সমস্ত সত্তা অৰ্পিত হৈছে বেণুত। বেণুৰ সান্নিধ্য আৰু মৰম অবিহনে জীয়াই থকাৰ কথা ভাবোতেও যে ইমান কষ্ট লাগে। পদূলীলৈকে প্ৰতিমাৰ সতে আগবঢাবলৈ অহা বেণুজনীক "আহো" বুলি মাতষাৰ দিওতে তাই কিয় ব' লাগি তাৰ ফালে চাই আছিল—লাজত মুখখন ৰঙচুৰা হৈছিল, অথচ চকুহাল—কিমান যে দীপ্তি, কিমান যে আকুতি। তথাপি কুঞ্জন অবশেষত গুচি আহিছিল—কিবা যেন এৰি থৈ, কিবা যেন বুকুত বান্ধি লৈ সি আঁতৰি আহিছিল।

"আপোপাৰ উপদেশক মই দেবতাৰ আশীৰ্বাদ বুলি ভাবিম।"

"কুঞ্জন—সেইজনী বেণুৰ হৃদয়ত আঘাট কৰাৰ অধিকাৰ তোমাৰ নাই—সেইজনী বেণু তোমাৰ—সেইজনীবেণুৰ সুখ আৰু সাচ্ছন্দতাৰ বাবে তুমি তোমাৰ গোটেইটো জীৱন উচ্চৰ্গা কৰাৰ অঙ্গীকাৰ লোৱা। তোমাৰ সমস্ত ত্যাগৰ বিনিময়ত বেণুজনীৰ জীৱন ৰঙীন আৰু হাঁহিময় কৰিবলৈ তুমি প্ৰতিশ্ৰুত হোৱা।"

ওহো—কুঞ্জনে বেণুক বাদ দি এখন্তেকো জীয়াই থকাৰ কথা ভাবিব নোৱাৰে। বেণুৱে তাৰ ধ্যানৰ প্ৰতীক, প্ৰাৰ্থনাৰ শেষৰ শান্তি, জীৱনৰ প্ৰদীপ, সাধনাৰ বংঘৰ, ব্ৰতৰ অন্তত ঈপ্সিত ফল, জীৱন মৰুৰ মৰুদ্যান, সপোনৰ বাস্তৱৰূপ—বেণু তাৰ আজীৱন সহচৰী - হৃদয়ৰ দেৱী।

" *I love thee with the breath,*
Smiles, tears of all my life ! and, if God choose,
I shall but love thee better after death."

পাঁচ

প্ৰেম সৰোবৰৰ পাৰে পাৰে গভীৰ আন্তৰিকতাৰে, নিৰিবিলি ভাবে বিচৰণ কৰা দুটি প্ৰাণী—কুঞ্জন আৰু ৰেণু। দৃষ্টিৰ পৰা দুয়ো দুয়োৰে কিমান আঁতৰত অথচ সেই ব্যৱধানে সিহঁত দুটাৰ মন অনুভূতিবোৰৰ ব্যৱধান জানো ৰাখিব পাৰিছে? দুখন হিয়াৰ গোপন আহ্বানক জানো বাধা দি ৰাখিব পাৰিছে? প্ৰেমৰ সোঁত বাধাহীন, কোনো ব্যৱধান নামানে, তাৰ গতি দুৰ্বাৰ, সহস্ৰ শক্তিয়েও ৰুধিব নোৱাৰে তাৰ গতি।

ৰেণুৰ অনুৰোধ কুঞ্জন ৰাখিলে। হোষ্টেল পাই সি তাইলৈ বুলি চিঠি এখন লিখিলে। হেজাৰ মৰম সনা, মধুৰ সপোন অনা চিঠি হৃদয়ৰ স্তুপীকৃত হেঁপাহৰ অভিব্যক্তিবোৰ কঢ়িওৱা চিঠি। সেই চিঠিয়ে কথা কব পাৰে, হাঁহিব পাৰে, মনৰ মলিনতা ধুই নিকা কৰিব পাৰে, অস্থিৰ ঔৎসুক্য আঁতৰাব পাৰে আৰু পাৰে জীৱন বীণত সুললিত সুৰৰ ঝঙ্কাৰ তুলিব।

সময়ৰ পাখীলগা কাঁড নিয়ত গতিত দিনবোৰ আগবাঢ়ি থাকে। ৰেণু আৰু প্ৰতিমা দশম মান শ্ৰেণী পালে। প্ৰতিখন চিঠিতে কুঞ্জনে লিখে ৰেণুৱে যাতে ভালদৰে পঢ়ে। আৰু লিখে, তাই যাতে তালৈ সদায় বতৰা জনায়। তাই যাতে তাক সদায় প্ৰেৰণা দি থাকে, উৎসাহ যোগাই থাকে। ঘৰ মৰম লগাকৈ লিখা কুঞ্জনৰ চিঠিবোৰ তাই দুবাৰ তিনিবাৰকৈ পঢ়ে। "পৰীক্ষাত ভাল কৰিব লাগিব—নহলে তেওঁ আঘাট পাব। তেওঁক আনন্দ দিবলৈকে, তেওঁৰ মনত সন্তোষ জোগাবলৈ মই কষ্ট কৰিব লাগিব, মই সকলো কৰিব লাগিব।"

আজি প্ৰতিমাজনী নাই। ৰেণুৱে ভাবিলে কুঞ্জনলৈ চিঠি এখনকে লিখে। কাগজ কলম উলিয়াই আৰম্ভ কৰিলে—

মৰমৰ কুঞ্জন,

মৰম লব। নিশ্চয় কুশলেই আছে। পঢ়াশুনা ভালদৰে

কৰিব কিন্তু। দুষ্টালি কৰা বুলি গম পালে পিছত দিম মজাপালিটো। অ' সেইদিনা কিবা আলোচনী এখনত আপুনি লিখা গল্প এটা পঢ়িলোঁ। ভাল লাগিছে গল্পটো, কিন্তু কিবা এক অবুজ বেদনাই মোক বৰ কষ্ট দি আছে। জানোচা আপুনিও মোৰ জীৱনৰ পৰা হেৰাই যায়-গল্পৰ নায়কে যেনেদৰে নায়িকাৰ জীৱনৰ পৰা চিৰদিনলৈ হেৰাই গৈছিল।

ধেৎ, আপুনি যে তাত লিখিছে-নিৰিবিলি আবেলি এটিৰ কোনো এক গোপন ক্ষণত গভীৰ আন্তৰিকতাৰে নায়কে নায়িকাৰ ওঠত চুমা এটি আঁকি দি কলে—সেয়া জীৱনৰ প্ৰতিশ্ৰুতিহে। তেনেদৰে জীৱনৰ প্ৰতিশ্ৰুতি কাৰোবাক জনাবলৈ আপোনাৰো মন নেযায়নে? যদি যায়, তেন্তে তাক জনাব সেই প্ৰতিশ্ৰুতি?

ইয়াত কেতিয়াবা বৰ অবলশৰীয়া লাগে। তেতিয়া চকুৰ আগত আপোনাৰ প্ৰতিচ্ছবি ভাঁহি উঠে। আপোনাক কাষত পাবলৈ মনটো ব্যাকুল হৈ পৰে। আপোনাৰ শুৱনী মুখখনে মোক আমোদ লগাই আমনি কৰি থাকে। লাজ লগা কথাবোৰ লিখিলো, খং কৰিব নেকি? উঠক খং, মোৰ মৰমেৰে আপোনাৰ খং, অভিমান সকলো বোৰকে মই জয় কৰিম।

উৰণীয়া মন এটি ফাগুনৰ—উৰি উৰি যাব খোজে দূৰলৈ, বহু দূৰলৈ—তাৰেই মৃদু সমীৰণত। হৃদয়ে বিচাৰে অন্য হৃদয়ৰ সান্নিধ্য, অন্য দেহৰ পৰশ। আপোনাৰ ফাগুনী হৃদয়ে তেনে সান্নিধ্য আৰু পৰশ নিবিচাৰে জানো? যদি বিচাৰে কওকচোন—কাৰ বিচাৰে?

মোৰ জীৱনৰ পৰা আপোনাক কিন্তু আঁতৰি যাবলৈ নিদিম। যদি যাব খোজে, মোৰ ভাল পোৱাৰ পবিত্ৰতাৰে আপোনাক আবদ্ধ কৰি ৰাখিম—মোৰ হিয়াৰ মাজত। তথাপি জানে-কিয় জানো সন্ত্ৰাসিত হওঁ মাজে মাজে—আপোনাক হেৰুৱাৰ চিন্তাত। অনুগ্ৰহ কৰি আপুনি কৰনে—আপুনি পিচলি নাযায়তো? আপুনি কাহানিও মোক এৰি নাযায়তো?

লিখিবৰ মনযায় বহু কথা—মাত্র ভাষাত ধৰিব নোৱাৰি। সামৰো।

চিঠিখন লিখি উঠি বেণুৱে আকৌ এবাৰ পঢ়িলে। এনেতে প্রতিমা সোমাই আহিল।

"চিঠি চিঠি আৰু চিঠি। পঢ়িবি কি? চিঠি। লিখিবি কি? চিঠি। চাওঁ কি লিখিলি?" বেণুৰ হাতৰপৰা চিঠিখন টান মাৰি পঢ়িবলৈ ধৰে।

"বাহ্, বাহ্ কাকনো জনাব সেই প্রতিশ্রুতি—তোকে জনাব—আৰু সি তোৰেই সান্নিধ্য আৰু পৰশ বিচাৰে। হ'লনে এতিয়া?"

বেণুৱে একো নামাতিলে। প্রতিমাই পুনৰ পঢ়ি গ'ল।

"হেৰ এইজনী, বৰ মিঠা লগা চিঠি লিখিছ। পিচে দাদাৰ পৰীক্ষা যদি বেয়া হয়, তোক কিন্তু মই শুদাই নেৰো। মনত ৰাখিবি।"

"আৰু যদি পৰীক্ষাত ভাল ফলাফল কৰে—মোক কি দিবি?"

"কুঞ্জনদাদাৰ লগত তোৰ বিয়াপাতি দিম—হ'বতো?"

"তোৰ সেইজন দাদালৈ মই নগৈছে নোৱাৰিছো।"

"সঁচা, দাদাক এইবাৰ লগ পালে কৈ দিম বহু, দিব সেকাটো।"

"এই প্রতিমা প্লিজ, নকও আৰু তেনেদৰে।"

প্রতিমাই বেণুক সাবতি ধৰি কাণেকাণে কলে "নবৌ"?

"কি?"

"এটা কাম কৰিব লাগিল।"

"কি কাম?"

"পঢ়িব লাগিল ভালদৰে। আৰু তোৰ চিঠিখন ডাকত দিব লাগিল।"

দুয়োজনীয়ে মধুৰ উল্লাসেৰে খুঁকখুককৈ হাঁহিবলৈ ধৰিলে।

চাওঁতে চাওঁতে বছৰে আৰু এটা পাক মাৰিবৰ হ'ল। কুঞ্জন এতিয়া এম. বি বি এছ. প্রথম বার্ষিকৰ ছাত্র। বেণুৱো শেষ পৰীক্ষা দি ঘৰতে বহি আছে। পৰীক্ষাৰ কথা তাই কুঞ্জনক

জনাইছে—পাছ কৰিব, কিন্তু আশানুৰূপ ফলাফল হ'বনে নহয় সন্দিহান তাই। কুঞ্জনক মাত্র দঢ়াই কৈছে যাতে লক্ষ্যভ্ৰষ্ট নহয়। তাই তেওঁৰ উজ্জ্বল ভবিষ্যত জগতে সৰ্বাঙ্গীন উন্নতি কামনা কৰে। গতিকে পঢ়াশুনাত যাতে ক্ৰুটি নকৰে।

ঘৰত থকা দিনকেইটা মুঠেই ভাল লগা নাই ৰেণুৰ। বহুদিন কুঞ্জনৰ বাতৰি পোৱা নাই। হে'ষ্টেলত থাকোতে নিয়মীয়াকৈ লিখিছিল। ঘৰত থকা দিন কেইটাত এখনো পোৱা নাই। ঘৰৰ ঠিকনা তেওঁ নাজানে নেকি বাৰু? প্ৰতিমাই কোৱা নাইনে?

ৰেণুৰ মানস পৰ্বত ভাঁহি উঠে প্ৰতিমাই কুঞ্জনৰ বিষয়ে কোৱা কথাবোৰ।

"জান ৰেণু, এইবাৰ কুঞ্জনদাদা ঘৰলৈ আহোতে তোৰ বিষয়ে যিবোৰ কথাহে মোৰ আগত কৈছিল। লাজ লাগে পাই। ইমান নিলাজটো হৈছে সি। তইয়ে তাক লাজ নোহোৱা কৰিলি।"

"কৰিলো যদি কৰিলো দে, কচোন কিবোৰ কৈছে?"

"এ নকও যা—ইমান যে দুষ্ট হৈছে সি।"

"আহ কচোন আগতে—বিশেষণবোৰ পিচতো দিবি।"

"কি কৈছ জান—সি তোক বিয়া কৰাই গোসাঁনী পাতিব। নিজে গোসাঁই হৈ গোসাঁই-গোসাঁনী দুয়ো প্ৰেম তীৰ্থৰ যাত্ৰী হৈ বিশ্ব ভ্ৰমণ কৰিব।"

"আচল কথাটো নকৱ নহয়, ঠিক আছে, মোৰো কবৰ দিন আহিব।" অভিমান মিহলি কণ্ঠেৰে ৰেণুৱে কলে।"

"আও এইজনী, বেয়াই পালি। সি কি কৈছে জান—ইমান দিনে কল্পনাত বিচাৰি ফুৰা জীৱন সঙ্গিনীৰ প্ৰতিচ্ছবিৰ প্ৰতিবিম্ব তোৰ মাজত বিচাৰি পাইছে। সি বহুত ছোৱালী লগ পাইছে—সিবোৰৰ সৌন্দৰ্য্য পূৰ্ণিমাৰ জোনটিৰ দৰে—উজ্জ্বল কিন্তু আচ্ছন্ন, আৰু তই প্ৰভাতৰ সূৰুযৰ নিচিনা স্পষ্ট। তোৰ মাজত সি এনে এক শান্তিৰ ৰূপ বিচাৰি পাইছে—যি প্ৰকৃততে হৃদয়ৰ তৃপ্তি আনি

দিব পাৰে। মুঠতে তোক তাৰ খুব ভাল লাগিছে।"

এদিন বেণুৱে প্ৰতিমাৰ পৰা চিঠি এখন পালে। উল্লাসত উৎফুল্লিত হৈ তাই পঢ়িবলৈ ধৰিলে।

"মৰম আৰু আন্তৰিকতা লবি। আশাকৰো তোৰ মঙ্গল। দাদাই মোলৈ চিঠি লিখিছে। তোৰ ঘৰৰ ঠিকনাটো তাৰ হেনো জনোৱা নাই। সেইবাবে তোলৈ নিজে লিখিব নোৱাৰি তাৰ কথাবোৰ মোলৈহে লিখিছে। পঢ়াশুনা সি ভালদৰে কৰি আছে। তাৰ বাবে তই চিন্তা কৰিব নালাগে। দাদাৰ খবৰ প্ৰেৰণ কৰা বাবে মোক বাৰু কি পুৰস্কাৰ দিবি? এ'কা নালাগে বেণু—মাত্ৰ তই আলহুৱা, মৰম আকলুৱা কুঞ্জন দাদাক চিৰদিন তোৰ পবিত্ৰ মৰমৰ মাজত ডুবাই ৰাখিবি। অ' এটা কথা তোৰ দেৱতালৈ বুলি ভাষাৰ সন্ধান কৰোঁতে মোলৈ ছুৰূলম লিখিবলৈ নাপাহৰিবি আকৌ।"

মনটো বহুত ফৰকাল লাগিল বেণুৰ। এইকেইদিন কুঞ্জনৰ খবৰ নেপাই বৰ চিন্তিত হৈ পৰিছিল তাই। কুঞ্জনৰ স্মৃতি আৰু প্ৰতিচ্ছবি—তাৰ বাহিৰে তাইৰ যেন বাঞ্ছিত বস্তু আন একো নাই। সেই প্ৰথম দেখাৰে পৰা কুঞ্জনক কেন্দ্ৰ কৰিয়ে তাইৰ জীৱণবৃত্ত ঘুৰি আছে। সেইজন কুঞ্জনক এৰি তাই অন্য পুৰুষৰ সান্নিধ্যৰ কথা কল্পনাও নকৰে। কুঞ্জন অবিহনে তাইৰ জীৱন অসাৰ আৰু অপূৰ্ণ।

পাহাৰ শিখৰত এখনি মনোৰম, মোহনীয় উদ্যান। পাহৰিব নোৱাৰা তাৰ পৰিবেশ। ভিন্ন ৰঙৰ পুষ্পৰাজি প্ৰস্ফুটিতহৈ উদ্যান খন ৰমকজমক কৰি তুলিছে।

"কুঞ্জন"

"কোৱা বেণু।"

"এইখন সাধুকথাৰ কিতাপত পোৱা সপোনপুৰী নে স্বৰ্গৰ অমৰাৱতী?"

"এটাও নহয়, ই মৰ্ত্যৰ শৈলশিখৰত প্ৰতিষ্ঠিত এখনি বিত্তোপন উদ্যান।"

"ইমান মোহনীয় ইয়াৰ সৌন্দৰ্য্য ।"

"এৰা ৰেণু—সৌন্দৰ্য্যত ই অমৰাবতী বা সপোনপুৰীতকৈ কোনো গুণে হীন নহয় ।"

"কুঞ্জন ।"

"কোৱা ।"

"কথা কোৱা কুঞ্জন—আজিৰ এই মধুৰ মূহুৰ্ত্তকেইটা—হাতত সময় বেছি নাই—আমি আমাৰ অন্তৰৰ সাঁচিৰখা কথাৰ ফুলজাৰিৰে মুখৰিত কৰোঁ আহা, হৃদয়ৰ সমস্ত আবেগ ঢালি উদঙাই দিও তোমাক—তুমি তাকে সাবতি লৈ মোৰ জীৱন ধন্য কৰা কুঞ্জন। মই আজীৱন তোমাৰ - তুমি মই অভিন আতমা। প্ৰাণখুলি কথা কোৱা কুঞ্জন। বিয়াকুল অতিকে আজি মন ।"

"মই তোমাৰ নিচেই কাষত ৰেণু। ইযেই সত্য। মুখৰ কথা মুখৰ ভাষাৰে যি কথা কম তোমাৰ—মাত্ৰ মোৰ অস্তিত্ব তোমাৰ কাষত - নোকোৱা ভাষাৰে মোৰ অস্তিত্বই দিব তুমি বিচৰা সকলোবোৰৰে সমিধান। মই তোমাৰ কাষত ৰেণু—কথাৰ প্ৰযোজন ক'ত ?"

"তথাপি কিবা কোৱা—সাক্ষী হওক উৰন্ত মেঘালী, সাক্ষী হওক অগনন তৰালী, সাক্ষী হওক জোনাক এই নিশা, স্তব্ধ হওক জগতৰ ভাষা। তুমি কথা কোৱা কুঞ্জন, শুনি হওক শান্ত মোৰ মন ।"

"তুমি মৰুভূমি দেখিছানে ৰেণু ?

"নাইদেখা—শুনিছো মাত্ৰ মৰুভূমিত বিচৰণ কৰাৰ ভয়াবহতা, জটিলতা ।"

"ভাবাচোন—এনে এখন প্ৰস্তৰময়, কঙ্কৰময়, মৰুৰ মাজত তপত ৰদত অকলে অকলে বিচৰণ কৰিছো মই, ভাগৰত ক্লান্ত—সংজ্ঞাহীন হৈ মৰুদ্যানৰ সন্ধানত—

"কিযে অশোভনীয় কথাবোৰ মুখলৈ আনিছা তুমি ।"

"নহয়, মানে যেনে মৰুৰ মাজত বিচৰণ কৰোঁতে যদি তোমাৰ সান্নিধ্য পাওঁ—তেন্তে স্থিৰকৈ কবপাৰোঁ মই মৰুভূমি মোৰ বাবে হব আজিৰ এই বিভোপন উদ্যান। সংসাৰ মৰুত তুমি মোৰ মৰুদ্যান বেণু। তোমাৰ সান্নিধ্য মোৰ শুকান বালিময় উপত্ত মৰুত হৃদয় শান্ত কৰা জীপাল বৰষুনৰ টোপাল, খাজুৰৰ মিঠাৰস, গছৰ স্নিগ্ধ শীতল ছা।"

"শৰতৰ নির্মল আকাশৰ পুৱতিৰ শুক্র তৰাটিলৈ কেতিয়াবা লক্ষ্য কৰিছানে কুঞ্জন, লক্ষ্য কৰিছানে তৰাটিৰ তীব্ৰ উজ্জলতা। মই শেষ নিশা সাৰ পাই মুক্ত খিড়িকিৰে যেতিয়া সেই শৰতৰ শুক্র তৰাটিলৈ চাও—তেতিয়া তোমাৰ শুৱনী মুখৰ উজ্জলতাই মোক এনেদৰে মোহাচ্ছন্ন কৰে যে কিমান সময় তৰাটিলৈ চাই থাকো কব নোৱাৰো। মাত্র তোমাৰ ভাবত তন্ময় মোৰ যৌবনোচ্ছল হিয়া। কিন্তু কুঞ্জন তৰাতিৰ দৰে তুমি মোৰ পৰা আঁতৰি নাথাকিবা। সেয়া হল ভৌগলিক আকাশৰ তৰা আৰু তুমি হলা মোৰ মন আকাশৰ—বুজিলানে ?"

"জানা বেণু, মোৰ অতীত এটা মাত্র মিছা অহংকাৰ। বর্ত্তমানটো দেখিছাই। ঈপ্সিত বস্তু এটি মোৰ—"মোৰ বেণুজনী"। তাতো যেন সন্দিহান মই। পোৱাৰ তীব্র হেঁপাহ—ধৰিব খোজো সমস্ত আবেগেৰে, তথাপি লৰমাৰি গুচি যাব খোজা তুমি মোৰ বেণুজনী ভালপোৱা জানো ফাঁকি ? প্রিয়জনক পাবখোজা জানো পাপ ? যদি নহয়—তেন্তে মোৰ ভবিষ্যত বেণুজনীৰ মধুৰ আলিঙ্গনেৰে উদ্ভাবিত নিশ্চয় হব। আজি মোৰ অহংকাৰ নাই বেণু—আছে মাত্র তোমাক সুখী কৰাৰ অঙ্গীকাৰ, মোৰ পূজা, মোৰ তীর্থ, মোৰ কামনা সবলো তোমাতে কেন্দ্রীভূত। মোৰ উদ্যম, একাগ্রতা, প্রেৰণা, নিজস্বতা সকলো তোমাতে অর্পিত—তুমি বিহীন ভাবে মই চলিম কেনেকৈ কোৱা ?"

"কুঞ্জন—বহুত সময়ত নির্জ্জনতাও মোৰ ভাল লাগে। কিন্তু

জানা ? নির্জনতাৰ সময় কণত মই তোমাৰ স্মৃতিত বিভোৰ হৈ থাকো। সেই তন্ময়তাৰ অনুৰাগ জীয়া বাস্তৱতকৈয়ো জীৱন্ত। বাস্তৱত তোমাৰ সান্নিধ্য মোৰ বাবে কি হব বাৰু ? সাধুকথাৰ সপোন মধুৰ মায়াপুৰী, নে আজিৰ এই বিভোপন উদ্যান নে অন্য কিবা এক নাম—যি নাম অভিধানৰ পাতত আজিলৈ ভুক্ত হোৱা নাই ?

"ৰেণু, জীৱনত কি পাইছো বা কিমান পাইছো তাৰ হিচাব কোনোদিনে ৰখা নাই মই। কিন্তু বহুত হেৰুৱাইছো। তথাপি কোনোদিন নিৰাশ হোৱা নাই, হেৰুৱাৰ বেদনাই মোক বিচলিত কৰা নাই। কিন্তু তোমাক হেৰুৱাৰ কথা ভাবিলেই মই অধৈৰ্য্য হৈ পৰোঁ, বিচলিত হৈ পৰোঁ, মই নিৰাশ হৈ যাওঁ। মই, মই ঠিক ভাবিব নোৱাৰো কি হৈ যাও। সেয়ে মই তোমাক হেৰুৱাব নোখোজো ৰেণু তোমাক মোৰ সান্নিধ্যৰ পৰা আঁতৰি যাব দিব নোৱাৰো। মই তোমাক এৰি থাকিব নোৱাৰো।"

"কুঞ্জন, কুঞ্জন তুমি ক'ত কুঞ্জন—তুমি ক'ত—"

ছয়

দিন গৈ থাকিল। প্ৰতিমা আৰু বেণু'ৰ দুয়ো দ্বিতীয় বিভাগত প্ৰবেশিকা পাচ কৰিলে। প্ৰতিমাই গোৱালপাৰা কলেজতে ভৰ্ত্তি হ'ল। খুৰাকৰ ঘৰত থাকি পঢ়িব। বেণুৱে কিন্তু পঢ়া ইস্তাফা দিব লগা হ'ল। গোৱালপাৰা কলেজত ছোৱালী হোষ্টেলৰ ভাল ব্যৱস্থা নাই। গুৱাহাটীত পঢ়ুৱাব দেউতাকে ইচ্ছা নকৰিলে। বেণুৰ কিন্তু গুৱাহাটীত পঢ়িবৰ খুব ইচ্ছা আছিল। কুঞ্জন আৰু বিমান ককায়েকক লগ পাই থাকিলহেঁতেন। বিচৰাটো পাবলৈ টন—আশাকৰা মতে সকলো সিদ্ধি নহয়। তথাপি তাই বিমানলৈ লিখিছে যাতে গুৱাহাটীত পঢ়াৰ কিবা ব্যৱস্থা কৰে। কিন্তু বিমানৰ পৰা আশানুৰূপ উত্তৰ নাপালে। অত্যন্ত নিৰস চিঠি এখন পালে তাৰ পৰা—

"তোক পঢ়ুৱাবলৈ মা দেউতাৰ ইচ্ছা নাই। দেউতাৰ পৰা পোৱা চিঠিত তোৰ সম্পৰ্কত তেনেদৰে উল্লেখ কৰিছে। মই একো কৰিব নোৱাৰি দুঃখীত। মা দেউতাই ঘৰতে থকাটো বিচাৰিছে যেতিয়া মই কি কৰিব পাৰোঁ? ভালদৰে চিলাই, বোৱাকটা কৰি সময় কটাবা, কিতাপ পঢ়িবা—আৰুনো কি কম? সময় সুবিধা হলে ধুনীয়া চিকুণ ল'ৰা এটা চাই বিয়াদি দিম—বচ্ লেঠা শেষ। মোক খং নকৰিবা কিন্তু—মই জানো তুমি মোক খং নকৰা।"

কিন্তু বেণুৰ সঁচাকৈয়ে খং উঠিছিল। তাৰমানে তাইক সোনকালে বিয়া দি লেঠা শেষ কৰাৰ মতলব? তাই ঘৰখনৰ এটা লেঠা? সঁচাকৈয়ে যদি তাইক দেউতাকে বিয়া দিব খোজে? কেনেকৈ প্ৰতিবাদ কৰিব তাই? কিন্তু তাই যে কুঞ্জনক এৰি এটা মুহূৰ্ত্তৰ বাবেও বৰ্ত্তি থাকিব নোৱাৰিব। নাই, তাইৰ বিয়া কেতিয়াও হব নোৱাৰে। আগতে কুঞ্জন ডাক্তৰী পাচ কৰি

লওক—পাচত ভাবিব সেইবোৰ।

কুঞ্জন তেতিয়া মেডিকেল হোষ্টেলত হিউমেন এনাটমীৰ কিতাপ লৈ ব্যস্ত। বুজিবলৈ টান লাগিছে তাৰ। সেয়ে বেছি পৰিশ্ৰম কৰিবলগীয়া হৈছে। প্ৰথমৰে পৰা পাঠবোৰ ভালদৰে বুজি নললে পৰীক্ষাৰ সময়ত অাহুকাল হব খুব।

তেনেতে এদিন বিমানে আহি কুঞ্জনক সিহঁতৰ গাঁৱলৈ দুৰ্গা পূজাৰ বন্ধত পূজাৰ দিনকেইটা কটাবলৈ আমন্ত্ৰণ জনালে। বন্ধুৰ আমন্ত্ৰণ উপেক্ষা কৰাৰ ক্ষমতা কুঞ্জনৰ নাছিল। গতিকে প্ৰফুল্ল চিত্তে যাম বুলি কলাগিলে।

ইযালে ককায়েক আহিব বুলি সেইদিনা বেণুৰ বাতিপুৱাৰে পৰা তং নাই। ঘৰ দুৱাৰ, আচবাব পত্ৰ পৰিপাটিকৈ সজোৱাৰ উপৰিও পৰিষ্কাৰ পৰিচ্ছন্নকৈ ৰাখিছে। উগুল-থুগুল চিত্তে ককায়েকলৈ বাট চাই থাকোতে জীৱনক এটাচিটো লৈ অহা দেখি পোণচাতে পদূলিলৈ বুলি দৌৰ মাৰিলে। কিন্তু অবাক হ'ল তাই—তালগছ দুজোপা পাৰ হওঁ নৌহওঁতেই অজানিতে থমকি ৰ'ল তাই। ককায়েকক লগ পোৱাৰ তীব্ৰ উচ্ছ্বাস থিতাতে নাইকীয়া হৈ তলমূৰকৈ অইনমুৱা হ'ল। অন্তৰত কিন্তু আনন্দৰ অবুজন প্ৰতিক্ৰিয়া, অথচ ভাব লেখ হীন। হোষ্টেলৰ পদূলিমুখত কুঞ্জনক লগ পোৱা সেই ঘটনাটোলৈ অকস্মাতে মনত পৰি গ'ল—যিটো ঘটনাই তাইৰ ফাগুনী মনত আবেগ আৰু অনুৰাগৰ ৰং সানিছিল। তাইৰ কাষেদিয়ে বিমান আৰু কুঞ্জন পাৰ হৈ গ'ল। কিংকৰ্ত্তব্য বিমূঢ় হৈ তাই পদূলিতে বহু সময় ৰৈ থাকিল। সাঁজ ভাগি যোৱাত মাকৰ মাতত হে যেন নিৰুপায় হৈ চোতালতে চকী দুখনত বহি থকা ককায়েক আৰু কুঞ্জনৰ আগেদি বহু কষ্ট কৰি পাৰ হৈ গৈ ৰৰঘৰ পালে। কোনেও কথ নোৱাৰাকৈ ভিতৰৰপৰা মাত্ৰ নিৰ্লিপ্ত নয়নে বহুদিনৰ মূৰত লগ পোৱা তাইৰ কুঞ্জনক একেথৰে চাই থাকিল।

আৰু কুঞ্জন? সি সপোনতো ভবা নাছিল বেণু বিমানৰে ভনীয়েক বুলি। অন্তৰথন তাৰ শঙ্কা আৰু আনন্দ মিহলি ভয়ত মুহূৰ্তকৈ কঁপি থাকিল। বিমানৰ ওচৰত সি ধৰা পৰি নাযায়তো?

বেণুৰ প্ৰতি যথেষ্ট সজাগ আৰু সচেতন মাক-দেউতাকৰ আগত তাই খুব স্বাভাবিক ভাবেই পূজাৰ দিনকেইটা কটালে। সুবিধা পালেই কিন্তু তেওঁবিলাকৰ চকুত ধূলি দি কুঞ্জনৰ সান্নিধ্য বিচাৰে।

এদিন ৰাতিপুৱা পদূলি সাৰি থকা বেণুক তালগছজোপাৰ তলতে থিয় হৈ দাঁত ঘঁহি থকা কুঞ্জনে সুধিলে—

"কেনে লাগিছে?"

"খুব ভাল লাগিছে। এনেদৰে নিচেই কাষত আপোনাক যে পাম কল্পনাও কৰা নাছিলো।"

"প্ৰিয় জনক লৈহে মানুহে কল্পনা কৰে, সপোন ৰচে। আমাৰদৰে অপ্ৰিয়বোৰক লৈ নহয়।"

"তেনেদৰে কৈ আঘাট দিবলৈ আপোনাৰ বেয়া নালাগিল?"

"খং নকৰিবা —খং উঠিলে তোমাক ইমান বেছি ধুনীয়া লাগে যে থৰ হৈ তোমাৰ ফালে চাই থাকিলে মই মানুহটোৱে জঠৰ হৈ যাম।"

"হৈছে যাওক, এতিয়া নিচুকাব নালাগে।"

"যিমানে খং কৰিবা, সিমানে ধুনীয়া হবা—মই তাকে বাঞ্ছা কৰোঁ।" উপায় নাই—বেণুৰ হাঁহি উঠিল।

"বিমান দাদাৰ ভনী বুলি আগতে জানিছিলনে?

"জানিলে নাহিলোহেঁতেন।"

"কিয়? মোক বেয়া পায় বাবে?"

"নহয়, তোমাক সাৰতি লবৰ মন যায় বাবে।"

"নিলাজ।"

"আগতে নাছিলোঁ কিন্তু। লাজকুৰীয়া বুলি মোৰ বদনামহে আছিল।"

"এটা কথা সোধোনে ?"

"কথা এটা সুধিবা, অনুমতি লব লাগেনে—তোমাৰ সহস্ৰ প্ৰশ্ন শুনিবলৈ, উত্তৰ দিবলৈ মোৰ মনপ্ৰাণ সদায় উৎসুক ."

"আপুনি হেনো ধুনীয়া ধুনীয়া গল্প লিখিব জানে ?"

"কিয়, মোৰ গল্প এটা পঢ়িয়ে মোৰ জীৱনৰ প্ৰতিশ্ৰুতি কাক জনাম জানিব খোজা নাছিলা জানো ?"

বেণুৱে পাহৰি আছিল বহুদিন আগতে তাই কুঞ্জনক দিয়া এখন চিঠিত এই কথাষাৰ উল্লেখ কৰিছিল। লাজ পালে বেচেৰীয়ে। এৰা, মনৰ স্থিৰতা আঁতৰি গলে উগুল থুগুল মনটোৱে যিহকে তিহকে সুধি পেলায়।

এই কেইদিনতে বেণু আৰু কুঞ্জনৰ মনৰ মিলনৰ কথা তাইৰ বান্ধৱীমহলে ভালদৰে জানিছে। আনকি সাধনী বুঢ়ীজনী পৰ্য্যন্ত তাইক সেইদিনা অকলশৰে লগ পাই সুধিছিল—

"হয়নে অ বেণু, কি শুনো এইবোৰ। অচিনাকি ল'ৰা, কিবোৰ যে কৰ আৰু তহঁতে। সেইবোৰ ডাক্তৰ পঢ়া নগৰৰ ল'ৰা। নিজে ভালদৰে গমিপিতি চাইহে আগবাঢ়িবি আইজনী।"

এনেদৰে বেচ উলহমালহেৰে, মনৰ উৎফুল্লতা আৰু উচ্ছলতাৰে পাৰ কৰি দিলে বেণুৱে। লগৰ ছোৱালী কেইজনীয়ে তাইক পূজাৰ কেইদিন খুব জোকালে। বিভিন্ন জনীৰ বিভিন্ন মন্তব্য। খঙো উঠে, ভালো লাগে।

কাইলৈ কুঞ্জন যাবগৈ। ড্ৰইংরুমত অকলশৰে কিবা এটা চিলাই কৰি থকা বেণুজনীক অবাক কৰি কুঞ্জন অকলে সোমাই আছিল। থতমত খাই উঠিল বেণু—

"দাদা কলৈ গ'ল ?"

"ল'ৰা এজনৰ ঘৰলৈ গ'ল। কিবা দৰ্কাৰী কাম আছে হেনো। ঘৰটো নিৰ্জন নিৰ্জন লাগিছে ?"

"দেউতা নাই, মা পাকঘৰত আছে। বহক, থিয় হৈ থাকিল যে।"

"ভালে হল, তোমাৰ মাৰ লগতে পাকঘৰত গৈ গল্প কৰোঁ। ভোকো লাগিছে, কিবা খাবলৈ দিয়েই বা।"

"যাব দিয়কচোন, আমি কিবা গল্প কৰা মানুহ নহওনে?"

এইজনেই কুঞ্জন—তাইৰ হৃদয়ৰ দেবতা। একেথৰে তাৰ মুখলৈ চাই থাকিল।

"কি চাইছানো?"

বাকৰুদ্ধা বেণু। বহু কথাইতো কব খোজে – কিমান যে ইমান দিনৰ সাচি ৰখা কথা, ঠাহ খাই আছে গোটেই হিয়া, ওলাবৰ পথ যেন নাই।

"কথা নোকোৱা কিয়?"

"কি কম—আপোনাৰ জ্ঞান, বুদ্ধি, ৰুচি মোতকৈ বহু বেছি। ভাব হয়, আপোনাৰ জীৱনগীতিৰ লগত মই জানো ছন্দ মিলাব পাৰিম? তথাপি আপুনি মোক ভালপায়, মই ইয়াতকৈ বেছি জানো আশা কৰিব পাৰো? জীৱনৰ অন্তিম দিনলৈকে এইৰূপ আপোনাৰ ভালপোৱাৰ পবিত্ৰতাৰেই চলি যাব পাৰিম। মই ইয়াত কৈ বেছি আপোনাৰ পৰা একো দাবী কৰিব নোখোজো।"

"বেণু, মোৰ জীৱন গীতিৰ সুৰ তুমি সলনি কৰি দিছা। এটা সত্যকে উপলব্ধি কৰিছো—তুমি মোৰ, মই তোমাৰ। দাবীৰ প্ৰশ্ন নাই, শ্ৰেষ্ঠতাৰ তুলনা নাই আমি দুয়ো এখন নাওৰ যাত্ৰী। তোমাৰ ভালপোৱা, তোমাৰ সান্নিধ্যই মোৰবাবে বাস্তৱ স্বৰ্গ। যদি হেৰাই যোৱা তুমি - মই কম সেয়া নৰকৰ অভিশাপ। মই তোমাক ভালপাও বেণু—মই তোমাক বিচাৰো। বেণু?"

"কওঁক।"

"এদিন তুমি চিঠিৰে মোৰপৰা মোৰ জীৱনৰ প্ৰতিশ্ৰুতি কাক জনাম জানিব খুজিছিলা—নহয়নে?"

"ও।" বেণু কঁপি উঠিল।

"কওঁনে?"

"ক—ও—ক।"

কুঞ্জন ৰেণুৰ ফালে আগবাঢ়ি গ'ল। আলফুলকৈ তাইৰ হাত এখনত ধৰি কলে—

"ৰেণু ?"

ৰেণুৱে মুৰ তুলি চালে, থিয় হল। সজোৰে তাইৰ হাতখন চেপিধৰি কুঞ্জনে কলে—

"তোমাৰ অস্তিত্বত মোৰ জীৱন আলো কিন্ত আজি, তোমাৰ এই দৰদী হিয়াৰ আশ্ৰয় আৰু দীপ্ত চকুহালৰ বাহিৰে পৃথিবীৰ সকলো বস্তুৱে আজি মোৰ বাবে মূল্যহীন, জীৱনত তোমাক চিৰ আপোন হিচাবে লাভ কৰাৰ সৌভাগ্যই হওক মোৰ জীৱনৰ সফলতা। সঁচাকৈযে ৰেণু, তুমি জানো ভাবিব পাৰা মই সেই প্ৰতিশ্ৰুতি তোমাৰ বাহিৰে আন কাৰোবাক জনাব পাৰিম ?"

অতি নিবিড ভাবে সাবতি ধৰা হাত খনত হৃদযৰ সমস্ত আবেগেৰে আলফুলকৈ চুমা এটা আঁকি দি কলে—

"আজীৱন মই তোমাৰ কাষৰ পৰা আঁতৰি নাযাও ৰেণু কেতিয়াও পিচলি নাযাও, সদায় তোমাৰ ওচৰে ওচৰে থাকিম। মাত্ৰ তুমি মোক নেৰিবা, পাহৰি নাযাবা—কাহানিও।"

পিচদিনা ৰাতিপুৱা কুঞ্জন যাবলৈ ওলাল। ঘৰলৈ যাব। গতিকে অলপ সোনকালেই উঠি কুৱাৰ পাৰলৈ মুখ ধুবলৈ গ'ল। মুখ ধুই উঠি দেখে ৰেণুৱে তাৰফালে গামোচা খন মুখ হাত মচিবলৈ আগবঢ়াই দিছে। মুখখন গহীন, হাঁহিৰ লেখমাত্ৰও নাই। কুঞ্জনক দেখি অইন দিনাৰ দৰে মুখখন আঁতৰাই নিয়া নাই। চকুত কাৰুণ্য সানি চাই আছে তাৰ ফালে—দৃষ্টিৰ যেন শেষনাই, বেদনা অঁকা দৃষ্টি, আকুতি ভৰা দৃষ্টি।

"কালি তোমাক যিখিনি কৈছো. সেয়াই সত্য—তাতকৈ বেছি সত্য মোৰ উপলব্ধিত নাই। বিমৰ্ষ নহবা। এদিনতো লগ লাগিমেই।"

কথাখিনি কৈয়ে গামোচাৰে মুখ মচি মচি কুঞ্জন চোতালৰফালে আগবাঢ়িল। কিছুদূৰ গৈ ঘূৰি চালে, ৰেণুৱে এক বেদনা মিহলি, মলিন, সেমেকা দৃষ্টিৰে সি যোৱাৰ ফালে চাই আছে। সি আঁতৰি গ'ল। তুনাই ঘূৰি নাচালে।

প্ৰথমতে সি ৰেণুৰ দেউতাকক মাত লগালে। দেউতাকে থোৰতে চলিত শিক্ষানীতি, অৰ্থনীতি, ৰাজনীতিৰ চমু ব্যাখ্যাদি ভালদৰে পঢ়ি শুনি উদ্দেশ্যত সফলকামী হবলৈ আশীৰ্ব্বাদ দি, সময় সুবিধা পালে বিমানৰ লগত আকৌ অহাৰ কথা দোহাৰি বিদায় দিলে। তাৰ পাচত পাকঘৰত ব্যস্ত হৈ থকা মাকক যেতিয়া মাত লগাবলৈ গৈ সেৱা এটা কৰিলে, তেতিয়া মাকে আনন্দতে তাক তুলি ধৰি কলে—

"যোৱা বোপা, এই কেইদিন তুমি থকাই বৰ ভাল লাগি আছিল। আনৰ মুখত মুশুনিলেও জীৱনটোৰ মুখত সদায় তোমাৰ প্ৰসংশাৰ কথাই শুনি আছিলো, তুমি গলে সঁচাকৈয়ে সুদা সুদা লাগিব। কিন্তু ধৰি ৰখাৰতো উপায় নাই। মাজে সময়ে আহি থাকিবা। বিমানৰ বন্ধু যেতিয়া তুমি আমাৰ ল'ৰাৰ নিচিনাই। আমাক পৰ বুলি নাভাবিবা আকৌ।"

কুঞ্জন যাবলৈ ওলাল। ৰেণুক মাত লগাবনে নাই। কান্দো কান্দো কৰি থকা ৰেণুজনীয়ে যদি সঁচাকৈয়ে কান্দি দিয়ে? জীৱনক মৰম কৰি পুনৰ অহাৰ প্ৰতিশ্ৰুতি দি বৰঘৰৰ বাৰান্দাৰ খুটা এটাত উদাসভাবে থিয় হৈ থকা ৰেণুক চকুৰ ঠাৰেৰে বিদায়ৰ ইঙ্গিত দি বিমানৰ সৈতে ওলাই গ'ল। ৰেণুৱেও জীৱনৰ হাতত ধৰি পদূলিলৈকে আগবাঢ়ি গৈ কুঞ্জনহঁত দৃষ্টিৰ আৰ নোহো-লৈকে চাই থাকিল।

—Ah love ! Could there and I with fate conspire
To grasp this sorry Scheme of things entire,
Would not we shatter it to bits—and then
Re mould it nearer to the Heart's desire !

সাত

কুঞ্জনৰ ফাইনেল পৰীক্ষা চলি আছে চেকেণ্ড এম. বি বি এছ্.ৰ। ভালেমান দিন ঘৰৰ পৰা একো খবৰ নেপাই তাৰ মনটো সিমান ভাল নহয়। ৰেণুৰ পৰাও বহুদিন একো খবৰ পোৱা নাই। তথাপি সকলো চিন্তাকে পাহৰিবলৈ চেষ্টা কৰি পঢ়াৰ প্ৰতি মনোযোগ দিবলৈ চেষ্টা কৰিছে সি। ভাল ফলাফল কৰিবই লাগিব। জ্যেষ্ঠজনৰ আশীৰ্ব্বাদ, কন্যায়েকৰ স্বপ্ন—ৰেণুজনীৰ আশা আৰু অপেক্ষা—যাৰ বাবে সকলোকে উপেক্ষা কৰি মনপুতি পঢ়াত লাগিছে সি।

পঢ়ি থাকোতে হঠাত তাৰ মনত পৰিল কাপোৰ ছুকোৱমান ধুবীক ইস্ত্ৰী কৰিবলৈ দিব আছে। ধুবীটো আজি ছুদিনমান অহাই নাই।

"ৰাধা?"

বাৰাণ্ডাৰে পাৰ হব খোজা ৰাধা নামৰ বয় এটা তাৰ কামলৈ সোমাই আহিল। এই ৰাধাই হোষ্টেলৰ ল'ৰাসকলক বৰ ভক্তি কৰে, মানি চলে। কাৰো কথা অমান্য নকৰে। সৰুতে মাক দেউতাকক হেৰুওৱা মাউৰা লৰাটি বৰ কষ্টেৰে লোকৰ ঘৰত থাকি কাম বন কৰি ডাঙৰ হয়। মালিক, মালিকনীৰ তিতামাত সহিব নোৱাৰি কৈশোৰত ভৰি দিও নিদিওঁতেই সঞ্চিত ধনখিনিকে সম্বল কৰি লৈ গুৱাহাটীলৈ আহি মেডিকেল কলেজৰ প্ৰফেচাৰ এজনৰ ঘৰত থাকিবলৈ লয়। সেই প্ৰফেচাৰ জনে ৰাধাক বৰ ভাল পালে। বেলেগ চাকৰী এটা পাই গুৱাহাটীৰ পৰা আঁতৰি যাব লগা হোৱাত ৰাধাক হোষ্টেল এখনৰ বয় হিচাবে সুমুৱাই থৈ যায়। তেতিয়াৰে পৰা সি হোষ্টেলতে আছে।

এইজন ৰাধাকে কুঞ্জনে এদিন সুধিছিল—

"এই ৰাধা, তই বাৰু আমাক ইমান মৰম কৰ কিয়?"

ৰাধাই ক্ষীণ হাঁহি এটাৰে লাজ লাজকৈ উত্তৰ দিছিল—

"বাবু, আমি জানো মৰম কৰিব জানো? আপোনালোক সকলোৱে এদিন ডাঙৰ মানুহ হব। পিচলৈ আমাক নিশ্চয় কিবা এটা সুবিধা কৰি দিব—এই আশাৰেই তো ইয়াতে বৈ আছো। নহলেনো এনেদৰে জীৱনভৰ ইয়াত পৰি থাকিমনে? গতিকে আপোনালোকৰ দয়াইহে যদি আমাক কিবা সংস্থান দিয়ে?"

সেইদিনা কুঞ্জনে ভাবিছিল—কিমান দূৰদৰ্শী আশা এই বয় বোৰৰ। কিন্তু সিহঁতৰ আশা আকাংখাবোৰৰ কথা হোষ্টেলৰ পৰা ওলাই যোৱা ছাত্ৰসকলে পূৰণ কৰাৰ অঙ্গীকাৰ ৰাখেনে?

"অ' ৰাধা—তইমোৰ এই কাপোৰ দুযোৰ ধুবীৰ পৰা ইস্ত্ৰী কৰাই আনিবিচোন। ৰামলালটো দেখোন নহাই হল।"

"ঠিক আছে বাবু, মই এতিয়াই দি থৈ আহো। সন্ধিয়া লৈ আহিম।"

ৰাধা কাপোৰ দুযোৰ লৈ গুচি গ'ল। কুঞ্জন পুনৰ কিতাপৰ লগত ব্যস্ত হৈ পৰিল। পিচদিনাখন পৰীক্ষা আছে। বহু কেইটা অধ্যায় এতিয়াও চাবলৈ আছেই।

"চৌধুৰী বাবু আছেনে?" হোষ্টেলৰ চকিদাৰটো সোমাই আহিল।

"ও দদাই দেখোন, মনিঅৰ্ডাৰ নেকি?"

"নহয় বাবু, চিঠি এখনহে। বজ্ৰতে পৰি আছিল। পঢ়াত মনোযোগ দিছে বাবে বজ্ৰ চাবলৈ সময়ে পোৱা নাই হবলা।"

"চিঠি, চাও চাও—"উল্লাসত জাপমাৰি উঠিল কুঞ্জন। ককায়েকৰ চিঠি। খুব ভাল লাগিল তাৰ। আগ্ৰহেৰে চিঠিখন পঢ়িবলৈ ধৰিলে। চমু চিঠি। ককায়েকৰ বিয়া পাতিছে। মে' মাহটোত আৰু ভাল দিনবাৰ নাই বাবে তাৰ পৰীক্ষা চলিথকা তম্বহাতে বিয়া পাতিবলগীয়া হ'ল। কুঞ্জনে তাৰ বাবে যাতে বেজাৰ নকৰে। "পৰীক্ষা শেষ হলেই যাতে ঘৰলৈ আহে। ককায়েকে আৰু লিখিছে—এইবোৰ তেওঁৰ ইচ্ছাত হোৱা নাই। সেইতাক

আৰু তাৰৈৰেক ৰমানন্দই লগ লাগি সকলোবোৰ ঠিক-ঠাক কৰিছে। চিঠিখনত কইনাৰ কোনো উল্লেখ নকৰিলে। চিঠিখন পঢ়ি কুঞ্জনৰ সঁচাকৈয়ে আঘাট লাগিল—একমাত্র ককায়েকজনৰ বিয়াতে সি স্ফুর্ত্তি কৰিবলৈ নাপাব। হঠাতে তাৰ ৰেণুজনীলৈ মনত পৰি গ'ল। ভবিষ্যতৰ কোনো এটা মাহৰ কোনো এক শুভ তাৰিখত হোমক সাক্ষী কৰি সিও নিশ্চয় ৰেণুৰ উকা কপালত আঁকি দিব এটি ৰক্ত তিলক—ভাবোতেই ইমান আমোদ লাগে।"চিঃ পঢ়িব এৰি কিবোৰনো ভাবিছো। অহাকালিৰ বাবে ভাল প্রস্তুতি হোবাই নাই এতিয়াও।"

তাৰ কেইদিনমান পিচতে কুঞ্জনে প্রতিমাৰ চিঠি এখন পালে। পৰীক্ষা শেষ হোৱালৈ আৰু দুদিনমান মাত্র আছে। দীঘলীয়া চিঠি। তাত লিখা আছিল—

"সেৱা আৰু মৰম লবা। বহুদিনৰ মূৰত তোমালৈ লিখিলোঁ। পৰীক্ষা ভালদৰে দিছা নিশ্চয়। ইযাৰ ভিতৰতে মই এদিন তোমালোকৰ ঘৰৰ পৰা আহিলো। খবৰবোৰ শুনিছাই। পুনৰাবৃত্তি কৰি দুখ দিব নোখোজো। বেজাৰ নকৰিবা দাদা—সকলো ভগৱানৰ ইচ্ছা। আমি নিমিত্ত মাত্র। নোহোৱাটো জোৰ কৰি কৰিব নোৱাৰোঁ, হোৱাটোকো বাধা দিব নোৱাৰোঁ।

এটা কথা—কেইদিনমান আগতে গোৱালপাৰা কলেজৰ প্রফেচৰ দ্বিৰন কাকতীৰ লগত মোৰ চিভিল মেৰেজ হৈ গ'ল। ঘৰত সকলোৱে বাধা দিছিল। কিন্তু সকলোৰে অবাধ্য হৈ তেওঁৰ কাষলৈ আহিবলৈ বাধ্য হলোঁ। মোক ভুল নুবুজিবা। ভাল পোৱাৰ মোহ কিমান তীব্র তুমি নিজেই বুজি পোৱা।

ইয়াৰ ভিতৰতে এদিন ৰোহিত দাদা আহিছিল। মাযে পঠিয়াই দিয়া সোণৰ অলঙ্কাৰ খিনি দিবলৈ—কিন্তু পানী এটুপিও গ্রহণ নকৰাকৈ সি গুচি গ'ল। সি হোনো প্রাঞ্জল নাথ নামৰ এজন হাইকোৰ্টৰ এড্‌ভোকেটৰ লগত মোৰ বিয়াৰ ঠিক কৰিছিল।

মানুহজন হেনো এবাৰ আমাৰ ঘৰলৈ ৰোহিতদাদাৰ লগত আহি মোক চায়ো গৈছিল। মই কিন্তু সেইবোৰ গমপোৱা নাছিলো। কাৰণ ফুৰাৰ চলেৰে আহি মোক পচন্দ কৰি গৈছিল। গতিকে ৰোহিতদাদাৰ মনোনীত উপযুক্ত দৰাজন উপেক্ষা কৰা বাবে সি আজি মোক ভনী বুলি চিনাকি দিবলৈকো টান পাইছে। হয়তো মোৰ এই নতুন সংসাৰলৈ মোৰ আত্মীয় স্বজন কোনো নাহিব। কিন্তু তুমিতো মোৰ অতি মৰমৰ দাদা— তুমি নিশ্চয় মোক ক্ষমা কৰিবা— তুমি নিশ্চয় আহিবা। তোমাৰ বেদনাৰে ভৰা মনটোত হয়তো মই আৰু বেছি আঘাট দিছো। ক্ষমা কৰিবা—তোমাক এইবোৰ নজনালে জনাম কাক বাৰু ?

জানা কুঞ্জন দাদা, কলেজ পোৱাৰ পিচৰে পৰাই দ্বিৰন কাকতীক মোৰ কিয় জানো ভাল লাগিল। এদিন ভালদৰে গম পালোঁ, তেওঁ মোক ভাল পায়। গতিকে পৰস্পৰে পৰস্পৰৰ ওচৰ চপাত আমাৰ অসুবিধা নহল। ছুবছৰে আমি ভালপোৱাৰ একাবেঁকা বাটেৰে খোজ কাঢ়ি এতিয়া সময়ৰ উপযুক্ততা উপলব্ধি কৰি দুয়ো পোনবাট ললো। তুমি আশীৰ্ব্বাদ কৰা দাদা—মই ভাবো দ্বিৰন কাকতীৰ লগত মই নিশ্চয় সুখী হম। মানুহজন সৎ—সকলোৰে প্ৰিয়। প্ৰাচুৰ্য্য ভৰা ঐশ্বৰ্য্যৰ সম্ভাৰ তেওঁৰ নাই সঁচা, কিন্তু বহুল ব্যক্তিত্ব সম্পন্ন উদাৰ হৃদয় এখন আছে বুলি মই দাবী কৰিব পাৰোঁ।

"All thoughts, all passions all delights
Whatever stirs this mortal frame,
All are but ministers of love
And feed his sacred flame."

আজিলৈ সামৰিলো। তুমি কিন্তু পৰীক্ষা ভালদৰে দিবা— হোৱাচোৱ বাবে হুল কৰি নাথাকিবা। এইখিনি তুমি ত্যাগ বুলিয়ে স্বীকাৰ কৰি লবা—ককায়েকৰ প্ৰতি ভাতৃৰ ত্যাগ।"

অৱশেষত প্ৰতিমাইও তাকে কৰিলে। তাৰে তাই ইমান চিঠি দিছে, কিন্তু কোনোখনতেতো ৰিবন কাকতীৰ উল্লেখ নাছিল? বোহিতে বাৰু প্ৰতিমাক ক্ষমা কৰা নাই কিয়? প্ৰত্যেৰে স্বকীয় সত্তা আছে, গতিকে প্ৰতিমাই জীৱন সঙ্গী নিজে নিৰ্ব্বাচন কৰাত অপৰাধ কোনখিনিত? চিঠিখনৰ এটা কথাত কুঞ্জনৰ হাঁহি উঠিল—বেচেৰিয়ে ৰেণুৰ কথা চিঠিত উল্লেখ নকৰিলে। হয়তো ৰেণু কুঞ্জনৰ মিলন বীণাত তই ইমানদিনে সুৰ দি আছি আজি হঠাতে নিজেই এনেদৰে আগতে বিবাহ বন্ধনত আবদ্ধ হ্বলগীয়া হোৱাত লাজ পালে।

পৰীক্ষা শেষ হ'ল। কুঞ্জনৰ মন প্ৰফুল্লতাৰে ভৰা—বিষাদৰ বিন্দুমাত্ৰ অৱশেষ নাই। নবৌৱেকক দেখা পাব আজি। তাৰ নবৌৱেক জনী বাৰু কেনেকুৱা হব? ৰেণুৰদৰে মৰমীয়াল নহবনে? ৰেণুৰ দৰে ধুনীয়া নহবনে?

"কুঞ্জনদা আহিলি, ধুনীয়া নবৌ পাইছ দেই।"

গাড়ীৰ পৰা নামিয়ে দীপাঙ্কৰৰ এই উক্তিটো শুনি কুঞ্জনৰ ভালেই লাগিল। ৰিক্সা এখনত বস্তু বাহানিখিনি তুলিদি ঘৰমুৱা হল। অন্তৰত অলেখ ভাবনাৰ ঢউ—কেনেকৈনো নবৌয়েকক চমক খুৱাব তাকে ভাবি অস্থিৰ সি। কেনেকৈ মাতিব, কি কি কব সকলোবোৰ মনতে যুগুত কৰি থাকিল। বিয়াত আহিব নোৱাৰা বাবে তাৰ প্ৰতি নবৌৱেকৰ আদৰ নিশ্চয় বাঢ়িব। তেওঁ চাগৈ মৰমৰ দেওৰেকক চোৱাৰ বাবে কিমান যে হেঁপাহ কৰি আছে। একমাত্ৰ দেওৰেকজন বিয়াত অনুপস্থিত তেওঁ চাগে কিমান যে খেদ পাইছে।

ৰিক্সাৱালাক বিদায় দি বস্তুবাহানিখিনি সামৰি কুঞ্জন ঘৰৰ বাৰান্দাত বহি থকা মাকৰ কাষ পালে। হাঁহি মাৰি মাকে কলে—

"আমি তোৰ কথাই আলচ কৰি আছিলো। তই আহিয়ে পালি। মুখ হাত ধো। পৰীক্ষা দিলিনে ভালকৈ, অসুবিধা

হোৱা নাইতো।"

"পৰীক্ষা ভালে হৈছে। কি আৰু অসুবিধা হব। পিছে মা—ক'ত আছেনো?"

"কাৰ কথা সুধিছ? নবৌয়েৰৰ? মোৰ লগতে আছিল, তই অহাৰ উমান পাই লাজতে নিজৰ কমৰ ভিতৰত সোমালগৈ। আগতে মুখহাত ধুই ল চোন। চাহ জলপান খা। নবৌয়েৰজনী হেৰাই যোৱা নাই নহয়।"

"মুখহাত আৰু চাহ জলপান পিচত—আগতে নবৌ।"

ধুমুহাৰদৰে কুঞ্জন ককায়েকৰ ৰূমলৈ আগবাঢ়ি গৈ দুৱাৰমেলি দেখিলে—এগৰাকী বোৱাৰী, লাহীকৈ, ওথকৈ, তাৰ ফালে পিঠি দি খিড়িকিৰে আকাশলৈ চাই আছে। ৰেণু ৰেণু লগা নবৌ-জনীক সি কিছু সময় চাই ললে। খুব ভাল লাগিল কুঞ্জনৰ—নবৌজনীয়ে তাক ৰেচ লাজ কৰিছে। এতিয়াই তেওঁৰ লাজৰ আভৰণ খনি গুচাই দিব লাগিল।

"নবৌ, তুমি মোক লাজ কৰিছা?"

কোনো উত্তৰ নাহিল।

"নে ভয়, শঙ্কা, নে অন্য কিবা—হয়তো খং নতুবা অভিমান? কোৱা নবৌ। বিয়াত উপস্থিত নাছিলো বাবেইতো তোমাক চোৱাৰ দুৰ্ব্বাৰ হেঁপাহ মোৰ। মই তোমাৰ মুখখন চাব খোজো নবৌ। মোৰ ফালে পিচ দি আকাশলৈ কিনো চাই আছা? মোক চোৱাৰ তোমাৰ জানো হাবিয়াস নাই?"

মুখ ঘুৰাই কুঞ্জনলৈ চালে নবৌয়েকে। এয়া কুঞ্জনে কি দেখিলে? অনুজ্জ্বল, নিষ্প্ৰভ তেওঁৰ মুখৰ সৌন্দৰ্য্য, ওঠ দুটিত অজান ভয়ৰ কঁপনি, দুচকুত কাৰুণ্য, লাজ নে শঙ্কা, ভয় নে বিহ্বলতা—জঠৰ হৈ থিয় হৈ থকা এটি নীৰৱ মূৰ্ত্তি।

"তুমি—? কিন্তু এয়া কি হৈ গ'ল, কিয় হ'ল? মোৰ অজ্ঞাতে, মোৰ অজানিতে এই ষড়যন্ত্ৰবোৰ কোনে কৰিলে? তুমি—তুমিতো

মোক এই বিষয়ে একোকে নজনালা। কাৰোপৰা নাজানিলো, কোনেও নজনালে মোক।"

"বহুকচোন।"

সন্ন্যাসিত বেণুৱে কপাঁ কপাঁ মাতেৰে কোনোমতে কথাখিনি কৈ উচুপিবলৈ ধৰিলে।

"তুমি কান্দিছা?"

"মই জানিছিলো, আপুনি মোক ভুল বুজিব।"

"মই তোমাক ভুল বুজিছো? নহয়, কেতিয়াও নহয়। তুমি শঙ্কা, ভয়, সকলো দূৰ কৰি মোৰ মৰমৰ নবৌজনী হৈয়ে থাকা। ককাইদেউ মোৰ অতিকে শ্ৰদ্ধাৰ, মৰমৰ। তুমি আৰু মোৰ বেণুজনী নোহোৱা। তুমি মোৰ নবৌ। একমাত্ৰ মৰমৰ নবৌ। আপুনি সুবুলিবা কিন্তু।"

ধীৰে ধীৰে কুঞ্জন ওলাই গ'ল। বহুত ধৈৰ্য্যৰে, কষ্টেৰে, বহু ফৰ্মূলা খটুৱাই কৰা খি ডাইমেনচনৰ অংক এটা মিলোমিলোহৈ হঠাতে খেলিমেলি লাগি নিমিলা হোৱা অৱস্থাৰ দৰে কুঞ্জনৰো জীৱনৰ থ্ৰি ডাইমেনচনত খেলিমেলিৰ সৃষ্টি হৈ গ'ল।

"Our wills and fates do so contrary run, that our devices still are overthrown, our thoughts are ours, their ends none of our own"

আঠ

জীৱন পথত বহু সময়ত আমি মূৰ্ত্তিমান শোক, দুখ আৰু কাৰুণ্যৰে ভৰা মুহূৰ্ত্তৰ সম্মুখীন হওঁ। কেতিয়াবা হিংসা দ্বেষ, ঈৰ্ষা-অসূয়াৰ আসুৰীয় শক্তিয়ে আমাৰ পথত কণ্টক ৰূপে দেখা দিয়ে। আমি তেতিয়া জীৱনৰ বেদনাক্লিষ্ট দিশটোৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰোঁ হ'ক। সেই উপলব্ধিয়ে জীৱনৰ এনেবোৰ অভিজ্ঞতাক স্মৰণীয় কৰাৰ উপৰিও আমাক জীৱন তত্ত্বৰ এটা তাৎপৰ্য্যপূৰ্ণ দিশৰ সন্ধান দিয়ে।

কুঞ্জনৰ উপলব্ধিত বেণু তাৰ নহয়। হৃদয়ত অযুত বেদনাৰ ব্যথাভৰা শোকাৰ্ত্ত আৰ্ত্তনাদৰ বিপৰীতে সি সুখী—এইবাবেই সি সুখী যে ককায়েকে বেণুৰ সান্নিধ্যত তৃপ্তিভৰা মৰম আৰু অনুৰাগৰ আস্বাদ লাভ কৰিছে। ককায়েকৰ সুখৰ বাবে তাৰ এই সামান্যতম ত্যাগ—ই জানো আনন্দৰ কথা নহয়?

"বা—বাপু—?"

"বাপু বুলিবলৈ ইমান সংকোচ কৰিছা কিয়? মনৰ জড়তা আঁতৰি যোৱা নাইনে?"

"ইমান সোনকালে?"

"নহয়—যিটো নতুন সত্য তুমি ইতিমধ্যে স্বীকাৰ কৰি লৈছা, এতিয়া মোক দেখি জড়তাৰ প্ৰশ্নত সময়ৰ ব্যৱধানত গুৰুত্ব দিলা কিয়? উভতি যাব নোৱাৰা যিহেতু, যোৱা বাটটো সহজগম্য কৰাই যথাৰ্থ। ককাইদেউ এজন নিতান্তই সৎ ব্যক্তি, তুমি নিশ্চয় সুখী হব পাৰিবা। আৰু মইতো কলোঁৱেই আঁতৰি যোৱা নাই।"

"তোমাৰ কথাখিনি সদায় মনত ৰাখিবলৈ যত্ন কৰিম বাপু।"

"নহয়, ককাইদেউৱে তোমাক খুউব মৰম কৰে নহয়নে?"

"উঁ।"

"তুমি ?"

"ময়ো কৰোঁ—সেইকাৰণে তেখেতক সঁচাকৈয়ে মই খুব ভালপাওঁ। কিন্তু তুমি অনন্য—মইযে তুলনা কৰিব নোৱাৰো ?"

"মই কি বিচাৰো জানা নৰৌ—আজীৱন তুমি ককাইদেউক তোমাৰ হৃদয়ৰ মৰমেৰে ডুবাই ৰাখা।"

"তুমি কি কৰিবা ?"

"মই তেতিয়া সুখী হম। তেতিয়া তোমাক নোপোৱাৰ বেদনাই মোক উতলা কৰিব নোৱাৰিব। জানা নৰৌ, মানুহৰ যুক্তি আৰু যথাৰ্থতা আনহাতে প্ৰকৃতিৰ অযৌক্তিক নীতিৰ মাজত অন্য এক জীৱন তত্ত্ব নিহিত আছে। যুক্তি আৰু যথাৰ্থতাৰ ওপৰত যিবোৰ ব্যক্তি আঁকোৰগোজ হৈ নীতিগত বৈশিষ্ট হিচাবে গ্ৰহণ কৰিব খোজে, আকৌ যিবোৰ ব্যক্তি যুক্তি আৰু যথাৰ্থতাৰ ওপৰত সমূলি বিশ্বাস নাৰাখে—দুয়োবিধৰ ব্যক্তিয়ে সময়ত প্ৰতাৰিত হোৱা দেখা যায়। গতিকে সময় সাপেক্ষে পৰিবেশৰ লগত এৰাধৰা আৰু বুজাপৰাৰ মাজত সামাঞ্জস্য ৰাখি নিজক চলাই নিব পৰাটো প্ৰকৃততে মানুহৰ কৰ্ত্তব্য হোৱা উচিত। সেয়ে তুমি, মই বিগত দিনবোৰক পাহৰি আগত দিনবোৰক আমাৰ নতুন সম্পৰ্কৰে স্থিৰভাবে, উৰ্দ্ধমুখী চৈতন্যৰে, উদাৰ দৃষ্টিভঙ্গীৰে স্বাগতম জনাব লাগিব। ক্ষোভ কৰি, দুখ কৰি, নিজৰ ওপৰত অভিমান কৰি হৃদয়ক বেদনাক্লিষ্ট কৰাৰ জানো যথাৰ্থ যুক্তি আছে ? কল্পনাৰ অতীন্দ্ৰীয়তা আৰু ব্যৱহাৰিক জীৱন দুটা বিপৰীতধৰ্মী বস্তু। কল্পনাভিলাসী সকলে মাত্ৰ সপোন ৰচিব জানে। কিন্তু সময়ৰ লগত খোজ মিলাবলৈ হলে আমি বাস্তৱ মুখী হব লাগিব। ব্যৱহাৰিক চিন্তাধাৰাৰ বাস্তৱমুখী ৰূপ হল জীৱনৰ প্ৰকৃত সত্যতা। গতিকে নৰৌ, আমিও বৰ্ত্তমান বাস্তৱৰ লগত খোজ মিলাবলৈ যুক্তি অযুক্তিৰ সামাঞ্জস্য ধৰ্মী ব্যৱহাৰিক দৃষ্টিভঙ্গীৰে আগবাঢ়িব লাগিব।"

সঁচাকৈয়ে বেণুৱেও নিজকে প্ৰস্তুত কৰিলে ত্যাগৰ বাবে। গিৰিয়েকৰ সুখ আৰু সন্মানৰবাবে তাই নিজৰ যথাসৰ্ব্বস্ব ত্যাগ কৰিবলৈ দৃঢ়সংকল্প হ'ল। যৌৱনৰ প্ৰথম প্ৰেমৰ অপ্ৰকাশিত বেদনা আজি তাইৰ দৃঢ় চৈতন্যৰ শুচৰত প্ৰশ্ৰয়হীন। অন্যথায় কুঞ্জনৰ ভালপোৱাৰ প্ৰতি অবিচাৰ কৰা হব; নিষ্পাপ, নিৰ্ম্মল স্বপন জনৰ প্ৰতি প্ৰতাৰণা কৰা হব। স্বপনৰ সুখ শান্তিৰ বাবে যদি তাই গোটেই জীৱন দুখ কষ্টত কটাবলগীয়া হয়, তাই যদি জীৱনত পদে পদে কান্দিবলগীয়া হয়, তথাপি সকলো সহি যাব। মাত্র শান্ত, সৌম্য মুখমণ্ডলেৰে, মৰমীয়াল স্বপনজনৰ অন্যায় কৰাৰ কথা তাই ভাবিবও নোৱাৰে।

এদিন কুঞ্জনে কৰ্কায়েকৰ বিয়াৰ ইতিবৃত্তখিনি মাকৰ পৰা থোৰতে জানিবলৈ পালে। বেণুৰ দেউতাক ৰমানন্দৰ দূৰ-সম্পৰ্কীয় আত্মীয়। কিবা কাৰণত সোণপুৰলৈ যাওঁতে ৰমানন্দ তেওঁলোকৰ ঘৰতে ৰাতিটো কটালে। কথা প্ৰসংগত বেণুৰ দেউতাকে ৰমানন্দক কলে—

"ৰমা, আমাৰ বেণুজনীক উলিয়াই দিবৰে হ'ল। ভাল ল'ৰা পালে খবৰ দিবাচোন।"

ৰমানন্দই ক্ষন্তেক কথাটো ভাবিলে। হঠাতে উৎসাহিত হৈ বলে—

"বুজিছে ককাইটি, মই জনাত আমাৰ গাওঁতে এজন ভাল ল'ৰা আছে অতি চোকা বুদ্ধিৰ ল'ৰা, প্ৰতিটো পৰীক্ষাতে প্ৰথম বিভাগ। এইবেলি বিটিও পাচ কৰিছে প্ৰথম বিভাগ। আপোনা-লোকৰ বেণু জনীৰ লগত মিলিবও ভাল।"

"শিক্ষকতা কৰেনেকি ?"

"এৰা, ককাইটি। ছওতে পৰিয়ালটো ধনেৰে জনেৰে পূৰ্ণ পৰিয়াল নহয়, কিন্তু ল'ৰাজন লাখত এক। দেখাই শুনাই, ভগাবান কৰিলে আপুনি নিজেই দেখিব নহয়। চৰিত্ৰৰ দিশটো আপোনাক

স্পষ্টকৈ কৈ থলো— সৎ । কোনো ফালৰ পৰাই অযোগ্য নহয় ।"

তাৰ পিচত ৰমানন্দ আৰু উমাশঙ্কৰ দুয়ো এদিন গৈ ছোৱালী চাই আহিল । স্বপনো গ'ল— উভয় পক্ষৰ সম্মতি । দিনবাৰ ঠিক হ'ল । প্ৰজাপতিৰ নিৰ্বন্ধত মানুহৰ জানো হাত আছে ?

ৰেণুৱে কুঞ্জনক বিয়াৰ সম্পৰ্কত কৈছিল—তাই নিজ মুখে দেউতাকৰ আগত একোকে কব নোৱাৰিলে । মাকৰ আগত খাতনি ধৰিলে—বিয়া হবৰ ইচ্ছা নাই, কলেজত পঢ়িব ইত্যাদি । কিন্তু এই বিষয়ত মাক হেনো সকলোতকৈ বেছি উৎসাহী আছিল । কাৰণ স্বপনক দেখাৰ পিচত মাক ইমান সন্তুষ্ট হৈছিল যে জীয়েকৰ আপত্তিক কিঞ্চিতো সহানুভূতিৰ দৃষ্টিৰে নাচালে । বিমান ককায়েককো খাটিলে একে ধৰণে । সি জিকাৰ খাই উঠিল - কলে "তোৰ 'চইজ' নাই নেকি ?"

"তাৰ পিছত ?" কুঞ্জনে নবৌয়েকক প্ৰশ্ন কৰিলে ।

"মন চৈতন্যত তীব্ৰ আঘাট লাগিল, ব্যথিত হৃদয়ৰ গুপুত বেদনাৰ অন্তৰ্দহনত জ্বলি পুৰি মাৰিলো, জীৱনটোকে অন্তঃসাৰ শূন্য বুলি ভাব হল । তোমালৈ লিখো লিখো বুলি সেই কথাবাৰ লিখাৰ সাহস মোৰ নহ'ল । তোমাৰ পৰীক্ষা—যদি তুমি আঘাট পোৱা । কিন্তু এটা কথা কি জানা—তোমাক এনেদৰে পাম বুলি ভবা নাছিলো ।"

"কেতিয়া গম পালা যে মই তোমাৰ শ্ৰীমানৰ কনিষ্ঠ ভাতৃ ?"

"ইয়াত গম পাইছো । মাই এদিন কৈছিল—আমাৰ কুঞ্জন বোপা বিয়াত আহিব নোৱাৰিলে নহয় । ডাক্তৰী পঢ়ি আছে, পৰীক্ষা চলি আছে । প্ৰতিমাই কৈছে, তুমিহেনো তাক ভালদৰে জানা ।"

"তুমি বাৰু মাক কি বুলি কলা ?"

"কথাটো শুনি চক খোৱাৰ দৰে হৈছিলো—কিন্তু কিয় জানো মনটো হঠাতে কৰকাল কৰকাল লাগিছিল । তোমাক বঞ্চিত

কৰাৰ সি ভুল হ'ল, অন্ততঃ তোমাক মই বুজাব পাৰিম এনে এটা ভাৱত মনটো পৰিস্কাৰ লাগিছিল। অথচ মইতো তোমাক বুজাব-লগীয়া নহ'ল। তোমাক দেখি পুনৰ মোৰ মতিভ্ৰম হ'ল। তুমিহে মোক বুজালা। মই ভাবিছিলো, তুমি মোক ঘিণ কৰিবা নেকি, প্ৰবঞ্চকী বুলি ভাবিবা নেকি—কিন্তু তোমাক ইমান মহৎ বুলি ভবা নাছিলো। তোমাৰ ওচৰত মই পদে পদে হাৰ মানিছো। তুমি মোক ক্ষমা কৰিবা।" কৈ কৈ ৰেণুৱে কান্দি দিলে।

"নাকান্দিবা নবৌ। দুখ, বেদনাক কান্দোনেৰে ঢাকিবও নোৱাৰি, জয় কৰিবও নোৱাৰি। হাঁহি থাকা, ককাইদেউৰ সন্তোষ আৰু তৃপ্তিৰ বাবে ত্যাগ—মনৰ দুৰ্বলতাক কাহানিও প্ৰশ্ৰয় নিদিবা।"

"জানা বাপু, তোমাৰ প্ৰতি এতিয়াও মই দুৰ্বল হৈ পৰোঁ। তুমি যেন মোৰ কাষত নথকাই ভাল আছিল।"

"নবৌ, তোমাৰ জীৱনৰ পৰা আঁতৰি আছিলো—কিন্তু তোমাৰ হৃদয়ৰপৰা মোক খেদিব খুজিছা কিয়?"

কোনো উত্তৰ নিদি নিৰ্বিকাৰ ৰেণু কুঞ্জনৰ কাষৰ পৰা আঁতৰি গ'ল।

ৰাতি ভাত খোৱা শেষ কৰি স্বপন অলপ সময় বাহিৰত তহল দি বিচনাত দীঘল দি পৰিল। আলোচনী এখনৰ পাত লুটিয়াই থাকিল—কিন্তু মন বহুৱাব পৰা নাই। পিয়াহ লগা নাছিল যদিও জগটোৰ পৰা এগিলাচ পানী লৈ গিলি থলে। ৰেণুজনীৰ ইমান সময়ে সেইবোৰ সামৰা হোৱাই নাইনে? এনেতে পাকঘৰৰ পৰা শুনা গ'ল—

"যা যা বেবোৰী, শুই থাকগৈ। বাকীখিনি বনলতা আৰু ময়েই চম্ভালিব পাৰিম।"

"একো নহয় মা, ময়ে এইখিনিৰ চিজিল লগাই থৈ যাওঁ। আপুনি আৰাম কৰকচোন। বনলতাইতো মোক সহায় কৰি আছেই।"

"বোৱাৰী—আমাক ইমান আৰামত নাৰাখিবি, তেনেই এলেহুৱা হৈ পৰিম।"

তাৰ পিচত মাকৰ হাঁহি শুনা গ'ল—উচ্ছ্বাসৰ হাঁহি, আনন্দৰ হাঁহি, এজনী সৌভাগ্যৱতী লখিমী বোৱাৰী লাভ কৰাৰ তৃপ্তিৰ হাঁহি। স্বপনে ভাবিলে—ৰেণুজনীয়ে সকলোবোৰ কাম ইমান পৰি পাটিকৈ কৰিব পাৰে। তেওঁ ইয়াকে ভাবি সন্তোষ লভিলে যে ৰেণুক পাই মাক দেউতাক দুয়ো সুখী হৈছে, মনত শান্তি পাইছে। সেইদিনা দেউতাকে মাকক গৰ্বেৰে কোৱা তেওঁৰ মনত পৰিল—

"দেখিছা, এই উমাশঙ্কৰে ল'ৰালৈ বুলি ছোৱালী আনিছে। গুনী, জ্ঞানী আৰু লখিমী নহৈ পাৰেনে?"

সেইদিনা মাক আৰু দেউতাকে প্ৰাণখুলি হাঁহিছিল। স্বপনৰ কোঠাত স্বপনৰ বুকুৰ মাজত সোমাই থকা ৰেণুৱে লাজ লাজকৈ হাঁহিছিল। আৰু হাঁহিছিল ৰেণুক সজোৰে বুকুৰ মাজত সাবতি ধৰা স্বপনে।

সেইবোৰ স্মৃতিকে মনত পেলাই স্বপনে নিজে নিজেই আকৌ এবাৰ হাঁহিলে। বৈ বৈ আমনি লাগিছে। আন দিনাতকৈ আজি অলপ বেছি পলম কৰিছেনেকি? এনেতে কুঞ্জনৰ কোঠাৰ পৰা শুনা গ'ল—

"এতিয়া তুমি নিৰ্ভয়ে শুই থাকা বাপু। মোৰো টোপনী ধৰিছে, শুওঁগে।" ৰেণু নিজৰ কোঠালৈ সোমাই আহিল।

"ইমানে মনোযোগনে পঢ়াত?"

আলোচনীখন পেটত লৈ ওপৰলৈ চাই চাই আকাশ পাতাল ভাবি থকা স্বপনে উচপ খাই উঠাৰদৰে কলে—

"অ' তুমি, ৰখি ৰখি সঁচাকৈয়ে আমনি লাগিছে।"

"অ' তাকেহে ভাবি আছিল। পঢ়াৰ অভিনয় খিনি নকৰিলেও হুলহৈঁতেন।"

"এৰা, জগৰটো মোৰ গাতহে লাগিল। ইমান বেলি আগ্ৰহেৰে

বাট চাই চাই—এতিয়া পঢ়াশুনা খিনিকো বাদ দিবহে লাগিল।"

"হৈছে দিয়ক, লেবেলা অভিমান কৰি দেখুৱাব নালাগে। ভাল নেদেখি।"

বেণুৰ হাতখনত খাপমাৰি ধৰি স্বপনে কবলৈ ধৰিলে—

"সচাঁই তুমি বেয়া পালা। এই সাধাৰণ কথা কেইটাকো সহজ ভাবে লব নোৱাৰা—কি আচৰিত।"

"চাও এৰি দিয়কচোন। পিচতো "

"বাক বাক। অ বেণু, তুমি হোনো কুঞ্জক আগৰে পৰা জানা হয়নে ?"

"ও, বাপু বিমানদাদাৰ বন্ধু। দাদাৰ লগত আমাৰ ঘৰলৈ এবাৰ গৈছিলো।"

দীঘলীয়া পাতল হাঁহি এটা মাৰি স্বপনে কবলৈ ধৰিলে—

"তোমাৰ বাপু তোমাৰ দাদাৰ বন্ধু, আৰু মই তোমাৰ দাদাৰ কি হুঁও কোৱাচোন ?"

"ভাইটি।" দূৰাৰখন জপাবলৈ গৈ বেণুৱে তাৰে পৰাই উত্তৰটো দিলে।

সহজ ভাবেই উত্তৰটো দিলে যদিও বেণু কিছু সচকিত হৈ উঠিল। হঠাৎ কুঞ্জনৰ প্ৰশ্নটো তুলিলে কিয় ? সিহঁতৰ আন্তৰিক ভালপোৱাৰ ক্ষুদ্ৰ ইতিহাস খন স্বপনে জানি পেলালে নেকি ? স্বপনৰ মুখলৈ চাই মুখৰ অভিব্যক্তি বুজাৰ চেষ্টা কৰিলে বেণুৱে। তেনেই সহজ। কোনো কুটিলতাৰ লেখনাত্ৰয়ো নাই। গতানুগতিক সাধাৰণ কথা এটা সোধাৰ দৰে স্থিৰ অথচ নিৰ্বিকাৰ।

"ভাত খাই শুই থাকিবৰ এটা যুগ হ'ল—আঠুৱা খনকে টানি লব পৰা নাই।"

"তোমাকে বাট চাই আছো।"

"সব কথাতে মোকেই বাট চাই থাকিলে হব নেকি ?"

"ভাল পাওঁ যে।"

"উ, বৰ প্ৰেমিক প্ৰৱৰজন ওলাইছে। ইমান দিনে মাষ্টৰি কৰিলে, এনেহেন ধুনীয়া চেহেৰাটোৰে ধুনীয়া ছোৱালী এজনী আয়ত্ব কৰিব নোৱাৰিলে। বিয়াৰ পিচত এতিয়া ঘৈণীয়েকৰ লগত প্ৰেম ?"

"সোণপুৰত ৰেণু নামৰ মোৰ প্ৰেয়সীজনী আছিল বুলি জন্ম লগ্নত মোৰ কপালত সৃষ্টি কৰ্ত্তাই লিখি থৈছিল। মই কথাটো জানিছিলো। সেয়ে বিয়াৰ দিনটোলৈকে অপেক্ষা কৰি আছিলো- তোমাক।"

স্বপনে ৰেণুক গাৰ নিচেই কাষলৈ টানি আনিলে। নিবিড আবেগেৰে, সমস্ত অনুৰাগেৰে ৰেণুক তেওঁৰ বুকুৰ মাজত হেচি ধৰিলে। ৰেণু'ৱে মাত্ৰ কলে—"দিনটোৰ মাষ্টৰি চেহেৰাত ইমান উৎপতীয়া যেন নালাগে কিন্তু আপোনাক।"

"হয় নেকি ? এই আমোদ লগা উৎপাত খিনি নকৰিলেও তুমি ওলোটাকৈ বুজিবা। তোমাৰ এই অনুপম দেহ সুষমা, এই ৰূপ—পোৱাৰ যেন শেষ নাই ৰেণু তৃপ্তিৰ তুলনা নাই। জগতৰ বাবে তুমি অনন্যা, মোৰবাবে তুমি মোৰ—মাত্ৰ মোৰ।"

সঁচাকৈয়ে ৰেণুৱে কুঞ্জনক ত্যাগ কৰিবলগীয়া হোৱাত, কুঞ্জনৰে ককাযেক স্বপনৰ পত্নী হিচাবে অন্তৰৰ সকলোখিনি মৰম যেন গিৰিয়েকক উদঙাই দিব খুজিছে। স্বপনে মাজেসময়ে ভাবি আচৰিত হৈ যায়—ইমান মৰম কৰে ৰেণুৱে তেওঁক, ইমান গভীৰ ভাবে ভাল পায়। অথচ তেওঁ জানো তাৰ বিনিময়ত ৰেণুক সকলোখিনি দিব পাৰিছে বা পাৰিব ? নাই নাই—ৰেণুৰ কাৰণে যথাসৰ্বস্ব ত্যাগ কৰিবলৈকো তেওঁ প্ৰস্তুত—ৰেণুৰ বাবে তেওঁ সকলো কৰিব পাৰিব।

তথাপি সকলোখিনি ভালপোৱা স্বপনক দিও ৰেণুৱে মাজে সময়ে ভাবিবলৈ বাধ্য হয়—সঁচাকৈয়ে জানো তাইৰ মন মন্দিৰত স্বপনক বহুৱাব পাৰিছে—যিখন আসন ইমান দিনে কুঞ্জনে অধিকাৰ কৰি

আছিল? একালে কুঞ্জন—যৌৱনৰ প্ৰথম পুৱাতে হৃদয় জগোৱা তাইৰ মনৰ মানুহ, তাইৰ আপোনজন, অন্যহাতে স্বপন—এটা বিশেষ দিনত যাৰ ভিত্তিত মাল্যদান কৰি জীৱন সহচৰ বুলি সমাজৰ আগত স্বীকাৰ কৰিছে—কোন সত্য? প্ৰকৃত সঙ্গী কোন জন? কাহানিও পিচলি নাযাও বুলি কোৱা কুঞ্জনেতো আজিও পিচলি যোৱা নাই, সদায় তোমাৰ কাষে কাষে থাকিম বুলি প্ৰতিশ্ৰুতি দিয়া কুঞ্জনেতো আজিও তাইৰ জীৱনৰ পৰা আঁতৰি যোৱা নাই। ভুল যদি কৰিছে, তাই নিজেই কৰিছে, তাইৰ দুৰ্বল মনটোৱে শঙ্কা আৰু ভয়ত ভুলতো এটিবাৰ কাকো নকলে যে তাই ইতিমধ্যে কুঞ্জনক জীৱনৰ লগৰী হিচাবে মনোনীত কৰিছে। অথচ স্বপনে গতানুগতিক ভাবে তাইক এদিন চাবলৈ গৈছিল, পচন্দ কৰিছিল। আৰু সামাজিক ভাবে হোমাগ্নিক সাক্ষী কৰি তাইক গ্ৰহণ কৰিছে। তাইক তেওঁৰ সমস্ত মৰম দিছে, ভালপোৱা দিছে আৰু দিছে তপ্ত যৌৱনৰ আস্বাদ। তাইতো তৃপ্ত, স্বামীৰ মৰমেৰে আপ্লুত। কিন্তু আজি তাইৰ বাবে ডাঙৰ প্ৰশ্ন হ'ল—কোন সত্য—কুঞ্জন নে স্বপন? তাইৰ এখন হৃদয়, একেখনি আসন—কিন্তু তাত বহিছে কোন? কুঞ্জন নে স্বপন? দুয়োজনকে একেলগে বহুৱাব পাৰিছে জানো? বহুদিন এই প্ৰশ্নটোকে তাই কৰি আছে—কিন্তু সমিধান বিচাৰি পোৱা নাই। তাই নিজে নাজানে, নিজে নুবুজে কোন তাইৰ প্ৰিয়জন, কাক লৈ কাক এৰিব, বা দুয়োজনকে ধৰি ৰাখিব পৰিব জানো? যদি দুয়োজনে সৰি পৰে?

সেয়েহে মাজনিশা স্বপনৰ কাষতে শুই থকা বেণুজনীয়ে উচুপে—বেদনাৰ উচুপনি। দিনটো হাঁহি মাতি ঘৰখনত কোঢ়াল লগাই সকলোৰে মন জগোৱা, সকলোকে আনন্দ দিয়া বেণুৱে মাত্ৰ, মাজনিশা নীৰৱ মুহূৰ্ত কেইটামান পাৰ কৰি দিয়ে গোপন উচুপনিৰে—যেন উচুপনিৰে হৃদয়ৰ যন্ত্ৰনা, বেদনা আৰু ক্লিষ্টতাক ধুই নিকা কৰাৰ ব্যৰ্থ প্ৰয়াস। সকলোৱে সুখী বুলি ভবা, আনকি কুঞ্জনেও বেণুৰ

গোপন বেদনা বুজিবলৈ অসমৰ্থ হৈ তাইক সুখী বুলি ভবা বেণুৰ প্ৰকৃত সুখৰ সন্ধান যেন মাজনিশাৰ সেই উচুপনি খিনিতহে। তাতে তাই লাভ কৰে পৰিশ্ৰান্ত দিনটোৰ ক্লান্তিৰ শেষত নিবৃত্তি। কাৰণ কুঞ্জনৰ সৈতে বিচ্ছেদ তাইৰ বাবে অতি অপ্ৰত্যাশিত। প্ৰিয়জনৰ বিচ্ছেদে কাৰুণ্য আনে। অনাগত সুখৰ ৰঙীন কল্পনাৰে প্ৰতিক্ষাৰত বেণুৰ আশা আনন্দৰ জিলিকনিৰ মাজত বিচ্ছেদৰ করুণ ৰাগিণী নামি তাইৰ কোমল হৃদয়ত অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰিলে। ব্যথিত হিয়াৰ শোকাৰ্ত্ত নীৰৱ আৰ্ত্তনাদৰে হয়তো অন্য এক ৰূপ বেণুৰ মাজনিশাৰ উচুপনি।

সেই একে সময়তে হয়তো হঠাতে টোপনিৰপৰা চক খাই সাৰ পোৱা কুঞ্জনেও অকলশৰীয়া নিৰ্জন মুহূৰ্ত্ত বোৰত বেণুৰ কথা ভাবে—ইমান আবেগ সনা মৰম, ইমান পবিত্ৰতা ভৰা ভালপোৱা—অথচ জীৱনৰ প্ৰতিশ্ৰুতিয়েও বেণুক তাৰ জীৱনত ধৰি ৰাখিব নোৱাৰিলে। বেণু তাৰ জীৱনৰ পৰা আঁতৰি গ'ল। অথচ গোটেই দিনটোৰেতো সি বেণুক কাষতে পাই থাকে। নিতৌ দুপৰীয়া ভাত খোৱাৰ পিচত দুয়ো কথা পাতে, হাঁহে, পৰস্পৰে পৰস্পৰৰ মন বুজিবলৈ চেষ্টা কৰে। কেতিয়াবা বেণু হঠাতে অন্যমনস্ক হৈ পৰে। তেতিয়া কুঞ্জনে তাইক সোধে—

"নবৌ, হঠাতে কি হ'ল তোমাৰ? কিবা ভাবিছা?"

"অতীতটোলৈ মনটো মাজে সময়ে উৰা মাৰিব খোজে বাপু। মই তেতিয়া বৰ অসহায় অনুভৱ কৰোঁ, হিয়া দগ্ধ হৈ যায়।"

"অতীতৰ স্মৃতিক হাতবাউল দি মাতি কিবা লাভ হব? যি ভুলৰ শুধৰণী নাই, সেই ভুল কৰাৰ পিচত তাক শুধৰাবলৈ চেষ্টা কৰাটো তেনেই নিষ্প্ৰয়োজন, তাকে দোহাৰি আত্মদহনত ভুগি জীৱনটোক সকৰুণ কৰি তোলাটো আৰু বেছি যথাৰ্থহীন। স্মৃতি বোৰক স্মৃতি হৈ থাকিবলৈ দিয়া। মনলৈ আনিবলৈ চেষ্টা নকৰিবা চোন। তুমি মোৰ নবৌ—মোৰ একমাত্ৰ শ্ৰদ্ধাভাজন ককাইদেউৰ

ধৰ্মপত্নী—মাতৃতুল্যা দেৱী তুমি মোৰ। মই তোমাৰ মৰমৰ দেৱৰ। আমাৰ ভালপোৱাক অস্বীকাৰটো কৰিব কোৱা নাই—মাত্ৰ নতুন ৰূপ দিয়া ভাত।"

"তোমাৰ কোনো কথাকে মই উলঙ্ঘা কৰিব খোজা নাই বাপু। সদায় কোৱাৰ দৰেই এই নতুন জীৱনটোৰ লগত যথাৰ্থভাৱে খোজ মিলাবলৈ সংকল্পবদ্ধ। কিন্তু তোমাৰ মোৰ সেই প্ৰেম অনুভূতিবোৰৰ তুলনা নাই বাপু। সি যে সদায় দীপ্ত। সেয়ে সময়ে মনটোক দুৰ্ব্বল কৰে কেতিয়াবা। ভুল নুবুজিবা তুমি। মই সঁচাই কৈছোঁ, তোমাৰ ককাযেৰাক মই খুউব ভালপাও। কাৰণ তেওঁ তোমাৰেই দাদা—তোমাৰ তেজৰ লগত তেওঁৰ নিবিড় সম্পৰ্ক—তেওঁ মোৰ অতিকে আপোন, তেওঁক মই মোৰ পূজাৰ দেৱতা বুলি জ্ঞান কৰোঁ। তথাপি—।"

"শুনি সুখী হৈছো নবৌ - কিন্তু এই 'তথাপি'ৰ জড়তা এৰা। যাক পাব নোৱাৰি তাক বাঞ্ছাও কৰিব নালাগে। অতিন্দ্ৰীয়তাত আসক্ত হোৱা নিৰৰ্থক। ভবিষ্যতটো মধুৰ কৰা, তোমালোক সুখী হোৱা—মই তাতে পাম সুখ, শান্তি আৰু জীৱনৰ প্ৰকৃত স্বাচ্ছন্দতা।"

ন

মানুহৰ জীৱনত সুখ আৰু স্বাচ্ছন্দতাৰ দিনবোৰ হেনো ক্ষন্তেকীয়া, বেছি দিনলৈ বৰ্ত্তি নাথাকে—কেৰোণ লাগে। অশান্তিৰ বীজ ৰোপণ হয়, অংকুৰিত হয় মনোবেদনা, আত্মদাহ আৰু ভুল বুজা-বুজি। আমি সহজ বুলি ভবা সমাজখন, চিৰচিনাকি বুলি জ্ঞান কৰা এই পৃথিবী আৰু প্ৰকৃতি—তাতো বৈষম্যৰ সৃষ্টি হয়—সমাজ খন জটিলযেন লাগে, পৃথিবীখন অচিনাকি যেন হৈ পৰে, প্ৰকৃতিক ভুল বুলি বোধ হয়।

অতি চেনেহৰ ভাতৃ স্বপন বাধ্য হল—কুঞ্জনক বেলেগ দৃষ্টিৰে চোৱাৰ। ইতিমধ্যে গাঁৱত প্ৰচাৰ হোৱা কুঞ্জন আৰু ৰেণুৰ গুপুত সম্পৰ্কৰ হাস্যমুখৰ ৰসিকতাৰ চলেৰে তাচ্ছিল্যসূচক ব্যঙ্গ সমা-লোচনাবোৰ কৰ্ণগোচৰ হৈ থকাত স্বপনৰ বাবে যুক্তি অযুক্তিৰ বিচাৰ নিস্প্ৰয়োজন হৈ পৰিল। সকলোৰে মুখত একোটাই কথা—ৰেণুৰ হেনো কুঞ্জনলৈহে আহিবৰ মন আছিল। সেয়ে আপোনভোলা স্বপনটোৰ অলক্ষিতে এতিয়াও গুপুত পীৰিতি চলি থাকে সিহঁতৰ। ৰাধিকাৰ মাকেতো সিহঁতৰ ঘৰলৈ গৈ সেইদিনা লাজতে পৰিল আৰু কান্তে আবুক কলে—

"বোলো দেশকাল গুচিল, যদি সকজনলৈকে আহিবৰ ইমান হেঁপাহ আছিল আগতে মুখ খুলি নকলে কিয়? এতিয়া স্বপনহেন দেৱতাৰ দৰে মানুহ জনৰ সৰ্ব্বনাশ কৰিব ওলাইছে কিয়?"

আচৰিত হৈ কান্তে আবুয়ে সুধিলে—

"কি হল অ' ৰাধিকাৰ মাক, উমাৰ বোৱাৰীয়েকৰ কথা নেকি?"

"নহয়নো আকৌ কোন সীতা সাবিত্ৰীৰ কথা কবলৈ যাম? যিহে সেইজনী—ভুনভুনীয়া মেল, ফিচিঙা-ফিচিঙ হাঁহি—নটীজনী যেন হাঁহি হাঁহি কুঞ্জবোপাৰ গাত হালিহে পৰিব। ৰাম সীতাৰ যেন পঞ্চবতীৰ পীৰিতি। সৰাপান চুপাতমান লৈ নহা নহা যেন পালোঁ।

সিহঁতৰ লাজমান নাই বুলি আমাৰ নাকবোৰ কটা যোৱা নাই নহয়।"

তেনেদৰে আন এদিন নয়নতৰাই স্কুলৰ মাহীমাক জেতুকী বাইক বেণু কুঞ্জনৰ গোপন অভিসাৰৰ জাননী দিলে—

"ইচ্ ৰাম জেতুকীবাই, কিবা নোহোৱা নোপোজা কথা। আমাৰ আকৌ কবলৈ, শুনিবলৈকো লাজ। হ'ল বুলিনো ইমানে পীৰিতিবলীয়া হব লাগেনে? গিৰিয়েক জন স্কুললৈ গ'ল নে তাই ঘৰখনৰ একছত্ৰী সম্ৰাজ্ঞীহে হল যেনিবা। দেওৰেক জনৰ লগতে ইমান হলি গলি, বিয়াৰ আগত যে আৰু কিমানৰ তেজ খাই আহিছে। কুঞ্জনটো তেও বুলি উঠি অহা ল'ৰাহে আকৌ— তাতে হেনো পুৰণা পীৰিতিও আছিল। তাৰনো দোষ কি? এতিয়া সমাজখন নষ্ট নহলেহে ৰক্ষা।"

"সেইজনীকনো খেদি নিদিয়ে কিয়? সিদিনা কান্তে আবুৰ মুখতো সিহঁত হালৰ কেলেঙ্কাৰিৰ কথা শুনিছো।"

আকৌ সৰ্ব্বেশ্বৰে তাৰ লগৰ কেইজনক কোৱামতে সি সেই দিনা ৰাতি ন মান বজাত স্বপন চাৰক কিবা খবৰ এটা দিবলৈ গৈছিল। স্বপন চাৰক ঘৰত নেপালে, কুঞ্জনৰ কোঠাত কুঞ্জন আৰু নবৌয়েকক ফুচফাচ্‌কৈ মেল মৰাহে শুনিলে। ঘৰখনৰ বাৰন্দাত বহি থকা দেউতাককে সি খবৰটো দি থৈ আহিল।

স্বপনৰ হৃদয়ত এই আত্মগ্লানি, অন্তৰ্দাহ আৰু ক্লেশৰ বীজ গজালি মেলাৰ অন্তৰালত কাৰ গোপন অভিসন্ধি লুকাই আছিল?

বিনয় বাবু গাওঁখনৰ ভিতৰত আধ্যবন্ত ব্যক্তি। প্ৰভিন্সিয়েলা-ইচ্‌ড্‌ হোৱাৰ আগতে তেওঁ হাইস্কুলৰ চেক্ৰেটাৰী আছিল। তেতিয়াই হেড্‌মাষ্টৰৰ সতে লগ লাগি এক বুজন পৰিমানৰ ধন আত্মসাৎ কৰি টাউনত ঘৰমাটি কৰে। এক কথাত তেওঁ সমাজৰ এজন মুধা ফুটা ব্যক্তি, গাওঁ বাইজৰ শিৰোমণি। গাওঁ বাইজে কিন্তু জানে— বিনয় বাবুৰ নদন-বদন সম্পত্তিৰ মুলতে স্কুলৰ টকা আত্মসাৎ।

তথাপি মানুহে তেওঁক মানি চলে। কাৰণ বিনয় বাবুৰ মাটি আছে, টকা আছে, তেওঁৰ দয়াত গাওঁৰ এক তৃতীয়াংশ লোক বৰ্ত্তি আছে, যদিও তেওঁবিলাকে বিনয় বাবুৰ ঘৰত হিচাবৰ আখিয়াৰ ধান খিনি শোধ কৰিবলৈ গৈ খাবলৈ নাপাই দুৰ্ভিক্ষৰ কঢ়ালগ্ৰাসত পতিত হৈছে। তেনে এজন স্বনামধন্য সমাজকৰ্মী, মহৎ ব্যক্তি বিনয়বাবুৰ চৰিত্ৰত কলঙ্কৰ কালিমা সনা অকল পাপে নহয়, দস্তুৰমত অবিচাৰ। খিয়লীয়া সকলেহে তেনে অবিবেচক কাম কৰিবলৈ আগবাঢ়িব পাৰে।

কুটনীতিত নিপুণ বিনয়বাবু। এই সদগুণবোৰ থকাৰ বলতে স্কুলৰ বহুত টকাপইচাৰ হিচাব নিমিলাত উপযুক্ত প্ৰমাণ আৰু তথ্য পাতি যোগাৰ দিব নোৱাৰা হেতু আগৰজন হেড মাষ্টৰক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয় যদিও বিনয়বাবুৰ গাত হলে সামান্যতমো চেকা নালাগিল। সন্ধিৰ বাঁহ বুদ্ধিৰে যেনেদৰে কাটিব জানে, তেনেদৰে প্ৰয়োজনত সাধু জনক শলঠেকত পেলাবও জানে।

সেইজন বিনয়বাবুৰ একমাত্ৰ পুত্ৰ সন্তান বিক্ৰম, একেজনী কন্যা নিৰ্ম্মালী। বিক্ৰমৰ আয়তকৈ ব্যয় বেছি—কাৰণ সুৰা সুন্দৰীৰ সোৱাদ লোৱাটো তাৰ নিয়মিত অভ্যাস। তাৰ যুক্তি—বাবাৰ সম্পত্তি মানেতো মোৰ সম্পত্তি। মই খুৱালে উকৰাব কোনে?

নিৰ্ম্মালী জনী চঞ্চলা, ধুনীয়া—যিকোনো ল'ৰাৰে মন মুহিব পৰাকৈ মোহনীয়া। এটি ঘটনাৰ পিচত তাইক মাকে এতিয়া সম্পূৰ্ণ শাসনাধীনত ৰাখিবলৈ বাধ্য হৈছে। ঘটনাটি তেনেই সাধাৰণ যদিও সৰু মানুহৰ ঘৰত সেইটিযেই অসাধাৰণ হৈ উঠিলহেঁতেন। উজনীৰ ল'ৰা এজন চাকৰিৰ সংক্ৰান্তত ৰূপহীপামত ছুটিবছৰৰ বাবে আহিছিল। ধুনীয়াকৈ ল'ৰাজন, সুৰাসক্ত হেতুকে বিক্ৰমৰ লগত বন্ধুত্ব স্থাপন হোৱাত বেছি দিন নালাগিল। বন্ধুত্বৰ পৰা ঘৰুৱা সম্পৰ্ক, ঘৰুৱা সম্পৰ্ক খিনিকে নিৰ্ম্মালীয়ে মাক দেউতাকৰ উদ্দেশ্য প্ৰণোদিত প্ৰশ্ৰয় বুলি জ্ঞান কৰিলে। দুটা

অসংখ্য ৰোমাঞ্চকৰ স্মৃতি ভৰা বছৰ পাৰহৈ গ'ল। নিৰ্ম্মালীৰ বাবে সেই দুটা যেন বছৰ নহয়, দুটি মাত্ৰ মধুৰ ক্ষণ—জীৱনৰ ছন্দত সুৰ মিলি যোৱা ক্ষণ, আশাত বাস্তৱৰ স্পৰ্শ লগা ক্ষণ—যেন জীৱনৰ চিৰস্মৰণীয় ক্ষণ। সময়ৰ ম্যাদ উকলি যোৱাত যুৱক গুচি গ'ল। কিন্তু দুটা প্ৰেমময় বছৰৰ সাক্ষী এৰি থৈ গ'ল। নিৰ্ম্মালীৰ হেনো হঠাতে পিত্তৰ অসুখ হল। সেয়ে ততাতয়াকৈ গুৱাহাটীলৈ নি তাৰে ব্যক্তিগত চিকিৎসালয় এখনত এমাহৰ বাবে চিকিৎসা কৰাই, পিচৰ মাহটো শ্বিলঙত থকা মোমায়েকৰ ঘৰত বেষ্টত ৰখালে। দুমাহ পিচত আগৰ দৰে পকা যৌৱনময়ী ৰূপহী নিৰ্ম্মালী জনী হৈ উভতি আহিল। সন্দেহৰ থল নাই—নিৰ্ম্মালীৰ দৰে কলংকহীন ছোৱালীজনীৰ চৰিত্ৰত কালিমা সনাৰ সাধ্য আছে কাৰ?

সেইজনী নিৰ্ম্মালীকে স্বপনলৈ বিয়া দিব খুজিছিল বিনয়বাবুয়ে। বিক্ৰমৰ লগত দেউতাকে কথাটো আলচ কৰি মাজে সময়ে তাৰ লগতে স্বপনক সিহঁতৰ ঘৰলৈ ফুৰিব আহিবলৈ নিৰ্দ্দেশ দিছিল। বিক্ৰমে চেষ্টা কৰিছিল। নিজে, বন্ধু মহলৰ দ্বাৰা। স্বপন নিত্যান্তই গতানুগতিক অতিথিৰ দৰে বিক্ৰমৰ লগত আহিছিল, চাহ খাইছিল, গুচি গৈছিল। মাত্ৰ পাকে প্ৰকাৰে উলিওৱা বিয়াৰ প্ৰশ্নত স্বপনে স্পষ্টভাবে নেতিবাচক উত্তৰ দিছিল—"নিৰ্ম্মালী মোৰ ছাত্ৰী, বিয়া অসম্ভৱ। এই ক্ষেত্ৰত আগবাঢ়ি একো লাভ নাই।"

সেয়া আছিল বিক্ৰমৰ বাবে পৰাজয়, নিৰ্ম্মালীৰ যৌৱনৰ অপমান, বিনয়বাবুৰ আত্মসম্মানত এক প্ৰলয়ঙ্কৰ আঘাট।

গ'ল কথা গুচিল। অন্তৰত ক্ষোভ পুহি থাকিল যদিও বিক্ৰমে স্বপনৰ ওপৰত কোনো ধৰণৰ প্ৰতিশোধ লব নোৱাৰিলে। স্বপন সকলোৰে প্ৰিয়, তাৰোপৰি সৎ আৰু নিৰ্ভিক। বিক্ৰমহে নালাগে, গোটেই সমাজ খনেও যদি স্বপনৰ প্ৰতিকূলে যায়, তথাপি সকলোৰে বিপক্ষে যুঁজিবলৈ নৈতিক সাহস আৰু মানসিক প্ৰস্তুতি তেওঁৰ আছে। তাৰোপৰি গোটেই গাওঁখনে সমীহকৈ চলা উমা-

শঙ্কৰৰ বিপক্ষে এষাৰ কথা কোৱাৰ সাহসো বিনয় বাবুৰ নহল। সেয়াই বিনয় বাবুৰ একমাত্ৰ দুৰ্ব্বলতা।

এদিন যাবৰ আহিল বিনয় বাবুৰ ঘৰলৈ—স্বপন ৰেণুৰ বিয়াৰ কেইমাহমানৰ পিচতে। ৰেণুৰ প্ৰতি থকা তাৰ মোহ শেষত গৈ শত্ৰুতাত পৰিণত হৈছিলগৈ। যাদৱ বিনয় বাবুৰ কিবা সম্পৰ্কীয় হয়। বিক্ৰমৰ প্ৰায় কান সমনীয়া যাদৱ—ভাতৃত্বতকৈ বন্ধুত্বৰ সম্পৰ্কহে বেছি। এদিন বিনয় বাবুৰ বাটচৰাত বিক্ৰম আৰু যাদৱৰ মাজত গোপনীয় কথাৰ আদান প্ৰদান চলি থাকোতে হঠাতে যাদৱে কৈ পেলালে—

"বুজিছ বিক্ৰম, তহঁতৰ গাঁৱৰ স্বপন মাষ্টৰলৈ আমাৰ গাঁৱৰ ৰেণু নামৰ ছোৱালীজনীকযে আনিলে, তাইৰ কথা তোক কি কম?"

বিশেষভাবে উৎসাহিত হৈ বিক্ৰমে সুধিলে—

"কি কথা অ, আমি শুনাত তাই বোলে সিহঁতৰ ঘৰৰ লখিমী বোৱাৰী।"

"থ থ, তিৰোতাবোৰ সদায় গভীৰ পানীৰ মাছ। এটা সময়ত তাই মোৰ লগতো কম লেটিপেটিখন নলগালেনে? মই বি.এ পাছ কৰিব নোৱাৰাৰ ইয়ো এটা কাৰণ বুজিছ। তাই মোৰ লাইফ স্পইল কৰি দিছে। অ' কুঞ্জন স্বপন চৌধুৰীৰ ভায়েক হয়নে?"

"অঁ।"

"সেই কুঞ্জনৰ লগতে তাইৰ প্ৰেম আছিল। গাঁৱৰ ল'ৰাৰ পৰা বুঢ়ালৈকে সকলোৱে কুঞ্জন ৰেণুৰ প্ৰেমকাহিনী জানে। এবাৰ দুৰ্গাপূজাত কুঞ্জন সিহঁতৰ ঘৰলৈকো গৈছিল নহয়। প্ৰায় এসপ্তাহমান থাকি আহিছে।"

"প্ৰেম? এক সপ্তাহ? কুঞ্জনটো বেচ ভদ্ৰ ল'ৰা।"

"বহচোন, ধুনীয়া ছোৱালীৰ আগত ল'ৰাৰ ভদ্ৰ, অভদ্ৰ কি অ'? তাতে ৰেণুজনী সাংঘাটিক চঞ্চল। কলোৱে দেখোন—মোকো এটা সময়ত কলাই মাৰিছিল। দেখাত সাধ্বীজনী হলে কি হব?"

এবা—প্ৰেম, এক সপ্তাহ কুঞ্জন সিঁইতৰ ঘৰত আছিল।"

বিক্ৰম আৰু যাদৱৰ অলক্ষিতে নিৰ্ম্মালীয়ে আনটো কোঠাৰ পৰা সকলো শুনি বৌৱেক আৰু মাকক কথাটো কলে। এইদৰে কেইদিন মানৰ ভিতৰতে গাঁওৰ জীয়ৰী, বোৱাৰী, ডেকা, আদহীয়া সকলোৰে মাজত জনাজাত হৈ পৰিল কুঞ্জন আৰু স্বপনৰ বৈণীয়েকৰ গোপন কাহিনী। বহুতে কথাটো বিশ্বাস কৰিবলৈ টান পালে যদিও কেতবোৰৰ মুখত কথাটো হৰি নাম যেন হৈ পৰিল। বিক্ৰম, নিৰ্ম্মালীয়ে যেন স্বস্তিৰ নিশ্বাস এৰিবলৈ সুবিধা পালে। বিনয় বাবুৰ ঘৰত বহিয়ে পৃথিৱী জয় কৰা যেন লাগিল।

সৰল মনৰ উমাশঙ্কৰে গাঁৱত প্ৰচাৰ হোৱা এইবোৰ কথাত বৰ আঘাট পালে, দুখ কৰিলে আৰু পেটেপেটে ভয় খালে—স্বপনে যদি সেইবোৰ অপপ্ৰচাৰকে সত্য বুলি বিশ্বাস কৰি বোৱাৰীয়েকক সন্দেহৰ চকুৰে চায়? ইমান গুণৱতী বোৱাৰী জনীক যদি অত্যা-চাৰ কৰে? উমাশঙ্কৰেতো অকল এজনী বোৱাৰীয়ে পোৱা নাই, পাইছে মৰমৰ মৃত জীয়ৰী নিশাজনীক। নিজকে প্ৰবোধ দিলে তেওঁ—হব লগা খিনি হবই। হিংসা খিয়ালত মানুহে এইবোৰ কৰি শান্তনা পায়। নিশ্চয় কোনোবাই তেওঁলোকক শত্ৰু চিন্তিছে।

মাকে পিছে এদিন কুঞ্জনক বুজালে—

"সৰু বোপা, নবৌৱেৰৰ লগত বেছিকৈ হুলিগলিথম নকৰিবি। শুনিছই দেখোন—শত্ৰুৰ হাঁহি, মিছা অপযশ। ককায়েৰে বেয়া পাব পাৰে। আজিকালি তাক কিবা মন মাৰি থকা দেখো।"

"মা, তইঁতে যে কি আৰু! নবৌৰ ওপৰত এইখিনি বিশ্বাস নাই? মানুহৰ মুখক আমি বাধা দিব নোৱাৰো। এইটো মানুহৰে প্ৰকৃতি গত দস্তুৰ—ফুট এটা পালেই হাতীটো সৰকিব পৰাকৈ ডাঙৰ বাট এটা কৰিব। নবৌৱে বাৰু মোক মৰম নকৰি কৰিব কাক কচোন? ময়ে বাৰু নবৌৰ লগত ধেমালি নকৰিলে, হাঁহি মাতি কথা নাপাতিলে কাৰ লগত পাতো?"

"নবৌয়েৰক কেউতাবে বা মই জানো অবিশ্বাস কৰোঁ ? মাত্ৰ মানুহৰ কথাই কৈছো— স্বপনৰ কানত এইবোৰ নপৰাকৈ থকা নাই। মিছা কথাকো বাৰেবাৰে কৈ থাকিলে সঁচাৰ দৰে হয় সৰু বোপা। ককায়েৰে জ্ঞানী, গুণী, সৎ—কিন্তু আন দহজনৰ দৰে মাটিৰে মানুহ।"

কৈ কৈ নিৰ্বিকাৰ ভাবে মাক আঁতৰি গ'ল। কুঞ্জনে ভাবিলে, ককায়েকেতো তাক আগৰ দৰেই ব্যৱহাৰ কৰি আছে। একো পৰিবৰ্ত্তন পৰিলক্ষিত হোৱা নাই নাইবা ককায়েকৰ ব্যৱহাৰ বিভূতিৰ ক্ষেত্ৰত নবৌয়েকৰ পৰাও একো গম পোৱা নাই ? ককায়েকে এইবোৰ নিশ্চয় বুজি পায়—সেয়ে মানুহৰ কথাত গুৰুত্ব নিদিয়ে। নবৌয়েকে ককায়েকক ইমান আদৰ যত্ন কৰে, ইমান মৰম কৰে— এনে অৱস্থাত ককায়েকে সেই সস্তীয়া মন্তব্যবোৰ শুনি সিহঁতক অবিশ্বাস কৰিব কিয় ?

আৰু স্বপনে ? দুই এজন সহকৰ্মীৰ পৰোক্ষ কটূক্তি, এচাম মানুহৰ কটু সমালোচনা, কুঞ্জনৰ প্ৰতি ৰেণুৰ নিবিড় সদয়তা—অসীম ধৈৰ্য্য, স্থিৰ সুস্থ বিবেক, আন্তৰিক উদাৰতাৰ অভাব স্বপনৰ হোৱা নাই এতিয়াও। উমি উমি জ্বলিথকা সেই অব্যক্ত বেদনাৰ দহন বুকুত বান্ধি চেনেহৰ ভাতৃ আৰু মৰমৰ ৰেণুজনীৰ কাকোৱে একো কব নোৱাৰি, কাকোৱে অবিশ্বাস কৰিব নোৱাৰি সেয়া কপালৰ লিখন বুলিয়ে মনক শান্তনা দিবলৈ চেষ্টা কৰিলে।

কিন্তু কিমান দিনলৈ স্বপনৰ সেই অসীম ধৈৰ্য্যৰ বান্ধোন কটকটীয়া হৈ থাকিব ? কিমান দিন তেওঁৰ বিচাৰ স্থিৰ সুস্থ বিবেকৰ বশবৰ্ত্তী হৈ থাকিব ? কিমান দিন তেওঁ উদাৰতাৰ পৰিচয় দি থাকিব ?

তৃতীয় বাৰ্ষিক এম, বি বি এস, পঢ়ি থকা অৱস্থাত কুঞ্জন এবাৰ ঘৰলৈ আহিল। আহিয়ে শুনিলে ককায়েক নবৌয়েকৰ মাজত অলপ মনোমালিন্য। সাধাৰণ কথাতে খুটখাট লাগি থাকে। বৰ দুখ লাগিল কুঞ্জনৰ। নবৌয়েকক ককায়েকে সন্দেহ কৰিলে

নেকি? সি লক্ষ্য কৰিছে ককায়েকে তাকো যেন পাহৰিলে এখাই চলিব খোজে, প্ৰয়োজনতহে মাতে। নবৌয়েকে ইমান আবদাৰ ভৰা আলপৈচান ধৰিব খোজে, তথাপি ককায়েকে পাহৰে আঁতৰি থাকিব খোজে।

"বাপু?"

শুই শুই আকাশ পাতাল ভাবি থকা কুঞ্জনক হুপখীয়াৰ সকলো-খিনি কামকাজ সামৰি বেণুৱে মাতিলে। কুঞ্জনে একো উত্তৰ নিদিলে।

"মন মাৰি আছা কিয় বাপু?"

"এনেয়ে।"

"আহিবৰে পৰা তুমি মোক মাতবোল কৰা নাই। হঠাতে মোক নমতা হলা কিয়? কিবা জগৰ লগাইছো নেকি? তুমি ইমান নিষ্ঠুৰ হব পাৰিলা কেনেকৈ?"

সঁচাকৈয়ে কুঞ্জন নিষ্ঠুৰ হৈ পৰিছে। নবৌয়েকক মতা নাই, মাতিলেও আনমনা হৈ থাকে, গুচি যায়, নাইবা অন্যমনস্কভাবে গুনগুনাই থাকে। চাহ কাপ বা গাখীৰ গ্লাচ দিবলৈ আহি কথা পাতিব খুজিলে কুঞ্জনে নোচোৱাকৈয়ে সংক্ষেপতে কয়—"থৈ যোৱা নবৌ, মই দেখিছো নহয়।" বেণুয়ে দুৰ্ভাগ্যৰ ক্ষীণ হাঁহি এটা মাৰি লাহে লাহে আঁতৰি যায়। অথচ কুঞ্জনেতো একমাত্ৰ ককায়েকৰ শান্তিৰ বাবেই এইবোৰ কৰিছে। কৰায়েকে তাক সন্দেহ কৰে। গতিকে নবৌয়েকৰ পৰা সি যদি আঁতৰি থাকে তেতিয়া হলে সন্দেহ কৰাৰ হেতু বিচাৰি পাব ক'ত? সেয়ে সি নবৌয়েকৰ প্ৰতি ইমান উদাসীন—যাৰ বাবে নবৌয়েকৰ মনত সি নিষ্ঠুৰ, কঠোৰ।

কুঞ্জনৰ পৰা কোনো সহাৰি নাপাই বেণুৱে পুনৰ কবলৈ ধৰিলে—

"বাপু, কোৱানা, মই তোমাৰ কি দোষ কৰিলোঁ? তুমি ইমান নিৰ্দ্দয় কিয় হলা? কেতিয়াৰ পৰা হলা? কোৱা মই কি অপৰাধ কৰিছো তোমাৰ? মোক কিয় ইমান অবহেলা কৰিব ধৰিছা?"

সচাঁকৈয়ে কুঞ্জনৰ হৃদয়ত তেতিয়া জুই জ্বলিছিল? কি কৰ, কি নকৰ একো ঠিৰাং কৰিব নোৱাৰি অৱশেষত নির্লিপ্ত ভাবে ওপৰমুৱা হৈ চাই শুই থাকিল। কাষত থকা আলোচনী এখনকে বাওঁ হাতেৰে তুলিলৈ চাৰলৈ ধৰিলে।

"সঁচাই তুমি মোৰ পৰা আঁতৰি যাব খুজিছা বাপু? তুমি দিয়া প্রতিশ্রুতিৰ কথা, চিৰদিন ওচৰে ওচৰে থাকিব বুলি দিয়া প্রতিশ্রুতিৰ কথা পাহৰি গলা। মই দেখোন যিমানে তোমাৰ কথা পাহৰিবৰ চেষ্টা কৰিছোঁ, সিমানে তুমি মূর্ত্তিমান হৈ মোৰ হৃদয়ত ধৰা দিছা। মই আজিও দুর্ব্বল বাপু—তোমাক মই পাহৰি থাকিব নোৱাৰো। তুমি এনে ব্যৱহাৰ কৰিলে মই কেনেকৈ থাকিম?"

চাই থকা আলোচনী খনত টানকৈ ধৰি নবৌৱেকৰ কালে নোচোৱাকৈ কুঞ্জনে ধীৰে ধীৰে কবলৈ ধৰিলে—

"নবৌ, মোক তুমি ভুল নুবুজিবা। চোৱা নবৌ, মোৰ বাবে তুমি ককাইদেউৰ অবহেলা অনাদৰ পোৱাটো, অসহনীয় ব্যৱহাৰ পোৱাটো মই বাৰু কেনেকৈ সহো কোৱা? ককাইদেউৰ লগত তোমাৰ আজিৰ যি সম্পর্ক তাৰ লগত তোমাৰ মোৰ সম্পর্কৰ তুলনাই নহয়। তুমি আজীৱন ককাইদেউৰ জীৱন সঙ্গীনী হৈ থাকিবা, সুখ দুখৰ সমভাগী হৈ থাকিবা—তেনে অৱস্থাত তেওঁৰ লগত মনৰ মিল যদি নোহোৱা হয়, এটা দীঘল ভবিষ্যতৰ কথা ভাবি চোৱাচোন। তুমি হয়তো ইতিমধ্যে জানিছা, তোমাৰ মোৰ গোপন সম্পর্ক থকা বুলি গাঁৱত প্রচাৰ হৈছে, আলোচনা হৈছে। ককাইদেউৱে এদিন, দুদিন, বহুদিন সেইবোৰ শুনিছে। গতিকে তোমাক, মোক সন্দেহ কৰাৰ যথেষ্ট থল আছে। ককাইদেউ যিমানে বিবেকী নহওক কিয়, যিমানে জ্ঞানী নহওক কিয়, তথাপি মাটিৰ মানুহ—খং ক্রোধ, বিদ্বেষ, মান অভিমান কোনোটিৰ পৰাই মুক্ত নহয়। আমাৰ প্রথম পৰিচয়টোৱে হয়তো আমাৰ বাবে অভিশাপ স্বৰূপ আছিল। যাওঁক বাৰু সেইবোৰ। এতিয়া কথা হল, ককাইদেউৰ সন্দেহৰ প্রজ্বলিত

আমি পানী ঢালিবলৈ যত্ন কৰোঁ। কিয়? সেয়ে তোমাৰ মোৰ পাৰস্পৰিক নীৰৱতা যদি ককাইদেউৰ বাবে শান্তিৰ কাৰণ হয়, তেন্তে আমি সেইখিনি ত্যাগ কৰাত আপত্তি কি? ককাইদেউৰ সুখশান্তিয়ে তো তোমাৰ মোৰ দুয়োৰে সুখ শান্তি।

অপলক দৃষ্টিৰে বেণুৱে চাই ৰ'ল কুঞ্জনৰ ফালে—কিমান উদাৰ অথচ মহৎ দৃষ্টিভঙ্গীৰে কথাবোৰ জুখি চাইছে। অথচ এইজন কুঞ্জনকে মানসিক অন্তৰ্দ্বন্দ্বৰ বশবৰ্ত্তী হৈ তাই নিষ্ঠুৰ, নিৰ্দ্দয় বুলি কৰ্কশ ভাষা প্ৰয়োগ কৰিলে। নিজৰে লাজ লাগিল বেণুৰ। অপ্ৰস্তুত হৈ নিজৰ অস্বাভাবিক অবস্থা ঢাকি ৰখাৰ প্ৰয়াসেৰে তৎক্ষণাৎ তাই নিজৰ শোৱা কোঠা পালে।

ইয়াৰ ভিতৰতে ভয়াবহ দুৰ্ঘটনা এটা ঘটিল—যি ঘটনাই গোটেই ঘৰখনতে সৃষ্টি কৰিলে অশান্তিৰ ধুমুহা। মানুহৰ অপপ্ৰচাৰ বোৰৰ গ্লানিয়ে দিনে দিনে স্বপনক নিৰাশ কৰিবলৈ ধৰিলে। বেণুৰ প্ৰতি মৰম, ভালপোৱা কমি আহিল। অবশেষত এনে এটা সময় আহিল যে বেণুৰ ছাঁটোকো স্বপনে দেখিলেই সহ্য কৰিব নোৱাৰা হৈ পৰিল। গোটেই ঘৰখনৰ প্ৰতি তেওঁ উদাসীন হৈ পৰিল। আনকি প্ৰয়োজনৰ বাহিৰে কুঞ্জনৰ লগতো মাতবোল নকৰা হ'ল। ৰাতি দহ এঘাৰমান বজাত ঘৰলৈ ফিৰে আৰু তেওঁলৈ হামি কাঢ়ি বৈ থকা বেণুৱে যেতিয়া পানীৰ জগটো মুখধুবৰ বাবে আগবঢ়াই দিয়ে, তেওঁ লক্ষ্য নকৰাকৈয়ে নিজে আন এটা পাত্ৰত পানী লৈ মুখহাত ধোৱে। বাঢ়ি থোৱা ভাতকেইটা খাই বটাৰ পৰা তামোলচালি মুখত ভৰাই নিজৰ বিছনাত দীঘল দিয়ে। বেণুৱে মাত্ৰ নীৰৱে চকুলো টুকে। কি যে অভাগিনী তাই! কুঞ্জনক নেপাইও ভাবিছিল—স্বপনক লৈয়ে আজীৱন সুখশান্তিৰে কাল কটাব। কিন্তু সেয়াও যেন তাইৰ কপালত লিখা নাই। হয়তো স্বপনকো নিষ্ঠুৰ নিয়তিয়ে তাইৰ হৃদয়ৰ পৰা কাঢ়ি নিব খুজিছে। তাইৰ জানো কিবা উপায় আছে? কি কৰিব তাই? চকু পানীয়ে কিমানদিন শান্তনা দিব?

এদিন দুপৰীয়া বেণুৱে মনৰ অশান্তিতে পুৰণি স্মৃতিবোৰকে মনত পেলাই আছে—হঠাতে গড ৰেজটো খুলি তাৰ ভিতৰৰ চেলফৰ ডায়েৰী এখনৰ মাজৰ পৰা চিঠি এখন উলিয়ালে। বিচনাত শুই শুই তাকে একান্তমনে পঢ়িবলৈ ধৰিলে। সেয়া আছিল কুঞ্জনৰ চিঠি। তেনেতে শাহুয়েকে মাতি দিয়াত বিচনাতে চিঠিখন পেলাই থৈ মাকৰ ওচৰলৈ প্ৰায় দৌৰিয়েই গ'ল। অলপ পিচতে স্বপন ঘৰ সোমাল। বিচনাৰ ওপৰত তেনেকৈ পৰি থকা চিঠি খন দেখি ভাবিলে শহুৰেকৰ ঘৰৰ পৰা আহিছে। কিন্তু ভালদৰে চাই দেখে বহু পুৰণি চিঠি। "তোমাৰ কুঞ্জন" বুলি শেষ কৰা চিঠিখন তেওঁ নপঢ়াকৈ থাকিব নোৱাৰিলে—

"তোমাৰ লগত মাত্ৰ এদিনৰ চিনাকি। অথচ ভাব হৈছে যেন তুমি মোৰ আজীৱন চিনাকি। কব নোৱাৰাকৈয়ে অতিকৈ আপোন আপোন লাগিছে তোমাক। মোৰ হৃদয়ৰ প্ৰয়াস—তোমাক মোৰ আপোনজনী হিচাবে পোৱাটো। পামনে তোমাক? মোক চিৰ আপোন কৰি লবলৈ তুমি পাৰিবানে?

তোমাৰ শুৱনী মুখনিত মই কিন্তু প্ৰতিফলিত হোৱা নাই—কিন্তু তোমাৰ চকুদুটাত এনে এক ভাষা আছে, তোমাৰ তীব্ৰ চাৱনীৰ এনে এক মাধুৰ্য্য আছে, যাক মই জীৱনত কোনোদিনে পাহৰিব নোৱাৰিম। সেই চাৱনীয়ে মোৰ হৃদয় আজিও কঁপায়, যি কঁপনিত মই বহুতো বুজা নুবুজা কিবাকিবিৰ সন্ধান পাও আৰু বহুতো বুজা নুবুজা কিবা কিবি পাবলৈ সদায় বাঞ্ছা কৰোঁ।

বহুদিনৰ আগতে এদিন প্ৰতিমাই তোমাৰ কথা মোক কৈছিল। কি কৈছিল জানা? খং নকৰাতো? তোমাৰ লগত মোক হেনো বেচ মিলিব। ইমান যে মোৰ হাঁহি উঠিছিল। হাঁহি হাঁহি উৰুৱাই দিছিলো সেইদিনাৰ সেই সাধাৰণ কথাষাৰ। আজি কি ভাবিছো জানা—প্ৰতিমাই কোৱা সেই কথাষাৰৰ প্ৰতিটো শব্দৰ প্ৰতিটো বিন্দুও যেন সঁচা হৈ মোৰ জীৱনত প্ৰতিভাত হওক, তোমাৰ সমস্ত

সত্তা মোৰ হৃদয়ত প্ৰতিফলিত হওক ।”

স্বপনে চিঠিখন জপাই টেবুলত থৈ বিচনাত দীঘলদি পৰিল । অলপ পিচতে ৰেণু আহি তেওঁক অসময়ত তেনেদৰে শুই থকা দেখি ভয়াৰ্ত্ত হৈ উঠিল ।

“ইমান সোনকালে আহিলে যে ? গা অসুখ কৰিছে নেকি ?”

ৰেণুৱে উদাসীন ভাবে শুই থকা স্বপনৰ কপালত হাত দি চালে— জ্বৰ নাই । একো হোৱা নাই । সদায় উক দি উঠা মানসিক অশান্তিৰ বিকাৰ ।

“মুখহাত নোধোৱে জানো ? সোনকালে আহিলে যেতিয়া ভাতকে দিও । নে চাহ খাব ?”

“একো নাখাও, বিৰক্ত নকৰিবা এতিয়া । অলপ শান্তিত থাকিবলৈ দিয়া ।”

“মই জানো আপোনাৰ ওচৰলৈ অশান্তি কৰিবলৈ আহিছো ?”

“আহ, তৰ্ক নকৰিবা প্লিজ । গুচি যোৱা—মোৰ অকলে থাকিয়ে ভাল লাগিছে ।”

বিষাদ মনেৰে ৰেণুৱে ওলাই যাব খোজোতে টেবুলত পৰি থকা চিঠি খন দেখি স্তব্ধ হল । চিঠিখনৰ কথা তাই পাহৰিয়ে আছিল । চিঠিখন তাই বিচনাত এৰি গৈছিল—এতিয়া টেবুলত । তাৰমানে গিৰিয়েকে চিঠিখন পঢ়িলে নেকি ? কি কুক্ষণত যে উলিয়াইছিল চিঠিখন । তাই ওলাই আহিল—ভাবিলে, এনেয়ে কুঞ্জনৰ লগত তাইৰ সম্পৰ্কৰ কথাটো গিৰিয়েকে সহজভাবে লব পৰা নাই । তাতে আকৌ কুঞ্জনৰ প্ৰেমৰ চিঠি ।

তাৰ দুদিনমান পিছত । স্বপন স্কুলৰ পৰা আহি মুখ হাত ধুই বাহিৰৰ বাৰান্দাত জিৰণি লৈছে । এনেতে ৰেণুৱে চাহ জলপান লৈ আহি কলে—

“চাহ খাওক ।”

স্বপনে বাহিৰলৈ চাই থাকিল । একো নকলে ।

"চাহ খাওক, চেঁচা হৈ যাব।" বেণুৱে সামান্য টানকৈয়ে কলে।

"থৈ যোৱা। মোক এনেদৰে জ্বলাই নামাৰিবা।"

কাঢ় সুৰত কোৱা স্বপনৰ কথাকেইটাত আজি কিন্তু বেণু মৰ্মাহত নহল। সদায়ে গিৰিয়েকৰ পৰা তেনে ব্যবহাৰ পাই আহিছে—দুখ কৰিছে, কান্দিছে, অথচ তেওঁক একো বুজাব পৰা নাই। বুজাবয়ে বা কেনেকৈ? স্বপনে বহুদিন ধৰি তাইৰ লগত মুকলিভাবে কথাই পতা নাই।

"মই জানো আপুনি মোক বেয়া পায়। কিন্তু বুজি নাপাও কিয় বেয়া পায। মইতো আপোনাক বেয়া পাবলৈ নিশিকিলো। যদি ভাবে আপোনাক মই ভুল ব্যবহাৰ কৰি আছো, তেন্তে মোক ক্ষমা কৰিব। আৰু যদি মোৰ কিবা দোষ হোৱা দেখিছে নিজে ভুল বুজি আছে, তাকে খুলি কওক। পেটে পেটে বেযা পাই, মোক এনেদৰে অশান্তি দি থাকে কিয়? মোৰ দোষ হৈছে—কওক, আঙুলিয়াই দিয়ক, মই শুধৰাবলৈ নিশ্চয যত্নপৰ হুম। জানে—মই মাত্র আপোনাৰ মৰম বিচাৰো, আপোনাৰ হৃদয়খন পাব বিচাৰোঁ। বিনিময়ত মোৰ সমস্ত মৰম, ভালপোৱা, মোৰ সমস্ত হৃদয় আপোনাক দিবলৈ মই প্ৰস্তুত। এয়ে আপোনাৰ ওচৰত মোৰ বক্তব্য আৰু দাবী।"

দূৰ দিগন্তলৈ চাই কোৱা বেণুৰ কথা কেইষাৰ স্বপনেও দূৰ দিগন্তলৈ চাই চাইয়ে শুনি থাকিল। ইতিমধ্যে কুঞ্জনে কিবা কাৰণত বাৰান্দা সংলগ্ন কোঠাতো পাই বেণুৰ কথাখিনি শুনিলে। সদায় ককায়েকে নবৌয়েকক অশান্তি দি থকা দেখি দেখি, শুনি শুনি তাৰ নিজৰ ওপৰতে ধিক্কাৰ জন্মিল, নিজৰ ওপৰতে আস্থা নোহোৱাৰ দৰে হ'ল। হঠাতে ককায়েকৰ হ'ল কি? ব্যবহাৰৰ চৰম নিষ্ঠুৰতাও যেন পাৰ হবৰ উপক্ৰম কৰিছে। এয়া ককায়েকৰ অন্যায়, অবিচাৰ। সেয়ে মাজে সময়ে ভাবে, ককায়েকক তীব্ৰ ভাবে তিৰস্কাৰ কৰে নেকি? কিন্তু নোৱাৰে। ককায়েক তাৰ অতি পূজনীয়। সকলে পৰাই অসীম স্নেহ আৰু ভক্তি কৰি আহিছে ককায়েকক।

কোনসতে আজি তিৰস্কাৰ কৰিবলৈ যাব ?

"আপুনি আজিকালি মোৰ সতে কথা কবলৈকো যেন লাজ পায়, আপুনি মোক সদায় কৰ্কশ ভাবে কথা কয়, যেন আপোনাৰ ওচৰত মোৰ কোনো দাবী নাই ? আপোনাৰ প্ৰতি মোৰ অলপো যেন দায়িত্ব নাই ? কিন্তু কিয় ?"

"তোমাৰ সেই মৰমৰ দাবী কুঞ্জনক জনোৱাগৈ ।"

"আ-পু-নি ? এবা, মই গোৱালপাৰা হোষ্টেলত থকা অবস্থাত প্ৰতিমাৰ খবৰ লবলৈ অহা কুঞ্জনক প্ৰথম বাৰৰ বাবে লগ পাইছিলো । মই কুঞ্জনক প্ৰাণভৰি ভাল পাইছিলো । কুঞ্জনেও মোক ভাল পাইছিল । আৰু চিঠিৰ মাধ্যমেৰে আমি ক্ৰমে দুয়ো দুয়োৰে কাষ চাপি গৈছিলোঁ । আনকি কুঞ্জনে বিমান দাদাৰ লগত আমাৰ ঘৰলৈ যাওঁতে আমি পৰস্পৰে পৰস্পৰক জীৱনৰ প্ৰতিশ্ৰুতিও দিছিলোঁ— একাত্ম হৈ যাবৰ । কিন্তু মোৰ বাবে বিয়া আৰু ভালপোৱা দুটা বিপৰীত ধৰ্মী বস্তু হ'ল । মূৰ তুলি আৰু মুখ খুলি কথা কোৱাৰ সাহসৰ অভাবৰ ফলতে ইমান অজুহাত দেখুৱা স্বত্বেও মা দেউতাই, দাদাই মোক বিয়া দিলে । কুঞ্জনৰ কথা মুখত আনিবলৈ মোৰ সাহস নহ'ল, মা দেউতাৰ ইচ্ছাৰ বিৰুদ্ধে যাবৰ মোৰ সাহস নহ'ল । কিন্তু যিদিনা আপোনাৰ পত্নী হৈ এইখন ঘৰলৈ আহিছোঁ, আপোনাক মোৰ জীৱনৰ দেৱতা হিচাবে গ্ৰহণ কৰিছো । কুঞ্জন মোৰ দেৱৰ, মই কুঞ্জনক ভাল পাও—আজিও ।"

ৰেণু আঁতৰি গ'ল । কুঞ্জনো তাৰ পৰা গুচি গৈ নিজৰ কোঠা পালে । স্বপনে একেদৰে দূৰ আকাশলৈ চাই কিবাকিবিবোৰ ভাবিয়ে থাকিল । নিজৰ কোঠাত শুই শুই কুঞ্জনে ভাবিলে— ককায়েকে সিহঁতৰ মাজত গোপন প্ৰেম থকা বুলি কিয় ইমান দৃঢ়ভাবে বিশ্বাস কৰিলে । বেচেৰী ৰেণুজনী—কুঞ্জন অতীষ্ঠ হৈ পৰিল । তাই যেন সকলো পাইও একো পোৱা নাই । সি কিয় বাৰু ৰেণুক ভাল পাইছিল ?

"নবৌ ?"

"বাপু তুমি শুচি হোৱা বাপু, তুমি মোৰ লগত কোনো সম্পৰ্ক নাৰাখিবা বাপু—তুমি--"

হুকহুকাই কান্দি উঠিল বেণু।

"নবৌ, কান্দিছা কিয় ? কান্দোনেৰে জানো হাঁহিক জয় কৰিব পাৰিবা ? কান্দোনেৰে জানো এটা অতীত ঘূৰাই আনিব পাৰিবা ? কান্দোনেৰে জানো তুমি বিচৰা শান্তি লাভ কৰিব পাৰিবা ? কোৱা নবৌ ?"

"কান্দোনেৰে হাঁহিক জয় কৰিব নোৱাৰি বাপু, কিন্তু তথাপি মানুহে কান্দে - হয়তো হাঁহিক উপলব্ধি কৰিবলৈ, হয়তো জীৱন-টোক উপলব্ধি কৰিবলৈ হয়তো জীৱনটোত বিচৰা শান্তি নোপোৱাৰ বেদনাত। কান্দোনে বিচৰা শান্তি দিব নোৱাৰিলেও অশান্তি আৰু বেদনাবোৰক জানো ধুই নিকা কৰিব নোৱাৰে ?"

"পাৰে নবৌ, তুমি ঠিকেই কৈছা। আমি হাঁহিম, কান্দিম। নাকান্দিলে হাঁহিক বুজি নাপাম। সেইবুলি মনৰ অশান্তিত, বিচৰা শান্তি নোপোৱাৰ বেদনাত যদি তুমি চিৰদিন কান্দিয়ে থাকিব খোজা তেন্তে তুমি হৈ পৰিবা অভিশপ্তা। কিন্তু সেয়া জানো জীয়াই থকাৰ উদ্দেশ্য হোৱা উচিত হব ?"

"মই কি কৰিম কোৱা ? তেওঁৰ বাবেইতো আজি মই তোমাৰ প্ৰতি ইমান কঠোৰ হৈছো তথাপি তেওঁ যদি মোক বুজি পালেহেঁতেন। মই উপায় নোপোৱা হৈছো বাপু মই কি কৰোঁ কোৱা ?"

"নবৌ, নামান্দিবা। ককাইদেউৱে এদিন তোমাক বুজি পাব। এদিন নিশ্চয় ককাইদেউৱে এটা সত্য উপলব্ধি কৰিব—তুমি সত্য, মই সত্য। সেইদিনা তুমি সকলো পাবা নবৌ। সেয়ে হাঁহিৰে কান্দোনক ঢাকি ৰাখা, হাঁহি থাকা। তোমাৰ মৰম, স্নেহে এদিন ককাদেউক জয় কৰিব, তুমি বিজয়িনী হবা—ককাইদেউ হাৰি যাব নবৌ, ধৈৰ্য্য নেহেৰুৱাবা।"

"মই জানো তাৰ কিবা ত্রুটি কৰিছোঁ।"

"জানা নবৌ, মনৰ বিভেদ্যতাই অশান্তি মাতে। দুখ আছে। অশান্তিৰ জেওবা পাৰ হৈহে শান্তি পাব পাৰি নবৌ। দুখ দৈন্য-তাৰে আগবাঢ়িব নাজানিলে সুখী সমৃদ্ধিশালী হবা কেনেকৈ? জীৱনত সুখ পাবলৈ দুখো কৰিব লাগিব। কিন্তু দুখী বুলি ভাবি সকলো কৰ্ম্মপ্রেৰণাৰ পৰা বিচ্যুত হৈ থকাটো ডাঙৰ মুৰ্খামীহে।"

"বাপু—"

"তুমি হাঁহিবা নবৌ, সুখী হবলৈ চেষ্টা কৰিবা। তোমাৰ দুখ, তোমাৰ চকু পানী মোৰ বাবে অসহ্য নবৌ। তুমি শান্তি পাব লাগিব, তাৰবাবে তুমি হাঁহিব লাগিব। হাঁহিযে হল জীৱনৰ ৰঙা ৰঙা ৰং।"

"তুমি গুচি গোৱা বাপু মোৰ চকুৰ আগৰ পৰা গুচি যোৱা। তুমি আঁতৰি যোৱা—"

ক্ষীণ হাঁহি এটিৰে কান্দোনৰত নবৌয়েকক বুজ্জনে কবলৈ ধৰিলে—

"সঁচাকৈ নবৌ, ময়ো তাকেই ভাবিছোঁ। মই তোমালোকৰ জীৱনৰ পৰা আঁতৰি যাম যাতে কোনোদিনে ককাইদেউয়ে মোক লৈ তোমাক সন্দেহ কৰিবলগীয়া নহয়।"

"তুমি চিৰদিনলৈ আঁতৰি যাবা—তুমি আত্মহত্যা কৰিবা?"

"সেয়ে যদি হয়?"

"এনে পাপ কথা তুমি মুখলৈ নানিবা বাপু। মোৰে শপথ—"

"আত্মহত্যাৰ কথাতো মই তোমাক কোৱা নাই। গুচি যাম মাত্র। ঘৰৰ পৰা গুলাই গলে নিশ্চয় তোমালোক সুখী হবা। ককাইদেউৰ দুখৰ কাৰণতো ময়েই, গতিকে মই গুচি গলে তুমিও মুক্তি পাবা আৰু ককাইদেউও শান্তি পাব। আজি মই তোমাৰ কাষত থকা বাবে ককাইদেউয়ে মোৰ চকুৰ আগতে তোমাক এনেদৰে তিল-তিলকৈ মৰ্ম্মান্তিক আঘাট দি আছে, অবহেলা কৰিছে, তুমি যেন

ককাইদেউৰ অপৰিচিতা হৈ যাব ধৰিছা। মই গুচি গলেইতো সকলোবোৰ অশান্তিৰে শেষ পাৰিব নবৌ।"

"তুমি আৰু তেনেদৰে নকৰা বাপু, তুমি কলৈকো গুচি যাব নালাগে। মই তোমাক সদায় মোৰ কাষতে ৰাখিম বাপু। তুমি গুচি যাব নোৱাৰা।'

আবেগেত অধীৰ হৈ ৰেণুৱে কুঞ্জনক সাবতি ধৰি কান্দি থাকিল। নিৰ্ব্বিকাৰ হৈ কুঞ্জনেও নবৌৱেকক সাবতি ধৰে। মনত অযুত প্ৰশ্নৰ সোঁত, হেজাৰ চিন্তাৰ ঢৌ।

"ৰেণু—"

স্বপনৰ সেই বিকত চিএওৰতহে দুয়ো সম্বিত ফিৰাই পালে। ৰেণু স্বপনৰ ওচৰলৈ আহিল। ঠক্ ঠক্ কৈ কঁপিব ধৰিছে স্বপনে। মনত বহুতো ভাবৰ উদ্ৰেক। এনেযে সাধাৰণ কথা এটাৰ বাবে প্ৰধান শিক্ষকৰ লগত স্বপনৰ কাজিয়া হৈছে। তাতে আকৌ আহোঁতে নন্দৰ চাহ দোকানৰ পৰা ভাহি অহা সেই অশ্লীল মন্তব্যবোৰ—

"আৰে শুনচোন, পেটৰ সন্তানটো স্বপন চাৰৰ নে কুঞ্জনৰ তাত সন্দেহ আছে। কুঞ্জনৰ লগতহে হেনো বেছি হলি গলি। স্বপন-চাৰলৈ বেয়াই লাগে।"

"এৰা অ, কাল্লৈ আবুও সেইদিনা এইবোৰকে কৈ আছিল। কিন্তু কুঞ্জনটো ইমান তললৈ নামিলে নে?"

"আৰে তই হবলা নাজান—বিয়াৰ আগত স্বপন চাৰৰ ঘৈণী-য়েকৰ লগত কুঞ্জনৰ প্ৰেম আছিল।"

কোনোমতেহে চাহদোকানখন পাৰহৈ অহা স্বপনে ৰেণু আৰু কুঞ্জনক আলিঙ্গণাবদ্ধ অবস্থাত দেখি তেওঁৰ ক্ষুন্ন হৈ পৰা মনটো তীব্ৰ ভাবে হিংস্ৰ হৈ উঠিল।

ৰেণুৰ চৰম দুৰ্ভাগ্যই সেইদিনা দেউতাক প্ৰণৱ বাবুকো যেন ভাইৰ কাৰলৈ মাতি আনিলে। স্বপনৰ লগত হোৱা মনোমালিন্যৰ

বতৰা পাই জীয়েকৰ খবৰ লবলৈ আহি়ে দেখিলে বেণুৰ ওপৰত স্বপনৰ অসহনীয় অত্যাচাৰ।

ৰাতি ভালেমান পৰলৈকে উমাশঙ্কৰৰ লগত প্ৰমথ মাষ্টৰৰ আলোচনা হল—বেণু স্বপনৰ বিষয়টোলৈৰে। স্বপনে স্পষ্টকৈ কৈ দিছে—বেণুৰ লগত সংসাৰ কৰা অসম্ভৱ। আলোচনাৰ অন্তত পুনৰ উমাশঙ্কৰে স্বপনক মাতি আনি বুজাবৰ চেষ্টা কৰিলে। স্বপন অলৰ অটল। উমাশঙ্কৰে যেতিয়া স্বপনক বুজাব নোৱাৰিলে আৰু আন কাৰো সাধ্য নাই।

পিচদিনা ৰাতিপুৱাই দেউতাকে বেনুক লৈ ঘৰলৈ গ'ল। লখিমী বোৱাৰী বেণু আজি হল স্বামী পৰিত্যক্তা, অনাদৃতা।

আগ্নেয়গিৰিৰ গলিত ধাতু'বোৰ প্ৰথমতে পৃথিৱীৰ অন্তৰ্ভাগত উতলি থকা অৱস্থাত ভূত্বক ভেদি বাহিৰ ওলাবলৈ চেষ্টা কৰি থকাৰ দৰে স্বপনৰ অন্তৰৰ দাবানলো প্ৰকাশৰ বাবে'হ যেন বাট চাই আছিল আৰু পৰিশেষত সুৰুঙা এটা পাই প্ৰজ্জ্বলিত উত্তপ্ত গলিত ধাতুবোৰ বিৰাট জোৰেৰে ভূত্বক ভেদি বাহিৰ ওলাই অহাৰ নিচিনাকৈ স্বপনৰ মন আগ্নেযগিৰিৰ অতদিনে স্তুপীকৃত হৈ থকা উত্তপ্ত দাবানাল স্বৰূপ অশান্তি আৰু অন্তৰ্দ্বন্দ্বৰ তীব্ৰ জ্বালাবোৰ যেন সামান্য সুত্ৰ এটা পাই প্ৰবলভাবে উদিগীৰত হৈ পৰিল—যি উদ্গীৰণৰ ভয়াবহ পৰিণতিৰ কথা চিন্তা কৰিবলৈ স্বপন বিবেকশূন্য হৈ পৰিল আৰু যি বিবেকশূন্যতাৰ ফলত তেওঁৰ জীৱনলৈ নামি আহিল অভিশাপ, বেণুৰ জীৱনলৈ নামি আহিল দুঃখ, বেদনাৰ চকুলো, কুণ্ঠনে নিজ দুৰ্ভাগ্যক সুঁৱৰি শূন্যতাৰ জীৱনত খোজ দিবলৈ গৈ পুনৰ পৰিপূৰ্ণতাৰ মাজত নিজকে আত্মপ্ৰকাশ কৰি ছদ্মবেশী মনটিৰে দূৰে দূৰে থাকি মাত্ৰ কন্যায়েকৰ শান্তিৰ বাবে, বেণুৰ মঙ্গলৰ বাবে ভগবানৰ ওচৰত মিনতি জনালে, লগতে স্বপন-বেণুৰ সাক্ষীস্বৰূপ নবাগত বাতুলৰ শিশু মনটিয়ে হাহাঁকাৰ কৰি থাকিব লগীয়া হল দেউতাকৰ মৰম বিচাৰি।

দুই

জীৱন সংঘাটময়। এই সংঘাটময় জীৱনলৈ কেতিয়া সংঘাট নামে ঠিকনা নাই। কাৰ দিন কেনেদৰে অতিবাহিত হয় কোনেও কব নোৱাৰে। আজি ভোগত মত্ত সকলে কালৰ বিচিত্ৰতাত কাইলৈ হয়তো ক্ষুদকণ এটিৰ বাবেও হাঁহাকাৰ কৰিবলগীয়া হব পাৰে। সেইদৰে দাৰিদ্ৰ, ভিকহুৰ জীৱনলৈকো কেতিয়াবা ধনৰ, ভোগৰ অক্লিকান্দা আহি পৰে। জীৱনৰ সংঘাটে কেতিয়াবা আনে জীৱনৰ নতুন তৰঙ্গ, কেতিয়াবা আকৌ সৃষ্টি কৰে ধুমুহা আৰু জীৱনৰ বংবোৰ ধূলিস্মাৎ কৰি দিয়ে। মানুহে আশা কৰে, কল্পনা কৰে—ভবিষ্যতত বহুত কিবা হব, বহুত কিবা পাব। বাস্তৱত সেই আশা আৰু কল্পনাৰ পম খেদি হায়ৰাণ হয়, হয়তো কেতিয়াবা ঢুকি পায় নাইবা জটিল পাকচক্ৰত পতিত হৈ পথ ভুল কৰি ওলোটা ফালে গতি কৰে। আমি সকলোৱে ভবিষ্যতৰ প্ৰতি অন্ধ। আমি নাজানো উজ্জ্বল ভবিষ্যতে আমাক স্বাগতম্ জনায় নে নিষ্ঠুৰ নিয়তিয়ে কুটিল হাঁহিৰে আমাক বাট চাই আছে।

কৃষ্ণনেও ভবা নাছিল তাৰ জীৱনৰ সকলোতকৈ তাৎপৰ্য্যপূৰ্ণ সময়খিনিত কেৰোণ লাগিব বুলি। ৰেণুৰ নিষ্কলুষ, পবিত্ৰ মুখ খনিলৈ তাৰ মনত পৰিল। মনত পৰিল ককায়েকৰ খঙৰ উগ্ৰ ভৰা মুখখন। যদি ককায়েকে নবৌয়েৰক চিৰদিনৰ বাবে বিসৰ্জ্জন দিয়ে? নাই নাই, কৃষ্ণনে সেই কথা ভাবিবই নোৱাৰে। ককায়েকক সি ভালদৰে বুজে, অতিকে সহজ সৰল ব্যক্তি। সেইজন ককায়েক ইমান নিৰ্দয় কেতিয়াও হব নোৱাৰে। মাত্ৰ মানুহৰ এই হীন সমালোচনাবোৰ শুনি শুনি তেওঁৰ ধৈৰ্য্যৰ বান্ধ শিথিল হৈ নিজৰ পুৰুষত্ব আৰু ব্যক্তিত্বৰ অপমান আৰু অপবাদ হিচাবে জ্ঞান কৰিছে এইকেইদিন ককায়েকে নবৌয়েকৰ প্ৰতি কঠোৰ আৰু নিৰ্দয় হৈ পৰিছিল। নহলেতো কোনোদিনে ককায়েকৰ কঠোৰ আচৰণ

চকুতপৰা কুঞ্জনৰ মনতে নপৰে। তথাপি খুব কম থং উঠা ককায়েকে সিদিনাৰ তীব্ৰ খঙৰ প্ৰকোপত সচাঁকৈয়ে যদি বেণুক ? কি হব বাক তাইৰ? আৰু তাইৰ আগত আলহীজনৰ?

আশা অপৰাজেয়। মানুহে আশা কৰে, ফলৱতী কৰিবলৈ চেষ্টা কৰে। বহু ক্ষেত্ৰতেই আশা অপূৰণীয় হৈ ৰয়, মনবোৰ অতৃপ্ত হৈ থাকে। বেণুৱে ভাবিছিল জীৱনত তাই কুঞ্জনক পাব—নাপালে। তাই আৰু ভাবিছিল স্বপনৰ বুকুৰ মাজত নিজক বিলাই দি সুখ শান্তিৰে জীৱনটো কটাব। তাতো কেৰোণ লাগিল। কুঞ্জনে ভাবিছিল এজন খ্যাতনামা ডাক্তৰ হৈ ককায়েকৰ মনোবাঞ্ছা পূৰণ কৰিব, মানুহৰ সেৱা কৰিব। অথচ সি আজি মাত্ৰ দুমুঠি অন্ন যোগাৰ হোৱাকৈ এটা জীবিকাৰ অৱলম্বনৰ কথাকে চিন্তাকৰি তৎ নোপোৱা হৈছে।

কুঞ্জনে চিন্তা কৰিলে এতিয়া সি কি কৰিব? নগদ কুৰিটামান টকা আৰু দ্বিতীয় কিস্তিৰ স্কলাৰশ্বিপৰ চেকখন। সৰু এটাচি এটাত দৰকাৰী কাগজ পত্ৰখিনি, দুজোৰমান কাপোৰ, অস্থিৰ বিবেক, ভগ্ন হৃদয় আৰু মলিন বদন—এয়াই মাত্ৰ সম্বল তাৰ।

এয়া মাছখোৱা ষ্টেট ট্ৰেন্সপোৰ্ট অফিচ ভিন্নৰূপী মানুহৰ সমাগম।

"এই পেপাৰ লাগে, দৈনিক অসম, আসাম ট্ৰিবুন, অসমবাণী

"ট্ৰিবুন এখন দিয়া।"

"এইয়া লওক।"

পেপাৰ খন লৈ কুঞ্জন ৰেটিংৰূমত বহিল। নাজিৰা চাহ বাগিছাত হিচাব সহকাৰী এজন লাগে। প্ৰবেশিকা পাচ হলে হব। সিদিনাই সি চেকখন ভঙাই লৈ পূৱমুখে যাত্ৰা কৰিলে।

সতীশ বৰুৱা নাজিৰা চাহ বাগিছাৰ মালিক। তেওঁৰ বাগিছা দুখন। অগাধ সম্পত্তি। কিন্তু পুত্ৰ সন্তান নাই। জীয়েক

তিনিজনী। ডাঙৰ দুজনীৰ ইতিমধ্যে বিয়া হৈ গৈছে। ডাঙৰ জনী গায়ত্ৰীৰ গিৰিয়েক বাৰিণ দত্ত, অইল ইণ্ডিয়াৰ ইঞ্জিনিয়াৰ। মাজুজনী মৃণালিনীৰ অমৰেশ চলিহাৰ লগত চিভিল মেৰেজ হৈছে, কোৰ্টত। অমৰেশ কোনোবা এখন কলেজৰ ইংৰাজীৰ যুৱক্বী অধ্যাপক, নাম থকা সাহিত্যিক আৰু সমালোচক। কুঞ্জনৰ সহপাঠী কুমাৰেশ চলিহাৰ ডাঙৰ ককায়েক অমৰেশ। সৰুজনী ইন্দু— সকলোৰে আলাসৰ লাড়ু। চৰিত্ৰ কিন্তু সৰ্ব্বসাধাৰণ ছোৱালীতকৈ বেলেগ। অতি ভাৱ প্ৰৱণ, মৰমৰ অতিশয্যাতো থং কৰা ছোৱালী। ভোগৰ উভৈনদী হোৱা সজুলী সম্ভাৰৰ মাজত ডাঙৰ হৈযো সাধাৰণ ছোৱালী এজনীৰ দৰে সাজপাৰ কৰে, সাধাৰণ ভাবে থাকে, ঘৰৰ কাম কাজ কৰে। কেতিয়াবা দেউতাকৰ লগত বেডমিণ্টন বা টেনিচ খেলে, কেতিয়াবা মাকৰ লগত কেৰম, লুডু আদি খেলে।

তিনিজনী ভনীয়েকৰ ভিতৰতে ইন্দু ধুনীয়া—প্ৰভাতী সুৰুযৰ দৰে উজ্জ্বল, ঢৌ খেলি যোৱা নিয়ৰীয়াকৈ দীঘল চুলিটাৰী, সাগৰৰ নীলা যেন চকুযুৰি। তাই অনুপমা, অনন্যা- অন্যহাতে তাই সকলোৰে বাবে এটা অবুজনীয় সাঁথৰ।

সতীশ বৰুৱাৰ বাগানৰে মেনেজাৰজনক কুঞ্জনে লগ ধৰি কাগজত বিজ্ঞাপন দিয়া মতে এখন দৰখাস্ত দি থলে। বহু কেইখন দৰখাস্ত পৰিছিল যদিও কুঞ্জনৰ দৰে নম্বৰ পোৱা প্ৰাৰ্থী এজনো নোলাল। অন্তৰ্দৰ্শণৰ নামত প্ৰাৰ্থীসকলৰ লগত চা-চিনাকি হৈ সতীশ বৰুৱাই মেনেজাৰৰ লগত আলোচনা কৰি পদটিৰ বাবে কুঞ্জনকে মনোনীত কৰিলে। মনোনয়ন পত্ৰ হাতত লৈ উশাহ পোৱাৰ দৰে কুঞ্জনে স্বস্তিৰ নিঃশ্বাস এৰিলে। অন্ততঃ জীয়াই থকাৰ এটি অবলম্বন হ'ল।

দীঘল দাড়িৰে কুঞ্জনক মেনেজাৰৰ ভাল লাগিল। থকামেলাৰ বাবে কোৱাৰ্টাৰ এটাৰ এটা অংশ কুঞ্জনক মেনেজাৰে ঠিক কৰি দিলে। কুঞ্জনৰ চাকৰি জীৱন আৰম্ভ হ'ল। নিজকে সম্পূৰ্ণ

অচিনাকি যেন লাগিল তাৰ। তাৰ বৰ্ত্তমান সত্তাত যেন আগৰ কুঞ্জনৰ সত্তা জড়িত নাই তেনে লাগিল। দীঘল দাড়ি, দীঘল চুলি আৰু চকুত এযোৰ চছমা—যেন পৃথিবীৰ মানুহক, পৃথিবীখনক নতুনকৈ চোৱাৰ প্ৰয়াস।

এনেদৰে কেইমাহমান গ'ল। মেনেজাৰে কুঞ্জনৰ কামকাজৰ প্ৰতি একাগ্ৰতা দেখি বৰ ভাল পালে। কুঞ্জনৰ কৰ্ম নৈপুণ্যতাত তেওঁ আচৰিত নোহোৱাকৈয়ো নাথাকিল। দুই তিনিজন মানুহৰ কাম কুঞ্জনে বেছি নিৰ্ভুলকৈ আৰু বেছি পৰিপাটিকৈ অকলেই কৰি দিয়ে। সেয়ে মেনেজাৰে মালিক সতীশ বৰুৱাৰ আগত কুঞ্জনৰ কথা প্ৰায় কৈ থাকে। লগতে মেনেজাৰে বৰুৱাক এই কথাও জনালে—ল'ৰাজন কিন্তু কিবা কাৰণত বৰ অসুখী। অপ্ৰয়োজনত কাৰো লগতে মাতবোল নকৰে, জুখিজুখি কথা কয়, স্ফূৰ্ত্তি তামসাত বা আন কোনো ৰগৰ-ৰসিকতাত যোগ নিদিয়ে। কাম একেবাৰে নাথাকিলে অকলশৰে কিবাকিবিবোৰ ভাবি থাকে।

মেনেজাৰৰ মুখত কুঞ্জনৰ প্ৰশংসা শুনি বৰুৱাৰো কুঞ্জনৰ লগত ভালদৰে কথা-বতৰা হবলৈ আগ্ৰহ জন্মিল। মেনেজাৰৰ হতুৱাই এদিন মতাব বুলি মনতে গুণি থলে।

এদিনৰ কথা—কুঞ্জনে অফিচৰ কামকাজ শেষ কৰি তাৰ পঁজাটিলৈ আহি চাহ-জলপান খালে। নিৰস, নিৰ্জ্জন, অকলশৰীয়া পৰিবেশটো তাৰ ভাল নালাগিল। আগদিনাখন লিখা গান এটিত সি সুৰ দিবলৈ চেষ্টা কৰিলে—

"অসীমত সীমা হেৰুৱাই, তমসাৰ মাজে আগুৱাই
হাঁহো মই বেদনাৰ হাঁহি "

তেনেতে কিয়েটখন নিজে চলাই অহা ইন্দু অচিন যুৱকৰ অচিন সুৰত আকৰ্ষিত হৈ কব নোৱাৰাকৈ গাড়ীৰ ব্ৰেক টানি দিলে। এটা সময়ত সুৰ শেষ হ'ল—বেয়া লাগিল ইন্দুৰ। কোন এই এই অচিন যুৱক, ইমান গুৱলা কণ্ঠ? কোনো দিনে শুনা

গানটি শুনি ইন্দুৰ এনে লাগিছে যেন এইটো সদায় শুনা এটা অতি চিনাকি প্ৰিয় গীত। হঠাতে দুৱাৰ বন্ধ কৰি বাহিৰলৈ ওলাই যাব খোজা কুঞ্জনে এখন গাড়ীৰ ভিতৰৰ পৰা এগৰাকী ৰূপহী যুৱতীয়ে উদ্দেশ্য প্ৰণোদিতভাবে তাৰফালে চাই থকা বুলি বুজি পাই আগবাঢ়ি গ'ল। কিন্তু যুৱতীৰ কাষ পাই কাৰোবাক মানে তাক বিচাৰিছে নেকি এনে এটি প্ৰশ্নবোধক চাৱনীৰে ক্ষন্তেকলৈ চাই বিস্মিত হ'ল কাৰণ আগন্তুকাৰ কোনো সহাৰি নাই, তাৰ প্ৰতি যেন ভ্ৰূক্ষেপে নাই। গাড়ীৰ কাষেৰেই কুঞ্জন বিপৰীত কালে আঁতৰি গ'ল।

এদিন মেনেজাৰে কুঞ্জনক নিজৰ চেম্বাৰলৈ মাতি নিলে। অফিচ সংক্ৰান্তৰ দুই-এটা চমু আলোচনা কৰি মেনেজাৰে ক'লে—

"অ' বাই-দি-বাই, মালিক সতীশ বৰুৱাই আপোনাক তেখেতৰ বাংলোলৈ মাতিছে। পাৰিলে সন্ধিয়া এপাক মাৰিব।"

"মালিকে মাতিছে, ঠিক আছে যাম বাৰু।"

ওলাই যাব খোজা কুঞ্জনক মেনেজাৰে ক'লে—

"চাওক মিঃ চৌধুৰী, মোৰ এইটি চেম্বাৰত আপুনি ঘণ্টাৰ পিচত ঘণ্টা মেল মাৰিলেও কোনেও একো কব নোৱাৰে। বহকচোন, চাহকে খাও, গল্পকে কৰোঁ।"

"বেজাৰ নাপাব মেনেজাৰ চাহাব—চাহখোৱা, গল্পকৰাকৈ এদিন নিশ্চয় আপোনাৰ কোৱাৰ্টাৰলৈ যাম। এটা জৰুৰী কামত মই ব্যস্ত আছো এতিয়া।"

কুঞ্জনে চেম্বাৰৰপৰা ওলাই গ'ল। কুঞ্জনক পৰীক্ষা কৰিব খোজা মেনেজাৰে হতবাক হৈ ভাবিলে—সঁচা সেৱক, সঁচা কৰ্মী।

সন্ধিয়া কুঞ্জন বৰুৱাৰ ঘৰলৈ গ'ল। কিয় মাতিলে বাৰু মালিকে? তাৰ কামকাজত অসন্তুষ্ট নেকি? নে কোনোবাই তাৰ বিষয়ে কিবা লগাইছে? কামতো সি কোনোদিনে অৱহেলা কৰা নাই? এনেবোৰ আঁত নোহোৱা চিন্তা কৰি থাকোতে বৰুৱাৰ

ঘৰৰ পদূলী পালে। চকিদাৰজনে কুঞ্জনক স্ৰইংৰুমত বহিবলৈ দি ভিতৰলৈ গ'ল। কোঠাটো কুঞ্জনে চালে—প্ৰকাণ্ড কোঠা, চমৎকাৰ সাজসজ্জা, অপূৰ্ব্ব অভিৰুচি ৰকৰা চাহাবৰ। তুলনা নাই। উৎকৃষ্ট মানদণ্ডৰ কেইখনমান অইল পেইন্টিং—শিল্প কলাৰ প্ৰতি ৰকৰা চাহাবৰ নিশ্চয় ধাউতি আছে। একেথৰে চাই ৰ'ল কুঞ্জনে পৃথিবী বিখ্যাত শিল্পী পাবলো পিকাচোৰ বিংশ শতাব্দিৰ অমৰ পেইন্টিংৰ বন্ধোৱা প্ৰিন্ট কপি এটা—নাম গুৱেৰণিকা। ১৯৩৭ চনত ধ্বংশ হোৱা স্পেইনৰ সেই গুৱেৰণিকা চহৰ—অত্যাচাৰীৰ বোমাবৰ্ষণে যিখন চহৰৰ সাধাৰণ মানুহৰ জীৱন যাত্ৰাত ধুমুহাৰ সৃষ্টি কৰিছিল, ফেচিজিমৰ অমানুষিক অত্যাচাৰ আৰু সাধাৰণ মানুহৰ প্ৰতিবাদ লগতে আশাৰ প্ৰদীপ - এয়েই প্ৰতীকধৰ্মী গুৱেৰণিকা।

এইখন নিশ্চয় ৰকৰা চাহাবৰ দেউতাকৰ পেইন্টিং—চিকাৰী আছিল বুলি সহজতে অনুমান কৰিব পাৰি। মৰা বাঘৰ কাষত বন্দুক লৈ অঁকা পেইন্টিং। কোঠাটোৰ আচবাব পত্ৰবোৰো উৎকৃষ্ট। মেহগনি কাঠৰ প্ৰকাণ্ড আলমাৰী তিনিটা কিতাপেৰে পূৰ্ণ—যেন সৰু-সুৰা এটা পুথিভঁৰাল। চোফাচেট তিনিটা—এটা কাঠৰ, এটা ষ্টীলৰ আৰু আনটো বেঁতৰ। কুঞ্জনে আলোচনীৰ দমটোৰ পৰা 'ইণ্ডিয়া টুডে' এখন ললে—তলমূৰকৈ তাকে পঢ়াত নিমগ্ন হ'ল।

"অফিচত তুমিয়ে এইবাৰ নতুনকৈ জইন কৰিছা ?"

মূৰ তুলি চালে কুঞ্জনে—আদহীয়া ভদ্ৰ মহিলা এগৰাকী। মালিকনী নিশ্চয়। ইমান গাম্ভীৰ্য্য, ইমান প্ৰশান্তি, ইমান সৰলতা—যেন সাৰ্ব্বজনীন মাতৃত্বৰ মূৰ্ত্ত বাস্তৱ ৰূপ এটি, দেখিলে ভক্তিত মূৰ দো খাই যায়, অন্তৰ পবিত্ৰতা আৰু প্ৰশান্তিৰে ভৰি পৰে, মনৰ চঞ্চলতা আঁতৰি যায়। মাতৃ হৃদয়ৰ উদাৰতাৰ জানো তুলনা আছে, স্নেহৰ জানো অন্ত আছে, ত্যাগৰ জানো সীমাৰেখা আছে ?

"হয়" বুলি মূৰ দুপিয়াই প্ৰশান্ত নয়নেৰে কুঞ্জনে মাতৃৰ মুখলৈ চাই ৰ'ল।

"মেনেজাৰে তেখেতক তোমাৰ কথা সদায় কৈ থাকে। সেয়ে তোমাৰ লগত ভালদৰে চিনাকি হৈ কথাবতৰা হোৱাৰ আগ্ৰহ হৈছে। সেইবাবেই মাতিছে তোমাক।"

কুঞ্জনে সামান্য লাজ পাই অপ্ৰস্তুত হল।

"তোমাৰ ঘৰত আৰু কোন কোন আছে? মা দেউতা আছেনে?"

"মা দেউতা আছে, ককাইদেউ আছে আৰু নবৌ আছে—আমাৰ পৰিয়াল ইমানেই।"

এই গৰাকী মহীয়সী মাতৃৰ আগত মিছা কথা কোৱাটোৱো যেন এক শাস্তি।

"ককাইদেৱেৰাই কি কৰে?"

"শিক্ষকতা কৰে।"

"তুমি বাৰু মেট্ৰিক পাচ কৰাৰ পিচত কলেজত নপঢ়িলা কিয়? শুনিছো মেট্ৰিকত তুমি খুব হাই পাৰচেণ্ট লৈ পাচ কৰিছা।"

'কলেজত পঢ়িছিলো—এটন কলেজৰ পৰা প্ৰাক-বিশ্ববিদ্যালয়ৰ পৰীক্ষা পাচ কৰি তৃতীয়বাৰ্ষিকলৈকে মেডিকেল পঢ়িছিলো, মানে এম্-বি্-বি-এস। কিন্তু " কুঞ্জনে নীৰৱ হৈ থাকিল।

"কি কব খুজিছা কোৱা। মোক তোমাৰ মা বুলিয়ে ভাবাচোন।"

"মাতৃ"—মনতে আওঁৰালে কুঞ্জনে। এই গৰাকী মহীয়সী মাতৃৰ অনুৰক্ত পুত্ৰ হবলৈ কুঞ্জনৰ যোগ্যতা আছেনে?

"সেইবোৰ বহু কথা, থোৰতে কৈ শেষ কৰিব নোৱাৰি। সুবিধা হলে কেতিয়াবা কম বাৰু। বৰ্ত্তমান মই অতি অকলশৰীয়া।"

"বুজিছো—কিবা এটা ৰহস্য আছে। এতিয়া কবলৈ টান পাইছা যেতিয়া পিচত কবা বাৰু কেতিয়াবা।"

তাৰ পিচত আৰু কিছুসময় নানান ধৰণৰ কথাবতৰা হল কুঞ্জনৰ লগত। বৰুৱানীয়ে কুঞ্জনৰ কিবা এটা মানসিক দুৰ্ঘটনা ঘটি যোৱা বুলি অনুমান কৰিয়ে আঘাট পাব বুলি তাৰ ব্যক্তিগত কথাৰ ওপৰত বিশেষ একো আলোচনা নকৰিলে। কিছুসময়

পিচত ইন্দু সোমাই আহিল চাহ আৰু বহুতো খোৱাবস্তু লৈ। কুঞ্জনৰ আগত সেইবোৰ যতনাই দি মূৰ তুলি "চাহ খাওক" বুলি কবলৈ মুখ মেলোতেই ইন্দু থতমত খাই গ'ল—ইকি! এয়াতো সিদিনা কোৱাৰ্টাৰত লগপোৱা সেই সঙ্গীতপ্ৰেমী যুৱক—"অসীমত সীমা হেৰুৱাই   "। ইচ্ ৰাম! সেইদিনা গাড়ী ৰখাই তেওঁৰ গান শুনোতে তেওঁ বা আকৌ কি ভাবিছিল?

"বোপা—এয়াই আমাৰ তৃতীয় জনী, মানে শেষৰ জনী, ইন্দু নাম। দশম শ্ৰেণীত পঢ়ে।"

ইন্দুৱে কুঞ্জনক নমস্কাৰ দিলে, কুঞ্জনেও প্ৰতিনমস্কাৰ জনালে।

"চাহ খাওক।"

সলজ্জ অথচ গহীন সুৰত কথাষাৰ কোৱা ইন্দুৰ ফালে চাই একে লাজ আৰু গহীনতাৰ সুৰতে কুঞ্জনেও কলে—

"থাম বাৰু। খাবলৈ বহুত বস্তু দিছা কিন্তু।"

"একো নহয়, খাওক—আটাইখিনি খাই শেষ কৰি দিলেহে মই ভাল পাম।"

কুঞ্জনে মাত্ৰ হাঁহিলে। কোনো দ্বিধা, শঙ্কা নোহোৱাকৈ চিৰ পৰিচিত ব্যক্তি এজনৰ দৰে আটাইবোৰ বস্তু খাই শেষ কৰি পানীগ্লাচ খাই যেতিয়া চাহত সোহা মাৰিলে, প্ৰফুল্লচিত্তেৰে ইন্দুৱে ওঠৰ মাজতে হাঁহি এটা মাৰি ভিতৰলৈ গ'ল তামোল আনিবলৈ।

"তেখেত সোনকালে নিফিৰিব নেকি বাৰু?"

"আহিব আহিব, সোনকালে অহাৰ কথা কৈয়ে গৈছে। কিবা এটা জৰুৰী কথাৰ বাবে বাগিছাৰ ডাক্তৰজনে মাতি পঠাইছে। তুমি আহিবা বুলি আমাক কৈ গৈছে অৱশ্যে।"

আৰু কিছুসময় নানান ধৰণৰ কথাবতৰা হ'ল। ইন্দুৱে পৰ্দাৰ আঁৰ লৈ অচিন যুৱকলৈ চাই থাকিল—কিয় অসংযত? কিহৰ বেদনা এওঁৰ মনত? হাঁহিছে, মাতিছে, সুকলি মনেৰে কথা পাতিছে—অথচ সমস্ত মুখমণ্ডলত কিহৰ কাৰুণ্য? চকুৰ দৃষ্টি ইমান সেমেকা কিয়?

"অ' মা ইন্দু ?"

মাকে ডাঙৰকৈ মাতিলে ইন্দুক। কাষৰ পৰা ইন্দুৱে সৰুকৈ 'কি মা' বুলি কৈ মাকৰ কাষলৈ আহিলত মাকে কলে—

"অ' তুমি ইয়াতে আছা। এওঁৰ লগত কথা-বতৰা পাতাচোন। মই বান্ধনী ঘৰলৈকে যাও—টঙ্কেশ্বৰেবা কি কৰিছে সেইফালে। অ' বোপা, তুমি ইয়াতে ভাত খাই খাবা।"

"খাই নাই নালাগে—মই উঠোৱে, তেখেত আহিলে কব।"

"নেলাগে উঠিব এতিয়া। তেখেত আহিবই নহয়। মই খোৱাৰ যোগাৰ কৰোঁ।"

কুঞ্জনৰ সম্মতিলৈ অপেক্ষা নকৰি বৰুৱানী ভিতৰলৈ গ'ল। বহু সময় ইন্দু আৰু কুঞ্জনৰ মাজত কোনো কথা হোৱা নাই। অন্যমনস্ক ভাবে কুঞ্জনে হাতত থকা আলোচনী খনৰ পাত লুতিযাই আছে। সম্পাদিকাৰ নাম ইন্দু বৰুৱা। সম্পাদিকাই স্বয়ং তাৰ সম্মুখত নিশ্চয়। ৰেণুলৈ তাৰ মনত পৰিল। বহুদিনৰ আগতে প্ৰথম পৰিচয়ৰ দিনা ৰেণুক সি অকলে পাই আগধৰি মাতিব পাৰিছিল, কথা সুধিব পাৰিছিল। আজি যেন সি মুক, বধিৰ—ইন্দুৰ উপস্থিতিকো সহজ ভাবে লব পৰা নাই—অন্য এক চিন্তাত বিভোৰ তাৰ মন।

"মই ইয়াত থকাতো আপুনি সিমান সহজ ভাবে লব পৰা নাই কিজানি।"

খুব সহজ ভাবেই কোৱা ইন্দুৰ সেই কথাত কুঞ্জন সচকিত হৈ উঠিল। বিশেষভাবে লজ্জিত হৈ সি উত্তৰ দিলে—

"নাই নাই—মাফ কৰিবা, কিবা এটা ভাবি আছিলো। অ' তুমি বোলা কাৰণে বেয়া নাপাবা কিন্তু।"

"আপুনি সম্বোধন কৰিলে নিশ্চয় বেয়া পালোঁহেঁতেন।"

"আলোচনীৰ সম্পাদিকা" বাকীখিনি চকুৰ ঠাৰেৰে বুজাব খুজিলে।

"এৰা মইয়ে। খোৱাবাৰৰ আলোচনী।"

সম্পাদকীয়খিনি ধুনীয়া লিখিছা। নিপুণ তোমাৰ লিখাৰ কৌশল। দৃষ্টিভঙ্গী সঁচাকৈয়ে উচ্চ। সাহিত্য আৰু কলাৰ প্ৰতি তোমাৰ আগ্ৰহ অসীম যেন লাগে। আমাৰ সাহিত্য কলাক তোমালোকৰ দৰে নতুন পুৰুষ এচামৰ অবিহনা লাগে—নতুন দৃষ্টিভঙ্গীৰে সাহিত্য কলাক নতুন ৰূপ দিয়াৰ কাৰণে।"

"আপুনি ভবাৰ দৰে সাহিত্য কলাৰ প্ৰতি মই সঁচাকৈয়ে আগ্ৰহী আৰু অনুৰাগী—কিন্তু মোৰ দৰে ব্যক্তিৰ অবিহনাই আমাৰ সাহিত্য কলাক নতুন ৰূপ দিব—এয়া আপুনি বহু বেছিকৈ কৈছে।"

"মুঠেই নহয়। মই অবশ্যে স্বীকাৰ কৰোঁ। সন্মুখত প্ৰশংসা কৰাটো প্ৰকৃতাৰ্থত অনুচিত। তথাপি প্ৰশংসা হলেও তোমাক লগ পোৱাৰ এইকণ সুবিধাতে মনৰ অভিব্যক্তিখিনি প্ৰকাশ নকৰিও নোৱাৰিলো।"

"তাৰমানে মোক বেছিকৈ লগ পোৱাৰ আশা নকৰে নেকি?"

"সেয়া বেলেগ প্ৰশ্ন—আশা, স্বপ্ন, কল্পনা এইবোৰ অতিন্দ্ৰীয়। আমাৰ মুঠিৰ মাজৰ বস্তু নহয়। কথা হ'ল—তুমি যে কলা মই বেছিকৈ কৈছো—সেয়া নহয়। আগ্ৰহ আৰু একাগ্ৰতাই সৃষ্টিকামী মন এটা সজাব পাৰে—তেতিয়া নতুন নতুন তথ্যৰ সৃষ্টি হয়, আবিষ্কাৰ হয়, সৃষ্টি যিমানে হয়, মনৰ উদ্যম সিমানে বেছি হয়, জ্ঞানৰ বিকাশ হয়, তেতিয়া আৰু উচ্চতৰ মানদণ্ডৰ তথ্যৰ সৃষ্টি হয়, এইদৰে মানুহৰ জ্যোতিৰ বিকাশ আৰু প্ৰকাশ হয়।"

ইন্দুৱে সমৰ্থণসূচক ক্ষীণ হাঁহি এটি মাৰিলে।

"আপুনি কোন কলেজত পঢ়িছিল?"

"কটনত। পি, ইউ, পাচ কৰি তিনিবছৰ মেডিকেল পঢ়িছিলোঁ।"

"আপুনি মাজ বাটতে পঢ়া এৰিলে কিয়? মানে ঘৰৰ অবস্থা বৰ ভাল নাছিল নেকি?"

কথাষাৰ কৈ ভালেই কৰিলে নে ভুলেই কৰিলে একো ঠিবাং কৰিব নোৱাৰি মাত্ৰ বুজনৰ উত্তৰলৈ বাট চাই থাকিল।

"ঘৰৰ অৱস্থাই মোক পঢ়া এৰিবলৈ বাধ্য কৰোৱা নাই।

মনৰ অৱস্থা প্ৰতিকূল—হয়তো তাৰ তাড়নাত সকলো আশাকে জলাঞ্জলি দি মাত্ৰ জীয়াই থকাৰ প্ৰয়াসকণ কৰিছোঁ। তোমালোকৰ বাগিছাই মোক জীয়াই থকাৰ এইখিনি সুবিধা দিছে—মই কৃতজ্ঞ।"

"আপোনাৰ চকুৰ অসুখ নেকি? চছমা পিন্ধি'ছে যে? আৰু এটা কথা কওঁ, বেয়া নাপাব কিন্তু—আপোনাক সামান্য পৰিমানে হলেও অসংযত দেখাইছে।"

"চকু ঠিকে আছে—এই চছমা যোৰ মোৰ বাবে চকুৰ আঁৰ-কাপোৰহে। নহলে পৃথিৱীখন চোৱাৰ হাবিযাস মোৰ নাথাকিল হেঁতেন—মই হয়তো সকলোবোৰতে ব্যতিক্ৰম দেখিলোঁহেঁতেন। আৰু মোৰ এই অসংযত অভিৰুচি—ঠিক তোমাক মই এতিয়া বুজাব নোৱাৰিম। ছেবোৰা অতীত এটা—তাকে পাহৰিবলৈ বৃথা চেষ্টা।"

"ভালদৰে নুবুজিলো।"

"বুজিবলৈ চেষ্টাও নকৰিবা—কাহানিও।"

"যদি কৰোঁ কেতিয়াবা।"

"বিফল হবা।"

এনেতে ভিতৰৰ পৰা বকুলৰ কণ্ঠস্বৰ শুনা গ'ল—"মাজনীৰ লগত কথা পাতিছে নেকি—ৰাক ৰাক মই গৈ আছোঁ।"

"দেউতা আহিছে, আপুনি দেউতাৰ লগত কথা পাতক—মই থাকিলে অসুবিধাহে পাব।" হাঁহি এটিৰে ইন্দুৱে কুঞ্জনৰ পৰা যেন যোৱাৰ সম্মতি বিচাৰিলে। কুঞ্জনেও হাঁহি এটিৰে যেন ইন্দুক যাবলৈ সমিধান দিলে। অলপ পিচতে বকুলা সোমোৱাই আহিল। কুঞ্জনে চকীৰ পৰা উঠিব খুজিলে।

"অ' তুমি আহিছা—বহা বহা। বৰ ভাল পালোঁ। মোৰ অলপ পলমে হ'ল। এওঁলোকক তুমি আহিবা বুলি কৈ গৈছোঁ অৱশ্যে। তোমাৰ আমনি লগা নাইতো?"

"নাই নাই—কেলেই আমনি লাগিব। ভেখেতৰ লগত কথা পাতিছো, এতিয়া ভতিজনীৰ লগত কথা পাতি আছিলোঁ।"

"অ' মাজনীৰ কথা কৈছা—তাই মোৰ দৰ মৰমৰ। পিছে কোৱাচোন—তোমাৰ কাম কৰি কেনে লাগিছে ?"

"ভালেই লাগিছে—আৰু বেয়া লাগিলেও জানো উপায় আছে ?"

"তুমি—কি কথ খুজিছা ? কিবা অসুবিধা পাইছা ?"

"অসুবিধা পোৱাৰ প্ৰশ্ন নুঠে। বৰং চাকৰিৰ প্ৰয়োজন বৰ বেছি আছিল যদিও ইমান সোনকালে পোৱাৰ সৌভাগ্য হব বুলি ভবা নাছিলোঁ। অফিচ বা বাগিছাৰ কালৰপৰা মই অলপো কষ্ট পোৱা নাই। ব্যক্তিগত অসুবিধাতো কম বেছি পৰিমাণে সকলোৰে আছে।"

বৰুৱা কিছু সন্দিহান হৈ পৰিল—কি কব খুজিছে এই ল'ৰাজনে ? কুমলীয়া লৰা, বয়সেৰা হৈছে কিমান ? অথচ কিয় ইমান উদাস দৃষ্টি ? মুখত যেন কি যে অশান্ত অভিব্যক্তি ! উৎসুক হৈ বৰুৱাই কুঞ্জনৰ লগত ভিতৰুৱা ভাবে বহু কথা পাতিলে। সকলো কথাই কুঞ্জনে ভাঙি পাতি কলে—মাত্ৰ ঘৰ এৰি অহাৰ প্ৰকৃত কাৰণ সম্পৰ্কত একো জানিব নিদিলে। অশেষ ধৈৰ্যেৰে কুঞ্জনৰ সকলো কথা শুনি বৰুৱা মৌন ভাবে একান্তমনে কিবাবোৰ ভাবি থাকিল। হঠাতে বৰুৱাই নোপোৱা কিবা এটাৰ সন্ধান পোৱাৰ দৰেই অকস্মাত কৈ উঠিল—

"তোমাৰ সকলো কথাই শুনিলোঁ। ইমান চোকা ল'ৰা তুমি। তোমাৰ দাদাও খুব চোকাই আছিল। তোমাৰ বাৰু এতিয়া মেডিকেল পঢ়াৰ ইচ্ছা আছেনে নাই ?"

"ইচ্ছা ? আছে বুলি কলে মনৰ অশান্তি বঢ়োৱা কথাহে হব।"

"শুনা কুঞ্জন চৌধুৰী। চাকৰি কৰিবলৈ এৰি দিয়া তুমি। মই বুজিছোঁ বাগানৰ এইবোৰ চাকৰি তোমাৰ বাবে নহয়। চাকৰি-টোৰ বাবে শুৰেটিংলিষ্টৰ পৰাই এজনক মতা হওক।"

"কিন্তু মই কেনেকৈ পঢ়িম ? ঘৰলৈ উভতি যোৱা মোৰ বাবে অসম্ভৱ। মই পঢ়াৰ কথা কোনোপধ্যে ভাবিব নোৱাৰোঁ। চাকৰিটোৰ পৰা মোক খেদি নিদিব। মই তেনেই নিৰাশ্ৰয় হৈ পৰিম।"

"অবোধ ল'ৰা, চাকৰিৰপৰা যেদি মই তোমাক নিৰাশ্ৰয় কৰিবৰ বাবে ইয়ালৈ মাতিছিলোঁ। নেকি? তুমি একো ভাবিব নালাগে। ঘৰলৈকো উভতি যাব নালাগে। তোমাৰ পঢ়াৰ খাবে যি কৰিব লাগে মই সকলো কৰিম। তুমি বাকী বছৰ তিনিটা ডিব্ৰুগড়তে পঢ়া। ভুল নুবুজিবা কুঞ্জন, মোক তুমি তোমাৰ দেউতা বুলিয়ে ভাবিবা। এতিয়া কোৱা - মোৰ প্ৰতি তোমাৰ কিবা সন্দেহ, কিবা অবিশ্বাসৰ থল আছে?"

কুঞ্জন নীৰৱ।

"জানা কুঞ্জন, মোৰ সকলো আছে—মৰমৰ তিনিজনী ছোৱালী, ডাঙৰ দুজনীৰ বিয়া হৈছে—দুজন উপযুক্ত জোঁৱাই আছে। কিন্তু মোৰ পুত্ৰ সন্তান নাই। তোমাৰ অমত হোৱাৰ কোনো যুক্তি মই বিচাৰি নাপাও। তোমাৰ মনৰ অভিব্যক্তিয়েও মোক বুজাইছে—তুমি পঢ়িবা। অহা চেচন আৰম্ভ হবলৈ আৰু বেছি দিন নাই। এড্‌মিশ্বন, ট্ৰেন্সফাৰ আদি সকলোবোৰৰে মই ব্যৱস্থা কৰিম। মই তোমাৰ উন্নতি কামনা কৰোঁ কুঞ্জন, তুমি মোৰ পুত্ৰতুল্য।"

কুঞ্জনৰ মুখত তেতিয়া দীপ্ত হাঁহিৰ ক্ষীণ আভা। মনটো পুনৰ নতুন ৰঙীন সপোন ৰচাত ব্যস্ত।

"এইখন ঘৰকে তুমি নিজৰ ঘৰ বুলি ভাবিবা। সকলো ব্যৱস্থা মই অহাকালি কৰি দিম। মোৰ মনটোৱে কি কৈছে জানা কুঞ্জন? আন্ধাৰৰ গৰ্ভত নুমাই যাব খোজা তোমাৰ ৰঙীন ভবিষ্যতৰ দীপ গছি মই পুনৰ জ্বলাবই লাগিব। তোমাৰ দৰে প্ৰসৰ বুদ্ধিমত্তাৰ ল'ৰা এজনক কোনো দেউতাকে নুমাই যাব নিদিয়ে। তোমাৰ অতীত যদি নিষ্ঠুৰ, তাক পাহৰি যোৱা। সেইবোৰে তোমাক আঘাট দি থাকিব। এতিয়া নতুন জীৱন পথত খোজ দিবা তুমি।"

তেতিয়া কুঞ্জনৰ মনত পৰিল মাক-দেউতাকলৈ, ককায়েক-নবৌয়েকলৈ, মৃতা ভনীয়েক নিশাজনীলৈ। চকুৰ কোণত কব নোৱাৰাকৈ বিৰিঙি উঠিল লোটক—হয়তো বেদনাৰ, হয়তো আনন্দৰ।

প্ৰথাৰ

দুৰ্ভাগ্যৰ অন্ধকাৰত হেৰাই যাব খোজা কুঞ্জন—হেৰাই নগ'ল। ধূলিস্যাৎ হব খোজা ককায়েকৰ স্বপ্ন, কুঞ্জন ডাক্তৰ হোৱাৰ—ধূলিস্যাৎ নহ'ল। সময়ৰ নিষ্ঠুৰতাত লীন হৈ যাব খোজা কুঞ্জনৰ উচ্চ আশা-আকাঙ্খা পুনৰ সজীৱ হৈ উঠিল, ভাঙি যাব খোজা জীৱনৰ বংঘৰ নতুনকৈ গঢ লৈ উঠিল, মৰি যাব খোজা আত্মা সঞ্জীৱিত হ'ল। কুঞ্জনে সতীশ বৰুৱাৰ মনত আঘাট দিব নোৱাৰিলে। কুঞ্জন বৰুৱা পৰিয়ালৰ এজন ব্যক্তি হৈ পৰিল, বৰুৱা বৰুৱানীৰ আদৰৰ দুলাল হৈ পৰিল। সকলো থাকিও কিবা এটা নথকা বৰুৱাৰ পৰিয়ালত কুঞ্জনে আনি দিলে পূৰ্ণতা। কুঞ্জনে পৰিয়ালৰ সকলোৰে লগত সহজতে মিলি পৰিল। ইন্দুৰ বাবে কুঞ্জন বুকুৰ আপোন—যেন একেডাল গছৰে দুপাহ ফুল। কোনো ভনীয়েকে আপোন ককায়েকৰ ওচৰতো ইমান চেনেহ, আদৰৰ দাবী নকৰে—ইন্দুয়ে কুঞ্জনৰ পৰা যিমান দাবী কৰে। দাবীতো নহয় অকল, কৰ্তৃত্ব। টেনিচ এতিয়া তাই কুঞ্জনৰ লগতহে খেলে। কেৰম খেলিলে কুঞ্জন মাকৰ পাৰ্টনাৰ হয়, ইন্দু হয় দেউতাকৰ। প্ৰকৃতাৰ্থত কুঞ্জনে বৰুৱাৰ পৰিয়ালত যেন হাঁহিৰ ইন্ধন যোগালে, প্ৰফুল্লতা আনিলে আৰু বৰুৱা দম্পতীৰ হৃদয় পুত্ৰস্নেহেৰে আপ্লুত কৰিলে।

কুঞ্জনে কিন্তু এটা কথা তেওঁলোকক ভাঙি নকলে—সি কিয় ঘৰ এৰি আহিবলগীয়া হ'ল। আচলতে বৰুৱা দম্পতীয়ে কোনো দিনে এই প্ৰশ্নটি তুলনাই সুধুলিলে, কুঞ্জনে মনত আঘাট পাব বুলি। কেতিয়াবা কুঞ্জনৰ ঘৰৰ কথা ওলালেও বৰুৱাই সাৱধানে কথা পাতে যাতে কুঞ্জনৰ মনত বিপৰীত প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰে। কুঞ্জনৰ ওপৰত বৰুৱাৰ অগাধ বিশ্বাস, অপৰিসীম স্নেহ, গভীৰ আস্থা। ঘৰুৱা আলোচনা, বাগানৰ আলোচনা কৰোঁতে বৰুৱাই কুঞ্জনক বন্ধুৰ দৰে ব্যৱহাৰ কৰে, পঢ়া-শুনাৰ ক্ষেত্ৰত কৰ্তৃত্ব, ব্যৱহাৰিক জীৱনৰ

আলোচনতাত গাম্ভীৰ্য্যতাপূৰ্ণ শাসনৰ সুৰেৰে তাৎপৰ্য্যপূৰ্ণ সৃষ্টিকামী দৃষ্টিভঙ্গীৰ উপদেশ দিয়ে, চলন-ফুৰণৰ ক্ষেত্ৰত পূৰ্ণ স্বাধীনতাদানৰ অন্তৰালতো কুঞ্জনৰ চাৰিত্ৰিক বিকাশৰ দিশটো পিতৃত্বৰ কৰ্তৃত্বৰে নিৰিক্ষণ কৰে ।

মেডিকেল কলেজৰ নতুন চেচন আৰম্ভ হবলৈ আৰু কিছুদিন বাকী আছে । কুঞ্জনে এইকেইদিন বাগিছাৰ তত্বাৱধানৰ কামত পাৰ্য্যমানে বৰুৱাক সহায় কৰি দিছে । এবাৰ কিবা এক বিশেষ কামৰ বাবে মেনেজাৰৰ লগত বস্তুৱা বস্তিলৈ কুঞ্জন যাব লগা হ'ল । বস্তুৱা বস্তিত দেখিলে এটা মানুহৰ জুম । দূৰৰ পৰা লক্ষ্য কৰিলে— দুজন বস্তুৱাৰ মাজত কাজিয়া হৈছে আৰু বাকীবোৰে জুমবান্ধি চাই আছে । মেনেজাৰে দূৰৰ পৰাই ধমক দিলে, মদৰ ৰাগীত সিহঁতে ধমকনীক কেৰেপকে নকৰিলে । মাত্ৰ মাতাল হৈ অকথ্য ভাষাৰে পৰস্পৰে পৰস্পৰক গালি পাৰিছে, মাৰিবলৈ বাৰে বাৰে উদ্যত হৈছে, অথচ কাষত থকা কোনো এজনেও কাজিয়া ভাঙিবলৈ যোৱা নাই ।

কুঞ্জন আগবাঢ়ি গৈ সুধিলে—

"কি হৈছে তোমালোকৰ ? কাজিয়া বন্ধ কৰা, মই তোমালোকৰ কাজিয়া মিটমাট কৰি দিম ।"

দুয়োয়ে হঠাতে মুখবন্ধ কৰি কুঞ্জনলৈ চালে—বাগিছাৰ নতুন সৰু মালিক । ডেকা বয়সৰ বস্তুৱাজনে কুঞ্জনলৈ চাই কলে—

"চাব—এই আদমীটোৱে মোক কৈছে মই তাৰ বেটিক শাদী কৰিব লাগে । লেকিন শাদী কৰাৰ মতলব মোৰ নাই আছে ।"

লগে লগে আদহীয়া বস্তুৱাজনে ক্ৰুদ্ধ সুৰে কবলৈ ধৰিলে —

"দেখিয়ে চোটা চাব, য়ে কুত্তাকা বাচ্চা মেৰে বেটীকে আজ তিন মহিনা কৰকে ভাগি যাব খুজিছে । মেৰে বেটিকী জিন্দেগীমে কি হুব চাব ? তাইকতো কোই দুসৰা আদমী শাদী নাই কৰিব ।"

"শাদী কৰিবলৈ তুমি অমান্তি হৈছা কিয় ?" উক্ত ডেকাক প্ৰশ্ন কৰিলে কুঞ্জনে ।

"এখন শাদী কৰাৰ মতলব নাই আছে চাব।"

"য়ে মুৰ্খ বাট আছে চোটা চাব্। তাৰ মাইবাপ কোই দুচৰা লড়কী দেখিছে। দুসৰা লড়কীকে শাদী কৰিলে মেৰে বেটিক কোই লড়কা পছন্দ্ নাই কৰিব চোটা চাব।"

"তুমি সঁচা কথা কোৱা, তুমি এওঁৰ ছোৱালীক শাদী কৰিবা নে নাই। তোমাৰ নিশ্চয় মতলব আছে?"

"হা চাব্, মোৰ তো শাদী কৰাৰ দিল আছে। লেকিন মেৰে মাইবাপ কোই দুসৰা লডকী দেখিছে, বাত পাকা ভী কৰিছে।"

"কিন্তু তুমি এওঁৰ ছোৱালী জনীৰ জীৱন নষ্ট কৰিলা কিয়? কোনে এতিয়া এওঁৰ ছোৱালীক শাদী কৰিব? তুমি এওঁৰ ছোৱালীক শাদী কৰিবই লাগিব।"

"লেকিন চাব্, মেৰে মাই বাপ ইন্‌কাৰ কৰিছে।"

"ঠিক আছে, তোমাৰ মাই বাপৰ সন্মতি মই আদায় কৰিম। তোমাৰ ইচ্ছা আছে নাই কোৱা।"

"মোৰ তো ইচ্ছা আছে চাব। ফুলকুমাৰী মেৰে দিলকী পাল্লী আছে চাব্। মই তাইক বহুত প্যাৰ কৰো—বহুত প্যাৰ। তাইৰ ওপৰত মোৰ পুৰা বিশ্বাস আছে, ভৰসাভী আছে।"

"শুনা, তোমালোকে ইয়াত সমাজ পাতি বাস কৰিছা শান্তিত থাকিম বুলি। এনেদৰে মদ খাই মাতাল হৈ কাজিয়া কৰিলে তোমালোকে ক'ত শান্তি পাবা? কাজিয়া নকৰি মিলাপ্ৰীতিৰে থাকিব লাগে। তেতিয়াহে সুখ শান্তি পোৱা যায়। এতিয়া বলা তোমাৰ ঘৰলৈ যাও—তুমি এই সপ্তাহৰ ভিতৰত এওঁৰ বেটিকে শাদী কৰিব লাগিব।"

"মোৰ ভুল হৈছে চাব্। এইনা ভুল আওৰ জিন্দেগীমে কভী নাই কৰিম। ফুল কুমাৰীক মই এই সপ্তাহতে শাদী কৰিম। 'মোৰ ভুলকে মাফ কৰিব চাব্।"

ভেকা বয়ুৱাজন কুঞ্জনৰ ভৰিত পৰিল। মেনেজাৰৰ পৰা বিদায় লৈ

কুঞ্জনে তেকা বন্ধুবা জনৰ ঘৰলৈ গ'ল। তাৰ মাক দেউতাকক বুজাই বঢ়াই সাতদিনৰ ভিতৰত বিয়াৰ বন্দোবস্ত কৰি থৈ উভতি আহিল। তেতিয়াৰে পৰা কুঞ্জনক ৰাগিছাৰ বন্ধুবা সকলে শ্রদ্ধাৰ চকুৰে চোৱা হল। 'চোটা চাব' সিঁহতৰ মনত দেৱতা স্বৰূপ।

অৱশেষত কুঞ্জনৰ ডিব্রুগড় মেডিকেল কলেজত তৃতীয় বাৰ্ষিকত এড্‌মিশন হৈ গ'ল। সকলোবোৰ ঠিক কৰি দিলে সতীশবৰুৱা নিজেই। কেইদিনমান পিছতে কুঞ্জন যাব ডিব্রুগড়লৈ। ইন্দুৰ মনত চিন্তা—এইকেইদিন কুঞ্জনে তাইক ইংৰাজী, অংক, বিজ্ঞান সকলোবোৰ শিকাইছিল। এতিয়া কোনে শিকাব? কুঞ্জনে শিকাবৰ পৰা তাই এতিয়া নিজে পঢ়ি যেন একো বুজি নোপোৱা হ'ল।

সিদিনা কুঞ্জন কলৈকো ওলাই যোৱা নাই। ইন্দু কুঞ্জনৰ কোঠালৈ গ'ল।

"ককাইদেউ, কেতিয়ামানে যাবা তুমি?"

"যেতিয়া সময় হব।"

"এয়া জানো মোৰ প্ৰশ্নৰ উত্তৰ হ'ল?"

"উত্তৰটো কেনেকৈ দিব লাগিছিল? অমুক বাৰে ইমান বজাত—"

"ঠিক আছে, তোমাক আৰু একো নোসোধো।"

"সুধিবলৈ কৈছো জানো?"

"মোৰ কথাবোৰ তুমি ইমান পাতলকৈ উৰুৱাই দিয়া কিয়? তোমাৰ কথাৰ উত্তৰ দিয়াত সামান্য হেৰফেৰ হলেই জগৰ লাগে।"

"জগৰ নলগাকৈ কৰা।"

"একো নকওঁ যোৱা।"

"মানি ললো, পিছে পিচকালে কি লুবুৱাই আনিছা?"

"একো অনা নাই।"

"খঙত টিঙিবিতুলা হৈ আছা দেখোন। দেখুৱাচোন, অংক নে ইংৰাজী, নে ভূগোল, নে বিজ্ঞান, নে ছবি আঁকা—"

"হৈছে দিয়া, ছবি আঁকিবলৈ মইহে তোমাক শিকাব পাৰিম।"

"পাৰিবা, কিন্তু নোৱাৰিবা—পিকাচো, লিওনাৰ্ডো তোমাৰ আগত কোন কুটা। কলা সাম্ৰাজ্ঞী তুমি। পিচে কোৱাচোন কি আনিছা?"

"যদি একো অনা নাই।"

খিলখিলকৈ হাঁহি এটি মাৰি ইন্দু কুঞ্জনৰ নিচেই ওচৰ পালে।

"তুমি হাত পিচফালে লুকুৱাই আনোতেই বুজিছোঁ নহয়।"

"প্লিজ ককাইদেউ, অনুপাত সমানুপাতবোৰ ভালদৰে বুজিয়ে পোৱা নাই। তুমিতো আৰু বেছি দিন নাথাকা—বাইদেউৰে ক্লাচত কি শিকায় ভালদৰে বুজিবই নোৱাৰোঁ—এখন কানেৰে সোমায় আনখনেৰে ওলায়। কাৰণ ভাবো—তুমিতো আছাই। চিন্তা কিহত? এতিয়া পিচে চিন্তা হৈছে—তুমিতো সদায় নাথাকিবা।"

"গতিকে মই নথকা দিনকেইটাত যাতে দুয়োখন কানেৰে সোমাই মগজটোত জমাহৈ ঠাই খাই থাকে তাৰে চেষ্টা কৰিবা।"

কুঞ্জনে গোটেই অধ্যায়টো আতিগুৰি মাৰি বুজাই দিলে ইন্দুক। সকলোখিনি ভালদৰে বুজি লৈ ইন্দু যাবলৈ ওলাই কিন্তু জানো হঠাতে উভতি আহি সুধিলে—

"এটা কথা কওঁ, বেয়া পাবা নেকি?"

"বেয়া পোৱা কথা কবা জানো?"

"দাড়ি চুলি বোৰ সংযত ভাবে চিকুনাই নোলোৱা কিয়?"

"হঠাতে প্ৰশ্নটো মনত উদয় হ'ল কিয়?"

"নতুন ঠাইলৈ যাবাতো, সেয়ে, ভাল লাগিব খুব।"

"এতিয়া জানো বেয়া লাগিছে?"

"যোৱা, তোমাৰ লগত কোনো ভাল মানুহে কথা নাপাতে।"

"বেয়া মানুহে মোৰ লগত কথা পাতি ভাল হয়।"

খঙৰ কোবত একো নোকোৱাকৈ কিতাপ বহীবোৰ লৈ যোৰেৰে ওলাই গ'ল—ইন্দু। কুঞ্জনে মাতিলে, ঘুৰিকে নাচালে।

আজি কুঞ্জন যাব ডিব্ৰুগড়লৈ। বিচনাপত্ৰ, বস্তুবাহানি, সকলোবোৰ ঠিক ঠাক কৰি লৈ পাৰ্টিকলৈ আছি চকী এখনত আউজি বহি লৈ মুৰটো পেলাই ওপৰলৈ চাই হোৱাৰা অতীতটোকে মনত পেলাই আছে। তাৰ মৰমী মাক, চিৰপূজনীয় দেউতাক, শ্ৰদ্ধাভাজন কাকায়েক চেনেহৰ নবৌয়েক—মাজত কিহৰ প্ৰাচীৰ, কিহৰ ব্যৱধান? খং নহয়, অভিমান নহয়। তেন্তে কি? তাৰ হৃদয় কঠিন নহয়—অথচ কিয় তাৰ এই ছদ্মবেশী মন?

"এই ককাইদেউ, পূজাৰ বান্ধত ঘৰলৈ আহোঁতে মোলৈ কি আনিবা?" ইন্দুলৈ ঘূৰি চালে কুঞ্জনে, হাঁহি এটি মাৰি ক'লে—

"মৰমৰ টোপোলা এটি আনিম, হবনে?"

"ইচ খেঁদিয়া, তোমাৰ মৰমৰ বাবেহে যেন মই দিনেৰাতিয়ে কান্দি আছো।"

"কোন্না তেন্তে, কিহৰ বাবে তোমাৰ মন-প্ৰাণ কান্দে। আহোঁতে লৈ আহি তোমাক নিচুকাব পাৰিম।"

"কি আনিবা জানা—আনিবা বাৰু তোমাৰ পছন্দমতে কিবা এটা।"

"মই আনিব খোজা বস্তুটোৰ বাবে তুমি বোলে নাকান্দা—তুমিয়ে কলা দেখোন।"

"হলেও মৰম জানো টোপোলা বান্ধি আনিব পাৰি?"

"নিশ্চয় পাৰি—কাপোৰৰ টোপোলাৰে নহয় কিন্তু, মন অনুভূতিৰ টোপোলাৰে।"

এইজন ককায়েকক খঙকে কৰিব নে মৰমতে আকোৱালি লব ভাবি নাপালে ইন্দুৱে। কোনো পথ্যে কথাৰে মোৱাৰে তাক। প্ৰতিটো কথাতে তাইৰ সতে তৰ্ক কৰে, প্ৰতিবাদ কৰে, ওলোতাই কয়—কেতিয়াবা সঁচাকৈয়ে অভিপাত খং উঠি যায় তাইৰ। অথচ সি তাইক ইমান যে মৰম কৰে! সীমাহীন সেই মৰমৰ তুলনা নাই। অদ্ভুদ এই কুঞ্জন ককাইদেউটো।

"কুঞ্জন।" বৰুৱা পটিকলৈ আহি কুঞ্জনৰ সন্মুখত থিয় হ'ল।

"অ দেউতা?" কুঞ্জন বহাৰপৰা উঠিল।

"তোমাৰ সকলোবোৰ ঠিকঠাক হ'লনে?"

"হৈছে।"

"বাৰু, গৈয়ে টেলিগ্ৰাম কৰিবা, তাৰ পিচত চিঠি-পত্ৰ দিবা।"

ইন্দুৱে কুঞ্জনৰ কিলাকুটিত চিকুটি দি ভিতৰলৈ যাব খুজিলে।

"মাজনী, ভাইভাব নাই, ককায়েৰাক তুমিয়ে ষ্টেচনত থৈ আহিবা।"

"উঁ", ইন্দুৱে কুঞ্জনলৈ চাই হাঁহি এটি মাৰি ভিতৰলৈ গ'ল।

"কুঞ্জন, পঢ়াশুনা ভালদৰে কৰিবা। পুৰণি কথাবোৰ চিন্তা কৰি, দুখ কৰি নাথাকিবা। সকলোবোৰ নেদেখাজনৰ ইচ্ছা। যি হবৰ হৈ গ'ল। এতিয়া তোমাৰ ভৱিষ্যত কেনেদৰে উজ্জল কৰিব পাৰা তাৰে চেষ্টাত থাকিবা। জনাবুজা হৈছা—তোমাক যিনো বুজাম। তুমি তেনে যাবাগৈ। মোৰ অফিচত কাম অলপ আছে, তোমাক আৰু লগ নেপাম। ভগৱানত বিশ্বাস ৰাখি চলিবা। অসুবিধা হলে জনাবা।"

কুঞ্জনে আগবাঢ়ি গৈ বৰুৱাক সেৱা এটি কৰিলে।

"হব হব, ঈশ্বৰে তোমাক কুশল কৰক। মই আহিলোঁ।"

বৰুৱা গুচি গ'ল। আৰু বৰুৱা যোৱাৰকালে চাই থাকোতে কুঞ্জনৰ দুচকুৰেদি দুধাৰী লোটক নিগৰি আহিল। সি নিজৰ কোঠালৈ আহি চকীখনত বহি মূৰটো টেবুলত গুজি দি উচুপি থাকিল। ঠিক এনেদৰে এদিন তাৰ দেউতাকে তাক গুৱাহাটীলৈ যাওতে আশীৰ্ব্বাদ দিছিল, ককায়েকে বুজাইছিল, মাকে দঢ়াই দঢ়াই ভালদৰে পঢ়িবলৈ, ভালদৰে চলিবলৈ নানা সজ কথা কৈছিল। গুৱাহাটী অভিমুখে যাত্ৰা কৰোঁতে মাকে পদূলীলৈকে আগবাঢ়ি আহি দৃষ্টিৰ আঁৰ নোহোৱালৈকে তালৈ চাই আছিল। সেই গৰাকী তাৰ মাক—সহজ, সৰল, মৰমিয়াল মুখখনি—যিখন মুখৰ মধুৰ স্মৃতিয়ে তাক সদায় সৎপথত চলিবলৈ উদ্বুদ্ধ কৰিছিল।

আজি মাকে তাৰ অবিহনে কেনেকৈ দিন নিয়াইছে তাক সি নিজেই নাজানে—জানিবলৈ উভতি চোৱাৰ সময়ো তাৰ নাই। হয়তো তাৰ চিঠি পঢ়ি ককায়েকে এতিয়া বুজিব পাৰিছে নবৌয়েৰেক আৰু তাৰ মাজত কোনো অপ্ৰিয় সম্পৰ্ক নাছিল। হয়তো তেওঁ এতিয়া সিহঁতৰ প্ৰতি কৰা নিষ্ঠুৰ ব্যৱহাৰৰ বাবে মৰ্মে মৰ্মে অনুতাপ কৰি আছে।

"ঘৰলৈ মনত পৰিছে নেকি ককাইদেউ।"

"অ' তুমি, নাই নাই—এইবোৰ কি আনিলা?"

"উচপ খাব নালাগে—যোৱাৰ আগতে এইখিনি খাই গলে পেট উথহি নাযায় নহয়।"

"ইমানবোৰ খোৱাৰ পিচত পেট ভৰি আছে, তাতে এইবোৰ কিয় আনিলা? জাৰ্ণি কৰাৰ কথা।"

"একো নহয়, পেটৰ অসুখ হয় যদি ডাক্তৰখানা আছে নহয়। নিজেও দেখোন ডাক্তৰী পঢ়া ল'ৰা।"

"পঢ়িছোহে, ডাক্তৰ হোৱাটো নাই। আৰু ডাক্তৰখানা থাকিল বুলিয়েই ইচ্ছা কৰি অসুখ মাতি ঔষধ খাব নোৱাৰি নহয়।"

"অসুখ হলে ঔষধ খাবই লাগিব।"

"অসুখ যাতে নহয় তাৰবাবে সাৱধানো হব লাগিব।"

"ঠিক আছে, খোৱা মানুহৰ অভাৱ হোৱা নাই নহয়।"

"হৈছে বুজি কৈছো জানো? আৰু যদি সঁচাকৈয়ে অভাৱ হয়ো তুমি নিজৰ পেটতে আটাইখিনি সুমুৱাই নোহোৱাটোৱে প্ৰমাণ দিবা।"

"যোৱা. মোক অপমান কৰাৰ কোনো অধিকাৰ নাই তোমাৰ।"

"সঁচা কোৱাত অধিকাৰ, অনাধিকাৰৰ প্ৰশ্ন ক'ত?"

ইন্দুয়ে ভাবিলে কোনো উপায় নাই আৰু। গতিকে গুচি যোৱাই মঙ্গল ভাবি ট্ৰেখন হাতত লৈ খং মনেৰে আঁতৰি যাব খুজিলে।

"গলা দেখোন- খং কৰিলা নেকি. ৰবাচোন, কৰলগীয়া আছে নহয় মোৰ।"

হাতত আয়না এখন লৈ মুখ ফনিয়াই কুঞ্জনে কলে। তুৰাৰমুখ পাওঁ পাওঁ হৈ থমকি বৈ ইন্দুয়ে কুঞ্জনৰ কালে চাই উত্তৰ দিলে—

"আয়নাত প্ৰতিফলিত হোৱা তোমাৰ প্ৰতিবিম্বটোকে কি কমজগা আছে কোৱা।"

"মোৰ হৃদয়ত প্ৰতিফলিত হোৱা মৰমৰ ইন্দু ভনীজনীক কোৱাত বাধা কি?" তাৰ পিচত আয়নাখন দলিয়াৰি থৈ দৌৰ মাৰি গৈ ইন্দুৰ হাত খনত খাপ মাৰি ধৰি পেলালে। থিয় হৈ থকা ইন্দুৰে খণ্ডতে অইনমুৱা হ'ল।

"কি যে আঁকৰী জনী তুমি—বেয়াই পালা মোক?"

ইন্দু নিমাত। মুখ খন খণ্ডৰ উম্মাৰে যেন ৰঙা পৰি আছে।

"চোৱা ইন্দু, আধা ঘণ্টা পিচতে ষ্টেচনলৈ যাম। ভাত খাইছো, গতিকে এতিয়া চাহ জলপান খোৱাৰ প্ৰশ্নই নুঠে। খোৱা-বোৱাত অলপ হিচাবী হৈ চলা দৰ্কাৰ বুজিছা?

"একো বুজা নাই, চাও খাব দিয়া। এৰি দিয়ানা, খং উঠিব কিন্তু।"

"খং জানো নকৰালৈ আছা? বাক বাক, যোৱাৰ সময়ত তোমাৰ মনত আঘাট দি যোৱাৰ সাহস মোৰ নাই। মৰমেৰে তুমি মোক জয় কৰি আছা, বশ কৰি আছা, মোৰ সমস্ত হৃদয় অধিকাৰ কৰি পেলাইছা। দিয়া এতিয়া, মুখ মেলিছো, তুমি নিজেই এচা-মুচ খুৱাই দিয়া।"

ইন্দুৰ পৰা কোনো সঁহাৰি নাপাই কুঞ্জনে পুনৰ কলে—

"দিয়ানা প্লিজ—উঁ, উ হুব হুব—বচ্।"

"খালো এতিয়া, অ' নহল্ল, খুৱালা। এতিয়া সকৈ ভামোল এখন আনা। খুৱাব নালাগে, মই নিজেই খাব পাৰিম।"

মিচিকিয়া বিজয়ৰ হাঁহিটিৰে ইন্দু ভিতৰলৈ গ'ল ভামোল আনিবলৈ। কুঞ্জনে তাইলৈ চাই ভাবিলে—তাৰ মৃতা ভনী মৰমী নিশা জনী আৰু এই ইন্দুজনীৰ মাজত প্ৰাৰ্থক্য কোনখিনিত? কিবা জানো বিভেদ্যতা থাকিব পাৰে?

বাৰ

অৱশেষত স্বপনে বেণুক ত্যাগ কৰিলে। ত্যাগ কৰিলে মানে শহুৰেক প্ৰথম মাষ্টৰে নিজেই তাইক সোণপুৰলৈ লৈ গ'ল। কিন্তু বেণুইত যোৱাৰ পিচদিনাই আগদিনাখনৰপৰা ঘৰলৈ নহা কুঞ্জনৰ কথা চিন্তা কৰি তাৰ কোঠাত প্ৰবেশ কৰাত স্বপনে দেখিলে এখন দীঘলীয়া চিঠি, কুঞ্জনৰ—তেওঁলৈকে লিখিছে। চিঠিখন পঢ়ি তেওঁ অনুতাপত দগ্ধ হৈ পৰিল। কুঞ্জনে লিখিছে—

"আপোনাৰ মানসিক অন্তৰ্দ্বন্দ্ব বুজি তাৰ বাবে নিজকে দোষী বুলি জ্ঞান কৰি ঘৰ এৰিবলৈ বাধ্য হলোঁ। মই শেষত স্থিৰ সিদ্ধান্তলৈ আহিলোঁ যে একমাত্ৰ মোৰ অনুপস্থিতিতহে আপুনি নবৌৰ লগত সুখী হব পাৰিব। কাৰণ আপোনাৰ অশান্তি আৰু নবৌক বেয়া পোৱাৰ বা বেয়া ব্যৱহাৰ কৰাৰ মূলতঃ আচলতে ময়েই। ইয়াৰ বাবে মই কিন্তু আপোনাক ভুল কৰা বুলি কব খোজা নাই। তেনে এটা অৱস্থাত আপুনি বাহিৰত ৰতনা হৈ থকা বিভিন্ন অশ্লীল মন্তব্যবোৰ শুনি আমাক সন্দেহ কৰাটো অত্যন্তই স্বাভাৱিক কথা। কিন্তু জানে ককাইদেউ, মই এনেদৰে ঘৰ এৰি গুচি অহাৰ মূল কাৰণ হল—আপোনাৰ সন্দেহৰ বিষবৃক্ষডাল কলিতে ধ্বংশ হৈ যাওক, আপুনি আৰু নবৌ সুখী হওক। মই জানো মা আৰু দেউতাই মৰ্ম্মান্তিক সন্তাপ পাব, তথাপি মই বাধ্য। কাৰণ আপুনি আৰু নবৌ অসুখী হোৱাটো মই তিলমাত্ৰও বাঞ্ছা নকৰোঁ।

এটা সত্য কথা আপোনাক জনাব খুজিছো, জনাবৰ প্ৰয়োজন হোৱাৰ বাবে জনাইছো। এদিন মই নবৌক বিচাৰিছিলো। হয়তো তেৰোঁ। কিন্তু দুৰ্ভাগ্যই যেতিয়া আমাক এনেদৰে এটা প্ৰশ্নবোধক চিহ্ন মাজত ৰাখি বিচ্ছিন্ন কৰিলে, আমিও পৰস্পৰৰ জীৱনৰ পৰা আঁতৰি আহিলো। নবৌক মই মাতৃৰ স্থান দি

সেৱা কৰাৰ অঙ্গীকাৰেৰে মই মোৰ প্ৰেম আৰু বাসনা দুয়োটাকে জলাঞ্জলি দিলো। নবৌয়ে মোক 'বাপু' সম্বোধনেৰে দেৱৰ বুলি ভাতৃত্বৰ এনাজৰীত বান্ধি ৰাখিলে। আমাৰ মৰম বিনিময়ত নাই স্বাৰ্থ, নাই বিনিময়ত কিবা পোৱাৰ আকাংক্ষা। তথাপি কেৰোণ নামিল। আমাৰ পূৰ্ব্বৰ সম্পৰ্কৰ সম্ভেদ পোৱা কোনো ব্যক্তিয়ে নিশ্চয় গাঁৱত গোপনে প্ৰচাৰ কৰি গ'ল সেই নিৰ্মম সত্যটি—যি সত্যক আমি উভয়ে ইতিমধ্যে পাহৰি পেলাই তাতকৈ ডাঙৰ সত্য এটিক স্বীকাৰ কৰি লৈছোঁ। তথাপি মানুহৰ অপপ্ৰচাৰে আপোনাৰ মনত সন্দেহৰ বীজ সিচি দিলে। এক তীব্ৰ মানসিক অন্তৰ্দ্বন্দ্বই আপোনাক দংশন কৰি থাকিল যাৰ প্ৰতি-ক্ৰিয়াবোৰ অত্যাচাৰ হৈ বৰ্ষিব ধৰিলে নবৌৰ হৃদয়ত। জানে ককাইদেউ—খীৰাই অনা গাখীৰৰ দৰে নবৌ পবিত্ৰ, পুৱাৰ বেলিটোৰ দৰে নিষ্কলুষ। সেয়ে তেওঁ আপোনাকে দেহে মনে চিৰদেৱতা বুলি জ্ঞান কৰি এজনী নাৰীয়ে পুৰুষক দিব পৰা সকলোখিনি মৰম আপোনাকে নিবেদন কৰিব বিচাৰে। তেওঁক আপুনি ভুল নুবুজিব ককাইদেউ, মৰমৰ চকুৰে চাব। মই আজিও স্বীকাৰ কৰোঁ। তেওঁৰ দুখ মই সহিব নোৱাৰোঁ। আজিৰ ঘটনাক্ৰমত যি ব্যতিক্ৰম দেখিছে, সেয়া আপোনাৰ ভ্ৰম আৰু ভ্ৰান্ত ধাৰণা মাত্ৰ। গতিকে নবৌক ত্যাগ কৰাৰ যি অভাৱনীয় আৰু অবিবেচক পৰিকল্পনা লৈছে তাক অতি শীঘ্ৰে পৰিহাৰ কৰি নবৌ আৰু নৱাগত আগন্তুক জনাৰ সন্মান ৰক্ষা কৰক। এয়ে মোৰ বিশেষ অনুৰোধ। হয়তো বহুদিন পিচত আপোনাক লগ পাম। মা দেউতাৰ নিৰাপত্তাৰ ভাৰ আপোনাৰ ওপৰত—যিহেতু মই নিজে নিৰাপত্তাহীন। তেওঁলোকে মোক লৈ যাতে চিন্তা নকৰে। মোক বিচাৰিব নালাগে। প্ৰকৃতিয়ে মাৰি নিনিলে মই নিজে আত্মঘাতী হবলৈ ঘৰ এৰা নাই। মোৰ এই ত্যাগৰ বিপৰীতে আপোনালোকৰ জীৱন মধুময় হোৱাটো কামনা কৰিছোঁ। মোৰ বাবে নাভাবিব। কিবাকৈ চলি যাম।

বহল পৃথিৱীখনিত চলিবৰ বহু পথ আছে। মোৰ বাবেও এটা হয়। অৱশেষত আপোনাৰ আৰু নবৌৰ মধুৰ মিলন আশা কৰি সামৰিলো।"

কিন্তু এয়া স্বপনে কৰিলে কি? উত্তেজনাৰ বশবৰ্ত্তী হৈ মূৰ্খ মানুহৰ ব্যঙ্গ প্ৰৰোচনাত বিবেকচ্যুত হৈ এজন বিশ্বস্ত ভাতৃক সন্দেহ কৰিলে, প্ৰাণৰ আপোন মৰমৰ ৰেণুজনীক সন্দেহ কৰিলে—যাৰ পৰিণতি স্বৰূপে দুয়োজনকে হেৰুৱাবলগা হ'ল? অথচ সেই দুজনেই তেওঁৰ অতি মৰমৰ। এই ভুলৰ সংশোধন জানো কেতিয়াবা হব? ৰেণুক কেনেকৈ ঘূৰাই আনিব তেওঁ—লাজ, ভয়, জড়তা, কেনেকৈ যাব শহুৰেকৰ ঘৰলৈ—ৰেণুক ভিক্ষা কৰিবলৈ? তেন্তে প্ৰাণৰ ৰেণুজনীৰ লগত তেওঁৰ সম্পৰ্কৰ সঁচাকৈয়ে জানো শেষ? কুঞ্জনে ভাৱিছে এই চিঠি পাই মই ৰেণুক মৰম কৰিম—কিন্তু এই চিঠি পঢ়াৰ আগতে যে ৰেণু হেৰাই গ'ল। কুঞ্জন এদিন আহি শুনিব মই ৰেণুক—নাই, নাই? স্বপনে আৰু ভাবিব নোৱাৰা হৈ পৰে। ৰেণুক আনিবও নোৱাৰে, বোলুক পাহৰি থাকিবও নাৱাৰে। কেনেকৈ পাহৰিব সেইখনি মৰম সনা মুখ—যাৰ হৃদয়ৰ মৰম আৰু দেহৰ উত্তাপে তেওঁৰ জীৱনলৈ শান্তিৰ, তৃপ্তিৰ বতৰা আনিছিল? ধূমপানৰ প্ৰতি অনাসক্ত স্বপনে আজি চিগাৰেটৰ ধোঁৱাৰে হৃদয়ৰ বেদনা আৰু ক্লিষ্টতাৰ জ্বালাবোৰ উৰুৱাবলৈ বৃথা চেষ্টা কৰিছে নেকি? চিগাৰেটৰ ধোঁৱাই এটি ভুলৰ শুধৰণী নানে—সেই কথা স্বপনে বুজিও যেন বুজা নাই, জানিও যেন জনা নাই।

আৰু মাক? মাকৰ চকুত টোপনি নোহোৱা অৱস্থা। ভাত নাখায় পেটলৈ, চকু পানীৰে বাট নেদেখা হ'ল। আত্মীয় সকল কুঞ্জনৰ চিন্তাতকৈ মাকৰ চিন্তাহে বেছিকৈ কৰিলে। সকলোৱে বুজালে, 'কুঞ্জন বুদ্ধিমান, সজ্ঞ। নিশ্চয় কৰবাত কিবা এটা কৰিব। আৰু সিটো মৰিম বুলি ঘৰ এৰা নাই, গতিকে কৰবাত নহয় কৰবাত সংস্থান এটা গোটাব। আৰু এদিন সি আহিবই, সি মাকক কেতিয়াও নাপাহৰে, ঘৰ খন কেতিয়াও নাপাহৰে।'

ৰমাকান্তই উমাশংকৰক বুজনি দিলে—"দুখ কৰি জানো কিবা লাভ আছে সখি ? চাবা মই আজিয়ে কৈ থলো, এদিন কুঞ্জন ডাঙৰ মানুহ হৈহে ঘৰলৈ ফিৰিব। সৰুৰে পৰাই তাক মই লক্ষ্য কৰিছোঁ, তাৰ বহুত গুণ আছে, ডাঙৰ মানুহ হব পৰা গুণ। আমাৰ ডাঙৰ বোপাৰ কথাকে ভাবাছোন। দুবাৰো মেট্ৰিক দি পাচ কৰিব নোৱাৰি ঘৰৰ পৰা ওলাই গৈ পুলিচত ভৰ্ত্তি হ'ল। এতিয়া কোনোবা এটা পুলিচ আউটপোষ্টত ও.চি হৈ আছে। বোপাক ভগবানে কুশলে ৰাখিলে আৰু উন্নতি কৰিব। সিটো ঘৰৰ পৰা ওলাই যাওতে কান্দিয়া কৰিহে গৈছিল। সকলো ভগবানৰ ইচ্ছা সখি। তুমি সেইবোৰ ভাবি নিজক দুৰ্বল কৰিলে সিপিনে তেওঁৰ অৱস্থা আৰু শোচনীয় হব। তুমি দৃঢ় হৈ তেওঁক চিন্তা নকৰিবলৈ বুজনিহে দিব লাগিছিল।"

উমাশংকৰেও সখিয়েকৰ কথাত হয়ভৰ দি বিষাদ মনেৰে দুৰণিৰ আকাশ খনলৈ চালে। এচপৰা কলা মেঘে বেগেৰে আগবাঢ়ি আহিছে—যেন তেওঁক গ্ৰাসহে কৰিব। সেই কলা মেঘ চপৰালৈ চাই চাই তেওঁ ভাবিলে, তেওঁৰ জীৱনলৈকো কলা মেঘ নামিছে। ইমান দিনে শান্তিৰ মাজেৰে কাল কটাই বাৰ্দ্ধক্যৰ সময়ত এনে এক অভাবনীয় দুৰ্যোগ আৰু ক্লিষ্টতাৰ মাজত সোমাই পৰি হাবাথুৰি খাইছে। হয়তো পূৰ্বজন্মত কিবা দোষ বা পাপ কৰিছিল, যাৰ প্ৰায়শ্চিত্ত আজি জীৱনৰ শেষ অধ্যায়টোত কৰিব লগা হৈছে।

গোটেই গুৱাহাটী, তেজপুৰ, নগাওঁ, ধুবুৰী আদি বিভিন্ন ঠাইত বিচাৰি চালাথ কৰি অৱশেষত ৰোহিত কুঞ্জনহঁতৰ ঘৰলৈ উভতি আহি উমাশংকৰক জনালে—কুঞ্জন নিশ্চয় উজনি অসমত আছে। কিবা জীৱিকাৰ সংস্থান লৈয়ে আছে নিশ্চয়। সি বহুত বিচাৰিলে, বহুঠাইত অনুসন্ধান কৰিলে, কিন্তু কোনো শুংসূত্ৰ নাপালে।' ৰোহিতে বুজালে—কুঞ্জন বুধিয়ক, উপযুক্ত বয়স হৈছে, আৰু প্ৰতিষ্ঠা লাভ কৰাৰ সকলোখিনি সম্বল তাৰ আছে। গতিকে চিন্তা কৰি লাভ

নাই। সি কুশলেই আছে। অদূৰ ভৱিষ্যতত ঘৰলৈ মনত পৰিলে নিশ্চয় ফিৰিব।

বোহিতে বিমানইতৰ ঘৰলৈকো গৈ কুঞ্জনৰ বতৰা দিলে। সকলো শুনি বেণুৱে মাত্র অকলে অকলে নিজৰ কোঠাত শুই শুই থিনালে। তাইৰ বাবে আজি কুঞ্জন গৃহহাৰা হ'ল। ডাক্তৰ হোৱাৰ হাবিয়াস এটি মাত্র সপোন হৈয়ে ৰ'ল। কিন্তু তাই জানো ভুল কৰিছিল? এৰা, তাই ভুলেই কৰিছিল, কুঞ্জনৰ লগত সেইখিনি সম্পৰ্ক নৰখা হলে ঘটনাই ইমান খিনি সিপাৰ নেৰাখিলেহেতেঁন। সকলো বিপৰ্য্যয়ৰ বাবে বেণুৱে নিজকে দোষী বুলি ভাবিলে। অথচ বেণুৱে নিজৰ জীৱনৰ কথা কাহানিও চিন্তা কৰা নাছিল। তাই মাত্র চিন্তিছিল কুঞ্জন আৰু স্বপনৰ উজ্জ্বল ভৱিষ্যত, দুখন পবিত্র হিয়াৰ সৰ্বাঙ্গীন মঙ্গল। তাই তাতে লভিব খুঁজিছিল শান্তি আনন্দ। কিন্তু ক'ত পালে শান্তি? কুঞ্জন গৃহত্যাগী হ'ল—তাইৰ জানো এযা শান্তি? দেৱোপম গিৰীয়েৰৰ পৰা বিচ্ছিন্ন হৈ থকাটো তাইৰ বাবে জানো আনন্দ? স্বপনৰ আলিঙ্গন, স্বপনৰ মৰম তাইযে পাহৰিব নোৱাৰে। তাতে তাইৰ গৰ্ভত স্বপনৰ সাক্ষী।

মাক আৰু দেউতাকে বেণুক আগতকৈয়ো অত্যাধিক স্নেহৰ চকুৰে চায়। ভুলতো হৈ যোৱা দুৰ্ঘটনাৰ কথা উল্লেখ বা আলোচনা নকৰে। বেণুৰ দুৰ্য্যোগক অতি সহজ ভাবেই গ্রহণ কৰিছে মাক দেউতাকে। বিয়া নহৰলৈ কিমান যে আপত্তি নকৰিছিল তাই। কিন্তু কোনেও নুশুনিলে তাইৰ কথা, কোনেও নুবুজিলে তাইৰ হৃদয়ৰ ব্যথা—যাৰ বাবে আজি তাই এটা ভৱিষ্যতৰ অভিশাপ শিৰ পাতি লব লগা হ'ল। সেয়ে বেণুৰ বাবে তিলমাত্রও কোনো যত্নৰ ত্রুটি নকৰে তেওঁলোকে। সদায় লক্ষ্য ৰাখে বেণুৱে যাতে ভুলতো অনুভৱ নকৰে যে তাই ঘৰখনৰ বাবে এটি বোজাস্বৰূপ।

গুৱাহাটীৰ পৰা বিমানে বেণুক চিঠি দিয়ে। জীয়াই থকাৰ প্রেৰণা ভৰা চিঠি, দুৰ্ভাগ্যক প্রত্যাহ্বান কৰি নৈতিক বলেৰে আৰু

একাগ্ৰতাৱে জীয়াই থকাৰ প্ৰবৃত্তিৰ দাবী ভৰা চিঠি, বহুত উপদেশ। যিমানে এখন চিঠিত লিখিছিল—

"জানা বেণু, আমাৰ জীৱনত বহুতো দুৰ্ঘটনা নামে, বহুতো ঘাট প্ৰতিঘাটৰ সন্মুখিন হওঁ। অহাটোক আমি বাধা কৰিব নোৱাৰো। এই যে দুৰ্ঘটনা—তোমাৰ জীৱনতো ইয়াক এটি দুৰ্ঘটনা বুলিয়ে স্বীকাৰ কৰা। এটি সাধাৰণ মানসিক দুৰ্ঘটনা। সেইবুলি নিৰাশ নহবা, ধৈৰ্য্য নেহেৰুৱাবা। জীৱনটো আশা আৰু কল্পনাৰ বস্তু। এই দুটাক অস্বীকাৰ কৰিলে জীৱনৰ অস্তিত্বক অস্বীকাৰ কৰাহে হব। আশা কৰা, হেৰোৱা অতীতক ঘূৰাই পাবলৈ, হেৰোৱা বংবোধ ঘূৰাই পাবলৈ ধৈৰ্য্য আৰু মনোবলেৰে বাট চোৱা। যদি অতীত পাহৰি নতুন ভৱিষ্যত গঢ়িবলৈ হাবিয়াস আছে, খুলি কোৱা। তোমাৰ সুখৰ বাবে, শান্তিৰ বাবে মা দেউতা বা মই কোনেও কোনো প্ৰকাৰৰ যত্নৰ অৱহেলা নকৰোঁ। তোমাৰ বাবে আমি সকলো ধৰণৰ ত্যাগ কৰিবলৈ প্ৰস্তুত, মাত্ৰ তুমি দুখ কৰি মনমাৰি নাথাকিবা, শোকৰ চকুলো দুটুকিবা। ৰাতিৰ পিচত দিন আহে বেণু—দুৰ্ভাগ্যৰ দিনবোৰ, জীৱনৰ অমানিশাৰ ৰাতিবোৰ পাৰহৈ যোৱাৰ পিচত সৌভাগ্যই চকুমেলি নিশ্চয় চাব, পূৰ্ণিমাৰ উজ্জল পোহৰ নিশ্চয় দেখিবা। জানা বেণু—আমি জীৱনত সন্মুখিন হোৱা সংঘাটবোৰে কেতিয়াবা জীৱনলৈ বঙো, কঢ়িয়াই আনে, জীৱনটো মধুৰ কৰিবও পাৰে। আচল কথা হ'ল ধৈৰ্য্য আৰু মনৰ স্থিৰতা। আমাৰ নৈৰাশ্যত শান্তিৰ বাণী কঢ়িয়াব পাৰে এই ধৈৰ্য্য আৰু মনৰ স্থিৰতাই। কিন্তু বেণু, সপনক তুমি ভুল নুবুজিবা। সিও নিৰ্দ্দোষ বেণু, যেনেদৰে তুমি বা দুজন নিৰ্দোষ। দোষ ক'ত জানা? আমাৰ সমাজৰ মানুহবোৰৰ ভিন্নৰূপী দৃষ্টিভঙ্গি, স্বাৰ্থান্ধতা, হিংসা, খিয়াল, নৈতিক অধোগতি, মানুহক মানুহ বুলি বিবেচনা কৰিব পৰা ক্ষমতাৰ অভাৱ। সপনে তাকে বলি হৈ তোমাক আৰু দুজনক ভুল বুজি এই ভুলটো কৰি

পেলালে। সংযত বিবেকক আত্মস্বাধীনত ৰখাৰ সীমাৰেখা ভাল পাবহৈ যোৱা বাবে তাৰ আচৰণ অসংযত হ'ল বেণু, সি তোমাক ত্যাগ কৰিলে। ভুল সকলো মানুহে কৰে বেণু। আমি জীৱনত বহু ভুল কৰোঁ। কিন্তু সেই ভুলবোৰকে সদায় ভুল বুলি ভাবি থাকি কৰ্তব্য বিমুখ হৈ বিফল মনোৰথ হৈ ৰহি থাকিলে চলৰ জানো? আমি আত্মশুদ্ধিৰ পবিত্ৰতাৰে আৰু সংযত, সুস্থ বিবেক চিত্তেৰে ভুলৰ বিনিময়ত ৰচিব পাৰিব লাগিব জগৎশুদ্ধি সাৰ্ব্ব পবিত্ৰতা। নহলে আমাৰ কৰি যোৱা ভুলৰ প্ৰকৃত সংশোধন নহব। ভুলবোৰ উপলব্ধি কৰি আত্মশুদ্ধিৰে তাক ধুই নিকা কৰিব পাৰিলে আমাৰ মনবোৰ যৰকাল হয়। অনুতপ্ততাত পাপবো খণ্ডন হয় বেণু। তেতিয়া জীৱনত সুখ আৰু শান্তি আছে। তেনে শান্তিময় এটি মধুৰ ভবিষ্যতৰ বাবে গভীৰ আস্থা আৰু বিশ্বাসেৰে, ধৈৰ্য্য আৰু স্থিৰ চিত্তেৰে, একান্ত দৃঢ়তা আৰু মনোবলেৰে বাটচোৱা।"

তেনেদৰে দুটা পৰিয়ালৰ শোক, দুখ, কাৰুণ্য আৰু নৈৰাশ্যৰ মাজেদি দিনবোৰ অতিবাহিত হৈ থাকোতে হঠাতে এদিন হাঁহিৰ বেঙনি নামিল প্ৰমথ নাথৰ ঘৰত। এটি কেচুৱাৰ কান্দোনে পৰিয়ালৰ, ওচৰ চুবুৰিয়া সকলোৰে মুখত হাঁহি বিৰিঙালে। বেণুৰ পুত্ৰ সন্তান এটি জন্ম হ'ল। সময়ৰ লগে লগে কেচুৱাটি শিশু হ'ল। শিশুৰ হাঁহিয়ে বেণুৰ জীৱনলৈ আনি দিলে শান্তিৰ বতৰা, বেণুৰ মাক-দেউতাকৰ মনলৈ আনি দিলে আনন্দ। সকলোৰে অ.শাসৰ লাক হৈ পৰিল বাতুল। ককাক আৰু আইতাকৰ বাবে বাতুল চকুৰ মণি, এখন্তেক চকুৰ আঁতৰ হলেই তেওঁলোকৰ প্ৰাণ অসহনীয় হৈ উঠে। বাতুলেও তেওঁলোকৰ কোলা পালে মাকৰ বুকুৰ অমৃতৰ কথাও পাহৰি যায়। সেইহেন দেৱোপম শিশু বাতুলৰ আগমনে তমসাই আগুৰি থকা প্ৰমথ নাথৰ পৰিয়ালত পুৰ্ণিমাৰ জোনাক আনিলে। সেই জোনাকে এটি স্বপ্ন বিলাসী

ভৱিষ্যতলৈ প্ৰতীক্ষা কৰিবলৈ বেণুৰ মনত নতুন শক্তি দান কৰিলে, নতুন উদ্যম আনি দিলে। বেণুৰ অতদিনৰ বেদনাৰ অশ্ৰুধাৰা আনন্দৰ লোটকলৈ ৰূপান্তৰিত হ'ল। নতুনকৈ জীৱনটোক উপলব্ধি কৰিবলৈ শিকালে বেণুক।

নিচেই কাষতে শুই থকা বাতুলৰ মুখ খনিলৈ ব' লাগি চাই থাকি বেণু আপোন বিহ্বল হৈ কেতিয়াবা ভাবে, এইয়া যে স্বপন। দুপৰীয়া ভাত খুৱাওঁতে বাতুলে অস্ফুট কণ্ঠেৰে যেতিয়া বেবেৰিবাং শব্দ কেইটামান গাবলৈ ধৰে, বেণুৱে ভাবে কুঞ্জনে তাইৰ লগত যেন কথা পাতি আছে। তাৰ পিচ মুহূৰ্ত্ততে বেণুৰ মুখৰ শ্ৰী হেৰাই যায়। তপত চুমুনিয়াহ এটি এৰি দি বাতুলক মুখ ধুৱাই দি বুকুৰ মাজতে সাৱতি লয়। এয়া স্বপনো নহয়, কুঞ্জনো নহয়—কিন্তু স্বপন, কুঞ্জনতকৈও বেণুৰ জীৱনৰ বাবে ডাঙৰ সত্য—এয়া বাতুল, বাতুল চৌধুৰী।

সিফালে এদিন ৰমানন্দ সখিয়েকৰ ঘৰলৈ গৈ কলে—

"সখি, সু-খবৰ এটি আনিছোঁ, পিচে শুনিহে দুখ পাবা।"

"সুখবৰ, অথচ শুনি দুখ পাম, এয়া কেনে সুখবৰ সখি?"

"আজি এইখন ঘৰ কেচুৱাৰ কান্দোনেৰে ৰজনজনাব লাগিছিল, আজি এই ঘৰ কেচুৱা জন্ম পোৱাৰ উৎসৱেৰে মুখৰিত হব লাগিছিল।"

"বুজিছো সখি—পিছে বোৱাৰীৰ সন্তান বত্ন জন্ম পালে কেতিয়া? ইমান এটি সুন্দৰ খবৰ আনিছা সখি। অ' শুনিছানে খোপাৰ মাক, শুনিছানে, দৌৰি আহা, বেগতে আহা।"

"কি হ'লনো হঠাতে আজি? এনেকৈ উত্ৰাৱলহৈ মাতিছে কিয়?"

"উত্ৰাৱল নহয়? কি কোৱাহে তুমি? চোৱাহে সখি এওঁৰ কথা চোৱা। মই উত্ৰাৱল নহয়—তুমিও উত্ৰাৱল হবা বুজিছা, আকুল হৈ পৰিবা। তুমি শুনা নাই—বোৱাৰীয়ে সন্তান বত্ন এটি

জন্ম দিছে। ই যে আমাৰ বাবে ইমান আনন্দৰ কথা, ইমান সুখৰ কথা। সখি এওঁ আকৌ সুধিছে কিয়নো উত্ৰাৱল হৈছো।”

বৃদ্ধ উমাশংকৰে চকুৰ পানীক বাধা দিব নোৱাৰিলে। নোৱাৰিলে স্বপনৰ মাকে। ৰমানন্দৰো চকু দুটা চলচলীয়া হ'ল।

“এবাৰ যদি পোণাকণক বুকুৰ মাজত সাবতি লব পাৰিলোঁ হেঁতেন, ইমান দিনৰ দুখ, দৈন্যতা সকলো পাহৰি গলোহেঁতেন। সকলো থাকিয়ো মই আজি শূন্য। কাৰ বাবে জীয়াই আছো নিজেই নাজানো। পিছে ল'ৰা নে ছোৱালী?”

প্ৰায় কান্দি কান্দি কোৱা স্বপনৰ মাকক অলপ শান্তনা দিযাৰ সুৰতে ৰমানন্দই কলে—

“ল'ৰা সন্তান সখী, নাম ৰাতুল। এনে এটি সু খবৰ পাই চকুপানী টুকিব নাপায়, সকলো ভগবানৰ ইচ্ছা। বোপাই সাত পুৰুষলৈকে নকৰা কাম কৰিলে। পিচে তাৰো দোষ নাই, আচলতে কাৰোৰে দোষ নাই—বিধাতাৰ লখন, নাযায় খণ্ডন। ভগৱানে হয়তো পৰীক্ষা কৰি চাইছে? তাকে ভাবি শান্তনা লাভ কৰিব লাগিব। য'তে নাথাকক সেই সন্তান এই খন ঘৰৰ, তাৰ দাবী, তাৰ স্বত্ব এইখন ঘৰতহে। এইখন ঘৰৰ দাবী আৰু মোহে এদিন তাক মাতি আনিব সখী।”

“জানো—কিন্তু মনে আৰু নসহা হৈছে। এনেহেন খবৰ এটা পাই কোন সতে ধৈৰ্য্য ধৰি থাকো, নিজে গৈ চাই অহাৰো পথ বন্ধ। হে ভগবান, তোমাৰ কৰুণাই যেন এই পথটো সোনকালে মুকলি কৰি দিয়ে। আপুনি বুটমাহ, ফলমূল উপকৰণ আদি যিবোৰ লাগে এতিয়াই আনি থওক। গধূলিলৈকে নৈবেদ্য এভাগ আগ বঢ়াব লাগিব। পোণাকণৰ জীৱনৰ কল্যানৰ হকে, মঙ্গলৰ হকে মহজন গুৰুতক মাতি নাম প্ৰসঙ্গ অলপ কৰিব লাগিব। আপুনি বহকচোন সখি—মই চাহ জলপানৰ দিহা কৰোঁ। বহু দিনৰ মুৰত শান্তিৰে, পৰম তৃপ্তিৰে উশাহ লব পাৰিছো গুথাপি।

মোৰ সোনাকণ, কাষত নাথাকিলেও য'তে আছা ততে যেন কুশলে থাকা মোৰ সোণ, ভগবানে যেন সৰ্বদা তোমাৰ মঙ্গল কৰে !"

আৰু স্বপন ? অনুতাপত দগ্ধ হৈ শয়নে সপোনে মাথোন ৰেণুৰ প্ৰতিচ্ছবি দেখে। খোৱালোৱা, ফুৰাচকা কতো স্পৃহা নাই। বাৰে বাৰে অতীতলৈ মনটো উৰা মাৰে। সেই ৰেণুৰ স্পৰ্শ, ৰেণুৰ উত্তাপ, কিমান যে তৃপ্তিৰ। ৰেণুৰ মৰম—কি যে প্ৰশান্তি। তাপিত হিয়া শাঁত পৰি যায়। ইমান মৰমিয়াল ৰেণুজনীক সি কিয় ইমান শাস্তি দিলে ? কিয় ইমান অন্যায় কৰিলে ? সি ইমান নিৰ্দ্দয় হৈছিল কিয় ? ইমান বিবেকচ্যুত হৈছিল কিয় ? কিয় গাঁৱৰ অবিবেচক মূৰ্খৰ দল এটাৰ সমালোচনাক সত্য বুলি জ্ঞান কৰি চেনেহৰ ভাতৃৰ মনত দুখ দিবলৈ গ'ল। মৰমৰ ৰেণুজনীৰ জীৱনলৈ কিয় অশান্তি মতাই আনিলে ? তেওঁৰ জ্ঞান, তেওঁৰ শিক্ষাৰ অৰ্হতা, তেওঁৰ সামাজিক মৰ্য্যাদা সকলোবোৰ পাহৰি বাৎসল্য ক্ৰোধ আৰু অভিমানেৰে কিয় তেওঁ ৰেণুক ত্যাগ কৰিলে ?

বাতুল—তেওঁৰ যৌৱনৰ সাক্ষ্য বহন কৰি শম্ভুৰেক প্ৰমথ নাথৰ ঘৰত ডাঙৰদীঘল হোৱা বাতুল, পিতৃ হৃদয়ৰ গৌৰৱ ভাষাৰে বৰ্ণাব পাৰি জানো ? এদিন বাতুল ডাঙৰ হ'ব, শুনিব তাৰ নিৰ্দ্দয় দেউতাকে তাৰ জন্মৰ আগতে মৰমী মাকক ঘৰৰপৰা উলিয়াই দিছিল। তেতিয়া মাতৃৰ প্ৰতি চেনেহত তাৰ মন প্ৰাণ কান্দি উঠিব আৰু দেউতাকৰ প্ৰতি তাৰ হৃদয়ত ঘৃণাভৰা প্ৰতিশোধৰ জুই দপ্ দপ্কৈ জ্বলি উঠিব। মাতৃক কৰা অপমানৰ প্ৰতিশোধ লবলৈ বাতুল এদিন তেওঁৰ ওচৰলৈ আহিব। তেওঁ কৰা অন্যায় আৰু অবিচাৰৰ কৈফিয়ৎ বিচাৰিব। স্বপনে জানো সেইদিনা পুত্ৰৰ আগত কৈফিয়ৎ দিব পাৰিব ?

মনত পৰে স্বপনৰ, তেওঁলৈ বাট চাই থকা ৰেণুজনীয়ে তেওঁক অহা দেখিলেই হাঁহি মাৰি আগবঢ়াই আনে, মৰমসনা কথা পাতে, চোলাৰ বুটাম কেইটা খুলি দিয়ে, মুখহাত ধুবলৈ পানী যতনাই

দিয়ে, চাহ জলপান সজাই দি কাষতে থিয় হৈ বিচনিৰে বা দি থাকে। তেনেদৰে চাহ খাই থাকোতে কঁপা কঁপা মাতেৰে এদিন বেণুৱে তেওঁক কৈছিল—

"এটা কথা কওঁনে আপোনাক ?"

স্বপনে মূৰ তুলি তাইলৈ চাইছিল।

"কওঁনে এটা কথা, কওঁ কওঁ বুলি আজি কেবাদিনো আপোনাক কব পৰা নাই।"

"কথা এটা কবা, ইমানকৈ অনুমতি লব লাগেনে ? কোৱা।"

"এতিয়া নকওঁ দিয়ক" কিবা যেন অলপ ভাবি তেনেকৈ কৈছিল বেণুৱে।

"কিয়নো ?"

"লাজ লাগে।"

"কি লাজ লগা কথানো ?"

"শুবৰ সময়ত কম।" লাজতে তলমূৰকৈ কৈছিল বেণুৱে।

"তেতিয়া জানো লাজ নালাগিব ?"

"কমকৈ লাগিব। সেইবোৰ চোৱাব নালাগে এতিয়া। ভাল মানুহৰ দৰে খোৱা শেষ কৰক। মোৰ অন্য কাম আৰু নাই বুলি ভাবিছে নেকি ?"

"নিশ্চয় ভবা নাই। এয়া খোৱা মই শেষ কৰিলোৱেই।"

তাৰ পিচত স্বপনে নিজৰ কোঠালৈ গৈছিল। মনটো উচপিচাই আছিল, কি কথানো কব খুজিছে বেণুৱে ? কিনো লাজ লগা কথা ? তেনেতে তামোল দিবলৈ অহা বেণুক দুয়োখন হাতেৰে আঁকোৱালি ধৰি কৈছিল—

"কোৱা এতিয়া কি কথা কম বুলিছিলা ?"

"চাও এৰি দিয়ক, পিচত কম বুলিছো নহয়।"

"নহয়, এতিয়াই কোৱা। কোনো নাই, মাত্ৰ তুমি আৰু মই। ইয়াত একো লাজ থাকিব নোৱাৰে। কোৱা সোনকালে নহলে।"

"নহলে কি কৰিবনো ?"

"নোকোৱালৈকে এনেদৰে তোমাক সাবতি ধৰি থাকিম ।"

এই বুলি কৈয়ে স্বপনে বেণুক আৰু সজোৰে সাবতি ধৰিছিল । তেতিয়া অপলক দৃষ্টিৰে তেওঁৰ মুখৰফালে চাই বেণুৱে কৈছিল—

"তেনেহলে মাই মোক মাতি মাতি বিচাৰি নাপাই ইয়ালৈ আহি আমাক এনে অৱস্থাত দেখিলে লজাপালিটো আপুনিহে পাব ।"

তাই জোৰকৈ স্বপনৰ বাহু বন্ধনৰ পৰা নিজকে মুক্ত কৰিছিল ।

"ঠিক আছে, এতিয়া কোৱা । মুকলি কৰি দিছোঁ, কিন্তু যাবলৈ দিয়া নহব । মনত ৰাখিবা ।"

"এতিয়া নকওঁ বুলছো নহয়—নকওঁ, নকওঁ, নকওঁ ।"

"ঠিক নোকোৱা" স্বপন আগবাঢ়ি গৈ তলমূৰ কৰি থকা বেণুৰ নিছেই ওচৰ চাপি তাইৰ ফালে আকুল নয়নে চাইছিল । তাৰ পিচত পুনৰ নিবিড় আবেগেৰে বুকুৰ মাজত সাবতি ধৰি সক সক কৈ তাইক কৈছিল—

"মোৰ হৃদয়ৰ সকলোখিনি মৰম দিও মই ভাবো মই যেন তোমাক একো দিব পৰা নাই । তোমাৰ মৰমেৰে আপ্লুত মোৰ হৃদয় । তথাপি মোক এটি কথা কওঁতে তোমাৰ ইমান টান লাগিছে ? মোৰ প্ৰতি তোমাৰ জানো বিশ্বাস নাই ?"

স্বপনৰ তেনে প্ৰশ্নত বেণু কঁপি উঠিছিল । এবাৰ তেওঁৰ ফালে চাই পিচত তলমূৰকৈ লাহে লাহে কৈছিল—

"কেই দিনমান আগতে মাই মোক কথা এটা সুধিছিল ।"

"কি কথানো ?" স্বপন উৎকণ্ঠিত হৈ পৰিছিল ।

"গা ধুৱৰ কিমানদিন হ'ল বুলি - আজিলৈ তিনি .."

আৰু কব পৰা নাছিল বেণুৱে । "সঁচা" বুলি চিঞৰি প্ৰবল উত্তেজনাৰে স্বপনে বেণুক সাবতি ধৰি গালত, মুখত, ওঠত পাৰ্য্যমানে চুমা ৰৰষিছিল । মৰমেৰে আপ্লুত হৈ বেণু স্বপনৰ কোলাত পৰম শান্তিৰে সোমাই পৰিছিল ।

তেৰ

এম. বি. বি. এসৰ শেষ পৰীক্ষাত কুঞ্জন সুখ্যাতিৰে উত্তীর্ণ হ'ল। ইন্দুৰ কি যে আনন্দ। তাতোকৈ ডাঙৰ আনন্দৰ কথা কুঞ্জনে এক, আৰ. চি. এস পঢ়িবলৈ এডিনবাৰ্গলৈ যাব। খবৰখনত উলাহৰ জ্যোতি, ইন্দুৰ উৎসাহৰ তৎ নাই। অকলশৰে লগধৰি সুধাৰ কথা পাতিবৰ প্ৰবল হেঁপাহ তাইৰ—কুঞ্জনটোৰ যেন আজৰিযে নাই। মানুহ আহিছে, সম্ভাষণ জনাইছে তাক- সেইবোৰক আপ্যায়িত কৰাতে ব্যস্ত কুঞ্জন। ভনীজনীলৈ চকুমেলি চাবৰ সময় ক'ত? খঙো উঠিল ইন্দুৰ। আনন্দৰ অতিশয্যাত কুঞ্জনক কাষত নাপাই ইন্দু যেন যন্ত্ৰণাত চটফটাই থাকিল।

এটা শুভ দিনত সতীশ বৰুৱাই কুঞ্জনৰ কৃতিত্বত আৰু এডিনবাৰ্গ যাত্ৰাৰ মঙ্গলাৰ্থে এটি পাৰ্টিৰ আযোজন কৰিলে। আগদিনাখন কুমাৰেশ আহিছে ঘৈণীয়েক সাবিত্ৰীক লৈ। কুমাৰেশ কুঞ্জনৰ হোষ্টেলৰ অন্তৰংগ বন্ধু আৰু সতীশ বৰুৱাৰ মাজু জোঁৱায়েক অমৰেশ চলিহাৰ একমাত্ৰ কনিষ্ঠ ভাতৃ। কুঞ্জন যেতিয়া মেডিকেল পঢ়ে, তেতিয়া অসমীয়াত সন্মান সহ স্নাতকৰ পৰীক্ষা পাচ কৰি গুৱাহাটী বিশ্ব-বিদ্যালয়ত অসমীয়াত এম. এ পঢ়িবলৈ লৈছিল। যথা সময়ত এম. এ পাচ কৰি চাকৰিৰ বাবে বহু চেষ্টা কৰিও বহু দিনলৈ বিশেষ সুবিধা কৰিবপৰা নাছিল। সেই বুলি হাত সাবতি বহি থকা নাছিল সি। ইতিমধ্যে তাৰ সাহিত্য প্ৰতিভাই ৰাইজৰ ভাল সমাদৰ লাভ কৰিছে। সুপ্ৰতিষ্ঠালব্ধ লিখক সি, নিৰ্ভীক তাৰ কলমৰ জোৰ। তাৰ লিখনিত প্ৰেমৰ কাৰুণ্য যেনেদৰে ফুটি উঠে তেনেদৰে লিখনিৰ ভাঁজে ভাঁজে লুকাই থাকে বিদ্ৰোহৰ জ্বলাজুই, নগ্ন সমাজৰ নিৰ্ভীক চিত্ৰৰূপ। কুমাৰেশে বিচাৰে এখন নতুন অসমীয়া সমাজ—যিখন সমাজে সৰ্বোত্তপ্ৰকাৰে অসমীয়া জাতিৰ উন্নতিৰ হকে আপ্ৰাণ চেষ্টা কৰি যাব পাৰে, যি খন সমাজে

সমাজৰ মুখা পিন্ধা বৰমূৰীয়া সকলক স্থানচ্যুত কৰি সমতাৰ বীজ সিচি যাব পাৰে, যি সমাজত প্ৰতিজন অসমীয়াই কেতিয়াও নাপাহৰে তেওঁৰ নিজস্ব অসমীয়াত্ব আৰু অসীম বীৰত্ব, যি ধন সমাজে শ্ৰমৰ মৰ্য্যাদা বুজে, নাৰীক সন্মান দিয়ে আৰু প্ৰচণ্ডভাৱে প্ৰতিবাদ কৰিব পাৰে তথাচলিত উচ্চনীচ ভেদ ভাৱৰ।

বৰ্ত্তমান কুমাৰেশে কলেজ এখনত অধ্যাপনা কৰি আছে। গৱেষণাৰ কথাও ভাবিছে সি, অৱশ্যে বিষয়বস্তু সঠিককৈ স্থিৰ কৰা নাই। ঘৈণীয়েক সাবিত্ৰীজনী ধনীৰ ছুলালী, মৰমিয়াল, বিশেষকৈ কুমাৰেশক সৰ্বান্তঃকৰণে ভাল পাব পাৰিছে তাই। কুমাৰহঁত অহাৰ পৰাই ইন্দু সাবিত্ৰীৰ কি যে সঙ্গী হৈ পৰিল। তাইৰ মহা আনন্দ। বহুদিন আগতে কুমাৰেশে তাইক এটি অনুৰোধ কৰিছিল– তাই তাৰ জীৱনলৈ চিৰ আপোনজনী হৈ যাবলৈ। ইন্দুৱে প্ৰত্যক্ষভাৱে নেতিবাচক উত্তৰ দি কৈছিল–কুমাৰেশৰ প্ৰতি তাইৰ ভালভাৱ সদায় আছে, কিন্তু জীৱন লগৰী হোৱাকৈ তাৰ প্ৰতি তাইৰ হৃদয়ত প্ৰেম নাই। সেই কথাষাৰ মনত পৰি ইন্দুৰ বেদনাও উপজিল, হাঁহিও উঠিল। কুমাৰ ভিনদেউৱে তাইক চাগে' বাৰুকৈয়ে ভাল পাই পেলাইছিল।

পাৰ্টিৰ সমস্ত দায়িত্ব সতীশ বৰুৱাই কুমাৰেশক দিলে। গোটেই দিনটো ব্যস্ততাৰে পাৰ কৰি দিছে কুমাৰেশে। বন্ধুৰ কৃতিত্বত সিও অতি আনন্দিত। হৃদয়ৰ গোপন কোণত কুঞ্জনৰ প্ৰতি সামান্য ঈৰ্ষাৰ ভাব কৰনোৱাৰাকৈয়ে কুমাৰেশে বহন কৰি আছে যদিও বন্ধুত্বৰ প্ৰীতিয়ে তাক প্ৰতিহিংসাত পৰিণত কৰা নাই। কুমাৰেশে মাত্ৰ ভাবে ইন্দুৱে তাক প্ৰত্যাখ্যান কৰাৰ অন্তৰালত আছে কুঞ্জনৰ প্ৰতি থকা তাইৰ দুৰ্বলতা। তথাপি কুঞ্জন তাৰ বন্ধু, তাতে সি বৰ্ত্তমান বিবাহিত। কুঞ্জনৰ প্ৰতি আক্ৰোশিত হোৱাৰ প্ৰশ্নৰেই বা যথাৰ্থতা ক'ত ?

তেতিয়া কুঞ্জন নিজৰ কোঠাত শুই অতীতৰ স্মৃতি ৰোমান্থন কৰিছে। হঠাতে ইন্দু তাৰ কোঠালৈ সোমাই গৈ বিচনাৰ এমূৰত

বহি ললে। শুই থকা কুঞ্জনৰ কপালতে ঠেলা এটা মাৰি সুধিলে—

"ককাইদেউ, পাচ কৰিলা, এডিনবাৰ্গত যাবা। এতিয়া মোক কি খুৱাবা কোৱা?"

"আজি পাৰ্টিত যিবিলাক খাদ্য সম্ভাৰৰ আয়োজন আছে।"

"সেয়া ঘৰতহে?"

"ঘৰৰ মানুহক পৰত খুৱাব লগে নেকি?"

"পৰত খুৱোৱাৰ কথা কৈছো নেকি? হৈছে বাৰু, তোমাৰ লগত কথাই নাপাতো, একোকে নোসোধো। কিবা এটা কলেই আঘাট লগাকৈ উত্তৰ দিবলৈ বেয়া নালাগে তোমাৰ? মূল্যহীন কথা কোৱা বুলি ভাবা নেকি?"

"নাভাবো, কিন্তু সচাঁই তুমি মূল্যবান কথা কৈছা জানো?"

"তুমিয়ে শিকোৱা নহলে কেনে দৰে কথা বব লাগে।"

"গুৰু মানি লোৱা, গুৰু দক্ষিনা দিয়া।"

"কি গুৰু দক্ষিনা লাগে?"

"হাঁহি এটা মাৰাচোন - খুব ধুনীয়াকৈ।"

"যোৱা, তোমাক গুৰু দক্ষিনাও নিদিও, মোক শিকাবও নালাগে, একো খুৱাবও নালাগে। মই নাখাই মৰা নাই।"

"মৰিবা ক'ত? দিনে দিনে শকত হৈছে আছা দেখোন।"

ইন্দুৰ অভিপাত খং উঠিল, খঙৰ ভমকত তাই শুহি যাব খুজিলে। কুঞ্জনে খাপ মাৰি তাইৰ হাত এখনত ধৰি কলে—

"ইচ, ইন্দু খঙেই উঠিল তোমাৰ। আজিৰ দিনটোত মোক খং কৰিবলৈ তোমাৰ বেয়া নালাগেনে?"

"নিজেও খং উঠা কথা কবলৈ মঙ্গপৰ হোৱা দৰ্কাৰ। কথাৰ লেকাম নাই যদি এডাল কিনি ললেইতো হ'ল।"

"লেকাম ভাল সদায় থাকে ইন্দু—মাত্ৰ তুমি কাষত থাকিলে কত্তেকলৈ খুলি থৈ দিও।"

"চাও এৰি দিয়া, কাবো স্পৰ্দ্ধাই মোক ভলাব নোৱাৰে।"

"মানি ললোঁ—মোৰ মনমে পাৰিব নে নাই ?"

ইন্দুৱে কুঞ্জনলৈ চালে, লাজ পালে তাই। হাঁহো হাঁহো কৰি হাঁহিব নোৱাৰি পুনৰ তলমূৰ কৈ থাকিল।"

"আজি সন্ধিয়া পাৰ্টি আৰম্ভ হোৱাৰ আগতে মই অকলশৰে তোমাক মিঠাই এটি খুৱাই দি পাৰ্টি উদ্বোধন কৰিম, হবনে ?"

হাঁহি উঠিল ইন্দুৰ, এই খিনিকে তাই আশা কৰিছিল।

"বহু থং, অভিমান কৰাৰ পিচত যি হওক তুমি মোৰ মনৰ কথা বুজি পালা ককাইদেই। অশেষ ধন্যবাদ। মই আহোঁ এতিয়া।"

"অঁ বাৰু, মোৰো যেন নিৰ্জন ভাবে কেইটামান মুহূৰ্ত্ত পাৰ কৰিবলৈ মন গৈছে।"

"ঘৰলৈ মনত পৰিছে নহয় ? তোমাৰ আচল মা দেউতা ? আমিনো তোমাৰ কোন ?"

"তেনেকৈ নকবা ইন্দু। মা দেউতালৈ মোৰ নিশ্চয় মনত পৰে, প্ৰাণ কান্দে ইন্দু। কিন্তু মা দেউতা অকল জন্ম দিয়াৰ অধিকাৰতে হব নোৱাৰে। এইখন ঘৰ—ইয়াত যি অধিকাৰ লৈ আছো, সেয়া তোমাৰ আপোন দাদা এজনৰ অধিকাৰতকৈ জানো কম ইন্দু ? এইখন ঘৰতো মোৰ মা আছে, দেউতা আছে, তুমি আছা।"

"সুবুজি দুখ দিলোঁ তোমাক। বেয়া নাপাবা ককাইদেউ।"

কুঞ্জনে হাঁহিলে, কলে—"তোমাক বেয়া পাব পাৰো জানো ? কুমাৰেশটো কলৈ গ'লনো ? বহু সময় লগেই পোৱা নাই।"

"বৰ ব্যস্ত তেওঁ—তুমিহে ইয়াত আৰামেৰে শুই আছা। তোমাৰ বন্ধু কিন্তু তোমাৰ বাবেই খোৱা বোৱাকো পাহৰিব যেন পাইছো। তোমাৰ বাবে ব্যস্ত অকল কুমাৰ তিনদেউৱে নহয়—মইয়ো।"

ইন্দু আঁতৰি গ'ল। কুঞ্জনে হঠাতে আয়নাত নিজৰ চেহেৰাটো চালে। বিৰাট এক পৰিবৰ্ত্তন। বাস্তিপুৰাই সি ইন্দুক কৈ গৈছিল— সদায় দেখি থকা বন্ধু এটা তাইক নতুনকৈ দেখুৱাব আজি। চেলুনত গৈ কুঞ্জনে দাড়ি চুলিখিনি কটাবলৈ নিৰ্দেশ দিয়াত বামজীয়ে প্ৰথমতে

ঠাট্টা কৰা বুলি ভাবিছিল। বিশ্বাস কৰিবলৈ টান পাইছিল সি। পিচত যেতিয়া বুজিলে যে কুঞ্জনে সঁচাই সেইবোৰ কটাবলৈ আহিছে, তেতিয়া বৰ পৰিপাটিকৈ যত্নেৰে তাৰ দাড়ি চুলি চিকুনাই দিলে। ইফালে ইন্দুৱে বাট চাই আছে ককায়েকে কি নতুন বস্তু দেখুৱাব খুজিছে? কুঞ্জন আহি কোঠাত সোমাইয়ে ইন্দুক মাতিলে। লৰ মাৰি ইন্দু কোঠা পাই তাক দেখি অবাক দৃষ্টিৰে তাৰ মুখখনিলৈ চাই ৰ'ল। "এই বিমোহনীয় ৰূপ কিয় বাক কুঞ্জনে মানুহৰ পৰা লুকুৱাই ৰাখিছিল? কিহৰ বেদনাত? কেনে এটা অতীত কুঞ্জনে পাৰ কৰি আহিছে যাক পাহৰিবলৈ ইমান দিনে এইখন শুৱনি মুখ ঢাকি ৰাখিবলগীয়া হৈছিল?"

"চোৱা ইন্দু বহুদিন আগতে তুমি কৈছিলা এই বোৰ চিকুনাই দিলেহে শুৱনি লাগিব। কোৱা এতিয়া—শুৱনি লাগিছে?"

কুঞ্জনে তেনে প্ৰশ্ন ক'ৰিব বুলি ইন্দুৱে ভবাই নাছিল। লাজ পালে তাই। কি উত্তৰ দিব, কি কোৱা ভাল হব একো ঠাৱৰিব নোৱাৰি কৈ পেলালে—

"খুউব ধুনীয়া লাগিছে। এতিয়া কিন্তু অলপ সাৱধানে চলিবা ককাইডেউ।' তাৰ পিচত ইন্দু ইঙ্গিত পুৰ্ণ দুষ্টালিৰ হাঁহি এটি মাৰি সাউত কৰে ওলাই গৈছিল।

হঠাতে কুঞ্জনৰ মনটো সেমেকি উঠিল। আজিৰ এই আনন্দৰ দিনটোত তাৰ ককায়েক, নবৌয়েক, মাক দেউতাকে কিমান যে খুচি হলহেঁতেন। সেই মাকে কোৱা কথাষাৰ—"তই ডাক্তৰ হলেই ঘৰৰ সকলো অভাৱ নাইকিয়া হব। হায় মাতৃ—তোমাৰ এইজন অভিশপ্ত পুত্ৰক পাবা যদি আৰু এক অভিশাপেৰে তাৰ নিৰ্দ্দয়তাৰ, নিষ্ঠুৰতাৰ পুৰস্কাৰ দিয়া। কিন্তু মাতৃ মোৰ, সঁচাই মই নিৰ্দ্দয়, নিষ্ঠুৰনে? যদি মই নিৰ্দ্দয়, নিষ্ঠুৰ, তেন্তে তোমাৰ কথা মনলৈ আহিলে মোৰ চকু ছুটা সেমেকি যায় কিয়? মোৰ মন প্ৰাণ তোমাৰ কাষলৈ যাবলৈ উদ্বাউল হয় কিয়? কিন্তু মই কি কৰিম—ক্ষমা

কৰিবা মোক। ককাইদেউ আৰু নবৌৰ বাবে তোমাক মনোকষ্ট দিছো—নিজেও অন্তৰ্দহনত তিল তিলকৈ জ্বলি মৰিছো। আজিৰ এই পবিত্ৰ দিনটোত, আনন্দ মুখৰ দিনটোত তোমাৰ শ্ৰীচৰণ যুগল চুই ধন্য হোৱাৰ সৌভাগ্য খিনিৰ পৰাও বঞ্চিত মই। মোৰ হৃদয়ৰ কথা কাক শুনাম, কোনে বুজিব ?

কুঞ্জন বাহিৰলৈ এনেয়ে ওলাই গ'ল। কুমাৰেশৰ তৎপৰতাত ৰভাৰ কাম শেষ। ওচৰৰে কেইজন মান ল'ৰাইও কুমাৰেশক সেইবোৰ ঠিকঠাক কৰাত সহায় কৰি দিছে। ইতিমধ্যে কুমাৰেশে প্ৰগ্ৰেমখন ঠিক কৰিছে। কুঞ্জনৰ বিশেষ আপত্তি থকা সত্বেও তাৰ এটি গান প্ৰগ্ৰেমত সন্নিবিষ্ট আছে। কুমাৰেশৰ ওজৰ আপত্তি—সি গান গাবই লাগিব। কুঞ্জন মান্তি নহৈ নোৱাৰিলে। প্ৰথম বাগিচৰ চাকৰিত নিয়োজিত থকাৰ সময়তে সি এটি গান ৰচিছিল, নিজে সুৰ দিছিল। সেই গানটোকে গাব সি।

পাৰ্টি আৰম্ভ হ'ল। সকলো নিমন্ত্ৰিত ভদ্ৰলোক ভদ্ৰমহিলাক যথাস্থানত বহুৱা হ'ল। ওচৰৰ বাগিছা কেইখনৰ মালিক, মেনেজাৰ সকল, তেখেত সকলৰ পত্নী, মেডিকেল কলেজৰ প্ৰিন্সিপাল আৰু তেখেতৰ পত্নীকে আদি কৰি বহুতো বিশিষ্ট অতিথি। লগতে ইন্দুৰ বান্ধবী সকল, কুঞ্জন আৰু কুমাৰেশৰো দুই চাৰিজন সঙ্গী। কুমাৰেশ, ইন্দু, সাবিত্ৰী আৰু দুজনমান যুৱক অতিথি সকলক অভ্যৰ্থনা কৰাত ব্যস্ত। বৰুৱাই এজনৰ পিচত এজনকৈ অতিথি বৰ্গৰ লগত গৰ্ব্বেৰে কুঞ্জনক চিনাকি কৰাই দিছে। সকলোৱে কুঞ্জনক আশীৰ্ব্বাদ কৰিছে, উজ্জল ভৱিষ্যৎ কামনা কৰিছে। এইদৰে নানান ৰং ৰহছৰ মাজত খোৱা পৰ্ব্ব শেষ হ'ল। এইবাৰ কুমাৰেশে কুঞ্জনক গান এটিৰে অতিথি বৰ্গৰ মনত আনন্দ দিবলৈ অনুৰোধ কৰিলে। সকলোৱে বিপুল হৰ্ষধ্বনীৰে কুঞ্জনক উৎসাহ দিলে—গান এটি গাই শুনাবলৈ। দূৰ দিগন্তলৈ চাই কুঞ্জন যেন হেৰাই গ'ল সঙ্গীতৰ মায়াপুৰীত—

অসীমত সীমা হেৰুৱাই, তমসাৰ মাজে আগুৱাই
হাঁহো মই বেদনাৰ হাঁহি,
শোকৰ গুহাত শুই, নিৰাশাৰ বীণ বাই
গাও মই আশাভৰা গীত ॥

সকলোৱে হাতচাপৰিৰে বিপুল সম্বৰ্দ্ধনা জনালে কুঞ্জনক। ইন্দুৱে কুঞ্জনৰ ওচৰলৈ আহি কলে—"বাঃ চমৎকাৰ হৈছে ককাইদেউ, ইমান শুৱলা তোমাৰ কণ্ঠ ? আৰু প্ৰকৃততে কি জানা ? Our sweetest songs are those that tell of saddest thought—এয়া মোৰ কথা নহয় দেই, শেলীৰ কথা।"

পাৰ্টি শেষ হোৱাৰ পিচত সকলো অতিথি ঘৰাঘৰি গ'ল। বৰুৱাৰ ঘৈণীয়েক আৰু কুঞ্জনে অতিথিসকলক বিদায় দিয়াত ব্যস্ত। ইন্দুৰ বান্ধৱী কেইগৰাকীয়ে ইন্দুক মাত দিবলৈ যোৱাত ইন্দুৱে কিছুসময় ড্ৰয়িংৰুমতে সিহঁতৰ সতে কথা পাতিলে। প্ৰত্যেকে কুঞ্জন চৌধুৰীক বখানিলে। এজনীয়ে দুষ্টালি ভৰা হাঁহিৰে ইন্দুৰ বাও হাতৰ আঙুলি এটা টিপি দিয়াত ইঙ্গিতটো বুজি পাই ইন্দু জিকাৰ খাই উঠি কলে—

"ধেমালি সকলো সময়তে ভাল নালাগে সেই। তোমালোকে মোক যি বুলি ধাৰণা কৰি লৈছা, সেয়া সঁচা হলে অৱশ্যে ভালেই পালোহেঁতেন কিজানি।"

"ইচ্, ইন্দু তুমি ভাই বেয়াই পালা, ধেমালিতে চিকুটি দিছো, তাতো খং কৰেনে ?"

"ইন্দুজনী যে কি আৰু, ইমান চেন্টিমেণ্টেল ভাই তুমি, সাধাৰণ কথাতে ইমান আঘাট পোৱা ?"

"নাই নাই, বেয়া পাইছো বা আঘাট পাইছো বুলি কব খোজা নাই। মাত্ৰ তোমালোকে ভুল ধাৰণা এটা লৈ থাকিব পাৰাতো, সেইবাবে সঁকিয়াই দিছো আকৌ। এতিয়া সেইবোৰ বাদ দিয়া, শুন। এটা বৰ ভাওৰ খবৰ। ককাইদেউ এডিনবাৰ্গলৈ যাব—

যোৱাৰ ডেট ফিক্সড হৈ গ'ল। মেডিকেল কলেজৰ প্ৰিন্সিপাল জনো আহিছে নহয়, তেৱেঁ কলে। কেইদিন মান পিচতে যাব লাগিব হেনো। অসম চৰকাৰৰ বৃত্তি চেংচন্ড হৈ গ'ল।"

"বঢ়িয়া খবৰ ভাই–তেওঁক আমাৰ শুভেচ্ছা জনাবা ইন্দু।"

"ল'ৰাজনক দেখিলেই ইমান যে ভাল লাগে, বৰ ব্যক্তিত্ব সম্পন্ন ল'ৰা যেন লাগে।"

"ব্যক্তিত্ব থকা যেন নহয়—আছেও। সঁচাকৈয়ে ইন্দু, খং নকৰিবা প্লিজ—ইমান ভদ্ৰ, শিক্ষিত, ধুনীয়া এজন যুবক, সকলো ফালৰপৰাই পাৰদৰ্শী এজন যুবক, ইমান দিনে হাতৰ মুঠিৰ মাজত পাই আছা, অথচ তুমি ইমান উদাসীন, ইমান নিৰ্বিকাৰ হৈ কেনেকৈ থাকিব পাৰিছা? সঁচাকৈয়ে তেওঁক দেখিলে তোমাৰ বাৰু বেলেগ ধৰণেৰে মৰম কৰিবৰ মন নাযায়নে?"

"আকৌ সেইবোৰ? সঁচাকৈয়ে মোৰ ভাল নালাগে জানা।"

"সঁচাকৈ তুমি আচৰিত ইন্দু, আচৰিত তোমাৰ সংযম। বাৰু কোৱাচোন ইন্দু, তেওঁ তোমাক মৰম কৰে নে নকৰে?"

"তেওঁৰ মৰম মাত্ৰ মই উপলব্ধি কৰোঁ জানা—এনেয়ে কিন্তু প্ৰতি কথাতে মোৰ লগত কাজিয়া কৰি থাকে।"

"নিশ্চয় মৰমৰ কাজিয়া।" আন এজনীয়ে যোগ দিলে।

"মৰমৰ কাজিয়া নহৈ আৰু সতিনীয়েকৰ কাজিয়া হ'বনে? পিছে কোৱাছোন ইন্দু, কাজিয়াত কোন জিকে?"

"অৰ্থাৎ কোনে বেছিকৈ মৰম আদায় কৰিব পাৰে?"

"তোমালোক যে কি আৰু, যিহকে তিহকে কোৱা। মৰমৰ কাজিয়া নে সতিনীৰ কাজিয়া নাজানো—কিন্তু তেওঁ সদায় জিকে। কথাবোৰ এনেদৰে পেচলগাই কয় যে মই মাত্তিব নোৱাৰা হওঁ। পিচত খং আৰু অভিমান কৰাৰ বাহিৰে আন একো উপায় নাথাকে।"

"চাবা আকৌ, সদায় জিকোতে জিকোতে তোমাৰ গোটেই জীৱনটোকে জিকি পেলাব। সময়ৰ পাকচক্ৰ কথাৰ পাকচক্ৰতকৈ

বহুত জটিল ইন্দু। পৰিবৰ্তনশীল জগতত মৰম, প্ৰীতি এইবোৰো বহুতোক্ষেত্ৰত ভিন্ন ৰূপ লৈ আমাৰ জীৱন সুন্দৰ আৰু সুখৰ কৰিবও পাৰে, নাইবা খেলিমেলিৰ সৃষ্টি কৰি মিলিব খোজা অন্তত আউল লগাই দি জীৱনৰ ৰংবোৰ মচি দিবও পাৰে। ধেমালি কৰি কোৱা নাই দেই ইন্দু, একোৱে অবাস্তৱ নহয়।”

“তুমি অৱশ্যে ঠিকে কৈছা ৰীতা। সময়ৰ পাকচক্ৰত বহুতো ওলট পালট হৈ যায়। তাক আমি কোনেও অস্বীকাৰ কৰিব নোৱাৰোঁ। মই নিজেও দিনৰাতি অহৰ্নিশে মনৰ গোপন কোণত কিবা এক অব্যক্ত বেদনা অনুভৱ কৰি আছোঁ। কিন্তু এটা কথা কি জানা, তোমালোকে মোক যিমানে নোকোৱা কিয়, যেনেদৰে নাভাবা কিয়, মই মাত্ৰ এটা কথা বুজি পাওঁ—তেওঁ মোৰ ককাইদেউ, মই তেওঁৰ ভনী। মনৰ এই দৃঢ়তা লৈ আমি ভাইভনীৰ দৰে চলি আছোঁ। সময়ে যদি এই দৃঢ়তাৰ বান্ধোন শিথিল কৰি দিয়ে, হয়তো হাৰ মানিব লাগিব। ভবিষ্যতৰ প্ৰতি আমি অন্ধ জানা।”

“তোমাৰ লগত আজি বহু ধেমালি কৰিলোঁ ইন্দু, বেয়া নাপাবা। তোমাৰ বিয়া যাৰে লগতে হওক, মাতিবা ভাই, আমি আহিম।”

“এই ইন্দু, তেওঁক আমাৰ আন্তৰিক হৈ শুভেচ্ছা জনাবা। আমি তেওঁৰ পৰা ইতিমধ্যে বিদায় লৈছো। এতিয়া আৰু মাত নলগাও। আহোঁদেই।”

ধৈৰ্য্য

আজি কুঞ্জন আহি পাব এডিনবাৰ্গৰ পৰা। সি ইন্দুক জনাইছে—তাৰ উদ্দেশ্য সফলকামী হৈছে। সুখ্যাতিৰে এফ, আৰ, চি, এস, উপাধি লব পাৰিছে। সতীশ বৰুৱালৈকো এই খবৰ জনাই টেলিগ্ৰাম কৰিছে। বৰুৱা বৰুৱানীৰ আনন্দৰ সীমা নাই—কেৱল উৎকণ্ঠাৰে বাট চাই আছে কেতিয়া কুঞ্জনে আহি পাব। অৱশেষত সেই নিৰ্দ্দিষ্ট দিনটো আহিল। ৰাতিপুৱাৰ পৰা বৰুৱাৰ উলহ মালহ—ঘৈণীয়েক আৰু ইন্দুকো গুলাবলৈ কলে, আটায়ে একেলগে মোহনবাৰী লৈ যাব, কুঞ্জনক আগবঢ়াই অনাৰ বাবে।

ইন্দুয়ে ককায়েকক সুদীৰ্ঘ তিনি বছৰৰ মূৰত দেখিবলৈ পাব, তাকে লৈ আকাশ কুসুম কল্পনা জল্পনা। তাইৰ বাৰু কি উপহাৰ আনিব? বিদেশৰ উপহাৰ নিশ্চয় চকুতলগা আৰু চমক লগা হব। যদি এবাৰৰ দৰে ডিব্ৰুগড়ৰ পৰা আহোতে ৰঙা দৰা এটি লৈ আহিম বুলি কৈ সঁচাকৈয়ে ৰঙা পুতলাৰ দৰা এটা আনি দিয়াৰ দৰে—এইবাৰো তাকে লৈ আহে? তেতিয়া তাই কি কৰিব? যিহে কুঞ্জন ককাইদেউটো, কোনো ঠিকনা নাই তাৰ। মনত যি উঠে তাকে কৰি পেলায়। তাইক খং তোলাই যে সি কি ভাল পায় বুজিকে নাপায়। কিয় যে তাইক জ্বলাকলা কৰি মাৰে। এইবাৰ তেনে কৰিলে তাক মুঠেও মাতবোল নকৰে। কিন্তু কিমান দিন? মৰমৰ ককাইদেউজনক এদিনৰ বেছি নমতাকৈ থাকিব পাৰিব জানো? তাইয়ে দেখোন 'মোক ক্ষমা কৰিবা ককাইদেউ' বুলি কাষ চাপিব লাগিব।

ডিব্ৰুগড় অভিমুখী সতীশ বৰুৱাৰ এমবেচেডাৰখন আগবাঢ়ি থাকিল। ড্ৰাইভাৰে পূৰ্ণ গতিত গাড়ী চলাইছে। ড্ৰাইভাৰৰ কাষৰ চিটটোত সতীশ বৰুৱাই আৰামেৰে পাইপ হুপি গৈছে। পিচৰ চিটত মাক আৰু ইন্দু দুয়ো দুখন খিড়িকিৰে দুফালে চাই গৈছে।

কাৰো মুখত মাতবোল নাই—মাত্ৰ প্ৰত্যেকৰে হৃদয়ত তিনিবছৰ আগৰ কুঞ্জনৰ ছবিখন আঁকা আছে।

তাৰ এক সপ্তাহ পিছত। দুপৰীয়াৰ আহাৰ কৰি কুঞ্জনে বিচনাতে জিৰণি লৈছে। বাওখন হাতেৰে কিতাপ এখন বুকুৰ ওপৰত ধৰি চাই আছে। ডাক্তৰ আৰু উকিলৰ গল্প উপন্যাস পঢ়াতকৈ নিজ প্ৰফেচনৰ কিতাপতহে মনোযোগ বেছি কিজানি। সেইবোৰ পঢ়িবলৈ কুঞ্জনৰ আজিকালি এৰি দিয়াৰ দৰেই হল। কেইখনমান বিদেশী উপন্যাস আনিছে—ইন্দুকে দিছে সেইবোৰ পঢ়িবলৈ। পঢ়াৰ আগ্ৰহ ইন্দুৰ আগৰ পৰাই আছে, দুই এটিকৈ তাইৰ গল্প, প্ৰবন্ধ, বিভিন্ন আলোচনীত মাজে সময়ে প্ৰকাশো পায়। এইক্ষেত্ৰত অৱশ্যে প্ৰথমৰেপৰা কুঞ্জনে উদগনি দি আহিছে।

"ককাইদেউ, কি পঢ়িছা? কেৱল সেই প্ৰকাণ্ড ডাক্তৰী কিতাপবোৰ। আমনি নালাগেনে তোমাৰ?"

"গল্প উপন্যাসবোৰ পঢ়ি তোমাৰ জানো আমনি লাগে?"

"নালাগে—কাৰণ সেইবোৰ পঢ়ি আমেজ পোৱা যায়।"

"আৰু ডাক্তৰী কিতাপ পঢ়ি আমেজ নালাগে বুলি কোনে ক'লে?"

"হৈছে দিয়া, ৰণত জিকিবলৈ যিহকে তিহকে বকিবা এতিয়া।"

"বেচ কথা কব শিকিছা—পিছে তোমাৰ লগত ৰণত হাৰিবলৈ মই কাহানিও আপত্তি নকৰো জানা। কথা হ'ল, এটা বিষয় বস্তুৰ ওপৰত আমাৰ যেতিয়া মনোযোগ আকৰ্ষিত হয়, সেই বিষয়বস্তুৰ সকলো কথা আমাৰ বাবে আমোদজনক হৈ পৰে।"

"হৈছে দিয়া, লেকচাৰ মাৰিব দিলে তোমাক আৰু একো নালাগে। কোৱাচোন ককাইদেউ, লগত মেমটেম এজনী আহিব খোজা নাছিলনে?"

"উহু, মুঠেও খোজা নাছিল। কিমান যে চেষ্টা কৰিলো, সব বৃথা। পিচে ইন্দু নামৰ ধুনীয়া ভনী এজনী আছে বুলি কোৱাত কেইজনমান চাহাব হলে মোৰ সতে আহিবলৈ নেৰানেপেৰাকৈ

লাগিছিল। বহুত কষ্টকৈ বুজাই মেলিহে এৰি আহিলোঁ।।"

"তোমাৰ—" বৈ গ'ল ইন্দু।

"কোৱা কি কব খুজিছা—মই কিন্তু মিছা কোৱা নাই।"

"তুমি মোক কিয় জ্বলাই থাকা, কিয় মোৰ কথাত গুৰুত্ব দিব নোখোজা।"

"ইন্দু যে মোৰ ধৰমৰ ভগ্নী।"

ইন্দুয়ে ভাবিলে আৰু উপায় নাই। হাৰ মানিবই লাগিব। তাৰমানে কুঞ্জনৰ বাবে তাই গোটেই জীৱনটোতে হাৰি যাব নেকি ?

এদিন ৰাতিপুৱা চাহপৰ্ব্ব শেষ হোৱাৰ পিচত সতীশ বৰুৱাই কুঞ্জনক নিজৰ কোঠালৈ মতাই আনি ভবিষ্যত কৰ্ম্মপন্থা, ঘৰ আৰু বাগান দুখনৰ কথা কিছু পৰিমানে আলোচনা কৰি হঠাতে কলে—

"কুঞ্জন বোপা, তোমাক এটা কথা কম কম বুলি আজি কিছুদিনৰ পৰা ভাবি আছো। মাৰাৰ লগতো আলোচনা কৰিছো কথাটো। মাৰাইও তোমাক কথাটো কবলৈ টান পাই মোকে খাটনি ধৰিলে, ময়ে কব লাগে। মাজনী ডাঙৰ হৈ আহিল কুঞ্জন—স্কুলকুমলীয়া সেই কণমানি ফুলপাহ আজি বি, এ, পাচ কৰিলে, বয়স কাৰোবাবে বৈ নাথাকে কুঞ্জন—তোমাৰ বাবেও, মাজনীৰ বাবেও। তাইৰ বিয়াৰ উপযুক্ত বয়স হৈছে।"

"এৰা দেউতা, ঘৰখনৰ তাই সকলোৰে মৰমৰ, উলিয়াই দিবলৈ টান, কিন্তু দিবতো লাগিবই। কৰবাত ভাল ল'ৰাৰ সন্ধান পালেনেকি ?"

"পাইছোঁ কুঞ্জন—খুব ভাল ল'ৰা। মই মাজনীক তোমাক গতাব খুজিছো কুঞ্জন, মই মাজনীক ঘৰৰপৰা উলিয়াই দিবলৈ টান পাইছোঁ।"

"দেউতা, এয়া আপুনি কি কলে ? মই ইন্দুক—এয়া জানো সম্ভৱ ?" যেন কুঞ্জনৰ মূখৰ ওপৰত লৰণ ৰহি পৰিল।

"শুনা কুঞ্জন, পুত্ৰতুল্য বুলি যদি কও তোমাক, সেয়া ভুলকৈ কোৱা হব—কাৰণ তুমিটো পুত্ৰই। তোমাক লৈয়েতো মোৰ

পিতৃত্বৰ গৌৰৱ। বৃদ্ধ হৈ আছিছো—দেহৰ শক্তি কমি আহিব ধৰিছে। তুমি বাগানৰ দায়িত্ব লোৱা, নে ভাল চাকৰিকে কৰা — সেয়া তোমাৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব— কিন্তু মাজনীৰ ভবিষ্যত মই তোমাত ন্যস্ত কৰি নিশ্চিত হব খুজিছোঁ। তুমি অমত নহবা।"

"মই অমত হোৱাৰ কথা কব খোজা নাই দেউতা। ইন্দু মোৰ ভনী, সেয়ে কথাটো ভাবিবলৈ টান লাগিছে। তাইক দেখিলেই ভাব হয়—আমাৰ যেন একেখনি অন্তৰ, আপোনালোকেও বুজে, তাইৰ প্ৰতি মোৰ কিমান মৰম—তাই মোৰ সমস্ত সত্তা অধিকাৰ কৰি আছে। তাইৰ দৰে এজনী মৰমী ভনীক মই কেনেকৈ—"

সতীশ বৰুৱাই কুঞ্জনলৈ চালে—ধন্য তাৰ চৰিত্ৰ। অথচ বৰুৱাই সেইজন কুঞ্জনৰ ইন্দুৰ প্ৰতি থকা ভাতৃত্বৰ দাবীক খৰ্ব্ব কৰিব খুজিছে। কিন্তু তেওঁ যে নিৰুপায—অপুত্ৰক বৰুৱাৰ বাবে কুঞ্জন আৰু ইন্দুয়ে যে হল একমাত্ৰ আশ্ৰয়ৰ স্থল।

"তুমি নাভাবিবা কুঞ্জন—মই তোমাৰ অমঙ্গল চিন্তা কৰিছোঁ। তুমি মাজনীক ভাল পোৱা, তোমালোকৰ একেখনি হৃদয় মই সুখী হৈছো কুঞ্জন, ময়ো তাকে বাঞ্ছা কৰোঁ। হৃদয় যেতিয়া একেখন কৰিব পাৰিছা, সত্তা যেতিয়া এক কৰিব পাৰিছা, মাজনীক গ্ৰহনো কৰিব পাৰিবা। সত্বা আৰু হৃদয় কেতিয়া এক হয় জানা? একমাত্ৰ মিলনেহে দুটা ভিন্ন সত্তাক এক কৰে, দুখন হৃদয় এক কৰে। ময়ো তোমাৰে মাজনীৰে মিলন কামনা কৰিছো। সংসাৰখন বৰ জটিল কুঞ্জন, তোমাক অবিশ্বাস কৰিছোঁ সেইটো নাভাবিবা, কিন্তু সময়ৰ জটিলতাত বহুত ওলটপালট হৈ যায়। গতিকে তোমাৰ আৰু মাজনীৰে মিলনতহে আমি সুনিশ্চিত হব পাৰিম। কোৱা কুঞ্জন মনৰ গডতা ভাঙি তোমাৰ অভিলাস কি কোৱা?"

"দেউতা, মই ঠিক ভাবিব পৰা নাই, কিবা যেন খেলিমেলি—"

"তুমি নাভাবিবা কুঞ্জন মাত্ৰ এইৰূপ স্বাৰ্থৰ বাবে মই তোমাক এনেদৰে উচ্চ শিক্ষা লাভৰ সুবিধা দিছো। তেনে হীন মনোভাব

পোষণ কৰি তোমাক পুত্ৰজ্ঞান কৰা নাছিলো কুঞ্জন । তুমি তেনেদৰে কেতিয়াও নাভাবিবা । মাত্ৰ আজি আমি উপলব্ধি কৰিছো, মাজনীক তোমাক গোটাইহে নিশ্চিত হব পাৰিম ।”

“মোক ক্ষমা কৰিব দেউতা, আপোনাক দুখ দিছো । মই আপোনাৰ স্নেহ, মৰম কেতিয়াও নাপাহৰো । কিন্তু ইন্দু জানো মান্তি হব ? তাই যদি মান্তি হয়, মই আপত্তি নকৰোঁ ।”

“সেই বিষয়ে তুমি একো ভাবিব নালাগে কুঞ্জন । তোমাৰ দৰে তাইয়ো খুব আপত্তি কৰিছিল—ভাব হৈছিল তোমালোক দুজন আপোন ভাইভনী নহলা কিয় ? তোমালোকৰ পবিত্ৰ হৃদয় দুখনৰ কথা মোৰ সদায় মনত থাকিব কুঞ্জন। আৰু তুমি যে আমাক বুজিব পাৰিছা, তাৰবাবে মই অত্যন্ত সুখী হৈছো । মাজনী ৰাজী হৈছে, গতিকে শুভ কাম খিনি সোনকালে সমাধা কৰিম বুলিয়ে ভাবিছোঁ ।”

“আপুনি যি ভাল দেখে দেউতা ।”

কুঞ্জনে তাকে ভাবিলে—অৱশেষত ইন্দুজনীকহে জীৱন সঙ্গীনী কৰিব লগা হ'ল । এদিন ৰেণুক বিচাৰিছিল, নাপালে—পালে নবৌ হিচাপে । আজি ইন্দুক ভনী হিচাপেই আপোন কৰি ৰাখিব খুজিছিল—তাইয়ো হব ওলাইছে চিৰ আপোনজনী । এই কেইদিন কিবা এক দুৰ্ব্বাৰ দুৰ্ব্বলতাৰ বাবে ইন্দুৰ মুখলৈ চাব পৰা নাই । অথচ সেইখন মুখকে চোৱাৰ প্ৰবল হেঁপাহ । ইন্দুৰ মুখশ্ৰী আৰু দৈহিক সৌন্দৰ্য্যৰ প্ৰতি অসজাগ কুঞ্জনে আজি যেন ইন্দুক নতুন ৰূপে উপলব্ধি কৰিব খুজিছে । অথচ সেই ককাইদেউ ককাইদেউ কৈ তাৰ ছাঁটোৰ দৰে লাগি থকা ইন্দুজনীৰ ছাঁটোকে দেখিবলৈ নাই । অলেখ আব্দাৰ ভৰা সেই ককাইদেউ শব্দটি ? কুঞ্জনৰ অতি পৰিচিত সেই শব্দটি বৈ বৈ তাৰ কানত প্ৰতিধ্বনীত হয় ।

আৰু ইন্দুৱে ডাইনিং হলৰপৰা চাহ খাই আহি যদি বাৰান্দাত কুঞ্জনৰ ছাঁটোকো দেখে তেন্তে মুখখন সম্পূৰ্ণৰূপে ঘুৰাইহে কাষেৰে পাৰহৈ

নিজৰ কোঠা লৈ যায়। প্ৰথম ছুহিমমান বৰ বেদনা লাগিছিল তাইৰ। মাকে প্ৰথমতে কথাটো কোৱাত ইন্দুৱে কান্দি দিছিল। এনে এটি প্ৰস্তাৱ মাকৰ পৰা শুনিব বুলি ইন্দু যেন আগতীয়াকৈ ধৰিব পাৰিছিল। মাকে বহুত বুজাইছিল। তেওঁলোক দুজনৰ ভবিষ্যত যে কুঞ্জন আৰু তাইৰ ওপৰত নিৰ্ভৰ কৰিছে সেই কথা ভালদৰে বুজাইছিল। অৱশেষত মাকৰ গলত ধৰি কান্দি কান্দি ইন্দুৱে কৈছিল—

"তোমালোকে যি ভাল দেখা কৰা মা। তোমালোকৰ বাবে এইখিনি ত্যাগ নিশ্চয় কৰিব পাৰিম। জানা মা—ককাইদেউক মই নিজৰ ককাইদেউ যেন জ্ঞান কৰোঁ, খং কৰোঁ, অভিমান কৰোঁ আৰু ভাল পাও। কিন্তু তোমালোকৰ কাৰণে।" ইন্দুৱে ছুক ছুকাই কান্দি দিছিল। বেদনাৰে তাইৰ মনটো ভৰি পৰিছিল। এতিয়া কিন্তু কিয় জানো কুঞ্জনৰ কথা ভাবিলেই মনটো অবুজ আনন্দেৰে ভৰি পৰে। ককায়েকৰ মুখখন মনত পেলাই তৃপ্তি অনুভৱ কৰে। ৰবকৈ মন যায় তাৰ মুখখন চাই থাকিবলৈ। কিন্তু নোৱাৰে। কিবা এক অবুজ লাজে তাইক আৱৰি ধৰে। তাইৰ মনত পৰে বান্ধৱী বীতাজনীৰ কথা—"গোটেই জীৱনটোকে জিকি পেলাব"—সঁচাকৈ তাই যেন কুঞ্জনৰ ওচৰত হাৰি গ'ল। "তেওঁক দেখিলে তোমাৰ বাৰু বেলেগ ধৰণে মৰম কৰিবৰ মন নাযায়নে?" আজি ইন্দুৰ মন যায় সদায় দেখি থকা কুঞ্জনক বেলেগ দৃষ্টিত চাবলৈ, সদায় ভাল পোৱা ককায়েকক বেলেগ ধৰণে মৰম কৰিবলৈ, মৰম লবলৈ। কুঞ্জন তাইৰ বুকুৰ বহনা, কুঞ্জনক তাই ভালদৰে চিনি পায়, তাৰ লগত তাই নিশ্চয় সুখী হব পাৰিব। তাইৰ প্ৰতি তাৰ জানো মৰম কম? সি কোৱা, "মৰমেৰে তুমি মোক জয় কৰি আছা, বশ কৰি আছা, মোৰ সমস্ত হৃদয় অধিকাৰ কৰি পেলাইছা।" ঠিকেতো, ইন্দু থাকোতে কুঞ্জনৰ হৃদয় ৰাজ্যত আন কোনো সম্ৰাজ্ঞীৰ অধিকাৰ থাকিব নোৱাৰে। জীৱনে মৰণে কুঞ্জন তাইৰ—কুঞ্জনৰ অতীত যদি পৰিষ্কাৰ, ভালকথা। তাৰ অতীত যদি

নম্ৰ আৰু কলুষতাৰেও ভৰা হয়, তথাপি ইন্দু আজিৰ এই মনৰ স্থিৰতাৰ পৰা স্খলিত নহয়, কাহানিও।

মাজে মাজে কুঞ্জনৰ ফটোবোৰকে চাই থাকে—হাঁহে, মুখখন ফটোৰ কাষলৈ নিব খোজে। তাইৰ ভাৱনা, কল্পনা, আশা, অভিলাস, নিবৃত্তি, কামনা, বাসনা, প্ৰেম, প্ৰীতি সকলোবোৰ কুঞ্জনত কেন্দ্ৰীভূত হৈ পৰিল। খাওতে, বহোতে, শোৱতে কেৱল কুঞ্জনৰ প্ৰতিচ্ছবি মূৰ্তিমান হৈ উঠে। দূৰৰ পৰা সি নজনাকৈ তাৰ কালে লুকাই লুকাই চায়। ধৰা পৰাৰ ভয়ত সন্মুখত হলে ছঁাটোকে চাব নোখোজে। অথচ এইজন কুঞ্জনকে তাই বাৰু ইমান দিনে হাতত পাইয়ো কেনেকৈ ইমান নিৰ্বিকাৰ হৈ আছিল ?

এদিন কুমাৰেশৰো ভুল ভাঙিল—কুমাৰেশে ভাবিছিল, ইন্দু আৰু কুঞ্জন ভাইভনীৰ দৰে থাকিলেও সিহঁত দুটাৰ মাজত গোপন প্ৰেম আছে—যাৰ বাবে ইন্দুৱে সি কৰা অনুৰোধ ৰাখিব নোৱাৰিলে। কিন্তু নবৌয়েক মৃণালিনীৰ পৰা যেতিয়া ইন্দু আৰু কুঞ্জনৰ বিয়াৰ কথা শুনিলে যে দুয়োকে বহুত বুজাই মেলি জোৰকৈহে মান্তি কৰাব পাৰিছে, তেতিয়া ইমান দিনে সিহঁত দুটাক ভুল বুজাৰ বাবে মনতে আঘাট পালে। এটা কথা ভাবি নিশ্চিন্ত হ'ল যে সি যদিও ভুল ভাবিছিল, কুঞ্জন বা ইন্দুক কোনো দিনে বেয়া ব্যৱহাৰ কৰা নাছিল, বা মনৰ গোপন অভিব্যক্তি প্ৰকাশ কৰা নাছিল। সি অন্তৰৰ পৰাই কুঞ্জন ইন্দুৰ মিলন মধুৰ হোৱাটো কামনা কৰিলে।

তেনেতে এটি ঘটনা ঘটিল। ৰূপহীপামত এক অচিন ৰোগে দেখা দিছে। ইতিমধ্যে দুজন মানুহৰ প্ৰাণ নাশ হৈছে, বহুতো এতিয়াও শয্যাগত, প্ৰাণৰ সংশয়। এনে এটি বাতৰি পঢ়াৰ পিচত কুঞ্জন ঠিৰেৰে থাকিব নোৱাৰিলে। জন্ম লাভ কৰা সেই সোণসুৱলী ৰূপহীপাম, শৈশৱ আৰু কৈশোৰৰ কতনা স্মৃতিৰে ভৰা সেই ৰূপহীপাম আজি দুৰ্দশাৰ কৰাল গ্ৰাসত। কুঞ্জনে তৎক্ষণাত সিদ্ধান্ত কৰি পেলালে সি গাৱঁলৈ যাব। তাৰ অভিপ্ৰায়ৰ কথা ৰকদাক জনালে।

দুসপ্তাহ পিচতে কুঞ্জনৰ বিয়াৰ তাৰিখ নিৰ্দ্ধাৰণ কৰা হৈছিল। গতিকে কুঞ্জনে কলে যে সি নহালৈকে যাতে বিয়াখন স্থগিত ৰাখে। সোনকালে ফিৰিবলৈ পাৰ্য্যমানে চেষ্টা কৰিব। মুঠতে তাৰ কৰ্ত্তব্যৰ শেষ হলেই গুছি আহিব। বৰুৱাই আনন্দেৰে অনুমতি দিলে।

ডাঙৰ ডাক্তৰ কুঞ্জন। তাৰ আজি মহা আনন্দ লাগিছে সি তাৰ মৰমৰ গাওঁখনৰ মানুহৰ সেৱাৰ উদ্যেশ্যে যাব ওলাইছে। ৰোগাক্রান্ত শয্যাগত সকলক সুস্থ সবল কৰাৰ বাবে তাৰ শক্তিৰ শেষ বিন্দু থকালৈকে চেষ্টা কৰিব। এয়া যে ভগবান প্রেৰিত তাৰ প্রতি মহান কৰ্ত্তব্যৰ চমন।

ইন্দু কথাটো শুনাৰপৰা বিমৰ্ষ হৈ পৰিল। শুভ কাৰ্য্যৰ আৰম্ভনিতে এয়া কিহৰ ইঙ্গিত? প্রবোধিত নহয় মন—যিমানে বুজাব খোজে মনক সিমানে অশান্ত হয়। কুঞ্জন যাওক—এনে এটি কঠোৰ দায়িত্বপূৰ্ণ কামৰ বাবে যাব ওলাইছে, এটি মহান উদ্দেশ্য লৈ যাব ওলাইছে, তাত বাধা দিয়া অনৈতিক, অযুক্তিকৰ, এটা বিৰাট স্বাৰ্থপৰতা। কিন্তু অকলে যাব নোৱাৰে। তাইও যাব লগত। তাই কুঞ্জনক অকলে পঠিয়াব নোৱাৰে, কুঞ্জন তাইৰ চকুৰ মণি, হিয়াৰ দাপোন। এটা মুহূৰ্ত্তৰ বাবেও দৃষ্টিৰ আঁৰ কৰি ৰাখিব নোৱাৰে তাই।

দেউতাকে বাধা কৰিলে তাইক, মাকেও—"অবুজ নহবা মা, তুমি গ'লে কথাটো অলপ খেলি মেলি হয়। বোপা যাব ওলাইছে কামত। ব্যস্ত থাকিব সি। তুমি কি কৰি থাকিবা? তাৰোপৰি থক বাক সেইবোৰ। মুঠৰ ওপৰত যাবলৈ জেদ নধৰিবা মা, অবুজ নহবা।"

ইন্দুয়ে জেদ নধৰিলে। কুঞ্জনে ইন্দুৰ মনৰ কথা জানিব পাৰি মাকক কৈছিল—ইচ্ছা কৰিছে যেতিয়া যাব দিয়াই ভাল মা। এনেদৰে অসন্তোষ কৰি থাকিলে মই অকলে কোন সতে যাওঁ।"

"তাই গলে তোমাৰ অসুবিধা হব বোপা। তোমাৰ দায়িত্ব সীমাহীন। তাইক লৈ তুমি আহুকাল পাবা। তাতে বৰ আবেগিক

তাই। আৰু তুমিতো সোনকালে ঘূৰিবাই। দুটা দিন মনত কষ্ট পাব। আমি বিমানে সুখ শান্তিৰ কথা ভাভাবো কিয় বোপা—কষ্ট, দুৰ্য্যোগ, অশান্তি, আঘাট, অসন্তোষ এইবোৰক জানো আমি জয় কৰিব পাৰিম? নোৱাৰো বোপা—সুখ, দুখ, হাঁহি, অশ্ৰু—এয়াই জীৱন।

মাকৰ উক্তিত কুঞ্জনেও আৰু জোৰ নকৰিলে। অকলেই যাবলৈ ওলাল। বকলোৱাই আশীৰ্বাদ কৰিলে যাতে সফলকামী হৈ সোনকালে উভতিব পাৰে। বকলোৱানীয়ে আগ্ৰহেৰে বিদায় দিয়ো কিবা যেন মনত বেদনা অনুভৱ কৰিলে। মাতৃ হৃদয়ৰ স্বৰূপ পুত্ৰই কি বুজিব? অৱশেষত ইন্দুক মাত লগাই যাও বুলি যেতিয়া তাইৰ কোঠা পালে—দেখিলে উথহা চকু দুটাত তেতিয়াও লোটক নিগৰি আছিল। বিয়াৰ বথাবতৰা ঠিক হোৱাৰে পৰা আজিলৈ সিহঁত দুয়োটাৰে মাজত কথাৰ বা ভাৱৰ আদান প্ৰদান হোৱা নাই। দুয়োয়ে গোপনে মাত্ৰ সাঁচি ৰাখি আছে সেই এটি বিশেষ দিনলৈ। প্ৰাণ ভৰি চালে ইন্দুয়ে কুঞ্জনলৈ—বৈ অহা চকু পানীক ভেটিবৰ উপায় নাই। যেন এটা যুগৰ অন্তত হে প্ৰিয়জনৰ লগত সাক্ষাৎ মুখৰ ভাষা নাই, চকুত সেমেকা অথচ কিযে দিপ্ত আকুতি। আগবাঢ়ি গৈ হাত মেলিলে কুঞ্জনে, হাত মেলিলে ইন্দুয়ে, এটি মাত্ৰ স্পৰ্শ। অস্ফুট স্বৰেৰে কুঞ্জনে বিদায় ললে—"আহোঁ"—"উঁ", এটা মাত্ৰ শব্দ বিনিময়। হায় ইন্দু! বহু আশা কৰিলা। কুঞ্জনৰ হাতৰ এক স্পৰ্শ আৰু মুখৰ এটা শব্দই তোমাৰ উচ্ছল যৌৱনক স্তব্ধ কৰিব পাৰিবনে?

কুঞ্জন ওলাই যোৱাৰ পিচত ঘৰখন তেনেই নিজান, তেনেই উদং যেন লাগিল। মাকে ইন্দুৰ কোঠালৈ গৈ দেখিলে তাই কান্দিয়ে আছে। বিচনাৰ পৰা উঠি নাহিল। মাকে বুজালে তাইক—

"নাপায় মা—শুভ কামত ওলাইছে সি, আনন্দহে কৰিব লাগে। ওপজা গাওঁৰ মোহ—ভাঙৰ মোহ। সেই খন গাওঁৰ মানুহৰ মঙ্গলৰ বাবে, সেৱাৰ বাবে গৈছে সি। সি যাতে তাৰ কাৰ্য্য সমাধা কৰি সোনকালে ঘূৰি আহিব পাৰে তাৰ বাবে ভগৱানক প্ৰাৰ্থনা জনোৱা।"

মাকৰ মুখলৈ চাই ইন্দুয়ে কান্দি কান্দি কবলৈ ধৰিলে—

"নাজানো মা, কিয় যে মোৰ ইমান অকলশৰীয়া লাগিছে। মই যেন তেওঁক চিৰ দিনলৈ –"

"ছিঃ এনে অশোভনীয়, অমঙ্গলীয়া কথাবোৰ ভাবিব নাপায়।"

"নহয় মা, মোৰ কি হৈছে মই নিজেই নাজানো। তুমি মোৰ কাষৰ পৰা গুচি নাযাবা মা—মোৰ বৰ সুদা সুদা লাগিছে, যদি সঁচা কৈয়ে তেওঁ মোৰ কাষলৈ আৰু আহিব নোৱাৰে? মোৰ তেতিয়া কি হব মা? মোৰ হৃদয়ৰ সকলোখিনি প্ৰেম, ভালপোৱা, মোৰ গোটেই সত্তা তেওঁক যে সমৰ্পন কৰিছোঁ।"

"অবুজ নহবা মা—সি সোনকালে ঘূৰি আহিব। তাৰ কৰ্ত্তব্য শেষ হলেই সি তোমাৰ কাষলৈ গুচি আহিব। সিও যে তোমাক এৰি থাকিব নোৱাৰে মা। এতিয়া কান্দি কাটি অশান্তি নবঢ়াবা। যোৱাচোন গোঁসাইৰ ওচৰত ধূপ ধূনা দি তাৰ মঙ্গলৰ অৰ্থে প্ৰাৰ্থনা কৰাগৈ। তোমাৰ অন্তৰৰ কথা মাকজনী হৈ মই জানো নুবুজাকৈ আছো? কিন্তু প্ৰকৃতিৰ নিৰ্বন্ধক আমি যে মানি চলিবলৈ বাধ্য। সদায় কাষত ৰাখো বুলিও ৰাখিব নোৱাৰোঁ, পাম বুলি পাব নোৱাৰোঁ। পোৱা-নোপোৱাৰ, আশা নৈৰাশ্যৰ মাজেদি আমি জীৱন অতিবাহিত কৰিব লাগিব। তোমালোক কলেজীয়া শিক্ষা পোৱা ছোৱালী বোৰক আমি শিকাব লাগেনে? ইমান ভাৱপ্ৰৱণতা সকলো সময়তে নিজৰ বাবে অনুকূল নহয় মা। যোৱা গোঁসাই ঘৰলৈ গলে মনত শান্তি পাবা।"

মাক ওলাই গ'ল। ইন্দুয়ে চকু পানী মচি গোঁসাই ঘৰলৈ গ'ল। দেউতাকেও বিষাদে আবৰা মনটোক অলপ শান্ত কৰাৰ উদ্দেশ্যেৰে বাহিৰলৈ যাব খুজি দেখিলে যে গাড়ী ষ্টাৰ্ট হোৱা নাই। কিছু সময়ৰ ভিতৰতে ড্ৰাইভাৰে ঠিক ঠাক কৰি ললে। গাড়ী আগবাঢ়িল। কিন্তু সতীশ বৰুৱাৰ হৃদয় কিবা এক অজান ভয়, অবুজন কঁপনি আৰু বিভীষিকাময় আশংকাত আতঙ্কিত হ'ল।

পোস্কৰ

কুঞ্জন যেতিয়া গাওঁ পালে সি দেখিলে বহুতো পৰিবৰ্ত্তন। ৰাস্তাত মানুহ দুনুহৰ বিশেষ সমাগম নাই। আনকি দৈনিক বজাৰতো মুষ্টিমেয় কেইজন মান মানুহ। আগতে চাহ দোকান বোৰত মানুহৰ হোৱাই নোহোৱাই আড্ডা। আজি কিন্তু মৰিশালি যেন নিৰ্জন। নিশ্চয় অচিন ব্যাধিৰ বিভীষিকাই গাওঁবাসীৰ মন আতংকিত কৰি তুলিছে। আগবাঢ়ি গ'ল কুঞ্জন, ঘৰৰ পদুলি পালে, বুকুখন চিৰিংকৈ উঠিল—মাকক কি বুলি কৈফিয়ৎ দিব সি ? তেতিয়া সাঁজ লাগো লাগো। দেউতাকে এজন ব্যক্তিৰ লগত বাটচৰাৰ বাৰান্দাত যেন গোপন আলোচনা কৰিছে। কোনেও কুঞ্জনক দেখা নাই।

"ডাক্তৰ ভালদৰে চেষ্টা কৰক। জানেইতো—স্বপন অবিহনে মোৰ ক'তো ভৰষা নাই। সকটি সন্তান কুঞ্জন উজনিত। টকা পইচাৰ কাৰণে চিন্তা নকৰিব ডাক্তৰ—মাত্ৰ মোৰ স্বপন বোপাক বচাওক।"

"চৌধুৰী বাবু, চেষ্টাৰ ত্ৰুটি মই কৰা নাই। কিন্তু লাঞ্জ এখনটো প্ৰায় শেষ হৈ গৈছে। হাৰ্টো যথেষ্ট দুৰ্বল। আৰম্ভনিৰ ষ্টেজত ধৰা পৰিলে সিমান অসুবিধা নাছিল। আজিকালিটো এইবোৰ কৰ গলে পানী লগা বেমাৰৰ নিচিনা—যদিহে প্ৰিলিমিনাৰি অৱস্থাত ধৰা পৰে। মাত্ৰ এটা কোৰ্চ—বিশেষ সাৱধানতা, ৰেষ্ট, হাই প্ৰটিন যুক্ত খাদ্য—আৰোগ্য সুনিশ্চিত। কিন্তু লাঞ্জ খাই শেষ কৰাৰ পিছত চিকিৎসা হাতত ললে অৱশ্যে অনিশ্চয়তা আছে। আৰোগ্য নহব বুলি কোৱা নাই—চেষ্টা কৰি চাও বাৰু। বাকী থিনি ভগৱানৰ হাতত। মই আহোঁ বাৰু।"

ডাক্তৰ গুচি গ'ল। সকলো শুনি থকা কুঞ্জনৰ বুজিবলৈ বাকী নাথাকিল ককায়েকৰ টি, বি, হৈছে। লাহে লাহে সি বাৰান্দাত বৈ থকা দেউতাকৰ কাষলৈ আগবাঢ়ি গ'ল—

"দেউতা"

"কোন ? কুঞ্জ তই ? তই আহিছ কুঞ্জ—"

কুঞ্জনে দেউতাকক সেৱা এটি কৰিলে। দেউতাকে আনন্দৰ অতিশয্যাত তালৈ ব' লাগি চাই থাকিল।

"বাতৰি কাকতত তই এদিনবাৰ্গৰ পৰা এফ, আৰ, চি, এস, ডিগ্ৰী লৈ উভতি অহা খবৰ পাইছো। কুশলে আছ নহয় ?"

"দেউতা মোক ক্ষমা কৰিব।"

"বল বল ভিতৰলৈ বল। তোৰ অবিহনে মাৰৰ চিন্তাত তৎ নাই। ককায়েৰ হৈ পৰিল অসুস্থ। ঘৰখনত অশান্তি, গাঁৱত অচিন ব্যাধি।"

কুঞ্জন ভিতৰলৈ গ'ল। মাকে কুঞ্জনক কোলাত লৰনে সাবতি ধৰিব এঁকো ঠিক কৰিব পৰা নাই।

"সৰুবোপা তই বোলে ডাঙৰ ডাক্তৰ হৈছ, ককায়েৰক ভাল কৰ। তইঁতৰ চিন্তাতে আজি তাৰ এই অৱস্থা। হল বুলিনো কিমান দুখ সহিব ? চাহ জলপান খিনি খাই ককায়েৰৰ কাষলৈ বল। বাকী সকলোবোৰ পিচত লাহে লাহে কম।"

"কিন্তু মা—নবৌ, নবৌ আৰু—নবৌ ক'ত মা ?"

"এতিয়া হুলস্থুল নকৰিবি—সকলো কম। তোৰ নবৌ আৰু ভতিজা কুশলে আছে।"

কুঞ্জনৰ আগমণত গোটেই গাওঁখনতে হুলস্থুল লাগি পৰিল। যিয়ে যেনেকৈ পৰিছে কুঞ্জনৰ খবৰ লৈছে। খবৰ লোৱা মানুহ আৰু মাকৰ মুখৰ পৰা ইতিমধ্যে কুঞ্জনে গাওঁখনৰ মহামাৰীৰ প্ৰকোপৰ বতৰা লৈ ককাযেকৰ কোঠালৈ গ'ল। অলপ আগতে ককাযেকে টোপনীৰ সাৰ পাইছে, সাৰপাইয়ে সি গম পাইছে কুঞ্জনৰ আগমণৰ কথা।

"ককাইদেউ ?"

"অ কুঞ্জ, তই ভালে আছ নহয় ?"

"আছো ককাইদেউ, কিন্তু এয়া তোমাৰ কি হ'ল ?"

"মোৰ বাবে চিন্তা নকৰিবি। সকলো ভগবানৰ ইচ্ছা। ভুল কৰিছিলো, ডাঙৰ ভুল, কিন্তু শাস্তি যে ইমান ভয়ানক হব মই তাক কল্পনাও কৰা নাছিলো। হাতৰ কুঠাৰ নিজৰ ভৰিত মাৰি যন্ত্ৰণাত ছট-ফটাই আজি মই—কোনে জানে হয়তো মৃত্যু যাত্ৰী হৈছো। শুনা নাই যদি শুনিবি, মোৰ নিষ্ঠুৰতাৰ কাহিনী শুনি তই বিস্মিত হৈ পৰিবি। মোক কিন্তু ঘৃণা নকৰিবি কুঞ্জ, মই মোৰ ভুলৰ বাবে অনুতপ্ত। কিন্তু জান কুঞ্জ, তোৰ চিঠি আগতে পালে হয়তো সেই ভুলটি নহ'লহেঁতেন। পিচদিনাখন পঢ়িছিলোঁ তোৰ চিঠি সেই দিন ধৰি আজিলৈ মোৰ অনুতপ্ত হৃদয় হাহাকাৰ কৰি আছে তইঁতৰ বাবে।"

"তাৰ মানে নবৌ—?"

"সোণপুৰত আছে। মই তেওঁক ত্যাগ কৰিছো, তোৰ ভতিজা ৰাতুল এতিয়া স্কুললৈ যায়। বেচেৰাই দেউতাকক আজিলৈ দেখা নাই। মাজতে ভাবিছিলো ক্ষমা খুজোঁ, লৈ আহোঁ সিহঁতক। কিন্তু নোৱাৰো—কিবা এক শংকাই বাধা দিয়ে। এই অশান্তি আৰু অন্তৰ্দ্বন্দ্বই দিনে দিনে তিল তিলকৈ মোৰ হৃদয় পুৰি যাব ধৰিলে। দিনে দিনে মই কব নোৱাৰাকৈ দুৰ্বল হৈ যাব ধৰিলোঁ—খোৱাত ৰুচি নাই, ফুৰাচকাৰ ঠিকনা নাই—দেহৰ ওপৰত অত্যাচাৰ কৰি কাৰ ওপৰত প্ৰতিশোধ ললো নিজে নুবুজিলো।"

"সেইবোৰ চিন্তা এতিয়া কৰিব নালাগে। মই আহিছো যেতিয়া সকলো ঠিক হৈ যাব। তোমাৰ সংসাৰ যেনেদৰে ভাঙি গৈছিলোঁ, তেনেদৰে নতুনকৈ পাতি দি যাম এইবাৰ। তুমি মাত্ৰ আৰোগ্য হোৱা। চিন্তাৰ কাৰণ নাই। তোমাৰ বাবে মই সকলো কৰিম। নবৌক মই লৈ আহিম—আগতে সুস্থ হৈ লোৱা।"

"কুঞ্জ, নবীয়া গাৰে বাতৰি কাকতত তোৰ ফটো দেখি আৰু সুখ্যাতিৰ খবৰ পঢ়ি নিজকে ধন্য মানিছিলো। ভাবিছিলো তই হয়তো আৰু নাহিবি। কিন্তু তই আমাক পাহৰি যোৱা নাই। মই জানো, তই আমাক পাহৰিব নোৱাৰ, অভিমান আঁতৰি গলে তই নিশ্চয় ফিৰিবি।

তোৰ আৰু ৰেণুৰ চিন্তাই মোক কণীয়া কৰিলে কুঞ্জ, মোক ঘূণীয়া কৰি পেলালে। ৰেণুক নতুনকৈ পোৱাৰ হাবিয়াস এতিয়া মোৰ নাই। মোৰ ওচৰত এতিয়া তেওঁ কি পাব? মাকৰ ঘৰতে সুখেৰে আছে কুঞ্জ।"

"তুমি বেছি কথা নকবা ককাইদেউ। তোমাৰ চিকিৎসাৰ সমস্ত দায়িত্ব এতিয়া মোৰ ওপৰত। তোমাক চিকিৎসা কৰা ডাক্তৰ জন হয়তো আৰু নাহিব। মইতো অকল তোমাক চিকিৎসা কৰিবলৈ অহা নাই ককাইদেউ, তোমাৰ লগতে গাওঁখনৰ পৰা এই মহামাৰী সমূলি নিৰ্মূল কৰিব লাগিব। মোৰ ডাক্তৰী অভিজ্ঞতাৰ প্ৰথম প্ৰকাশ হব তোমাৰ আৰু গাওঁৰ ৰোগাগ্ৰস্ত ব্যক্তি সকলৰ সেৱাত। সেয়াও যে মোৰ বাবে ভাগ্যৰে কথা।"

কুঞ্জনে স্বপনৰ বুকুৰ এক্স-ৰেবোৰ, তেজ, শৌচ, প্ৰসাব আৰু স্পুটামৰ পৰীক্ষাৰ ৰিপোৰ্টবোৰ ভালদৰে চালিজাৰি চালে। স্বপনৰ হৃদস্পন্দন পৰীক্ষা কৰিলে, ব্লাডপ্ৰেচাৰ চালে, পালচ ৰেট নিৰীক্ষণ কৰিলে। অৱস্থা সিমান ভাল নহয় যদিও সোনকালেই আৰোগ্য হব বুলি সি আশ্বস্ত হ'ল।

"ককাইদেউ, কোনো চিন্তাই নকৰিবা। অতি সোনকালেই তোমাৰ ৰোগ নিৰ্মূল হৈ যাব। মাত্ৰ অলপ সাৱধানে চলিবা, চিন্তা ভাৱনা একো নকৰিবা, মই আছোঁ'। মই কথা দিছো নবৌক তুমি পাবা আৰু তাৰ বাবে তুমি সুস্থ হব লাগিব। সুস্থ হবৰ বাবে তুমি আনন্দ কৰিব লাগিব। নবৌৰ জীৱনত পুনৰ ৰং সনাৰ কাৰণে তুমি হাঁহিবলৈ শিকাচোন।"

কুঞ্জনে মুখ ঘুৰাই চালে— মাক ওচৰতে থিয হৈ আছে। মাকৰ মুখত হাঁহি—স্বপন ভাল হব, বোৱাৰী পুনৰ আহিব।

"তই যাগৈ সৰু বোপা, ককায়েৰৰ ওচৰত ময়ে আছো। বাহিৰত তোৰ কাৰণে বহু মানুহ অপেক্ষা কৰি আছে।"

তাৰ পিচ দিনা খনৰ পৰা কুঞ্জন ব্যস্ত হৈ পৰিল গাওঁ বাসীৰ চিকিৎসাত। বহুকেইজন লোকেই ৰোগত আক্ৰান্ত। কিছুমানৰ

অৱস্থা গুৰুতৰ। দিন ৰাতিৰ ছেদভেদ হেৰুৱাই কুঞ্জনে প্ৰবল আন্তৰিকতাৰে সকলোৰে শুশ্ৰূষা কৰিব ধৰিলে। ওচৰৰ টাউনৰ হস্পিতালৰ পৰা লিখা লিখি কৰি দুজন অতিৰিক্ত ডাক্তৰ, কেইজনী মান নাৰ্চ আৰু যাবতীয় ঔষধ পাতি আৰু আচবাব পত্ৰ লৈ আহিল। নাৰ্চ কেইগৰাকীক সিহঁতৰ ঘৰতেই থাকিব দিয়া হ'ল। ডাক্তৰ দুজনক চৰকাৰী ডাক্তৰ খানাৰ খালি কোৱাৰ্টাৰ এটাত থকাৰ ব্যৱস্থা কৰি দিলে। কুঞ্জনৰ নৈতিক একাগ্ৰতা আৰু তৎপৰতাই বাকী ডাক্তৰ দুজনক আৰু নাৰ্চ কেইগৰাকীকো একান্ত মনে কৰ্ত্তব্যত ব্ৰতী হবলৈ উদ্বুদ্ধ কৰিলে। সকলোৱে অক্লান্ত প্ৰৰিশ্ৰম কৰিলে গাওঁ বাসীৰ শুশ্ৰূষাৰ কাৰণে। গাৱঁৰ মানুহে কুঞ্জনক ধইন ধইন কৰিলে। এয়াহে প্ৰকৃত সেৱক। স্বাৰ্থহীন ভাবে কেনেদৰে নিজৰ দেহৰ কষ্টলৈ ভ্ৰূক্ষেপ নকৰি দিন-ৰাতি অবিৰাম গতিত ক্ষীপ্ৰতাৰে কৰ্ত্তব্য কৰি গৈছে। ঘৰত থকা ৰুগীয়া ককায়েকৰ পৰা আৰম্ভ কৰি গাওঁৰ প্ৰতিজন ৰোগীকে একমনে, একে আন্তৰিকতাৰে সেৱা কৰিছে। সকলোৰে মুখে মুখে কুঞ্জনৰ ভূয়সী প্ৰশংসা, সকলোৰে ধাৰণা— কুঞ্জনক এনেদৰে ভগৱানেহে পঠাই দিছে। কুঞ্জন যেন তেওঁলোকৰ মনত মানুহ নহয়, এজন প্ৰত্যাশী দেৱতা, ঈশ্বৰ প্ৰেৰিত মহাত্মা।

এনেদৰে কুঞ্জন আৰু সহকৰ্মী সকলৰ অক্লান্ত চেষ্টাৰ গুণতে গাৱঁৰ প্ৰতিজন ৰোগী আৰোগ্য হ'ল। এসপ্তাহৰ ভিতৰতে গাৱঁত শান্তি বিৰাজ কৰিলে। ৰোগত আক্ৰান্ত নোহোৱা সকলকো প্ৰতিশোধক ইনজেকচন দিয়াৰ ব্যৱস্থা কৰিলে কুঞ্জনে। সহকৰ্মী ডাক্তৰ দুজন কুঞ্জনৰ ব্যস্ততা, নিস্বাৰ্থ কৰ্মপ্ৰেৰণা আৰু অটুট মনোবল দেখি বিস্মিত হ'ল। কুঞ্জনৰ আদৰ্শই তেওঁলোককো আপ্লুত কৰিলে। মানৱ প্ৰেম আৰু মানৱ সেৱাৰ এই অতুলনীয় দৃষ্টান্তই তেওঁলোকৰ মনত গভীৰ ভাবে ৰেখা পাত কৰিলে। নিস্বাৰ্থ ত্যাগ এনেয়ে মহিমামণ্ডিত, সামূহিক সেৱা আৰু কল্যানৰ বাবে নিজক উৎসৰ্গা কৰিব পৰাটো মানৱ প্ৰেমৰ আৰু এক অতুলনীয় নিদৰ্শন।

খোৱা লোৱাৰ ঠিকনা নোহোৱাকৈ, টোপনিৰ ঠিকনা নেহোৱাকৈ, নিজ স্বাস্থ্যৰ প্ৰতি কিঞ্চিতো ভ্ৰূক্ষেপ নোহোৱাকৈ ৰাইজৰ সেৱাৰ বাবে মানুহে যে এনেদৰে নিজক আত্ম নিয়োগ কৰিব পাৰে, আমন্ত্ৰিত ডাক্তৰৰ বাবে সেয়া নতুন অভিজ্ঞতা।

কুঞ্জন সেয়ে আজি গাওঁবাসীৰ মনত দেৱতা স্বৰূপ। সেই কেইটা দিনৰ ভিতৰত কুঞ্জনে স্থানীয় ডাক্তৰখানাটিৰো যথেষ্ট উন্নতি সাধন কৰিলে। ভাল ভাল ঔষধ পাতিৰ যাতে সুব্যৱস্থা থাকে তাৰ বিহিত ব্যৱস্থা কৰিলে, জৰুৰীকালীন ৰোগীয়ে যাতে কোনো অসুবিধা নোহোৱাকৈ স্থায়ী ডাক্তৰ খানাত থাকি চিকিৎসা লব পাৰে তাৰ বাবে দহোটা চিটৰ বন্দোবস্ত কৰালে, ডাক্তৰ আৰু নাৰ্চৰ সংখ্যা বঢ়ালে। মুঠতে গাঁওৰ ডাক্তৰখানাটো এটা লেখত লবলগীয়া ডাক্তৰখানালৈ উন্নীত কৰিলে।

লাহে লাহে স্বপনো সম্পুৰ্ণ সুস্থ হৈ উঠিল। উমাশংকৰ চৌধুৰীৰ এতিয়াহে চকুলৈ টোপনি আহিল, পেটলৈ ভাত যোৱা হ'ল। ককায়েকৰ ঔষধ পাতি, পথ্য, ইনজেকচন, আজি সকলো বোৰৰে দায়িত্ব কুঞ্জনে নিজেই লৈছিল। মাকক নিৰ্দেশ দিছিল যাতে ককায়েকক কঠিন মতে ভাল ভাল খাদ্যৰ যোগান ধৰা হয়। কুঞ্জনৰ নিপুণ চিকিৎসা প্ৰণালী আৰু শুশ্ৰূষাৰ ফলতে ইমান সোনকালে সুস্থতাৰ ফালে আগবাঢ়িল স্বপন।

এদিন ৰমানন্দই উমাক কলে—

"সখি, মই নকৈছিলোনে—বোলো বোপায়ে ডাঙৰ মানুহ হৈহে ঘৰলৈ ফিৰিব। চোৱা, মোৰ কথা ফলিয়ালে নে নাই। ভগৱন্তইও ঠিক নিদান কালতে তাক গাৱঁলৈ পঠাই দিছে। নহলে গাওঁখনেই আজি উচন গ'লহেঁতেন। তোমাৰ মোৰো জানো পৰিত্ৰাণ আছিল? তুমি ভাগ্যবান সখি। ভাগ্যৰ বলতহে এনে পুত্ৰ ৰত্ন জন্ম পায়।"

"এৰা সখি, ময়ো ভবাই নাছিলো—এনেদৰে ঘৰৰ আৰু গাৱঁৰ বিপদৰ সময়তে সি ওলাই পৰিবহি বুলি। বৰ কষ্ট কৰিলে বোপাই।

স্বাস্থ্যৰো বৰ ক্ষতি হ'ল ।"

"ডাক্তৰ মানুহক স্বাস্থ্যনীতি কিবা এতিয়া আমি শিকামনে ?"

"হওঁতে হয়, ডাঙৰ ডাক্তৰ হলেও সেই আগৰ দৰেই সি নিজৰ প্ৰতি উদাসীন। নিজৰ জীৱনটোৰ কথা খুব কমকৈ ভাবে সি। পিচে এটা কথা সখি—কুঞ্জই বোৱাৰীক আনিবলৈ যাব। বোৱাৰী এইখন ঘৰলৈ আহিলেহে, নাতিৰ মুখখন চাবলৈ পালেহে উপলব্ধি কৰিম মই সুখী সখি, মোৰ কোনো খেদ বা ক্লেশ নাই।"

"বৰ ভাল হব সখি। ডাঙৰ বোপাৰ কথাটোৰে মোকো বৰ চিন্তিত কৰিছিল। ভগবানৰ ইচ্ছাত কোনো অঘটন নঘটিল। এতিয়া তাৰ জীৱনলৈ শান্তি যেৰা ঘুৰি আহিলেই আনন্দ পাও। বোৱাৰী জনীক সি কিহৰ মতিভ্ৰমত তেনে কৰিলে মোৰ বাবে আজিও এটা সাঁথৰ। এনে নিৰ্মল চৰিত্ৰৰ, পবিত্ৰ অন্তঃকৰণৰ লখিমী জনী। বুজিছা সখি, এয়া পৰীক্ষা। ভগবান ৰামচন্দ্ৰইও সীতা সতীক এনেদৰে পৰীক্ষা কৰিছিল।"

"কিনো কবা সখি—গাৱঁৰে কেতবোৰ টুটুকীয়া তিৰোতা আৰু উদভীয়া ডেকা ল'ৰাৰ কুৎসা ৰটনাৰ ফলতে স্বপন বোপাৰ এনে মতিভ্ৰম হৈছিল। সেই দিনটোৰ কথা কি কম সখি তুমিতো জানাই, হিয়া ফাটি যাব খোজে। স্বপনৰ সিদ্ধান্তৰ কথা জানিব পাৰি প্ৰমথ বাবু বিনম্ৰতাৰে মাথো মোক কলে, 'ছোৱালীজনীক ঘৰলৈ নিও—এটা সুস্থ বুজা পৰা নোহোৱালৈকে মোৰ লগতে ৰাখো। কি কয় আপুনি।' মই গম্ভীৰ শোকেৰে নিৰলৈ সম্মতি দিলো। স্বপন বোপাক জানো কম বুজাই ছিলো সেইদিনা। কোনো পথ্যে নুশুনিলে। যেতিয়া বোৱাৰীজনী কান্দি কান্দি মোৰ ভৰি চুবলৈ আহিল— বুকুত যেন কোনোবাই শক্তিশেল হানিলে সখি, প্ৰাণ কান্দি উঠিল। বৃদ্ধ শহুৰ হৈ চকুপানী মচি তাইক মই বিদায় দি কৈছিলো— 'তুমি দুখ নকৰিবা মা, মই আশীৰ্বাদ কৰিছোঁ, পুনৰ এই ঘৰলৈকে তুমি আহিব লাগিব। খং, ক্ৰোধ মান অভিমান সদায় একে

নাথাকে। স্বপন ৰোপাই এদিন বুজি পাব মা। এইখন তোমাৰেই ঘৰ, এই ঘৰত তোমাৰ অধিকাৰ কোনেও চিন্ন কৰিব নোৱাৰে। তুমি হাঁহি মাতি থাকিবা মা, কান্দি নাথাকিবা।' জানা সখি, বোৱাৰী জনীলৈ সদায় মোৰ মনত পৰি থাকে। নিষ্পাপ ফুল পাহ কিয় যে এনেদৰে যাতনা ভুক্তিহলগীয়া হ'ল।"

দুই সখিৰ মেলত ঘৈণীয়েকেয়ো যোগ দিলে। চাহপৰ্ব শেষ হোৱাৰ পিচত ৰমানন্দ গুচি গ'ল। তাৰ পিচত ঘৈণীয়েকে উমাশঙ্কৰক কলে—

"কুঞ্জই মোক কি কৈছে জানেনে? এইবাৰ গৈ হেনো সি বিয়া পাতিব। তাৰ বাকদত্তা ছোৱালী এজনী আছে হেনো—উজনীত। সেই ছোৱালীজনীৰ দেউতাকে অশেষ স্নেহ আৰু যত্নেৰে তাক পঢ়ুৱাইছে। আমাৰ মত নেলোৱাকৈ বিয়াৰ বন্দোবস্ত কৰা বাবে ক্ষমা বিচাৰিছে।"

"তাক সৰ্বান্তকৰণে ক্ষমা কৰিবা।"

"সি বিয়া কৰাই ঘৰলৈ অনাৰ পিচত ইয়াতে ডাঙৰকৈ ভোজ এটা পাতি গঞা ৰাইজক খুৱাম। তাৰ নগৰ বন্ধু সকলৰ নিমিত্তে সন্ধিয়া অভ্যৰ্থনাৰ আয়োজন কৰিম—কেনে দেখে?"

"তুমি তলে তলে মোক একো নোসোধাকৈ সব পাক্কা কৰি পেলাইছা দেখিছো। মই জানো তোমাৰ কিবা কামত বা ইচ্ছাত কোনোবাদিনা বাধা কৰা তোমাৰ মনত পৰে বোপাৰ মাক?"

ঘৈণীয়েকে হাঁহি মাৰি ভিতৰ সোমাল। উমাশংকৰে গাটোকে তিয়াও বুলি কুৰাৰ পাৰলৈ গ'ল - গুণ গুণাই গ'ল—

"নাবাঞ্ছোহো সুখ ভোগ নমাগো মুকুতি।
তোমাৰ চৰণে মাত্ৰ থাকোক ভকতি॥"

হঠাতে এদিন বিমান আহি কুঞ্জনইতৰ ঘৰত উপস্থিত হ'ল। কুঞ্জন একেবাৰে আচৰিত, হতবাক।

"তই এনেকৈ হঠাতে ওলাবি বুলি সপোনতো ভবা নাছিলোঁ।"

"দিঠকতটো দেখিছ? স্বপনৰ অসুখ বুলি শুনিছো, আহো আহো বুলি আহিব পৰা নাই। ইতিমধ্যে তই অহা বুলিও শুনিলো। এইবাৰ কিন্তু বাধ্য হৈয়ে আহিছো দেই। বাৰু স্বপনৰ বৰ্ত্তমান কেনে?"

"ককাইদেউ বৰ্ত্তমান সম্পূৰ্ণ সুস্থ বুলিব পাৰি। মাত্ৰ কেইমাহমান ৰেষ্টত থাকিব লাগিব। ঔষধ-পাতি, পথ্য খাই থাকিব লাগিব। এই কেইদিনতে বহুত ইম্প্ৰুভ কৰিছে। দুমাহমান ৰেষ্টত থকাৰ পিচত কামত জইন কৰিব পাৰিব।"

"শুনি সুখ পালো। অসুখ হোৱা বুলি শুনাৰে পৰা বৰ চিন্তা লাগি আছিল। তাৰ অসুখ বুলি ৰোহিতৰ মুখৰ পৰাই শুনিছিলো। ৰেণুতো কান্দি কান্দি অস্থিৰ। মই তাইৰ কথা ভাবি অস্থিৰ হৈ পৰোঁ কুঞ্জন।"

"শুনাখিনিতো শুনিছই। নুশুনাখিনিও ভাঙিপাতি কম তোক। ককাইদেউ নবৌৰ চিন্তাতে ক্ৰমে ক্ৰমে সকলোবোৰতে অমনোযোগী হৈ এই বেমাৰ মাতি আনিছে। ককাইদেউ অতি অনুতপ্ত। নবৌক বিচাৰে অথচ মনৰ প্ৰবল ইচ্ছাক প্ৰকাশ কৰিব নোৱাৰি এই অন্তৰ্দহন। বাইদি বাই—ৰোহিত এতিয়া ট্ৰেইনিঙত—ট্ৰেম্বেত। বিদেশ ভ্ৰমণৰো সুবিধা হব নেকি তাৰ।"

"শুনিছো, মানে সি অলপতে মোলৈ লিখিছে।"

"এতিয়া কচোন আগমণৰ কাৰণ। ঘৰত সকলোৰে কুশলনে?"

"সকলো ভালে আছে, মাত্ৰ তোৰ ভতিজা অসুস্থ। ডাক্তৰৰ হতুৱাই চোৱালো। ৰোগ ধৰিব পৰা নাই। ৰেণুতো অকমানতে অস্থিৰ হৈ পৰে। যোৱাকালি ৰাতি আকৌ কন্দাকটা। বুজালেও নুবুজে। কি বুজিব, সেই সন্তানটিয়ে তাইৰ হিয়াৰ মাণিকী।"

"মই সকলো বুজো বিমান। আমি তেন্তে দেখি নকৰো নেকি?"

"চিন্তা নকৰিবি। মই আহোতে সি ভত্ৰ ল'বাৰ দৰে শুই

আছে। ইয়াতে খাই বৈ সুস্থিৰে যাত্ৰা কৰিম। গাড়ী সেই কাৰণেই আনিছো।"

"তুই এদিনতে মোৰো তইঁতৰ ঘৰলৈ যোৱাৰ কথা আছিল। নবৌক আনিব খোজো। জেঁাট লগাইছিলো, এতিয়া চিজিল লগাই যাও।"

"যি ভাল দেখা কৰ আৰু তাইতো এইখন ঘৰৰে বোৱাৰী। সেউতাই লৈ গৈছিল এটা সুস্থ বুজা পৰা হোৱালৈকে আমাৰ ঘৰতে থাকক বুলি। আৰু মই জানো, তই ৰেণুৰ অহিত চিন্তা নকৰ। জান কুঞ্জন, ৰেণু মোৰ অতি মৰমৰ, জীৱনত তাই শান্তি পোৱাটোকে কামনা কৰোঁ। যোৱা কথা ভাবি লাভ নাই, সঁচ ই যদি জানিলোঁহেঁতেন ৰেণুৱে তোক বিচাৰিছিল, তেন্তে আমি তাইক তেনেদৰে জোৰকৈ বিয়া নিদিলোহেঁতেন। বিয়াৰ কথা লৈ তাই কিন্তু পাকে প্ৰকাৰে খুব আপত্তি কৰিছিল। মইহে তাইক কৈছিলো— স্বপনৰ দৰে উপযুক্ত ল'ৰা এজনক অপচন্দ কৰা মুৰ্খামী।"

"সেইবোৰ বাদ দে বিমান। আঁতৰি আহিছো যেতিয়া উভতি চাও কিয় ?"

এনেতে লাকে তুযোকে মুখহাত ধুবলৈ কৈ পাকঘৰলৈ মাতিলে—

"বোপা পাক ঘৰলৈকে আহা—বহুদিনৰ মূৰত দেখিলো, পাক ঘৰতে কথা পাতিম আহা।"

আবেলি কুঞ্জন আৰু বিমান সোণপুৰলৈ যাত্ৰা কৰিলে। বাটত কুঞ্জনে বিমানক ঘটিযোৱা সকলোবোৰ ঘটনা কৈ গ'ল—ককায়েকক দিয়া চিঠিখনৰ কথা সেইখন ৰেণু গুছি যোৱাৰ পিচতহে তেওঁ পঢ়িছিল, নহ'লে এনে অপায় অমঙ্গল হয়তো নহ'লহেঁতেন। তাৰ পিচত নাজিৰা চাহবাগিচাৰ কেৰাণীগিৰি, মালিক দম্পতিৰ তাৰ প্ৰতি স্নেহ, মালিকৰ ঘৰৰ ল'ৰা হৈ পুনৰ পঢ়া আৰম্ভ—এডিনবাৰ্গ, তাৰ পিচত মালিক দুহিতা, আপোন ভনীৰ দৰে জ্ঞান কৰি থকা ইন্দুৰ লগত তাৰ বিয়াৰ কথা—সকলোবোৰ বৰ্ণনা কৰি গ'ল।

সিহঁতে যেতিয়া ঘৰ পালে তেতিয়া ৰেণুৱে শুই থকা বাতুলৰ পৰা ক্ষন্তেকলৈ অব্যাহতি পাই পদুলিমুখৰ তাল গছ জুপোপাৰ তলতে মুকলি বতাহ সেৱন কৰি আছিল। কুঞ্জন আৰু বিমানক দেখি ৰেণুৰ মনটো যৰকাল যেন লাগিল। বহু দিন আগতে দুৰ্গাপূজাত কুঞ্জন বিমানৰ লগত অহা দিনটোলৈ মনত পৰিল। আগবাঢ়ি যাব খুজিও থমকি ৰ'ল তাই। কুঞ্জন তাইৰ কাষলৈ আগবাঢ়ি আহিল। বিমান ভিতৰলৈ সোমাই গ'ল।

"নবৌ ?'

"বাপু"—ৰেণুৱে কুঞ্জনলৈ চালে—সেই দৃষ্টিৰ দীপ্তিত কি আকুতি আছে কুঞ্জনেহে নালাগে, জগতখনৰ বাবেও হয়তো সেয়া দুৰ্বোধ্য সাঁথৰ।

"ভালে আছা নবৌ ?"

"দেখিছাইতো—মুখেৰে বেলেগকৈ কি কম ? তুমি অহা বুলি শুনিছো, ইয়ালৈ আহিবা আহিবা বুলি বাট চাই আছিলো। আগতে ভিতৰলৈ আহা। পিচতো কথা ৰতৰা হব পাৰিম। দাদাই তোমাক ঠিক সময়তে লগ পাইছিল নে ?"

"ও পাইছিল। আগতে কোৱাচোন মোৰ মৰমৰ ভতিজা কেনে আছে ?"

"তুমিহে চাইচিতি কব পাৰিবা। গোটেই দিনটো তাৰ ওচৰত আছো। এতিয়া অলপ আৰামেৰে শুই আছে। মা তাৰ ওচৰতে আছে।'

দুয়ো ভিতৰলৈ গ'ল। কুঞ্জনে মুখ, হাত ভৰি ধুই ললে। গামোচাৰে মুখ মচি মচি নবৌয়েকৰ কোঠালৈ গ'ল। নবৌয়েক তেতিয়া বাতুলৰ কাষত। বাতুল টোপনিত লাল কাল। বাতুলৰ কপালত হাতখন দি কিছুসময় স্নেহৰ ভতিজালৈ চালে।

"কি চাইছা ? দেখাত তোমাৰ দৰেই হব কিজানি ?"

"আমাৰ বংশৰ সন্তান আমাৰ দৰে নহৈ কাৰ দৰে হব ?"

"এইকেইদিনতে ইমান ক্ষীণালে। নহলে কম নোদোকাতো নাছিল সি। এনেদৰে জানো শুই থকা ভকত সি ? যি উৎপাত! পঢ়াৰ সময়ত অৱশ্যে আমনি নকৰে, বৰ মনোযোগেৰে পঢ়ে। অংক কৰে, নেওঁতা পঢ়ে, সাহিত্য খন পঢে।"

"কোন শ্ৰেনীত নাম লগাইছা ?"

"এই বেলি ২য় শ্ৰেণী পালে। বৰ অসুবিধা জানা বাপু, দিগদাৰ কৰি থাকে সি। মাজে মাজে দেউতাৰৰ কথা কৈ ইমান আমনি দিয়ে নহয়, তুমি নিজে থাকিলেহে বুজিলাহেঁতেন।"

ইতিমধ্যে ৰাতুলে সাৰ পালে। কুঞ্জনে ভালদৰে পৰীক্ষা কৰি কৰি চালে তাক। ৰোগৰ লক্ষণবোৰ প্ৰথমৰে পৰা কেনে ধৰণৰ আছিল ৰেণুৰ-পৰা বুজি ললে। আগৰ ডাক্তৰ জনৰ প্ৰেচক্ৰিপ্‌চন খন চালে। তেওঁ ৰোগ ধৰিব পৰা নাছিল। সেয়েহে বিমান আহি কুঞ্জনৰ খবৰ পাই বিলম্ব নকৰি কুঞ্জনকে আনিবলৈ গৈছিল।

বহুসময় ভাবিলে কুঞ্জনে। এটা ইনাজক্‌চন উলিয়ালে। ৰেণু চক খাই গ'ল।

"বাপু!"

"তুমি চিন্তা নকৰিবা নবৌ, তেনেই সাধাৰণ অসুখ। দুদিনতে লৰি ফুৰিব পৰা হব।"

ৰেণুৱে ৰাতুলক কোলাত তুলি ললে। কুঞ্জনে বিমানকো মাতি আনিলে। ৰাতুলৰ কণমানি বাহুটোত কুঞ্জনে ইনজেকচনটো দি দিলে। চিঞঁৰি উঠিল ৰাতুল। তাৰ পিচত কান্দিবলৈ ধৰিলে। কুঞ্জনহঁত আঁতৰি যোৱাত ৰেণুৱে নিচুকাব ধৰাতহে সি শান্ত হ'ল।

দুদিনৰ ভিতৰতে সঁচাকৈয়ে ৰাতুল দৌৰিব পৰা হ'ল। কুঞ্জনে ভাবিলে পলম কৰাৰ সকাম নাই। কুঞ্জনে প্ৰমথ মাষ্টৰক কথাটো কলে—

"দেউতা আমাক ভুল নুবুজিব—হৈ যোৱা ঘটনাৰ বাবে ককাই দেউৰ হৈ মৱে ক্ষমা খুজিছো। আপোনালোকৰ অনুমতি পালে নবৌক মই নিব খোজো। মা আৰু দেউতা নবৌৰ কাৰণে বিয়াকুল

হৈ আছে। আচল কথা, নবৌ অবিহনে ককাইদেউ বৰ অকলশৰীয়া হৈ পৰিছে।”

“মই বেলেগকৈ কি অনুমতি দিম বোপা। তোমালোকৰ ঘৰৰ বোৱাৰী নিবা—নিবাইতো। তাইও বৰ অকলশৰীয়া হৈ পৰিছে বোপা। আগতে জীৱনটোৱে আছিল সঙ্গী। তাকো বিমানে লৈ যোৱাৰ পিচত তাই অতি অকলশৰীয়া হৈ পৰিল। কিমান যে কষ্ট নাপালে তাই, কিমান যে আঘাট নসহিলে। তোমালোক সুখী হোৱা বোপা—তাইৰ জীৱনটো যাতে সুখৰ হয়, তাই যাতে শান্তি পায় তাকে আমি বাঞ্ছা কৰোঁ। তাই জীৱনটোত বৰ তিক্ততা পালে, বাকীছোৱা যাতে মঙ্গলময় হয় তাৰ বাবে লক্ষ্য ৰাখিবা বোপা। স্বপন বোপাৰ প্ৰতি কোনো খেদ বা বিদ্বেষ ভাৱ ৰখা নাই। আমি তাক ক্ষমা কৰিছোঁ।”

তাৰ পিছত কুঞ্জনে ৰেণুৰ কোঠালিলৈ গৈ মনৰ অভিপ্ৰায় আৰু দেউতাকৰ অনুমতি দানৰ কথা ব্যক্ত কৰাত ৰেণুৱে লাজতে ৰঙা পৰি উত্তৰ দিলে—

“তেওঁৰ কথা মই কোনোদিনে পাহৰিব নোৱাৰো বাপু। তেওঁৰ মৰম আৰু অনুৰাগে মোক বান্ধি ৰাখিছে, মোক জীয়াই ৰাখিছে।”

“ককাইদেউৰ মনৰ অৱস্থাও মই ভালদৰে বুজি পাইছোঁ, তোমাক পালেহে শান্তি পাব। আৰু মই ককাইদেউক প্ৰতিশ্ৰুতি দি আহিছো তোমাক লৈ যাম বুলি। আগ্ৰহেৰে বাটচাই আছে তেওঁ।”

“মই জানো বাপু, এদিন মই তেখেতৰ কাষলৈ যাবই লাগিব। কিন্তু কিবা এক অহেতুক জড়তাই—থাওক বাৰু সেইবোৰ, সকলো ভগবানৰ ইচ্ছা।”

“অতীতলৈ উভতি চাব নালাগে নবৌ। মা, দেউতা, বিমান সকলোৱে ইচ্ছা তুমি যাব লাগে। তোমাৰো সেইয়ে ইচ্ছা—গতিকে শঙ্কা নকৰিবা। ঘৰত সকলোৱে অতি আগ্ৰহেৰে তোমাক বাট চাই

আছে। ভয় নাই নবৌ, এইবাৰ মই হয়তো তোমালোক ছুজনৰ কাষত নাথাকিম—কোনেও একো কুৎসা ৰটিব নোৱাৰিব।”

“ছিঃ বাপু, ইমান অমঙ্গলীয়া কথাবোৰ কৈ মোক ছুখ দিয়া কিয়? তুমি জানো আঁতৰি থাকিব পাৰিবা।”

“তেনেকৈ আঁতৰি থকাৰ কথা কোৱা নাই নবৌ, সকলো ভাঙি পাতি ক'লে বঢ়িয়াকৈ বুজি পাবা। এতিয়া মাত্ৰ জানি থোৱা—অলপতে মোৰ বিয়া হ'ব।”

“তোমাৰ বিয়া? ছোৱালী ক'ত বাপু, কি নাম?”

“কলোৱে নহয়, পিচত ভাঙি পাতি কম বুলি।”

“এতিয়াই কোৱা বাপু, ছোৱালীজনী ধুনীযানে? খুব ধুনীয়া নহয়নে?”

“বৰ দীঘলীয়া কাহিনী নবৌ, শুনাৰ ধৈৰ্য্য জানো হব?”

“তুমি যদি গোটেই জীৱনটোৱে তোমাৰ কাহিনী মোক শুনাই থাকা, মই ধৈৰ্য্য কোনোদিনে নেহেৰুৱাও বাপু।”

“শুনা তেন্তে নাজিৰা চাহ বাগিচাৰ মালিক সতীশ বৰুৱা

খুব সংক্ষেপতে কুঞ্জনে তাৰ জীৱনৰ পাৰ হৈ যোৱা সাতোটি বছৰৰ সুখ-ছুখৰ ইতিহাসখন ৰেণুৰ আগত ডাঙি ধৰিলে। কাহিনীৰ অন্তত ৰেণুৱে মাত্ৰ ক'লে—“মোৰ ইন্দু ভনীজনীৰ সৈতে তোমাৰ যুগ্ম জীৱন মধুময় হওক বাপু।”

তাৰ পিচ দিনাখন কুঞ্জনে ৰেণু আৰু ৰাতুলক লৈ ঘৰলৈ ফিৰিল। প্ৰমথ মাষ্টৰৰ এতিয়াহে মনটো পাতল আৰু পৰিষ্কাৰ যেন লাগিল। ভিতৰি ভিতৰি চিন্তিত হৈ পৰিছিল তেওঁ—সঁচাকৈয়ে যদি ৰেণুজনীয়ে অকলশৰীয়াকৈ আজীৱন কটাবলগীয়া হয়? হৃদয়ৰ সমস্ত আবেগ ঢালি তেওঁ ৰেণুক আশীৰ্বাদ কৰি বিদায় দিলে, মাকে দিলে চকুলোৰে।

সুদীৰ্ঘ সাত বছৰৰ মূৰত ৰেণু গিৰীয়েকৰ ঘৰত ভৰি দিলে। হৃদয় কঁপি উঠিল। কাষত কুঞ্জনে এহাতেৰে ৰাতুলক কোলাত

লৈ আনন্দন হাতেৰে ড্ৰাইভাৰক ভাড়াৰ পইচা উলিয়াই দিছে। ইতিমধ্যে ঘৰত মাকে খবৰটো পাইয়ে পদূলিলৈ লৰি আহিল। বেণুৱে সেৱা কৰিলে তেওঁক। মাকে অন্তৰ ভৰা আশীৰ্বাদ দি কৃষ্ণনৰ কোলাৰ পৰা বাতুলক নিজৰ কোলাত তুলি ললে—চুমাৰ উপৰি চুমাৰে শিশু বাতুলৰ গাল মুখ ওপচাই পেলালে।

"তই ক'ত আছিলি সোণ, মোৰ বুকুৰ কলিজা—তই মোৰপৰা কিয় আঁতৰি আছিলি? মই তোৰ আইতা হও নহয়। এইটো তোৰ দেউতাৰৰ ঘৰ।"

"দেউতাৰ ঘৰ? মই দেউতাক দেখাই নাই আইতা। দেউতা ক'ত আছেনো—তোমাৰ দৰে দেউতাই মোক মৰম কৰিবনে?"

"কৰিব সোণ, মোতকৈয়ো বহুত বেছি মৰম কৰিব।"

"মোৰ দেউতা জন খুব ভাল নেকি আইতা?"

"উঁ, খুব ভাল।"

"তেন্তে ইমান দিনে কিয় মোক মৰম কৰিবলৈ যোৱা নাছিল?"

কি উত্তৰ দিব আইতাকে ভাবিকে নাপালে। নাতিয়েকৰ মুখতে আৰু এটা চুমা খাই ক'লে—

"বলা বোৱাৰী, ভিতৰলৈ বলা। আজিহে আমাৰ ঘৰলৈ শান্তি আহিল। আমি ইমান দিনে তোমাকে বাট চাই আছো বোৱাৰী।"

"বলা নৰৌ, বাহিৰত কিমান সময় বৈ থাকিবা।"

"জানা বোৱাৰী, তুমি যোৱাৰ দিন ধৰি ঘৰখনত শান্তি নোহোৱা হ'ল। সৰু বোপাও যে কলৈ গ'ল একো উমানকে নাপালো। সিও সাত বছৰৰ মূৰতহে অলপতে আহি ওলাইছে। বোপাৰ কপাল ভাল আছিল। এজন শুভাকাঙ্খী ব্যক্তিৰ আশ্ৰয়ত থাকি নিজৰ উদ্দেশ্য সফল কৰিব পাৰিলে। কিমান যে বেদনা নসহিলো, সৰু বোপা নাই, তুমি নাই, শেষত ডাঙৰ বোপাও যেতিয়া অসুস্থ হৈ পৰিল—মই দিনতে সকলো ফালে আন্ধাৰ দেখিলো। ভগৱন্তই

সকৰোপাক পঠাইছে কোনোমতে ঘৰখনলৈ শান্তি আনিলে।"

"আইতা, দেউতা দেখোন নাহে ?"

"আহিব সোণ, ফুৰিবলৈ গৈছে নহয়, তই অহা বুলি গমকে পোৱা নাই।"

"মোক এতিয়াই দেউতাক লাগে, এতিয়াই লাগে, তুমি গৈ তৎক্ষণাৎ মাতি আনা—কৰা বাতুলে মাতিছে। যোৱানা আইতা।"

বাতুলে প্ৰায় কান্দিবলৈ ধৰিলে। ইপিনে বাটতে বেণু অহা খবৰ পাই স্বপনে ভয় ভয়কৈ সোমাই দেখিলে ৰঘৰৰ ভিতৰতে মাকৰ লগত বেণুৰে কথা পাতিছে। দুৱাৰখন মেলি সোমাব খুজিয়েই পুত্ৰ বাতুলৰ সেই আব্দাৰ ভৰা, ঠন ধৰা কথা কেইষাৰ কাণত পৰাত স্বপন শোক আৰু অনুতাপত ম্ৰিয়মান হৈ পৰিল। দুৱাৰখন মেলি সোমাই গ'ল স্বপন, মূৰ তুলি চালে বেণুৱে। দুয়ো দুয়োলৈ কিছু সময় চাই থাকিল। চকুৰ অভিব্যক্তিৰে যেন স্বপনে বেণুৰ ওচৰত ক্ষমা বিচাৰিলে আৰু বেণুৱেও যেন চকুৰ ঠাৰেৰে বুজালে—তেওঁ একো দোষ কৰা নাই, যাৰ যাবে ক্ষমা বিচাৰিব লাগে। দোষ সৈহঁতৰ ভাগ্যৰ। তেনেতে মাকে বাতুলক কলে—

"বাতুল, চাচোন তোৰ দেউতাৰ আহিছে নহয়। যা দেউতাৰৰ কোলাত উঠগৈ। মই পাক ঘৰলৈ যাও, তোৰ ভোক লাগিছে নহয়।"

আইটাকে বাতুলক কোলাৰ পৰা নমাই ওলাই গ'ল। স্বপনে বাতুললৈ হাত দুখন আগবঢ়ালে। কঁপি উঠিল দুয়োখন হাত। কঁপা হাতেৰে কোলাত তুলি ললে বাতুলক—আলফুলকৈ চুমা এটি খাই বেণুলৈ চালে—

"বেণু ?"

আগবাঢ়ি আহি বেণুৱে গিৰীয়েকক সেৱা এটি কৰিলে। এখন হাতেৰে স্বপনে বেণুক তুলি ধৰি তাইৰ মুখৰ ফালে চাই থাকিল।

"তুমি মোক ক্ষমা কৰিবা বেণু—মই তোমাক—"

"হে যোৱা সেই নিৰ্মম অধ্যায়টো আমি পাহৰি থকাই ভাল। আপোনাক বেয়া পালে, খং কৰিলে মই জানো আপোনাৰ কাষ চাপি আহো, ক্ষমা খুজি লাজ দিয়ে কিয় ?"

ইমান সময়ে দেউতাকৰ মুখলৈ চাই থকা ৰাতুলে তেতিয়াহে মাতিলে।

"দেউতা, তুমি আমাৰ ঘৰলৈ কিয় যোৱা নাছিলা ?"

"সোণমইনা, মোৰ মনটি সদায় তোমাৰ কাষলৈ উৰি গৈছিল, মই মানুহটোহে যাবপৰা নাছিলো।"

"তোমাৰ মনখন হলে কাকো লগ পোৱা নাই দেউতা। উৰি গৈছিল যদি আকাশতহে আছিল, আমাৰ ঘৰ'ল যোৱা নাছিল।"

কিবা কব খুজিও স্বপন বৈ গ'ল। লাহে লাহে নিজৰ কোঠালৈ আগবাঢ়িল। ৰেণুও পিছে পিছে কৈ গ'ল। ঘৰলৈ আহি কুঞ্জনে ককায়েকৰ কোঠালৈ গৈ ককায়েক আৰু নবৌযেকক কথা পাতি থকা দেখি আনন্দ পালে। কাকো নমতাকৈ ঘূৰি আহিব খোজোতে ৰাতুলে মাত লগালে—

"মই আজি তোমাৰ কোলাত শুঠো খুড়াদেউ।"

"বাৰু, কাইলৈ কিন্তু উঠিব লাগিব দেই।"

ৰাতুলে 'উ' বুলি শলাগিলে। কুঞ্জনে আগবাঢ়ি গৈ ৰাতুলক চুমা এটি খাই ককায়েক আৰু নবৌয়েকৰ ফালে চাই প্ৰফুল্লভাৱে হাঁহিমাৰি কোঠাৰ পৰা ওলাই গ'ল।

"সোণমইনা তুমি ডাঙৰ হলে কি কৰিবা কোৱাচোন।"

"দেউতা মই খুড়াদেউৰ দৰে ডাঙৰ ডাক্তৰ হম। এডিনবাৰ্গলৈ যাম। এডিনবাৰ্গ বৰ ভাল ঠাই নহয় দেউতা ?"

"এৰা ভাল সোণমইনা।"

স্বপনে ৰেণুলৈ চালে। ৰেণুয়ে মাত্ৰ হাঁহিলে।

যোল্ল

অখণ্ডনীয় বিধিৰ বিধান। ককায়েকৰ ওচৰৰ পৰা গৈ কুঞ্জনে কাপোৰ সলাই ভাগৰ লগা যেন দেখি নিজৰ বিচনাত দীঘল দি পৰিল। হঠাতে অনুভৱ কৰিলে সি—শৰীৰ যেন অতি দুৰ্ব্বল। বিশেষ একো নাভাবি শুই থাকিল। জানি কৰি অহা বাবে তেনে হোৱা বুলি ভাবিলে সি। খোৱাৰ বিশেষ ইচ্ছা নাছিল যদিও নবৌয়েকে ভাত খাবলৈ মতাত বেয়া পাব বুলি কেই গৰাহমান খাই শুই থাকিল। সাধাৰণভাবে গা দুৰ্ব্বল—কাকো একো কোৱাৰ প্ৰয়োজন নহল কুঞ্জনৰ। ৰাতি পুৱালেই আৰাম পাই যাব। কিন্তু মাৰ্জৰাতি সাৰপাই সি অনুভৱ কৰিলে যে সি ভয়ানক ভাবে অসুস্থ। নিজৰ কপালত হাত দি চায়েই বুজিলে তীব্ৰ জ্বৰ। তথাপি বিশেষ একো নাভাবি অশেষ যন্ত্ৰণাৰ মাজতে ৰাতিটো কটালে। পিচদিনাখন মাকে তাক মাতি দিবলৈ গৈ আচৰিত হল তেনেই শেতাপৰি গৈছে সি—চকু মুখত স্পষ্টকৈ ফুটি উঠিছে তাৰ অসুস্থতা।

"তোৰ গা অসুখ কৰিছে নেকি সৰুবোপা?"

"মা, মই নিজেই ধৰিবপৰা নাই কি হৈছে। গোটেই ৰাতি চাটিফুটিকৈ আছো—তিলমানো টোপনি অহা নাই। ভয়ানক জ্বৰ।"

"জ্বৰ?"

মাকে কুঞ্জনৰ কপালত হাত দি চালে। অসম্ভৱ তপত। স্বপনক মাতিলে। দেউতাকো আহিল, বেণু আহিল। মুখখন ম্লান পৰি গৈছে তাৰ। অসহায় ভাবে সকলোৰে মুখলৈ চাই থাকিল সি।

"মা, মোৰ কি হ'ল মা? উহ্, কি যে যন্ত্ৰণা।"

কুঞ্জন অস্থিৰ হৈ পৰিল। যন্ত্ৰণাত দিহাহাৰা হৈ সি কেবল চটফটাই থাকিল।

"স্বপন বোপা, তই যাচোন, ডাক্তৰক খবৰ এটা দি আহগৈ।"

কথাখিনি কওঁতে দেউতাক নিৰাশ হৈ গ'ল। ৰাতিপুৱাৰ সেই

উজ্বল মুখ হঠাতে পুত্ৰৰ অস্থিৰতাত নিষ্প্ৰভ হৈ পৰিল। কি আচৰিত কথা। কিনো হ'ল এনেদৰে হঠাতে—নিজে ইমান জনাশুনা ডাক্তৰ হৈয়ো তাৰ মুখত কেৱল যন্ত্ৰণাৰ কথা, অস্থিৰতাৰ কথা? হায় বিধি! তোমাৰ পৰীক্ষাৰ শেষ কি হোৱাই নাই?

খবৰ পাই ডাক্তৰ লৰি আহিল, অলপো বিলম্ব নকৰিলে। ইতিমধ্যে যন্ত্ৰণাত কুঞ্জন প্ৰায় জ্ঞান হেৰুৱাৰ উপক্ৰম কৰিছে। ডাক্তৰে চালে—ভালদৰে নিৰীক্ষণ কৰিলে কুঞ্জনক। পালচ ৰেট ব্লাডপ্ৰেচাৰ ৰিডিং, শৰীৰৰ উত্তাপ আৰু ৰোগৰ লক্ষণ সমূহ—ডাক্তৰ হতবাক হ'ল। কিবা যেন বিসঙ্গতি—একোকে ধৰিব পৰা নাই, বুজিব পৰা নাই। ৰোগৰ লক্ষণ আচৰিত ধৰণৰ। কি ঔষধ দিব বা দিয়াতো উচিত হব ঠিৰাং কৰিব নোৱাৰি কিংকৰ্ত্তব্য বিমূঢ় হৈ পৰিল। বহু সময় চিন্তা কৰি ডাক্তৰে এটি ইন্‌জেক্‌চন দিবলৈ সিদ্ধান্ত কৰি জ্ঞানহীন হব খোজা কুঞ্জনৰ বাহুত সুমুৱাই দিলে। যাওতে স্বপনক কৈ গ'ল চহৰৰ পৰা এস্ ডি, এম্ অ'ক অনাই ভাল হব।

ইতিমধ্যে খবৰ পাই গাওঁৰ সকলো মানুহ আহি উমাশঙ্কৰৰ ঘৰ ভৰি পৰিল। এটি নিশাৰ ভিতৰতে হোৱা এই সন্তাপৰ পৰিণতিয়ে প্ৰতিজন ব্যক্তিৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। যিজন ব্যক্তিয়ে নিজৰ স্বাস্থ্যৰ কথাও চিন্তা নকৰি নিস্বাৰ্থভাবে মানৱ সেৱা কৰি এখন গাওঁৰ মানুহক দুৰ্দ্দশাৰ কৰালগ্ৰাসৰ পৰা উদ্ধাৰ কৰিলে, তেওঁৰ হঠাতে এয়া কি হ'ল? সকলোৱে ভগবানক খাটিলে, কুঞ্জন যাতে সোনকালে আৰোগ্য হয়। নামঘৰত কীৰ্ত্তন আৰম্ভ কৰিলে, মচ্‌জিদত আজান দিলে—গোটেই গাওঁ শোকত ম্ৰিয়মান হৈ পৰিল।

পিচদিনা খবৰ পোৱা মাত্ৰেই চহৰৰ পৰা মহকুমাৰ স্বাস্থ্যবিষয়া ডাঃ গুপ্তাই অলপো বিলম্ব নকৰি নিজৰ গাড়ী লৈয়ে আহিল। কিন্তু ৰোগীক পৰীক্ষা কৰি তেওঁ চিন্তাক্লিষ্ট হৈ পৰিল। কুঞ্জন তেতিয়া

সম্পূৰ্ণ সংজ্ঞাহীন, মুখখন ক্ৰমান্বয়ে শেতা হৈ আহিছে, উশাহ লওতে যেন কষ্ট হৈছে। প্ৰতিজন ব্যক্তিয়ে ডাঃ গুপ্তাৰ চিন্তাক্লিষ্ট মুখখন দেখি হতাশ হৈছে যদিও কিবা এক অহেতুক আশাৰে যেন ডাক্তৰৰ মুখলৈ অনুসন্ধিৎসু প্ৰশ্নেৰে চাই আছে—কাৰো মুখত মাত নাই, মাথো জিজ্ঞাসা—সিহঁতৰ প্ৰাণৰো আপোন কুঞ্জনক সিহঁতৰ মাজত পাই থাকিবনে ?

ডাঃ গুপ্তাই সকলোৰে মুখলৈ চালে। কিমান আশাৰে যে বাট চাই আছে। ৰেণু কুঞ্জনৰ মূৰ শিতানত বহি আউলীবাউলী হৈ নীৰৱে চকুলো টুকিছে—ৰ' লাগি চাই আছে সেই শেতাপৰা মুখখন—যিখন মুখৰ উজ্জলতাই এদিন তাইৰ মন বিভোৰ কৰিছিল। কিন্তু কিয় এনে হ'ল ? কাৰবাবে হ'ল ? এয়া যেন তাইৰ পৰাজয়—তাই যেন হাৰি গ'ল। তাইৰ দৰদী হৃদযত অভিমানী কুঞ্জনক আবদ্ধ কৰি ৰাখিব নোৱাৰিলে।

মাকে দূৰৈত চুক এটাত বহি কান্দোনত ভাগি পৰিছে, কিমান আশা, কিমান হেঁপাহেৰে বোপাই আহিছিল মাকৰ কাষলৈ। এই চেনেহৰ এনাজৰী সঁচাকৈয়ে চিঙি যাব নেকি ? মাকে আৰু ভাবিব নোৱাৰিলে—একেথৰে চাই থাকিল কুঞ্জনৰ ফালে—ক'ত আছে সঞ্জীৱনী সুধা ? প্ৰাণৰ বিনিময়তো যেন আনি দিব সেই সঞ্জীৱনী।

সকলোকে উদ্দেশ্যি এটা সময়ত ডাক্তৰ গুপ্তাই কলে—"চিন্তা নকৰিবচোন, ভাল হৈ যাব।" কৈযে ডাং গুপ্তা কোঠাৰপৰা ওলাই আহিল, স্বপনক কাষলৈ মাতিলে, গোপনে থোকাথুকি মাতেৰে কলে—

"জীৱনত এনে এটা কেচ মই আগতে কেতিয়াও পোৱা নাই চৌধুৰী, তথাপি পাৰ্য্যমানে চেষ্টা কৰিম। অহাকালি জিলাৰ স্বাস্থ্য বিষয়াকো লগতে লৈ আহিম। আজিৰ ঔষধপাতি খিনি ভালদৰে খুৱাব। জ্ঞান আহিলে অলপ কথা কবলৈ সুবিধা দিব। ডাক্তৰ কুঞ্জন চৌধুৰীৰ দৰে এজন মহান ব্যক্তিক যদি সঁচাকৈয়ে হেকৱাও, এয়া

দেশৰ কাৰণে এক ভয়ঙ্কৰ ক্ষতি হ'ব। প্ৰাণপণে চেষ্টা কৰি চাম—বাকীখিনি ভগবানৰ হাতত। ভগবানত আস্থা আৰু বিশ্বাস ৰাখক। আহোঁ এতিয়া।"

স্বপনে অনুভৱ কৰিলে তেওঁৰ মূৰৰ ওপৰত যেন এখন পাহাৰ খহি পৰিল।

জ্ঞান পোৱাৰ পিচত কুঞ্জনে মাক আৰু নবৌয়েকক বুজালে—"মা, নবৌ, তোমালোকে কিয় কান্দিছা? মই গুচি যাম বুলি ভয় কৰিছা নেকি? নাকান্দিবি মা। নবৌ তুমিও নাকান্দিবা—মই ভাল হ'ম নহয়, মই সুস্থ হৈ উঠিম—তোমালোকৰ বাবে, আৰু আৰু"—কুঞ্জনে কব নোৱাৰিলে—শেতা মুখখন যেন ক্ষন্তেকৰ বাবে দীপ্ত হৈ উঠিল, দুই ওঠৰ মাজত বিৰিঙি উঠিল অপষ্ট হাঁহিৰ ক্ষীণ আভা।

"বাপু?"

ৰেণুৱে আৰু একো কব নোৱাৰিলে। হুকহুকাই কান্দি দিলে। স্বপনে মাকক আৰু ৰেণুক ইঙ্গিতেৰে কান্দিবলৈ বাধা কৰিলে।

"কুঞ্জ, অলপো ভাল লগা নাই তোৰ?"

"ককাইদেউ"—কুঞ্জনে আকৌ এবাৰ হাঁহিলে। কি কব? ভাল লগা নাই বুলি কবনে?

"সকলোবোৰ কথা তোমালোকক কৈছোঁৱে ককাইদেউ। মাক, নবৌক, তোমাক—সকলোকে কৈছোঁ। সতীশ বৰুৱা মোৰ শ্ৰদ্ধাভাজন পিতৃ স্বৰূপ। অতি সোনকালে তেখেতলৈ এখন টেলিগ্ৰাম কৰা, নাজিৰা চাহ বাগিছাৰ ঠিকনাত। মোৰ খবৰটো জনোৱা। তেখেত মোৰ—উহ্, নাজানো কি হয়।"

"ভাল লগা নাই কুঞ্জ? অলপো ভালপোৱা নাই?"

"নিশাজনীলৈ বৰকৈ মনত পৰিছে ককাইদেউ।"

"কুঞ্জ, তোৰ চকুত পানী কিয়? তই ভাল হবি কুঞ্জ, জিলাৰ স্বাস্থ্য বিষয়া অহাকালি আহি পাব। মই তোক মোৰ যথাসৰ্বস্ব দিও ভাল কৰিম কুঞ্জ।"

"ককাইদেউ, মোৰ মৰমৰ নবৌজনীক সদায় মৰম কৰি থাকিবা। কেতিয়াও তেওঁক আঘাট নিদিবা।"

"মই তোক কথা দিছো কুঞ্জ, জীৱনত কোনো দিন মই ৰেণুৰ মনত আঘাট নিদিও। তই এইবোৰ ভাবিব নালাগে কুঞ্জ। তই ভাল হব লাগিব।"

"টেলিগ্ৰাম ককাইদেউ? সোনকালে কৰা, নহলে বহুত পলম হৈ যাব ককাইদেউ।"

"মই সকলো ব্যবস্থা কৰিম কুঞ্জ, তই একো চিন্তা নকৰিবি। এই এতিয়াই টেলিগ্ৰাম কৰাৰ ব্যৱস্থা কৰিম।"

জীৱনৰ অন্তিম মুহূৰ্ত্ত উপস্থিত বুলি জানিব পাৰি কুঞ্জন ইন্দুৰ কথা সুঁৱৰি মৰ্মাহত হ'ল। "ইন্দুজনী মোৰ, তোমাৰ হাতৰ এটি মাত্ৰ স্পৰ্শ লাভৰ সোৱাদ আৰু তোমাৰ মুখৰ এটিমাত্ৰ শব্দ শুনাৰ সৌভাগ্যতে মোৰ জীৱন লীলাৰ সকৰুণ সামৰণি। মাত্ৰ তোমাৰ আত্যন্তিক স্নেহ আৰু অব্যক্ত অনুৰাগৰ স্বপ্নাকুল স্মৃতিৰ গভীৰতাত মই আজি নিমজ্জিত। পোৱাৰ তীব্ৰ হেঁপাহ আৰু নোপোৱাৰ তিক্ত বেদনাৰ দ্বন্দ্বত মই হাৰি গলোঁ। মই তোমাক সুখী কৰিব নোৱাৰিলো ইন্দু মই তোমাৰ কাষলৈ উভতি যাব নোৱাৰিলো। তুমি মোক ক্ষমা কৰিবা।"

সকলো মিছা হ'ল। সকলোকে প্ৰতাৰণা কৰি পিচদিনা আবেলি দুটামান বজাত কুঞ্জন গুচি গ'ল স্ব-স্থানলৈ, নিশাৰ কাষলৈ। হিয়াধুনি কান্দিলে ৰেণুৱে, কান্দি কান্দি মাকৰ চকুৰপানী শেষ হৈ গ'ল। খবৰ পাই উধাতু খাই লৰি অহা প্ৰতিমা, দ্বিবন কাকতী, নিজৰ চকুতে বিশ্বাস হেৰুৱাই পেলোৱা বিমান—তোমালোকৰ কান্দোনেতো আৰু কুঞ্জনক ওভতাই আনিব নোৱাৰে।

ইফালে সন্ধিয়া টেলিগ্ৰামখন পাই সতীশ বৰুৱা অতি আচৰিত হ'ল। কুঞ্জনৰ পৰা সদায় চিঠি পাই আছে, ভালে কুশলে আছে

সি, গাৱঁৰ মানুহখিনিক আৰোগ্য কৰিব পাৰিছে, মাত্র ককায়েকৰ অসুস্থতাৰ বাবে উভতি যোৱাত কিছুদিন পলম কৰিবলগীয়া হ'ল। ইন্দুৰ সতে হবলগীয়া তাৰ বিয়াৰ কথা ঘৰৰ সকলোকে জনাইছে, সকলোৱে সানন্দে সন্মতি দিছে। অথচ হঠাতে এনে এটা শোকার্ত্ত বার্ত্তা কঢ়িওৱা এইখন টেলিগ্রাম? বিবুদ্ধি হৈ পৰিল বৰুৱা। ঘৈণীয়েকৰ লগত তেওঁ কথাতো আলোচনা কৰিলে। দোকমোকালিতে ৰূপহীপামলৈ ৰাওনা হোৱাৰ মানসেৰে আতৰণত বিবুদ্ধি নহৈ ধৈর্য্য ধৰি থাকিল। বৰুৱানীয়ে হতাশ মনেৰে চকুলো টুকি গোসাঁই ঘৰলৈ গ'ল—কুঞ্জনৰ আশু আৰোগ্য কামনা কৰি প্রার্থনা জনালে। কুঞ্জনে যে তেওঁলোকৰ সমস্ত হিয়া অধিকাৰ কৰি আছে, কুঞ্জন যে তেওঁলোকৰ চকুৰ মণি, আশাৰ প্রদীপ।

ইন্দুয়ে সকলো শুনিলে—মাকৰ কোলাত মূৰ গুজি গোটেই ৰাতি কান্দিলে। পিচদিনা ৰাতিপুৱাই দেউতাকৰ সতে তাইও যাবলৈ ওলাল। গোটেই হিয়া যেন তাইৰ পুৰি ছাই হৈ গ'ল, দুচকুৰে যেন মাত্র এন্ধাৰ দেখিলে, অসহনীয় শোক আৰু যাতনাৰ আতিশয্যত বিমোৰ হৈ পৰিল, কিবা এক অবুজনীয় আশংকাত আতঙ্কিত হৈ দেউতাকক সাবতি ধৰি মাত্র কলে—"মোকো তেওঁৰ কাষলৈ লৈ বলা দেউতা।"

দূৰদর্শী বৰুৱাই বহুত বুজাই বঢ়াই ইন্দুক এৰি থৈ গ'ল। ইন্দুৱে চকুৰে বাট নেদেখা হ'ল। মাকক সাবতি ধৰি কান্দি কান্দি বিয়াকুল হ'ল। মাকৰো ভাষা স্তব্ধ—বুজাবলৈ কোনো নাই, সেই অশ্রুধাৰাক বাধা দিবলৈ কোনো নাই। যদি কুঞ্জন উভতি আহিব নোৱাৰে, তেন্তে তাই কাক লৈ জীয়াই থাকিব? কুঞ্জন অবিহনে তাইৰ আৰু কোন আছে?

"তোমালোকে মোক কিয় যাব নিদিলা মা? তেওঁতো মোক লগত লৈ যাব খুজিছিল। কিয় বাধা দিলা মা? মই ছাঁৰ দৰে তেওঁৰ কাষে কাষে থাকিলোহেতেঁন, কোনো অপায় অমঙ্গলকে মই

তেওঁৰ কাষ চাপিব নিদিলোহেঁতেন, মৰমেৰে সৰ্ব্বদা মই তেওঁক সজীৱ কৰি ৰাখিলোহেঁতেন। মোক কিয় যাব নিদিলা মা—যদি তেওঁ মোৰ কাষলৈ উভতি নাহে? মোৰ কি হব মা—মই—"

"মাজনী, কুঞ্জন মোৰ জানো সন্তান নহয়? মোৰ হৃদয় জানো দহা নাই? সকলো ভগবানৰ ইচ্ছা। তুমি মই নিমিত্ত মাত্ৰ। ভগবন্তক মিনতি জনোৱা যাতে বোপাই সোনকালে তোমাৰ কাষলৈ ঘূৰি আহিব পাৰে।"

উমাশঙ্কৰ চৌধুৰীৰ ঘৰ লোকে লোকাৰণ্য। কুঞ্জনৰ অকাল বিয়োগৰ বাতৰি নিমিষতে ৰূপহীপামত বিযপি পৰিল। মৃতকক শেষ দৰ্শন দিবলৈ যিযে যেনেকৈ আছে তেনেকৈ দৌৰিলে। প্ৰতিজন ব্যক্তিৰ নয়ন সিক্ত, মুখত বিষাদৰ ছা, বাকৰুদ্ধ মাত্ৰ মৃতকৰ প্ৰতি নিষ্পলক দৃষ্টি। কুঞ্জনৰ সেইটি নশ্বৰ দেহ—কিহেৰে যেন মুপূজিব সিহঁতে? সিহঁতৰ মনত কুঞ্জন যে দেৱতাৰ সদৃশ। হায় বিধি! দেৱতাৰো জানো মৰণ হয়? নহয়, কুঞ্জন চৌধুৰীৰ মৃত্যু হোৱা নাই, ৰূপহীপামত কুঞ্জন কোনো দিনে নমৰে, সদায় অমৰ হৈ ৰ'ব।

লাহে লাহে কুঞ্জনৰ মৃতদেহ চাঙীত উঠিল—সেই শোকাবহ দৃশ্যটি বৰ্ণাবলৈ ভাষা নাই—সেইজনী বেণুৰ হৃদয় বিদীৰ্ণ কৰি ওলাই অহা ক্ৰন্দনক বাধা দিবলৈ, সেইজনী প্ৰতিমাৰ ৰাউচী জোৰা কান্দোনক ভেটিবলৈ কোনো শক্তি নাই।

ধূপধূনা আৰু বিবিধ মাল্যদানেৰে সুশোভিত মৃতদেহৰ সৈতে শোকাতুৰ ৰূপহীপামবাসী শ্মশান অভিমুখে শোভাযাত্ৰা কৰিলে, ল'ৰাৰ পৰা বুঢ়ালৈকে কোনো বাদ নপৰিল। সকলোৱে মৃতকৰ প্ৰতি শেষ শ্ৰদ্ধা জনাবলৈ মৃতদেহৰ লগে লগে আগবাঢ়ি গ'ল—

"শ্মশান ঘাটে যোৱা নৱতনু দেহা ও

ইতিমধ্যে সতীশ বৰুৱা আহি কুঞ্জনৰ ঘৰ পাই সকলো শুনি

বজ্ৰাহত হ'ল। নিৰ্ব্বাক নিস্পন্দ হৈ কিছু সময় দূৰ দিগন্তলৈ চালে। মেঘাচ্ছন্ন আকাশ। লাহে লাহে গাড়ীত উঠি বৰুৱা শ্মশান অভিমুখে যাত্ৰা কৰিলে। শ্মশান পাই দেখিলে—কুঞ্জনৰ মৃতদেহ চিতাত তুলিছে মাত্ৰ। ধীৰ পদক্ষেপেৰে আগবাঢ়ি গৈ মৃতদেহ চুই বৰুৱাই কিবা ভাবিলে—চকুলো মচিমচি শেষত মৃতকক শেষ প্ৰণাম জনাই ধীৰে ধীৰে পুনৰ গাড়ীখনৰ ফালে আগবাঢ়িল। কাকো মাতবোল নকৰাকৈ গাড়ীত বহিল।

তেতিয়া সাঁজ লাগো লাগো, শ্মশানঘাট মানুহে ভৰি পৰিছে। মানুহ আহিছে, মৃতকক শেষ প্ৰণাম জনাই গুচি গৈছে। অদূৰত কিছুমানে নামকীৰ্ত্তন কৰিছে, কিছুমানে টোকাৰী লৈ দেহ বিচাৰৰ গীত গাইছে, প্ৰত্যেকৰে মন শোকাতুৰ।

চাওঁতে চাওঁতে কুঞ্জনৰ নশ্বৰ দেহ ছাই হৈ গ'ল। মানুহ কমি আহিল। ভস্মীভূত চিতাৰ ফালে চাই শোকাকুল উমাশঙ্কৰ বলিয়াৰ দৰে হৈ কুঞ্জন কুঞ্জনকৈ চিৎকাৰ কৰি উঠিল। বহুতে বুজাই বঢ়াইহে তেওঁক ঘৰলৈ নিলে। ৰমানন্দই সখিয়েকক হাতত ধৰি ওৰে বাটটো চকুলো টুকিলে।

সকলোৰে শেষত স্বপনে সকৰুণ দৃষ্টিৰে চিতাৰ ফালে শেষ বাৰলৈ চাই ঘৰলৈ উভতিব খোজোতেই দেখিলে ডাঃ গুপ্তা আৰু জিলাৰ স্বাস্থ্য বিষয়া জীপ এখনৰ পৰা নামি আহিছে। দুয়োগৈ ভস্মীভূত চিতাক প্ৰণাম জনাই স্বপনৰ কাষলৈ আগবাঢ়ি আহিল। ডাক্তৰ গুপ্তাই স্বপনক বুজালে—

"কুঞ্জন চৌধুৰীক অকল আপুনিয়ে হেৰুওৱা নাই মিঃ চৌধুৰী। আমি হেৰুৱাইছো, গোটেই অসমবাসীয়ে হেৰুৱাইছে এটি জাগি উঠা মহান প্ৰতিভা। শোক কৰিবলৈ ভাষা নাই, কান্দিবলৈ চকুৰ লোটক নাই—মাত্ৰ আবেগ ভৰা প্ৰাৰ্থনা—তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক।"

স্বপন ঘৰ আহি পোৱাত ৰাতি ভাগেমান হ'ল। গা ধুই উঠি কুঞ্জনৰ বন্ধে ৰা ফটো এখন উলিয়াই চাই চাই নীৰৱে উচুপি থাকিল। ৰাতু'ল সোমাই আহি সুধিলে—

"খুৰাদেউক ক'ত এৰি আহিলা দেউতা?"

"শ্মশানত সোণমইনা।"

"খুৰাদেউ আৰু নাহে নেকি?"

"নাহে সোনমইনা আৰু কেতিয়াও নাহে।"

ফেকুৰি উঠিল ৰাতুল। সিক্ত হ'ল স্বপনৰ দুটি নয়ন। কম্পিত স্বৰেৰে ক'লে—

"সোণ মইনা, সিদিন' তুমি যে কৈছিলা, ডাঙৰ হ'লে খুৰাদেউৰ দৰে ডাঙৰ ডাক্তৰ হম— হবানে?"

"হম দেউতা। মই ডাঙৰ ডাক্তৰ হম মই খুৰাদেউৰ দৰে এডিনবাৰ্গলৈ যাম।"

ৰাতুলক সাবতি ধৰি স্বপন কান্দি উঠিল। এৰা, কুঞ্জনে অবশেষত নিজকে ফাঁকি দিলে। আনৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰি অন্য পৃথিবীলৈ গুচি গ'ল। সেই অন্য পৃথিৱীৰ অন্য এক দিগন্তৰ অন্য পাৰত থাকিয়ে তাৰ আত্মাই শান্তি পাওক।

"Life is worth all its sufferings when there is faithful friend to weep with us" □□